# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

14
২011-2012



সম্পাদক ঃ পাৰ্থ প্ৰতীম চৌধুৰী

Scanned with CamScanner



প্ৰাক্তন ছাত্ৰ সমাৰোহ, ৮ ফেব্ৰুৱাৰী, ২০১২ ৰ মুকলি সভাত উপস্থিত থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একাংশ



ALUMNI ASSOCIATION
(2012-13)
B. P. CHALIHA COLLEGE NAGARBERA

*Executive Body*






নৱাগত আদৰণি সভাৰ দুটি বৰ্ণিল মুহূৰ্ত

Scanned with CamScanner

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

চতুৰ্দশ সংখ্যা ঃ ২০১১-২০১২

# BIMALA PRASAD CHALIHA COLLEGE MAGAZINE

14 th issue : 2011-2012

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
নগৰবেৰা, কামৰূপ (অসম)
Bimala Prasad Chaliha College
Nagarbera, Kamrup (Assam)

প্ৰীতি আৰু শুভেচ্ছাৰে......

প্ৰতি

..........................................................................................

..........................................................................................

ড° বিভূতি ভূষণ পাণ্ডা
*সভাপতি*

দীপ্তিৰেখা পাঠক মজুমদাৰ
আব্দুল জব্বাৰ
*তত্ত্বাৱধায়ক শিক্ষকদ্বয়*

পাৰ্থপ্ৰতীম চৌধুৰী
*সম্পাদক*

Scanned with CamScanner

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

চতুৰ্দশ সংখ্যা (২০১১-২০১২ বৰ্ষ)

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় 'ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ তত্ত্বাৱধানত 'ছাত্ৰ একতা সভা'ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত।




**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| সভাপতি | : | ড° বিভূতি ভূষণ পাণ্ডা |
| তত্ত্বাৱধায়ক শিক্ষকদ্বয় | : | দীপ্তিৰেখা পাঠক মজুমদাৰ |
| | | আব্দুল জব্বাৰ |
| উপদেষ্টামণ্ডলী | : | আব্দুল হাকিম |
| | | নগেন্দ্ৰ নাৰায়ণ দেৱান |
| | | নিৰ্মল চন্দ্ৰ ভোই |
| সম্পাদক | : | পাৰ্থপ্ৰতীম চৌধুৰী |
| শিক্ষক সদস্য | : | শ্যামা চৰণ ঠাকুৰীয়া |
| | | ভূমিজা বৰ্মন কলিতা |
| ছাত্ৰ সদস্য | : | টিংকু ঠাকুৰ |
| | | লিংকেন চৌধুৰী |
| | | অৰ্পিতা পাটোৱাৰী |
| | | অজন্তা কলিতা |
| প্ৰচ্ছদ | : | মুকুট ঠাকুৰীয়া |
| স্কেচ্ছ | : | মুকুট, নৱাকাশ |
| অলংকৰণ | : | সম্পাদনা সমিতি |
| ছপা | : | কলহী অফছেট প্ৰেছ, ছয়গাঁও<br>ছয়গাঁও, কামৰূপ (অসম) |

Scanned with CamScanner

## একাঁজলি শ্ৰদ্ধাঞ্জলি

জীৱন নাটৰ যৱনিকা পেলাই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা বিশিষ্ট ব্যক্তিসকল ক্ৰমে প্ৰথিতযশা চিত্ৰশিল্পী শোভা ব্ৰহ্ম, বিশিষ্ট লেখক অম্বিকা চৰণ চৌধুৰী, প্ৰসিদ্ধ কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ চাৰু গোহাঁই, গায়িকা তুলিকা সেনাপতি, প্ৰথিতযশা কথাশিল্পী, সাহিত্য অকাডেমিৰ অধ্যক্ষ সুনীল গঙ্গোপাধ্যায়, প্ৰখ্যাত চেতাৰ বাদক ৰবিশংকৰ, শংকৰদেৱ বঁটা বিজয়ী বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া, বিশিষ্ট বুদ্ধিজীৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য দেৱ প্ৰসাদ বৰুৱা, নগৰবেৰা মৌজা কমিটিৰ প্ৰাক্তন সম্পাদক তথা সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য, বিশিষ্ট সমাজকৰ্মী নগেন দাস, নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ গোবিন্দ চন্দ্ৰ নাথ, কবিতাৰে বুৰঞ্জী ধৰি ৰাখিব বিচৰা প্ৰথিতযশা কবি, কৌতুক অভিনেতা বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্যলৈ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা একাঁজলি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

—সম্পাদনা সমিতি

# কৃতজ্ঞতাৰ শৰাই

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ চতুৰ্দ্দশ সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত আৰ্থিক সাহাৰ্য আগবঢ়োৱা অসম চৰকাৰৰ শিক্ষা বিভাগ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অখিল কুমাৰ মেধি, বকো সমষ্টিৰ বিধায়ক গোপীনাথ দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° উপেন ৰাভা হাকাচাম, লেখক-লেখিকাসকল, ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল, বিভিন্ন দিহা-পৰামৰ্শেৰে উৎসাহ যোগোৱা শিক্ষকমণ্ডলী, কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ।

—সম্পাদনা সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

অধ্যাপক অখিল কুমাৰ মেধি
উপাচাৰ্য
**Prof. O.K. Medhi**
Vice-Chancellor

Estd. : 1948

Gopinath Bardoloi Nagar
Guwahati- 781014, Assam : India
গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী- ৭৮১০১৪, অসম : ভাৰত

# MESSAGE

It gives me immense pleasure to learn that B.P. Chaliha College, Nagarbera, Kamrup is going to publish its Annual College Magazine for the session 2011-12 very soon.

I hope that the Magazine which they are going to publish will reflect the hidden potential and useful articles of the students.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

(Prof. O.K. Medhi)

Date : 07. 02. 2013

Scanned with CamScanner

Gopi Nath Das, *MLA*
48-Boko (S/C) Constituency

Phone No : 0361-2472254 (R)
094350-49580 (M)

Vill- Dokuchi, P.O.- Nagarbera
Dist.- Kamrup (Assam)

Ref. No...............

Date.......................

# শুভেচ্ছা বাণী

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনৰ চতুৰ্দশ সংখ্যাটি প্ৰকাশ কৰিবলৈ যো-জা কৰা হৈছে বুলি জানিব পাৰি আনন্দ পাইছোঁ। এইখন মহাবিদ্যালয়তে মোৰ জীৱনৰ মূল্যবান সময়খিনি পাৰ কৰি উচ্চ শিক্ষা গ্ৰহণ কৰিছোঁ। সেয়েহে এই জ্ঞানৰ মন্দিৰটো মোৰ অতি মৰমৰ। সুদীৰ্ঘকাল মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে থাকি এই মৰমৰ বান্ধোন আৰু সুদৃঢ় হৈ পৰিছে।

যোৱা দুকুৰি বছৰে এই মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞানৰ আলোক বিলাই সমগ্ৰ অঞ্চলটোতে এক বৌদ্ধিক পৰিবেশৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এই জয় যাত্ৰা অব্যাহত ৰৈ ৰওক।

মহাবিদ্যালয়ৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক প্ৰতিভা বিকাশত উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। এই আলোচনীখনো সাহিত্য তথা জ্ঞান-বিজ্ঞান চৰ্চাৰ উৎকৃষ্ট ক্ষেত্ৰ হৈ পৰাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালৈও অৰিহণা আগবঢ়াব বুলি আশা ৰাখিলোঁ।

(গোপীনাথ দাস)
বিধায়ক, বকো সমষ্টি
তাং-১৪/০২/২০১৩ইং

Scanned with CamScanner

Dr. B.B. Panda
*Principal,*
B.P. Chaliha College, Nagarbera
Kamrup, Assam



It provides me immense pleasure to learn that BPCC Students, Union is going to publish its fourteenth issue of College Magazine shortly. A Magazine is the repository of an Institution's Students and teachers' talent, skill, thinking and aspiration. Classrooms are places where the future of a nation is being designed and hence it is no exaggeration to state that a College Magazine is the reflection of thoughts and ideas of those who are going to be the torch bearers of the society in future. I thank the Govt. of Assam for providing financial assistance for the publication of this magazine. I sincerly hope that the present issue of the magazine will be a sincere and significant step in portraying the thoughts and ideas of the students and teachers of the College. I wish the magazine all success.

B. B. Panda

Scanned with CamScanner



কৰ্মৰত অৱস্থাত অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা

## সম্পাদনা সমিতি



বহি (বাওঁফালৰ পৰা) ঃ অধ্যাপক আব্দুল জব্বাৰ (তত্ত্বাৱধায়ক), অধ্যাপক দীপ্তিৰেখা পাঠক মজুমদাৰ (তত্ত্বাৱধায়ক), অধ্যাপক নিৰ্মল চন্দ্ৰ ভৌই, আব্দুল হাকিম (উপদেষ্টা), অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা (সভাপতি), অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া (শিক্ষক সদস্য), অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱান (উপদেষ্টা)
থিয় হৈ (বাওঁফালৰ পৰা) ঃ দিকেন চৌধুৰী (ছাত্ৰ সদস্য), পাৰ্থ প্ৰতীম চৌধুৰী (সম্পাদক), অৰ্পিতা পাটোৱাৰী (ছাত্ৰ সদস্য), টিংকু ঠাকুৰ (ছাত্ৰ সদস্য)
(ফটোত নাই— ভূমিজা বৰ্মন কলিতা (শিক্ষক সদস্য), অজন্তা কলিতা (ছাত্ৰ সদস্য)




TET ৰ কোচিং প্ৰগ্ৰামত স্থানীয় বিধায়ক গোপীনাথ দাস



মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসত মহাবিদ্যালয় পৰিচালনা সমিতিৰ
সভাপতি শ্ৰীযুত উদয় চন্দ্ৰ তালুকদাৰ



দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান, ২০১১ ত ভাষণৰত
বিশিষ্ট আবৃত্তিকাৰ আৰু কবি ভূপেন চক্ৰৱৰ্ত্তী



দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান, ২০১২ ত
বিশিষ্ট কণ্ঠশিল্পী লোকনাথ গোস্বামী



*উচ্চ শিক্ষাত প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ* শীৰ্ষক বক্তৃতা প্ৰদান কৰিছে
হায়দৰাবাদৰ Indian School of Business ৰ
Information Tehnology বিভাগৰ সঞ্চালক জিতেন নাথে




জৈৱ বৈচিত্ৰ সম্পৰ্কীয় চেমিনাৰত ভাষণৰত
নেচাৰ্চ বেকনৰ সঞ্চালক সৌম্যদীপ দত্ত




মহাবিদ্যালয় মহিলা সবলীকৰণ কোষৰ দ্বাৰা আয়োজিত *মহিলাৰ
স্বাস্থ্য সমস্যা* শীৰ্ষক বক্তৃতানুষ্ঠানত ডাঃ হেমেন নাথ



মহাবিদ্যালয় পুথিভঁৰালত অধ্যয়ণৰত ছাত্ৰ-ছাত্ৰী

Scanned with CamScanner



মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ



ছাত্ৰ একতা সভা (২০১১-১২ ইং)

বহি (বাওঁফালৰ পৰা)ঃ টিংকু ঠাকুৰ (ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক), অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা (সভাপতি), পিংকু মেধি (উপ-সভাপতি)।
থিয় হৈ (বাওঁফালৰ পৰা)ঃ আফজালুৰ ৰহমান (সম্পাদক, ক্ৰীড়া বিভাগ), আব্দুছ ছামাদ আহমেদ (সম্পাদক, সমাজ সেৱা), ভাস্কৰ ঠাকুৰীয়া (সম্পাদক, গুৰু খেল), পাৰ্থ প্ৰতীম চৌধুৰী (সম্পাদক, আলোচনী), বাবুল ঠাকুৰীয়া (সম্পাদক, সাংস্কৃতিক বিভাগ), আব্দুল ওৱাহিদ আহমেদ (সম্পাদক, লঘু খেল), ছদ্দাম হুছেইন (সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ), আমিনুল ইছলাম (সম্পাদক, ছাত্ৰ জিৰণি কোঠা)।



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ

Scanned with CamScanner

# সম্পাদকীয়

*'বাজক দবা, বাজক শঙ্খ, বাজক মৃদঙ্গ খোল।*
*অসম আকৌ, উন্নতিৰ পথত, জয় আই অসম বোল।।'*

প্ৰত্যেক জাতিয়ে নিজৰ ভাষা-সাহিত্য-সংস্কৃতি আদি অন্তঃকৰণেৰে ভাল পায় আৰু ইয়াৰ শ্ৰীবৃদ্ধিৰ বাবে যথেষ্ট চেষ্টা কৰে। ভাষা এজোপা গছ, সাহিত্য সেই গছত ফুলা একোপাহ সুবাসিত ফুল। এই গছডাল সজীৱ তথা সতেজ কৰি ৰাখিবলৈ হ'লে আমাৰ ভাষাত সভ্যতা-সংস্কৃতিৰ ৰূপান্তৰ, ইতিহাস, বিজ্ঞান, দৰ্শন আদি বিভিন্ন বিষয়ৰ পৰ্যাপ্ত পৰিমাণে গ্ৰন্থ প্ৰস্তুত হোৱা দৰকাৰ। এই কথা সত্য যে ভাষা সমৃদ্ধিশালী হ'লেহে সাহিত্যও সমৃদ্ধিশালী হ'ব। সভ্যতা আৰু সংস্কৃতিয়ে পৰিবৰ্ধিত ৰূপ ধাৰণ কৰাৰ লগে লগে আমাৰ ভাষালৈও বহু নতুন শব্দ আহিছে। গ্ৰহণ-বৰ্জনৰ জৰিয়তে সি নিজস্ব ৰূপ পাইছে। সাম্প্ৰতিক সময়ত আমাৰ কথা-বতৰাত ইংৰাজী ভাষাৰ শব্দ প্ৰয়োগৰ প্ৰৱণতা বাঢ়ি গৈছে। ফলত আমাৰ সুৱদী সুৰীয়া ভাষাটোৰ স্বকীয়তা হেৰাই যাবলৈ উপক্ৰম হৈছে। আমাৰ ভাষাৰ নিজস্ব সুৰ, লয়, মাধুৰ্য আদি আছে। সেয়ে মনৰ ভাব প্ৰকাশ কৰিবলৈ অইন ভাষাৰ অযথা সহায় লোৱাৰ যুক্তিযুক্ততা ক'ত? আনহাতে ভুল বানান, ভুল উচ্চাৰণ, ভুল বাক্য গাঁথনি, বিসংগতিপূৰ্ণ শব্দৰ ব্যৱহাৰ আদিয়েও আমাৰ ভাষাৰ ওপৰত মাধমাৰ শোধাইছে। ভাষা শুদ্ধকৈ কোৱা আৰু লিখাৰ ক্ষেত্ৰত বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমৰ গুৰুত্ব অতি বেছি। সেয়েহে এই মাধ্যমৰ কৰ্মকৰ্তাসকল এই দিশত অধিক সজাগ হ'ব হ'ল। ভাষা পৰিবৰ্তনশীল। ই এক স্বাভাৱিক কথা। কিন্তু এই পৰিবৰ্তন দ্ৰুতগামী বেলৰ দৰে নহয়, এই পৰিবৰ্তন ঘড়ীৰ কাঁটাৰ দৰে ধীৰ, স্থিৰ, মন্থৰ গতিৰ হোৱা উচিত।

আমাৰ চৌদিশৰ সমাজখনলৈ চকু ফুৰালে বৰ্তমান সময়ত বিভিন্ন অবাঞ্ছিত, অসামাজিক ঘটনাই সমাজজীৱন বঘুমলাৰ দৰে ছানি ধৰা দেখা পাওঁ। শিক্ষাৰ প্ৰসাৰ হৈছে, শিক্ষিত লোকৰো হাৰ বৃদ্ধি পাবলৈ ধৰিছে। শিক্ষা জগতত নব-নব চিন্তাধাৰা প্ৰবৰ্তন কৰা হৈছে। কিন্তু সামগ্ৰিকভাৱে চালে দেখা যায়, এই সময়তে মানুহৰ নৈতিক চৰিত্ৰত সবাতোকৈ বেছি স্খলন ঘটিছে। দুৰ্নীতিকেই নীতি হিচাপে সাবোগত কৰি লোৱা এচাম লোকে ব্যক্তিগত স্বাৰ্থক অগ্ৰাধিকাৰ দি সেয়া পূৰণ কৰাৰ দৌৰত নামিছে। সমাজত সঘনাই ঘটি থকা দুৰ্নীতি, ভ্ৰষ্টাচাৰ, অন্যায়, অত্যাচাৰ, হত্যা, হিংসা, সংঘৰ্ষ আদিয়ে ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মনতো যথেষ্ট বিৰূপ ভাবৰ সৃষ্টি কৰিছে। এনে অপসংস্কৃতিৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক মুক্ত কৰিবলৈ সমাজৰ প্ৰতিজন সচেতন লোক আগবাঢ়ি অহা উচিত। চৰিত্ৰৰ বলেৰে মানুহে বহুতো অসাধ্য সাধন কৰিব পাৰে। জাতিৰ অভ্যুত্থানৰ বাবে এনে বলৰ অতি প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলক নৈতিক তথা আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰিব পাৰিলে আমাৰ সুজলা-সুফলা দেশ গঢ়াৰ স্বপ্ন বাস্তৱত ৰূপায়িত হ'ব।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ চতুৰ্দশ সংখ্যাটি অসম চৰকাৰৰ শিক্ষা বিভাগে দিয়া অনুদানেৰে

Scanned with CamScanner

সজাই পৰাই তোলা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশৰ বাবে শিক্ষা বিভাগে লোৱা এই উদ্যোগ প্ৰশংসনীয়। এই চেগতে শিক্ষা বিভাগলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ। কিন্তু দুখৰ বিষয় এয়ে যে আমাৰ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ প্ৰতি ৰাপ থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনে দিনে কমি আহিছে। মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ কেন্দ্ৰবিন্দু 'সাহিত্য কানন'এ যোৱা দুটা দশক জুৰি ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে বিভিন্ন প্ৰচেষ্টা চলাই আহিছে। 'সাহিত্য কানন'ৰ হাতে লিখা আলোচনী 'প্ৰতীতি' এই প্ৰচেষ্টাৰে সুমিষ্ট ফল। ইয়াৰ উপৰিও বিভিন্ন বিভাগে নিজাববীয়াকৈ সাহিত্য চৰ্চাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সেয়া হ'ল— 'সাময়িকী (সাহিত্য কানন), 'দৃষ্টি' (অসমীয়া বিভাগ), 'সোপান' (শিক্ষা বিভাগ), 'অৱলোকন' (ৰাজনীতি বিজ্ঞান বিভাগ), 'ধৰিত্ৰী' (ভূগোল বিভাগ), 'SPARK' (ইংৰাজী বিভাগ), 'INFORMATICS' (অৰ্থনীতি বিজ্ঞান বিভাগ), 'ছাওতুল হক' (আৰবী বিভাগ)। আনহাতে ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা 'ফল্গু'এ যোৱা একুৰি পোন্ধৰ বছৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ পৰিবেশ গঢ়ি তুলিবলৈ চেষ্টা কৰি আহিছে।

আলোচনীৰ এই সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত দিহা-পৰামৰ্শেৰে আমাক উৎসাহিত কৰা সম্পাদনা সমিতিৰ সভাপতি তথা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ বিভূতি ভূষণ পাণ্ডা দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখন ছপা ৰূপত প্ৰকাশৰ ক্ষেত্ৰত গল্প, কবিতা, প্ৰবন্ধ আদি চাই মেলি সজাই পৰাই দিয়া বাবে তত্বাৱধায়ক মাননীয়া দীপ্তিৰেখা পাঠক মজুমদাৰ বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। বিভিন্ন দিহা-পৰামৰ্শেৰে সহায় কৰা আব্দুল জব্বাৰ ছাৰলৈও থাকিল শ্ৰদ্ধা আৰু কৃতজ্ঞতা। ইয়াৰ উপৰিও পাণ্ডুলিপি শুধৰাই দি সহায় আগবঢ়োৱা মাননীয় হৃষীকেশ সিং ছাৰ, নিৰ্মল চন্দ্ৰ ভেহি ছাৰ, ভূমিজা বৰ্মন বাইদেউ আৰু দিগন্ত কলিতা ছাৰলৈও মোৰ কৃতজ্ঞতা নিবেদন কৰিলোঁ। লিখনিসমূহ সংগ্ৰহ কৰোঁতে বিশেষভাৱে সহায় কৰা দীপাংকৰ, অভিজিৎ, লিংকন, অৰ্পিতা, অজন্তা, মৌচুমী আৰু টিংকু ঠাকুৰলৈ শলাগ যাচিলোঁ। যিসকল বন্ধু-বান্ধৱীৰ সহায়-সহযোগিতাৰ বাবে এই গুৰু দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ সুযোগ পালো— তেওঁলোকলৈ আৰু সমূহ লেখকলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি অনাগত দিনবোৰ আটাইৰে বাবে সুখ-সমৃদ্ধিৰে উপচি পৰাৰ কামনাৰে সামৰণি মাৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।
জয় আই অসম।

পাৰ্থপ্ৰতীম চৌধুৰী
সম্পাদক,
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

Scanned with CamScanner



# সূচীপত্ৰ.....

প্ৰবন্ধ/নিবন্ধ

- অসমলৈ মুছলমানৰ আগমন আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অভিবাসী মুছলমানৰ কথিত ভাষা— ড° উপেন ৰাভা হাকাচাম/১
- সুধাকণ্ঠ ভূপেন হাজৰিকাৰ গীত এটি অনুভৱ— কাকলি দাস/৫
- সমন্বয় আৰু সম্প্ৰীতিৰ সাধক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ — ৰেহানা আলম/৮
- শ্ৰদ্ধাঞ্জলি 'সুগন্ধি পখিলা'ৰ কবি : হীৰুদালৈ — ইস্তাজুল হক/১২
- অসমীয়া সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ মামণি ৰয়ছম গোস্বামী — পাপৰি তালুকদাৰ/১৫
- অসমীয়া সংগীত কাননৰ এপাহি গোলাপ দীপালী বৰঠাকুৰ — সংগীতা কলিতা/১৭
- সাহিত্য অকাডেমি আৰু ২০১২ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা লাভ কৰা অসমীয়া সাহিত্যিক— বিশ্বজিৎ বৰ্মন/১৯
- চাইবাৰ অপৰাধ আৰু অপৰাধী— মণিৰুল ইছলাম/২২
- অসমত আঞ্চলিক ৰাজনীতিৰ বিপৰ্যয়— দিগন্ত কলিতা/২৪
- প্ৰকৃতি, পৰিৱেশ, পশু-পক্ষী আৰু মানুহ— ধৰিত্ৰী পাঠক/২৬
- ড°কেশৱানন্দ দেৱ গোস্বামী ছাৰৰ সৈতে এটি অন্তৰংগ আলাপ— /২৯
- জোনবাইৰ দেশৰ পৰা তৰাৰ দেশলৈ এক বিৰল পৰিক্ৰমা— টিংকু ঠাকুৰ/৩১
- সাধনা : জীৱনৰ অন্য এক নাম— ৰমেন পাঠক/৩৪
- অনুভৱৰ দুৱাৰ মেলি— ৰুমা কলিতা-হীৰামণি কলিতা, মুকুল কলিতা/৩৬
- ক্ৰীড়া জগতৰ অঘোষিত মহাসমৰ অলিম্পিক : কিছু অনুভৱ— দীপ্তিৰেখা পাঠক মজুমদাৰ/৩৮

কবিতা

- কবি 'অভিজিৎ'ৰ 'অনুভৱৰ স্বৰ'— পুহ; চ'ত; মন চঞ্চল ফাগুন /৪৫
- প্ৰেমাৰ্ঘ— মামণি বাইদেউলৈ; তোমালৈ— মুকুল কলিতা /৪৬
- মন্ত্ৰী-পদাৱলী— শ্বাহ জামাল মোল্লা; নিশাৰ আশা— লিপিকা কলিতা /৪৭

Scanned with CamScanner

- শান্তিৰ সন্ধানত— ফৰিজুল হ'ক; প্ৰেমৰ পানচৈ— কল্পনা কলিতা /৪৮
- নিজান দিনৰ স্কেছ— কবুল আলী; জননী— লিয়না পাঠক /৪৯
- ফুলনি— প্ৰদীপ ঘোষ; আশা— হাচিনা বেগম; এয়া যে নহয় সময় থমকি ৰোৱাৰ— নিকুমণি দাস /৫০
- মোৰ মহাবিদ্যালয়— চুমী পাটোৱাৰী; মোৰ অসম দেশ— ৰফিকুল ইছলাম /৫১
- তুমি এৰি যোৱাৰে পৰা— হৰজ্যোতি মেধী; শব্দ— নবীৰ আলম /৫২

গল্প

- ডাবৰৰ বুকুত জোনাকৰ জিলমিল—আব্দুল কালাম আজাদ /৫৩
- এটি পখীৰ মৃত্যুত— ৰূপামণি তালুকদাৰ /৫৭
- নিমিলা অংক— ফৰিদা ইয়াচমিন /৫৯
- ভাবৰ অনুৰণন— ভূমিজা বৰ্মন কলিতা /৬১
- শেষ নিশাৰ পোহৰ— পাৰ্থপ্ৰতীম চৌধুৰী /৬৪
- প্ৰতিদান— আফজালুৰ ৰহমান /৬৭
- অনুভৱ তোমাৰ বাবে— ৰাতুল কলিতা /৭০
- ঘাত-প্ৰতিঘাত—ধনঞ্জয় বৰ্মন /৭২
- অনুশাসন—নগেন্দ্ৰ নাৰায়ণ দেৱান /৭৪

**English**

- PROMOTING RESEARCH CULTUREIN COLLEGES–Dr. Bibhuti Bhusan Panda /৮০
- INFLATION IN INDIA– Mafidul Hasan /৮৪
- Good Health Is Necessary For A Sharp Memory–Nur Islam /৮৬
- Anthropogenic Stress And Its Impact On Wetlands In Assam–Dr. Tapan Kumar Goswami /৮৭
- BERMUDA TRIANGLE..... The Mystery– Bhupati Das /৮৯
- GLOBALISATION AND THE BENEFITS OF INDIAN ECONOMY–Faizur Rahman /৯০
- The Song of Tribal Women– Nirmal Chandra Bhoi; My Mother– Bhupati Das /৯২
- In The Whirlpool-Ruhul Amin; To A Pretty Little Rose–Farizul Hoque /৯৩
- Semester System & with Choice based Credit and Grading System in TDC under Gauhati University Dr. Dhiresh Chakravarty /৯৪
- Impact of Flood hazard on Drinking water : a seasonal problem of Nagarbera revenue circle in Kamrup District of Assam–Dinesh Chandra Kalita /৯৯
- 'Aquatic and Wetland Plants in Harmony with mankind'– With special reference to Lower Kulsi Basin Kamrup (Assam)– Nur Alam Haque /১০৩

মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা

- প্ৰতিবেদন /১০৭
- বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বৰ্তমানলৈকে প্ৰকাশিত আলোচনীসমূহৰ সম্পাদক আৰু তত্ত্বাৱধায়কসকল— /১০৭
- College Governing Body /১১৭
- LIST OF FACULTY MEMBERS /১১৭
- List of the Students Scuring 1st Class /১১৯
- Result of the College of last 5 years /১২০
- Results of Different Commpetitions of the College Week /১২১
- বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় সঙ্গীত /১২৪


Scanned with CamScanner

# প্ৰবন্ধ/ নিবন্ধ



'বছৰ বছৰ ধৰি অসীম ধৈৰ্যৰে নিজৰ মাজতে অন্তৰ্নিহিত হৈ থকা দ্বিতীয় সত্বাক বিচাৰি ফুৰা জনেই সাহিত্যিক। আৰু যেতিয়াই মই সাহিত্যৰ বিষয়ে ভাবোঁ, উপন্যাস, কবিতা বা আন লেখাৰ কথা মোৰ মনলৈ নাহে। মোৰ মনলৈ আহে এটা বন্ধ কোঠাত আধা পোহৰ আৰু আধা ছাঁৰ মাজত নিজকে অকলশৰীয়াকৈ আবদ্ধ কৰি ৰখা এজন ব্যক্তি— যিজনে শব্দৰে গঢ়ি তুলিছে এখন নিজস্ব আৰু নতুন পৃথিৱী।'

—অৰহান পামুক

# নৰ আগমন আৰু
# সী মুছলমানৰ কথিত ভাষা

ভা হাকাচাম
।, গুৱাহাটী বিশ্ববিদ্যালয়

শতিকাৰ মাজভাগ মানতহে ইছলাম ধৰ্ম গ্ৰহণ কৰা বা ইছলামধৰ্মী মুছলমান লোকৰ স্থিতি বা বসতিৰ কথা চেগা-ছোৰোকাকৈ পোৱা যায়। ৮৫১ খ্ৰীষ্টাব্দতে বংগৰ সৈতে আৰবৰ শেখ সম্প্ৰদায়ৰ মুছলমান বণিকৰ সম্পৰ্ক ঘটা নতুবা কাছাৰৰ বদৰপুৰৰ পশ্চিমাঞ্চলত চৈধ্য শতিকাৰ আগৰভোখৰৰ পৰাই মুছলমান বসতি হোৱাৰ বিপৰীতে ১৫৩২ খ্ৰীষ্টাব্দতহে অসমৰ গড়গাঁৱত তুৰবকৰ যুদ্ধত বন্দী হোৱা মুছলমানসকলে নিগাজীকৈ বসতি কৰাৰ প্ৰমাণ বুৰঞ্জীসমূহে দিয়ে। সেইদৰে হাজোৰ পোৱামক্কাত, ১২৫৪-৫৬ খ্ৰীঃত কমতাপুৰৰ ৰঙামাটিত নিৰ্মিত হোৱা আউলিয়া চাহাবৰ দৰগাহ, ১৪৯৮ খ্ৰীষ্টাব্দত নিৰ্মিত এটা প্ৰাচীন মছজিদৰ নিচিনাকৈ সেই সময়ৰ গোৱালপাৰাৰ ডেগ্‌ধোৱা দৰগাহ, ধুপধৰাৰ পাগলাপীৰৰ মাজাৰ, পাটগাঁও, গাড়ীগাঁও, শিজুবাৰীৰ দৰগাহৰ অস্তিত্বই অসমত মুছলমানসকলৰ প্ৰাচীনত্ব সম্পৰ্কে সাক্ষ্য-প্ৰমাণ দি আহিছে।[২]

'সপ্তদশ শতিকাৰ প্ৰায় মাজভাগত আজান ফকিৰ বা শ্বাহ মিলান ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ আহে। আজান ফকিৰে অসমত ইছলাম ধৰ্ম বিস্তাৰ আৰু গঢ় দিয়াৰ মানসেৰে অসমীয়া ভাষা শিকি জিকিৰ, জাৰী আদি গীতবোৰ ৰচনা কৰি এইবোৰৰ জৰিয়তে একেশ্বৰবাদ ইছলাম ধৰ্ম প্ৰচাৰ কৰিছিল। আজান ফকিৰৰ লগত আৰু তিনিগৰাকী মুছলমান সাধক ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে উজনি অসমলৈ আহিছিল। এওঁলোকৰ বংশধৰসকল বৰ্তমান লক্ষীমপুৰ, শিৱসাগৰ, নগাঁও, দক্ষিণ কামৰূপ ইত্যাদি ঠাইত আছে। মীৰজুমলা অসম আক্ৰমণৰ বাবে

# অসমলৈ মুছলমানৰ আগমন আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিবাসী মুছলমানৰ কথিত ভাষা

ড° উপেন ৰাভা হাকাচাম
মুৰব্বী, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

অসম তথা প্ৰাচীন কামৰূপলৈ মুছলমানসকলৰ আগমন প্ৰধানতঃ ৰাজনৈতিক কাৰণতে (যুদ্ধ অভিযান) যে হৈছিল এই লৈ পণ্ডিতসকলৰ মাজত কোনো দ্বিমত নাই। 'প্ৰাচীন অসম দেশ মুছলমানৰ সংসৰ্গলৈ আহে মূলতঃ সংঘৰ্ষৰ জৰিয়তে। পোনপ্ৰথমবাৰৰ বাবে ১২০৫-০৬ খ্ৰীষ্টাব্দত মহম্মদ বিন বখতিয়াৰ নামৰ তুৰ্কী সেনাধ্যক্ষ এজনে তিব্বতলৈ বুলি অসমৰ মাজেদি এটা অভিযান চলায়। ত্ৰয়োদশ শতিকাৰ পৰা আৰম্ভ কৰি সপ্তদশ শতিকাৰ শেষ ভাগলৈকে অনেক মুছলমান ৰজা আৰু সেনাধ্যক্ষই বহুবাৰ অসম আক্ৰমণ কৰে। শেষবাৰৰ বাবে ১৬৬২ খ্ৰীষ্টাব্দত মীৰজুমলাই অসম আক্ৰমণ কৰে।'[১]

এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ফলত কিছু মুছলমান লোক যে অসমত স্থায়ীভাৱে ৰৈ গৈছিল এইটো অনস্বীকাৰ্য। 'এই আক্ৰমণসমূহৰ প্ৰায়বোৰতে বহুতো ইছলামধৰ্মী পৰিয়াল অসমত ৰৈ গৈছিল। তাৰে কেতবোৰ আছিল পৰাজিত যুদ্ধবন্দী, আন কেতবোৰ আছিল বিজেতাৰ দ্বাৰা সংস্থাপিত পৰিয়াল। গৌড়ৰ নবাব হুছেইন শ্বাহে কোচ হাজোত সংস্থাপিত কৰিছিল বহুতো যুঁজাৰু আফগান পৰিয়ালক। আনহাতে তুৰ্বকৰ আক্ৰমণৰ শেষত অসমত ৰৈ গৈছিল ভালেমান যুদ্ধবন্দী।'[২]

প্ৰাচীন অসমভূমিত বিভিন্ন কাৰণত থলুৱা জনগোষ্ঠীসকলৰ কিছুসংখ্যক লোক যে ধৰ্মান্তৰিত হৈ মুছলমান হোৱা নাছিল এই কথা ন দি ক'ব নোৱাৰি।[৩] অৱশ্যে পূৰ্ববঙ্গৰ গৌড়, শ্ৰীহট্ট, কমতাপুৰ কিম্বা বৰাক (সুৰমা) উপত্যকাৰ তুলনাত ব্ৰহ্মপুত্ৰ উপত্যকা বিশেষকৈ সৌমাৰপীঠত ষষ্ঠদশ শতিকাৰ মাজভাগ মানতহে ইছলাম ধৰ্ম গ্ৰহণ কৰা বা ইছলামধৰ্মী মুছলমান লোকৰ স্থিতি বা বসতিৰ কথা চেগা-চোৰোকাকৈ পোৱা যায়। ৮৫১ খ্ৰীষ্টাব্দতে বংগৰ সৈতে আৰবৰ শেখ সম্প্ৰদায়ৰ মুছলমান বণিকৰ সম্পৰ্ক ঘটা নতুবা কাছাৰৰ বদৰপুৰৰ পশ্চিমাঞ্চলত চৈধ্য শতিকাৰ আগৰভোখৰৰ পৰাই মুছলমান বসতি হোৱাৰ বিপৰীতে ১৫৩২ খ্ৰীষ্টাব্দতহে অসমৰ গড়গাঁৱত তুৰ্বকৰ যুদ্ধত বন্দী হোৱা মুছলমানসকলে নিগাজীকৈ বসতি কৰাৰ প্ৰমাণ বুৰঞ্জীসমূহে দিয়ে। সেইদৰে হাজোৰ পোৱামক্কাত, ১২৫৪-৫৬ খ্ৰীঃত কমতাপুৰৰ ৰঙামাটিত নিৰ্মিত হোৱা আউলিয়া চাহাবৰ দৰগাহ, ১৪৯৮ খ্ৰীষ্টাব্দত নিৰ্মিত এটা প্ৰাচীন মছজিদৰ নিচিনাকৈ সেই সময়ৰ গোৱালপাৰাৰ ডেগ্‌ধোৱা দৰগাহ, ধুপধৰাৰ পাগলাপীৰৰ মাজাৰ, পাটগাঁও, গাড়ীগাঁও, শিজুবাৰীৰ দৰগাহৰ অস্তিত্বই অসমত মুছলমানসকলৰ প্ৰাচীনত্ব সম্পৰ্কে সাক্ষ্য-প্ৰমাণ দি আহিছে।[৪]

'সপ্তদশ শতিকাৰ প্ৰায় মাজভাগত আজান ফকিৰ বা শ্বাহ মিলান ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ আহে। আজান ফকিৰে অসমত ইছলাম ধৰ্ম বিস্তাৰ আৰু গঢ় দিয়াৰ মানসেৰে অসমীয়া ভাষা শিকি জিকিৰ, জাৰী আদি গীতবোৰ ৰচনা কৰি এইবোৰৰ জৰিয়তে একেশ্বৰবাদ ইছলাম ধৰ্ম প্ৰচাৰ কৰিছিল। আজান ফকিৰৰ লগত আৰু তিনিগৰাকী মুছলমান সাধক ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে উজনি অসমলৈ আহিছিল। এওঁলোকৰ বংশধৰসকল বৰ্তমান লক্ষীমপুৰ, শিৱসাগৰ, নগাঁও, দক্ষিণ কামৰূপ ইত্যাদি ঠাইত আছে। মীৰজুমলা অসম আক্ৰমণৰ বাবে



Scanned with CamScanner

আহোঁতে তেওঁৰ সৈতে পাঁচজনা পীৰ অসমলৈ আহিছিল বুলি কোৱা হয়। আন এটি উৎস অনুসৰি ৰাম সিংহইহে তেওঁলোকক কামৰূপৰ মন্ত্ৰ-তন্ত্ৰ ব্যৰ্থ কৰাৰ উদ্দেশ্যে লগত লৈ আহিছিল। এই পীৰসকলেও অসমত ইছলাম ধৰ্ম প্ৰচাৰত অৰিহণা যোগোৱা বুলি ধাৰণা কৰিব পাৰি.... ঊনবিংশ আৰু বিংশ শতিকাৰ সন্ধিক্ষণত অসমত ইছলাম ধৰ্ম প্ৰচাৰ আৰু বিস্তাৰৰ ক্ষেত্ৰত চুফী চাহেবৰ ভূমিকা উল্লেখযোগ্য। এইজনা সাধকে অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰাৰ উপৰি ইছলাম ধৰ্ম সম্পৰ্কীয় ৰচনাতো মনোনিবেশ কৰিছিল।'[৮]

অসমত গৰিয়া-মৰিয়া নামে পৰিচিত এই দুই শ্ৰেণীৰ মুছলমান অৰ্থাৎ যুদ্ধবন্দী হিচাপে বৈ যোৱা মুছলমান আৰু ইছলাম ধৰ্ম গ্ৰহণ কৰা স্থানীয় মুছলমানৰ উপৰিও আৰু এক শ্ৰেণীৰ পমুৱা বা অভিবাসী সম্প্ৰদায়ৰ মিএগ্ৰা মুছলমান আছে, যিসকলৰ সংখ্যা তুলনামূলকভাৱে বেছি। মূলতঃ চৰ-চাপৰিত বসবাস কৰা এইসকল মুছলমান লোকৰ পূৰ্বপুৰুষে পূৰ্ববঙ্গৰ পৰা অসমলৈ ঢাপলি মেলিছিল ১৮৮১ চনৰ ব্ৰিটিছৰ মৈমনসিঙীয়া আমদানি নীতি আৰু ১৮৮৬ চনত প্ৰৱৰ্তন কৰা grow more food নীতিৰ দোহাই দি। এইদৰে উনৈশ শতিকাৰ শেষৰফালে পূৰ্ববঙ্গৰ পৰা কৃষিজীৱী মানুহৰ সোঁত আৰম্ভ হয় আৰু ১৯১০-১২ চনতে গোৱালপাৰা জিলাৰ লুইতৰ চৰবোৰ ভৰি পৰে পূৰ্ববঙ্গৰ কৃষিজীৱী পৰিয়ালৰ মুছলমান লোকেৰে। বৰপেটীয়া অসমীয়া মহাজন আৰু মাৰোৱাৰী ব্যৱসায়ীসকলৰ আমন্ত্ৰণত অতি কম সময়ৰ ভিতৰতে বৰপেটাৰ আশে-পাশে থকা দ' আৰু দুৰ্গম অঞ্চলবোৰ আৰু দক্ষিণ আৰু পূৰ্বপিনৰ লুইতৰ চৰবোৰ মৈমনসিঙীয়া খেতিয়কসকলেৰে ভৰি পৰিছিল। ১৮৯৭ চনৰ বৰভূইকঁপ আৰু ১৯১৫ চনৰ ভয়ংকৰ দুৰ্ভিক্ষৰ বাবে পূৰ্ববঙ্গৰ পৰা ব্যাপক সংখ্যক মুছলমান ভাগি আহি অসমৰ চৰ-চাপৰিত বসতি স্থাপন কৰিবলৈ লয়। ফলত এওঁলোকৰ জনসংখ্যা বাঢ়ি ১৯২১ চনৰ লোকপিয়লত সমগ্ৰ অসমত দুই লাখ আঠাৰহ হেজাৰ হয়গৈ।'[৯]

বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰতি সদা অনুৰাগী এইসকল অভিবাসী অসমীয়া মুছলমানৰ বিষয়ে, তেওঁলোকৰ মাজৰে ইছমাইল হোছেইন, ফজল আলী আহমেদ প্ৰভৃতি বুদ্ধিজীৱীয়ে কেতবোৰ গুৰুত্বপূৰ্ণ কথা সোঁৱৰাই দিছে। 'বংগীয় মূলৰ বাইশ লাখ মুছলমানে (১৯৭১ চনৰ হিচাপ মতে) অসমীয়া মাত-কথা, ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া জাতিৰ বৃহত্তৰ অংগ হৈ পৰিছে। ১৯৩১ চনৰ পৰা সেই মানুহখিনিয়ে অসমীয়া ভাষাক মাতৃভাষা ৰূপে গ্ৰহণ কৰিছে। এইখিনি মুছলমানৰ ঐকান্তিক প্ৰচেষ্টা, আন্তৰিকতা আৰু দূৰদৰ্শিতাৰ বাবেই অসমীয়া লোকৰ সংখ্যা ১৯৩১ চনৰ শতকৰা ৩৬ ভাগৰ পৰা ১৯৫১ চনত শতকৰা ৬২ ভাগত পৰিণত হয় আৰু সংখ্যালঘু হোৱাৰ পৰা অসমীয়া ভাষাক ৰক্ষা কৰে। বৰ্তমান তেওঁলোকে চৰকাৰী নথি-পত্ৰ, চাকৰি-বাকৰি ইত্যাদিত নিজৰ মাতৃভাষা অসমীয়া বুলি লিখে। .......এইসকলৰ বহুতে অঞ্চল বিশেষে বিহু পাতে আৰু তেওঁলোকৰ গাভৰুৱে বিহু নাচ নাচে। আলোপতি, সোনতলি, মন্দিয়া, কুজাৰপীঠ ইত্যাদি অঞ্চলত অসমৰ জাতীয় উৎসৱ বিহু মহা ধুম-ধামেৰে পালন কৰে। অসমীয়া ভাষা-সংস্কৃতি, অসমৰ অৰ্থনীতি আদিত বিপুল অৰিহণা যোগোৱা এইসকল অভিবাসী বা পমুৱা লোকে নিজকে অসমীয়া বুলি পৰিচয় দি আহিছে। সেয়ে এওঁলোকক 'অভিবাসী অসমীয়া' বুলি জনা যায়। এওঁলোকে মাতৃভাষা অসমীয়া বুলি লিখে যদিও ঘৰত ব্যৱহাৰ কৰা দোৱানটো অসমীয়া, বাংলা আৰু গোৱালপৰীয়া ভাষাৰ সংমিশ্ৰণত সুকীয়া ৰূপ লৈছে। যিটোক 'অভিবাসী দোৱান' বুলি জনা যায়। এই দোৱানত অসমীয়া ভাষাৰ প্ৰভাৱ ৫০ শতাংশ, বাংলাৰ প্ৰভাৱ ৪০ শতাংশ আৰু অন্যান্য ১০ শতাংশহে। ১৯৯১ চনৰ লোকপিয়লত অসমত শতকৰা ৫৭ ভাগৰ মাতৃভাষা অসমীয়া বুলি উল্লেখ কৰা হৈছে। ইয়াৰে শতকৰা ১৮ ভাগেই হ'ল অভিবাসী মুছলমান।'[৯]

অসমৰ গৰিয়া-মৰিয়া হিচাপে পৰিচিত অসমীয়া মুছলমানৰ কথিত ভাষাৰ স্বকীয় ৰূপ নাই বুলিবই পাৰি। উজনিৰ শিৱসাগৰ অঞ্চলক কেন্দ্ৰ কৰি গঢ়ি উঠা মান্য অসমীয়া, নগাঁও-মৰিগাঁও অঞ্চলৰ মধ্য অসমীয়া উপভাষা, দৰং অঞ্চলৰ দৰঙীয়া আৰু কামৰূপ অঞ্চলৰ কামৰূপী উপভাষাই (আঞ্চলিক) সেই সেই অঞ্চলত বসবাস কৰা তেওঁলোকৰ কথিত ভাষা। অৱশ্যে আৰবী-ফাৰ্চী মূলীয় ইছলাম ধৰ্মৰ লগত জড়িত শব্দ বা সুকীয়া সম্বন্ধবাচক শব্দৰ সমাহাৰেৰে তেওঁলোকৰ কথিত অসমীয়া সম্পৃক্ত বুলি ক'ব পৰা যায়। মুছলমান খানদানী পৰিয়ালত মুছলমান আদব-কায়দাৰ উপৰিও আচাৰ-বিচাৰ, আচবাব-আছুক নতুবা নামবাচক শব্দ, উপাধিৰ লগতে কিছুমান বৃত্তিগত শব্দৰ (পিতলৰ কাম, দৰ্জিৰ কাম, বেহা-বেপাৰ ইত্যাদি) আছুতীয়া ব্যৱহাৰ পোৱা গৈছে। উদাহৰণস্বৰূপে— আজান (মেগৰিব, ফজৰৰ, জোহৰৰ, আছৰৰ, ঈছাৰ), জিকিৰ, জাৰী, অজু, নামাজ, মছজিদ, নবী, হক, ছলাত, জানাজা, চাল্লিশা, ইমতেহান, দোজখ, কিয়ামত, বেহেস্ত, আল্লা, চোভানাল্লা, খোদা, ৰচুল, ৰহিম, মোমিন, কোৰাণ-শ্বৰীফ, ছৰিয়ত, কলিমা, পীৰ-পয়গম্বৰ, আউলিয়া, দৰগাহ, গোৰস্থান, মমিন, ফকিৰ, চাহেব, বান্দা,



Scanned with CamScanner

দৰিয়া, দিল, নচিব, দুনীয়া, ফৰমান, কাদিৰ, কামাল, আচান, মোকাম (ওঠৰ মোকাম), পুলচেৰাত, মুৰ্ছিদ, তচ্‌বিহ, ইমাম, ৰাকাত, জাকাত, চিন্নি, কেৰামন কাতেবীন, মনকিৰ-নোকিৰ ইত্যাদি ইছলাম ধৰ্মৰ লগত জড়িত শব্দ।*

চিন্নি, জাহেলী (নাম-গীত), ছিয়া গীত, শেখ, চৈয়দ, মোগল, পাঠান, হাচান-হোছেন, হোছেইন, মোল্লা, হাজী, আলী, আহমেদ, ৰোজা, ৰমজান, কুৰবানী, জবেহ, চুন্নত, হালাল, ঈদ, ইফতাৰ, মুবাৰক, হেদায়ত, কুতুব, চফিউল্লা, আম্মাজান, আব্বাজান, ভাইজান, মিঞা, বিবি, আৱাল-ছুওৱাল (ল'ৰা-তিৰোতা) ইত্যাদি মুছলমান সমাজত অতিকৈ প্ৰচলিত আছুতীয়া শব্দৰাজিলৈ আঙুলিয়াব পাৰি।

ইয়াৰ বিপৰীতে নামনি অসমৰ ধৰ্মীয় সংখ্যালঘু হিচাপে চিহ্নিত মুছলমানসকলৰ ভাগ দুটা— উজানীয়া (উজেনি) বা দেশী মুছলমান আৰু ভাটীয়া (ভাডিয়া) বা চৰুৱা মুছলমান। উজানীয়া বা দেশী মুছলমানসকল অবিভক্ত কামৰূপ, শোণিতপুৰ, নগাঁও আৰু গোৱালপাৰাৰ চৰ-চাপৰিত একাকীভাৱে নৈপৰীয়া সাৰুৱা খেতি-মাটিত অহঁন কৃষিজীৱী আৰু মাছমৰীয়া নিম্ন শ্ৰেণীৰ লোকৰ সৈতে সানমিহলিকৈ বসবাস কৰা দেখা যায়। অৱশ্যে গোৱালপৰীয়াৰ ৰাজবংশী বা দেশী ভাষাৰ সৈতে সাদৃশ্য থকা উজনীয়া বা হাৱাঘাটীয়া উপভাষা-ভাষী লোকসকল অকল অবিভক্ত গোৱালপাৰা জিলাৰ কৃষ্ণাই (হাৱাঘাট পৰগণা), গোলোকগঞ্জ-গৌৰীপুৰ, বগাইগাঁও-অভয়াপুৰী, মানকাচৰ-শালমৰা আদি অঞ্চলতেই কেন্দ্ৰীভূত হৈ আছে।*

ইয়াৰ বিপৰীতে ভাটীয়া বা চৰুৱা উপভাষা-ভাষী লোকসকল বৰ্তমান অসমৰ প্ৰায়কেইখন জিলাতে বিশেষকৈ অভিবাসীৰ ৰূপত পোৱা যায়। মুলতঃ কৃষিজীৱী এইসকল লোকে বৰ্তমান নগৰীয়া অঞ্চলত ৰিক্সাৱালা-ঠেলাৱালা, দিন হাজিৰা কৰা বনুৱা, মিস্ত্ৰী-যোগালি, শাক-পাচলিৰ দোকানী, কণী-মুৰ্গীৰ বেপাৰী, ফেৰীৱালা হিচাপে জীৱন যাপন কৰা দেখা যায়। এইসকল লোকৰ মুখৰ ভাষা বাংলাৰ বঙ্গ উপভাষাৰ মৈমনসিঙীয়াৰ সৈতে প্ৰায়ে অভিন্ন যদিও অসমীয়াৰ সাৰ্বজনীন ৰূপৰ প্ৰভাৱত কিছু স্বকীয় ৰূপ লাভ কৰি ই অসমীয়াৰ এটা সামাজিক জাতিগত উপভাষাৰ (Social caste dialect) মৰ্যাদা লাভ কৰিছে। মূলতঃ মৈমনসিঙীয়া বা ভাটীয়া মুছলমানৰ মাজত প্ৰচলিত অসমীয়াৰ এই উপভাষাটোক মিঞামিজ (মিঞা-অসমীয়া) বা ন-অসমীয়া (অভিবাসী দোৱান) বুলি অভিহিত কৰি ইয়াৰ স্বকীয়তা বিচাৰ কৰিব পাৰি।

ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে মৈমনসিং, ঢাকা, ফৰিদপুৰ, উত্তৰ-পূৰ্বীয় নদীয়া, যোশৰাৰ, খুলনা, বড়িশাল, সোনদিপ, উত্তৰ-পশ্চিমী শ্ৰীহট্ট অঞ্চলৰ ভাষা বাংলাৰ বঙ্গ উপভাষাৰ বিশেষকৈ পশ্চিমী আৰু দক্ষিণ-পশ্চিমী বঙ্গ উপভাষাৰ অন্তৰ্গত (ODBL, Vol I, p. 140) সেইবাবেই মৈমনসিঙীয়া অভিবাসী সম্প্ৰদায়ৰ (চৰুৱা) ভাষাৰ কথা আলোচনা কৰিব লাগিলে মৈমনসিঙীয়া উপভাষাকে প্ৰমুখ কৰি পশ্চিমী/দক্ষিণ-পশ্চিমী বঙ্গ উপভাষাৰ কথাও প্ৰসঙ্গক্ৰমে আহি পৰে। এই মৈমনসিঙীয়া ৰূপেই পৰৱৰ্তী পৰ্বতীয়া অঞ্চলত (গাৰো পাহাৰ-গোৱালপাৰা) হাজং (খাৰুৱা) ভাষা আৰু চৰ-চাপৰিত (বিশেষকৈ গোৱালপাৰা-কামৰূপৰ) চৰুৱা/ভাটীয়া ভাষাই ঠন ধৰি উঠিছে। অসম তথা মেঘালয়ৰ মাটিত বাংলাদেশ আৰু পশ্চিমবঙ্গৰ সীমামুৰীয়া চৰ-চাপৰি অঞ্চলৰ মুছলমানসকলৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱা হেতুকে আৰু অসমত অসমীয়া ৰাজ্যিক ভাষাৰে ভাৱৰ আদান-প্ৰদান কৰা হেতুকে সাম্প্ৰতিক কালত চৰ-চাপৰি অঞ্চলৰ কথিত ভাষাত অসমীয়াৰ প্ৰভাৱ অতি ব্যাপক। সেইবাবেই ইয়াক এতিয়া বঙ্গৰ উপভাষা নুবুলি অসমীয়াৰ (গোৱালপৰীয়া উপভাষাৰ) স্থানীয় উপভাষা বা সামাজিক জাতিগত উপভাষা বুলিয়ে ক'ব পাৰি। ইয়াৰো বহুকেইটা স্থানীয় ৰূপভেদ আছে।

পূৰ্ববঙ্গৰ (বৰ্তমান বাংলাদেশ) মৈমনসিং অঞ্চলত বিকশিত হোৱা আঞ্চলিক উপভাষা (regional dialect) এটাই জন প্ৰব্ৰজনৰ ফলত নকৈ থিতাপি লোৱা অসমৰ চৰ-চাপৰি আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ সমগ্ৰ মিঞা মুছলমান সমাজত এটা সামাজিক জাতিগত উপভাষা (Social caste dialect) হিচাপে স্বীকৃতি লাভ কৰাৰ পথত উপনীত হৈছে। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এশ বা ডেৰশ বছৰৰ সহঅৱস্থান আৰু চামিলকৰণে চৰ-চাপৰিৰ নব্য নামাকৃত মিঞামিজ (Miyamese) উপভাষাৰ ভিত্তি পতন হোৱাত নিশ্চয় ইতিবাচক ভূমিকা পালন কৰিছিল। চৰ-চাপৰিৰ দুৰ্গম অঞ্চলৰ লোকৰ মাজতো এতিয়া মুই (আমিৰ ঠাইত), মোৰ (আংগোৰ ঠাইত), ঘৰে/গৰে/ঘৰত (বাৰীতে/বাইতেৰ ঠাইত), খাম (খাইমু/খাবৰ ঠাইত), ল (নে, নিয়া যাওৰ ঠাইত), বাইদেউ/বাইটি (বুবুজান/দিদিৰ ঠাইত), ভাইটি (ভাইজান/ভাইৰ ঠাইত) আদি শব্দ বা শব্দগুচ্ছ দুৰ্গম্য বা অপৰিচিত হৈ থকা নাই। এই প্ৰসঙ্গত তেওঁলোকৰ সমাজৰে এগৰাকী বিশিষ্ট বুদ্ধিজীৱী ইছমাইল হোছেইনে এঠাইত সঠিক মন্তব্য আগবঢ়াইছে এইবুলি— 'সাংস্কৃতিক আৰু সামাজিক আদান-প্ৰদানৰ ফলত চৰ-চাপৰিৰ ৰাইজৰ মাত-কথাতো অসমীয়া



Scanned with CamScanner

মাত-কথাই প্ৰাধান্য পাইছে। সম্বোধনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা মাহী, পেহী, মহা, মামী, খুড়া, ভিনদেউ, বাইদেউ, ভাইটি আদি সম্বোধন সূচক শব্দবোৰ ব্যৱহাৰ কৰাৰ উপৰিও ক্ৰিয়া পদৰ ব্যৱহাৰৰ ক্ষেত্ৰতো চৰ-চাপৰিৰ বাইজে অসমীয়া ভাষাৰ নিচেই ওচৰ চাপি আহিছে। বাঙলা খাইব', যাইব', এসেছি আদিৰ সলনি চৰ-চাপৰিৰ ৰাইজে খাম, যাম আইছি আদি ক্ৰিয়া পদৰ ব্যৱহাৰ কৰে। তদুপৰি চৰ-চাপৰিৰ ৰাইজে ব্যৱহাৰ কৰা অনেক প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আৰু লোক-পদৰ ভাব আৰু ভাষাও অসমীয়াত প্ৰচলিত প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদিৰ সৈতে একে।"[১০] ◆


*প্ৰসংগ-সূচী ঃ*

১। আলি, ঈৰশ্বাদ ঃ 'অসমত ইছলাম ধৰ্ম আৰু অসমীয়া সংস্কৃতিলৈ অৱদান', অসমীয়া জাতি আৰু সংস্কৃতি, ২০০২. পৃ. ১৬৪-১৬৫
২। চৌধুৰী, মেদিনী ঃ লুইত বৰাক আৰু ইছলাম, ১৯৮২. পৃ. ১৭
৩। চৌধুৰী, মেদিনী ঃ লুইত বৰাক আৰু ইছলাম, ১৯৮২. পৃ. ১৫, ১৯
৪। চৌধুৰী, মেদিনী ঃ লুইত বৰাক আৰু ইছলাম, ১৯৮২. পৃ. ১৯, ২৭
৫। আলি, ঈৰশ্বাদ ঃ 'অসমত ইছলাম ধৰ্ম আৰু অসমীয়া সংস্কৃতিলৈ অৱদান', অসমীয়া জাতি আৰু সংস্কৃতি, ২০০২. পৃ. ১৬৫-১৬৬
৬। (ক) চৌধুৰী, মেদিনী ঃ লুইত বৰাক আৰু ইছলাম, ১৯৮২. পৃ. ৭৬
(খ) আলি আদমেদ, ফজল ঃ অভিবাসী অসমীয়া মুছলমানৰ সমাজ আৰু সংস্কৃতি, ১৯৯৮. পৃ. ৫৭
৭। আলি আদমেদ, ফজল ঃ অভিবাসী অসমীয়া মুছলমানৰ সমাজ আৰু সংস্কৃতি, ১৯৯৮. পৃ. ৪৪, ৪৫, ৫৪, ৬০
৮। ৰহমান, মল্লিকা ঃ আজান ফকিৰৰ জীৱন আৰু কৃতি, ২০০৬. পৃ. ১০৩—১০৭
৯। ৰহমান, হবিবুৰ ঃ গোৱালপৰীয়া উপভাষাৰ এটি স্থানীয় ৰূপ উজেনী (উজানী) ঃ এক ভাষাতাত্বিক অধ্যয়ন, ভাষা সাহিত্য কলাৰ গলপতা, ২০০২. পৃ. ৬৮
১০। চট্টোপাধ্যায়, সুনীতি কুমাৰ ঃ বাঙ্গালা ভাষাতত্ত্বের ভূমিকা, ১৯৯৬. পৃ. ১৪২-১৪৯

মুখ্য উৎস ঃ

কৰিম, ৰেজাউল (সম্পা.) ঃ কাইশ, অসম সাহিত্য সভাৰ কলগাছিয়া বাৰ্ষিক অধিবেশন, ২০০২
আহমেদ আব্দুল মান্নান ঃ কলগাছিয়া, চৰ অঞ্চলৰ ভাষাৰ এটি সমীক্ষাত্মক অধ্যয়ন (অপ্ৰকাশিত, গুঃ বিঃ অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ গৱেষণা পত্ৰিকা), ১৯৯২
হুছেইন, মোজাফ্ফৰ ঃ ফকিৰগঞ্জ খলিচাভিটা আৰু জলেশ্বৰ অঞ্চলৰ কথিত ভাষা ঃ এটি অধ্যয়ন (অপ্ৰকাশিত, গুঃ বিঃ অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ গৱেষণা পত্ৰিকা), ১৯৯৩
দাস, অনিল (সম্পা.) ঃ আগলতি, অসম সাহিত্য সভাৰ দুধনৈ অধিবেশনৰ স্মৃতিগ্ৰন্থ, ১৯৯১
সাত্তাৰ, মুহাম্মদ আবদুস ঃ বৃহত্তর ময়মনসিংহের লোক সাহিত্য ও সংস্কৃতি, ২০০৪


*সংবাদদাতা/সূচক/সূচিকা ঃ*

ইছমাইল হোছেইন, বিশিষ্ট বুদ্ধিজীৱী আৰু সাহিত্যিক; গুৱাহাটী ইঞ্জিনিয়াৰিং ইন্‌ষ্টিটিউট, চানমাৰি।
জেহিৰুল হোছেইন (সোণতলী চৰ নিবাসী), গৱেষক ছাত্ৰ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
আমিনা খাতুন (অভয়াপুৰী নিবাসী), প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
কাছেমা খাতুন (গৌৰীপুৰৰ কৃতী শিক্ষক), 'গোৱালপৰীয়া অভিধান' প্ৰণেতা বিশিষ্ট সাহিত্যিক।

**বিশেষ দ্ৰষ্টব্য ঃ**

*অসমীয়া ভাষা-সাহিত্যলৈ অনবদ্য বৰঙণি আগবঢ়াই ভাষা-সাহিত্যৰ ভঁৰাল সমৃদ্ধিশালী কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° উপেন ৰাভা হাকাচাম আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ আৰু আমাৰ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছে।*



Scanned with CamScanner



# সুধাকণ্ঠ ভূপেন হাজৰিকাৰ গীত — এটি অনুভৱ

কাকলি দাস
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

অসমীয়া সংগীত আৰু সংস্কৃতি বিশ্বৰ প্ৰান্তে প্ৰান্তে সম্প্ৰসাৰিত কৰা সংগীত সূৰ্য সুধাকণ্ঠ ড° ভূপেন হাজৰিকা যুগে যুগে জনমানসত উজ্বল নক্ষত্ৰৰ দৰে জিলিকি থাকিব। সাহিত্যৰ বিভিন্ন দিশত শক্তিশালী অৱদান যোগোৱা এইগৰাকী মহান শিল্পীৰ গীতবোৰ যেন সুৰীয়া শব্দৰ সমদল। আচলতে, সংগীতৰ পৃথিৱীৰ সম্ৰাট স্বৰূপ ভূপেন হাজৰিকাৰ কথাবোৰো যেন একোটা গীত— য'ত হৃদয়ৰ সঁচা স্পন্দন অনুৰণিত হৈ থাকে। প্ৰেম, প্ৰকৃতি, সমন্বয়-সম্প্ৰীতি, কৃষক, শ্ৰমিক, জাতীয় সমস্যা, সামাজিক সমস্যা, শোষিত-নিপীড়িতজন— কোনো বিষয়েই তেওঁৰ গীতৰ পৰা বাদ পৰা নাই। ভাব, ভাষা, শব্দচয়ন, সুৰ, লয়, বিষয়বস্তুৰ অভিনৱত্ব, নিখুঁত পৰিবেশনৰ স্বকীয় মাধুৰ্যৰ বাবে তেওঁৰ গীতসমূহে হৃদয়ত মিঠা গুঞ্জনৰ সৃষ্টি কৰে। নিৰাশাক কোনো ক্ষেত্ৰতে গ্ৰহণ নকৰিবলৈ তেওঁ যেন সংকল্পবদ্ধ। আশাভৰা দৃষ্টিভংগীৰে তেওঁ সমাজৰ জটিল সমস্যাৰাজি সমাধানৰ দিশলৈ আগবঢ়াই দিয়ে। গধুৰ বিষয়বস্তুকো সুমধুৰ ৰূপ দিব পৰা বাবেই তেওঁৰ গীতসমূহ সকলো শ্ৰোতাৰে ইমান মৰমৰ! ইমান হেঁপাহৰ!

জীৱনকালতে কিম্বদন্তিলৈ ৰূপান্তৰিক হোৱা আমাৰ আটাইৰে মৰমৰ 'ভূপেনদা'ই মাত্ৰ পাঁচ বছৰ বয়সতে সংগীতৰ জগতখনত ভৰি দিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সন্মুখত নিৰ্ভীকভাৱে গীত পৰিবেশন কৰি তেওঁৰ পৰা শুভাশীষ লাভ কৰা কণমানি শিশুটোৱে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মাৰ দৰে যশস্বী ব্যক্তিসকলৰ উমাল সান্নিধ্যত সংগীতৰ সাম্ৰাজ্যত প্ৰৱেশ কৰে।

লুইতৰ পাৰত জন্মলাভ কৰি লুইতৰ বুকুতে সাঁতুৰি-নাদুৰি ডাঙৰ-দীঘল হোৱা সুধাকণ্ঠগৰাকীয়ে শৈশৱতে হয়তো লুইতৰ প্ৰেমত পৰিছিল। সেয়েহে তেওঁৰ গীতত লুইতে বিশেষ স্থান লাভ কৰি আছে। এই কথা সত্য যে মহাবাহু ব্ৰহ্মপুত্ৰ অথবা লুইতখন প্ৰতিগৰাকী অসমীয়াৰে অতি মৰমৰ, অতি হেঁপাহৰ। লুইতক বাদ দিব লগা হ'লে অসমীয়া জাতিয়ে নিজৰ অস্তিত্বই হেৰুৱাই পেলাবলগীয়া হ'ব। কতজনৰ প্ৰেম- ভালপোৱা, বেদনা, অশ্ৰুৰ নিৰৱ সাক্ষী হৈ অনাদি কালৰে পৰা লুইতখন বৈ আছে তাৰ নিজৰ লক্ষ্যস্থলীলৈ! ভূপেন হাজৰিকাৰ গীতত লুইতৰ বিভিন্ন ৰূপ প্ৰতিফলিত হৈছে। তেওঁৰ বাবে লুইতখন কেতিয়াবা ঐতিহ্য, কেতিয়াবা পৰম্পৰা, কেতিয়াবা সংগ্ৰাম অথবা সমন্বয়ৰ প্ৰতীক। বৰ অসমৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ তেওঁৰ বাবে অকল এখন নদী নহয়। ই মহামিলনৰ তীৰ্থভূমি, সমন্বয়ৰ আদৰ্শ—

মহাবাহু ব্ৰহ্মপুত্ৰ
মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ।

জালুকবাৰীত গুৱাহাটী বিশ্ববিদ্যালয় মুকলি কৰোঁতে তেওঁ লিখা 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক গীতটোত জ্ঞানৰ আলোকে এন্ধাৰ আঁতৰাই লুইতৰ দুয়োপাৰ উজ্বলি উঠাৰ কামনা কৰিছে।

লুইতৰ ৰূপালী পানীত অস্তগামী আকাশৰ সূৰুযৰ হেঙুলী আভা পৰি যি এক অবৰ্ণনীয় সৌন্দৰ্যৰ সৃষ্টি হয় সেয়া নেদেখিলে



Scanned with CamScanner

উপলব্ধি কৰিব নোৱাৰি। ভূপেন হাজৰিকাৰ গীতত লুইতৰ সেই ৰূপটোও মূৰ্ত হৈ উঠিছে এইদৰে—

অস্ত আকাশৰে সপোন ৰহন সানি
ক্লান্ত লুইতৰে হেঙুলীয়া পানী
বৈয়ে যায় বৈ যায় বৈ যায়
কোন সুন্দৰৰ শিল্পীয়ে পদুম ফুলৰ নাৱেৰে
ময়ূৰপঙ্খী ৰহনবোৰ দিয়ে ছটিয়ায়।

তেখেতৰ অতি জনপ্ৰিয় 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে.........' শীৰ্ষক গীতটোত দুৰ্নীতি-ভ্ৰষ্টাচাৰেৰে ভৰা সমাজখনত নৈতিকতাৰ স্খলন দেখি, মানৱতাৰ পতন দেখিও বুঢ়া লুইতে নিৰ্লজ্য অলসভাৱে বহি থকা বাবে আক্ষেপ প্ৰকাশ কৰিছে—

নৈতিকতাৰ স্খলন দেখি
মানৱতাৰ পতন দেখি
নিৰ্লজ্য অলসভাৱে বোৱা কিয়?

তেওঁ আশাবাদী। সেয়েহে একেটা গীততে পংগু মানুহক অগ্ৰগামী কৰি শিথিল সমাজখনক উটুৱাই এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়ি তুলিবলৈ অপৰাজেয় লুইতক আহ্বান জনাইছে।

লুইতক সমল হিচাপে লৈ ৰচনা কৰা অন্য গীতৰ ভিতৰত "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা", "আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান", "লুইতপৰীয়া ডেকা বন্ধু", "লুইতৰ বলিয়া বান", "লুইততে মোৰ ঘৰ", "লুইতৰ পাৰ দুটি জিলিকি উঠিব ৰাতি" আদি উল্লেখযোগ্য।

অকল লুইতেই নহয়, বৰ অসমৰ সৰু-বৰ বিভিন্ন নদীৰ ওপৰত লিখা বহুতো সুমধুৰ গীতে মন-প্ৰাণ আপ্লুত কৰে। তাৰ ভিতৰত কপিলী নদীক লৈ লিখা গীতটোত ৰাংঢালী কপিলীক চঞ্চলা গাভৰু বুলি কল্পনা কৰিয়েই ক্ষান্ত হোৱা নাই, কপিলীৰ দেহত হেজাৰ সূৰুযৰ জ্যোতি দেখা পাইছে—

কপিলী কপিলী
তইতো নাজান
তোৰ গাত কিমান শকতি
তইতো নাজান
তোতেই লুকাই আছে
হেজাৰ সূৰুযৰে জ্যোতি।

টিৰাপ নৈৰ সৌন্দৰ্যতে মুগ্ধ হৈ তেওঁ অকল টিৰাপৰে নহয়, সেই অঞ্চলত বসবাস কৰা লোকসকলৰ জীৱন যাত্ৰাৰ এক অনুপম চিত্ৰ এইদৰে আঁকিছে—

টিৰাপৰে বস্তি চাংলোং
তাতে সৰল জনজাতি লুংচোং
সৌৱা টিৰাপ নৈৰ বুকুৰে
বাঁহৰ ওলোমা সাকোঁৰে
টাংচা খেতিয়ক পাৰ হৈ
সৌৱা দেখোঁ দলে দলে নামিছে
পিঠিত হোৱা লৈ নামিছে.........

টিঙ্, দিখৌ, দিচাং, দিক্রং, সোৱণশিৰি আদি নদীও তেওঁৰ গীতত সুন্দৰভাৱে উজলি উঠিছে। অকল অসমৰ নদীয়েই নহয় গংগা, গোদাবৰী, পদ্মা, মেঘনা, যমুনা, ভল্গা, মিচিচিপি, নীল আদি দেশ-বিদেশৰ বিভিন্ন নদীয়ে তেওঁৰ গীতত স্থান লাভ কৰিছে।

চিৰ তৰুণ ভূপেন হাজৰিকাৰ সমস্ত হৃদয় প্ৰেমৰ সুকোমল অনুভূতিৰে সিক্ত হৈ আছিল। জীৱন সংগ্ৰামত অৱতীৰ্ণ হওঁতে তেওঁ এগৰাকী নাৰীৰ মধুৰ সান্নিধ্য বিচাৰিছিল। এইগৰাকী প্ৰেয়সীৰ পৰা তেওঁ বিশেষ একো নিবিচাৰে, বিচাৰে মাথোঁ প্ৰেৰণা। বিশেষজনৰ পৰা পোৱা এই প্ৰেৰণাই তেওঁক সফলতাৰ মুখ দেখুৱাব—

আকাশী গংগা বিচৰা নাই
নাই বিচৰা স্বৰ্ণ অলংকাৰ
নিঠুৰ জীৱনৰ সংগ্ৰামত
বিচাৰোঁ মৰমৰ মাত এষাৰ।

বহুদিন প্ৰতীক্ষা কৰাৰ পিছতো প্ৰেয়সীৰ পৰা সঁহাৰি নেপাই হয়তো তেওঁ গাইছে—

তোমাৰ দেখোঁ নাম পত্ৰলেখা
পত্ৰ তুমি নিলিখা হ'লা
হয়তো মোৰ পুৰণা ঠিকনা
তোমাৰ মনত নাই।

'শৈশৱতে ধেমালিতে' কাৰোবাৰ সৈতে ওমলা তেওঁৰ মনত আছে। তেওঁ জানে 'প্ৰথম মৰমে যদি সঁহাৰি নাপায়' তেন্তে 'ভালপোৱা মৰহি যায়।' 'বহুত দিনৰ আগতে গধূলিৰ পৰতে' প্ৰেয়সীৰ 'ৰূপশিখা দেখা' তেওঁৰ আজিও মনত পৰে। 'প্ৰেয়সীৰ ওঁঠৰ পৰশে' তেওঁৰ 'দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তোলে শিহৰণ।' 'গুপুতে গুপুতে' প্ৰেমৰ খেলাত মত্ত গীতিকাৰগৰাকীয়ে সমাজ আৰু সংস্কাৰলৈ ভয় নকৰি আকাশে-বতাহে প্ৰেমৰ ফাকুগুৰি ছটিয়াবলৈ প্ৰয়াস কৰিছে। দাম্পত্য জীৱনৰ মনোমালিন্যৰ বাবে এৰাএৰি হৈ পৰা পত্নীৰ উদ্দেশ্যে লেখা কালজয়ী গীতটোত এখন ভাগিচিগি যোৱা প্ৰেমাকুল হৃদয়ৰ বতৰা পোৱা যায়—

মই যেতিয়া এই জীৱনৰ



Scanned with CamScanner

মায়া এৰি গুচি যাম
আশা কৰোঁ মোৰ চিতাৰ কাষত
তোমাৰ সঁহাৰি পাম।

জনমভূমিৰ গুণ-গৰিমা প্ৰকাশতো তেওঁ যেন একক আৰু অদ্বিতীয়। ভাৰতবৰ্ষৰ পুব দিশৰ সূৰ্য উঠা ৰূপহী দেশখনৰ গুণ বৰ্ণাই তেওঁ শেষ কৰিব নোৱাৰে—

ব'হাগতে আমাৰে আই
মহুৰা হৈ ঘূৰে
মাঘত সোণৰ হাতেৰে
লখিমী আদৰে
শৰত নিশাই তৰাৰে
সজায় আইৰে কেশ
ভাৰতৰে পূৰ্ব দিশৰ
সূৰ্য উঠা দেশ।

জোনৰ স্নিগ্ধ পোহৰত উজলি উঠা অসমীৰ সৌন্দৰ্যত তেওঁ বিমুগ্ধ হৈ পৰে—

জোনাকৰে ৰাতি অসমীৰে মাটি
জিলিকি জিলিকি পৰে
মলয়াৰে চাটি দুহাতে সাবটি
ধুনীয়া মালতী সৰে।

এজন প্ৰকৃত মানৱতাবাদী লোক হিচাপে তেওঁ ভালদৰে উপলব্ধি কৰিছিল যে এই পৃথিৱীত মানুহে মানুহৰ কথা ভবা উচিত। সবলজনে দুৰ্বলজনক যথাসাধ্যে সহায়ৰ হাত আগবঢ়োৱা উচিত—

মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া?

অতীতৰ বুৰঞ্জী লেখকে ৰজা-মহাৰজাৰ কথাকে লিখিছিল। কিন্তু এতিয়াৰ বুৰঞ্জী লেখকে মানুহৰ মুকুতিৰ কথাও লিখে। যাযাবৰী জীৱনত মানুহৰ সংগ বিচাৰি তেওঁ লুইতৰ পৰা মিচিচিপি হৈ ভল্গাৰ ৰূপ চাইছে, কেতিয়াবা অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ চিকাগোত উপস্থিত হৈছে। কিন্তু সকলোতে দেখিছে দৰিদ্ৰজনৰ হাহাকাৰ ধ্বনি—

মই দেখিছোঁ অনেক গগণচুম্বী
অট্টালিকাৰ শাৰী
তাৰ ছাঁতেই দেখিছোঁ কতনা
গৃহহীন নৰনাৰী।

মানুহ, মাটি, কৃষি এইবোৰ ইটো আনটোৰ আজন্ম সহচৰ। সেয়েহে তেওঁ লিখিছে—

অ' মোৰ ধৰিত্ৰী আই
চৰণতে দিবা ঠাই
খেতিয়কৰ নিস্তাৰ নাই
মাটি বিনে অসহায়
দয়া কৰা দয়াশীলা আই।

শব্দচয়নৰ অপূৰ্ব দক্ষতাৰ বাবে তেওঁৰ গীতসমূহে কাণ, মন, মগজু সকলোকে চুই যায়। তেওঁৰ প্ৰায়ভাগ গীতত প্ৰয়োগ কৰা কোমল কোমল শব্দবোৰে মনলৈ এক প্ৰশান্তি আনি দিয়ে। আনহাতে বিপ্লৱী চেতনাৰ গীতবোৰত কিন্তু কোমল শব্দৰ পৰিবৰ্তে যথেষ্ট কঠিন শব্দৰ প্ৰয়োগ কৰা দেখা যায়—

তপ্ত তীখাৰে
অগ্নিশক্তি
ৰক্ত বৰ্ণে জ্বলে— এ জ্বলিলে
মুক্তি পিয়াসী
সুপ্ত মানুহৰ
বক্ষ তীখা হৈ গলে— এ গলিলে

'অগ্নিযুগৰ ফিৰিঙতি মই', 'ভাঙ্ ভাঙ্ ভাঙ্ ভাঙোতা শিল ভাঙ্,' 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' আদি গীতত এনে ধৰণৰ কঠিন শব্দৰ প্ৰয়োগ দেখা যায়। সীমান্তত দেশৰ প্ৰহৰী হিচাপে থাকি দেশৰক্ষা কৰা জোৱানসকলক উদ্দেশ্য কৰি লিখা 'কত জোৱানৰ মৃত্যু হ'ল' গীতটোৰে ব'মডিলাৰ যুদ্ধক্ষেত্ৰত মৃত্যুবৰণ কৰা জোৱানসকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি যাচিছে—

আজি কামেং সীমান্ত দেখিলোঁ
দেখি শত্ৰুৰ পশুত্ব চিনিলোঁ,
আৰু মৃত মৌন শত জোৱানলৈ
মোৰ অশ্ৰু অঞ্জলি যাচিলোঁ।

তেওঁৰ বহুতো গীত জাতি-জনজাতি, পাহাৰ-ভৈয়ামৰ মাজত সমন্বয় তথা সম্প্ৰীতিৰ সেঁতুস্বৰূপ। 'চিয়াঙৰে গালঙ্' গীতটোত আমি পাওঁ—

একতাৰে বেহা কৰি ভাবিলোঁ উভতো
উভতি চাই দেখোঁ আহিছে সিহঁতো
ৰিঙিয়াই ক'লে মোক
কিছু বেলি ৰ'বি
উভতি গৈ তই অসমীকে ক'বি
আজি পাহাৰৰে ভৈয়ামৰে কলিজা চিনিছে।



Scanned with CamScanner

'হে হে হে ঢোলে ডগৰে' গীতটোত খাচী আৰু অসমীয়া সমাজক একতাৰ ডোলেৰে বান্ধিবলৈ বিচাৰিছে—

খাচী আৰু আমি
ভেদাভেদ এৰি
বঢ়াওঁ অসমীৰ মহান একতাক।

কহিমাৰ আধুনিকা ডালিমীৰ লগত ভৈয়ামৰ গদাপাণিৰ মিলন ঘটাই তেওঁ পাহাৰ-ভৈয়ামৰ মাজত সমন্বয় সাধন কৰিবলৈ যত্ন কৰিছিল।

'অগ্নিযুগৰ ফিৰিঙতি' গীতটোত আমি পাওঁ—

হিন্দু, মুছলিম, শিখ, খ্ৰীষ্টানৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।

ভূপেন হাজৰিকাৰ সৃষ্টিৰ মূল প্ৰেৰণা হ'ল জনসাধাৰণ। তেওঁ জানে মানুহৰ জীৱন দোষ-গুণ, ভুল- ভ্ৰান্তিৰে ভৰা। তেৰোঁ ইয়াৰ উৰ্দ্ধত নহয়। জনসাধাৰণে যেতিয়া তেওঁৰ ভুল-ভ্ৰান্তিবোৰ দেখুৱাই দিয়ে তেতিয়া তেওঁ অকাতৰে সেয়া গ্ৰহণ কৰে। সেয়েহে তেওঁৰ গীতৰ হেজাৰজন অনুৰাগীক কৈছে—

ভুল যদি হয় সৃষ্টিত মোৰ
তুমি হোৱা চিন্তিত
সমালোচনাৰ অগনিৰে পুৰি
মোকো কৰা উন্নত।

তেখেতৰ 'বৰ বৰিবা যাই মেনকা সঙ্গে দুনী ঘট', 'ডগ কৰিয়া বজায় দোতাৰা কমলা সুন্দৰী নাচে', 'বন্ধুৰ বাঁৰীয়ে', 'গৌৰীপুৰীয়া গাভৰু দেখিলোঁ হাতী ধৰিবলৈ গৈ', 'হে মা যশোৱা হে', 'চেনাই মোৰ অ, 'অ' বান্ধৈ নিপাৰৰ বান্ধৈ', 'পলাশৰে ৰং', 'কানাই পাৰ কৰাহে' আদিৰ দৰে বিভিন্ন গীতত কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, বিহুগীত, বনগীত, জিকিৰ, ঝুমুৰ, ভাটিয়ালী গীত আদিৰ সুৰ শুনিবলৈ পোৱা যায়। শব্দ নিক্ষেপ আৰু পৰিবেশন শৈলীয়ে তেওঁৰ গীতসমূহ অনন্য কৰি তুলিছে।

সাগৰ সংগমত সাঁতুৰি-নাদুৰি ক্লান্ত হৈ নপৰা এইগৰাকী বিশ্ববৰেণ্য মহান সুধাকণ্ঠৰ জীৱন ৰথ অৱশেষত চিৰদিনৰ বাবে থমকি ৰ'ল। এটা যুগৰ অৱসান ঘটিল। কিন্তু তেওঁৰ গান, তেওঁৰ সুৰ, তেওঁৰ কথা প্ৰতিজন অসমীয়াৰে হৃদয়ত চিৰদিন উজ্বলি থাকিব। আজীৱন সুৰৰ মায়াজাল ৰচি তেওঁ সকলোকে শিকাই গ'ল মানবীয় মৰম-চেনেহ, প্ৰেম- ভালপোৱা আৰু বিশ্ব ভ্ৰাতৃত্ববোধ। বিশ্ব মানবৰ সুৰ প্ৰকাশ পোৱা বাবেই তেওঁৰ গীতবোৰ বিশ্বজনীন। সংগীতৰ ইতিহাসত চিৰদিন অমৰ হৈ থাকিব আমাৰ আপোনৰো আপোন ''ভূপেন দা' ! ◆






<u>প্ৰসঙ্গ পুথি</u> ঃ-

*১। ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ— ড° দিলীপ কুমাৰ দত্ত।*

*২। গৰীয়সী — ঊনবিংশ বছৰ চতুৰ্থ সংখ্যা।*

*৩। অসম সাহিত্য সভা পত্ৰিকা — ষটষষ্টিতম্ বৰ্ষ, তৃতীয় সংখ্যা।*




Scanned with CamScanner

# সমন্বয় আৰু সম্প্ৰীতিৰ সাধক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

ৰেহানা আলম
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

নৱবৈষ্ণৱ ধৰ্ম প্ৰবৰ্তনৰ জৰিয়তে অসমীয়া জাতীয় জীৱনত এক বৈপ্লৱিক পৰিৱৰ্তন সংঘটিত কৰিবলৈ সক্ষম হোৱা জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ১৪৪৯ খৃঃৰ আহিন মাহৰ ৫ তাৰিখ শুকুৰবাৰে (শুক্লা দশমী তিথিৰ দিনা) জন্ম হয়। নকতে পিতৃ-মাতৃৰ বিয়োগ ঘটা শিশুটিয়ে বুঢ়ীমাক খেৰসুঁতি আইৰ মৰমৰ ছাঁত ডাঙৰ-দীঘল হ'বলৈ ধৰে। বাৰ বছৰ বয়সলৈ সমনীয়াৰ সৈতে খেল-ধেমালি কৰি কটোৱাৰ পিচত বুঢ়ীমাকে তেওঁক মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিয়ে।

শংকৰদেৱ সৰুৰে পৰা প্ৰখৰ বুদ্ধিসম্পন্ন আছিল। ক-ফলাৰ আখৰকেইটা শিকিয়েই তেওঁ আকাৰ-ইকাৰ নোহোৱাকৈ এটা আঠ শাৰীৰ কবিতা লিখি গুৰু মহেন্দ্ৰ কন্দলীৰ হাতত দিয়ে। কবিতাটো হৈছে—

করতল কমল কমল দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰশৰ হত দশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয়কৰ কমলজ নয়ন।।

তীক্ষ্ণবুদ্ধিসম্পন্ন কোমলমতীয়া ছাত্ৰৰ এই মধুৰ ভাবৰ ঈশ বন্দনাত কন্দলীয়ে অভিভূত হৈ তেওঁক ওজা ছাত্ৰ পাতি 'দেৱ' উপাধি দিলে। তেতিয়াৰে পৰা তেওঁ শংকৰদেৱ নামেৰে জনাজাত হ'ল। পঢ়াশালিত তেওঁৰ সহপাঠীসকলৰ ভিতৰত ৰাম ৰাম, কণ্ঠভূষণ, বিদ্যা পাঠক, ৰাম সৰস্বতী, দুৰ্গাকিংকৰ আদি উল্লেখযোগ্য। গুৰু গৃহত কটোৱা সময়ছোৱাত তেওঁ নানা শাস্ত্ৰ অধ্যয়ন কৰি নিজৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ সক্ষম হয়।

শংকৰদেৱ অকল যে অধ্যয়নশীল ছাত্ৰই আছিল এনে নহয়। নিজকে শাৰীৰিক তথা মানসিকভাৱে সুস্থ কৰি ৰাখিবলৈ তেওঁ কৈশোৰ কালৰে পৰা যোগাসন, প্ৰাণায়াম আদি নিয়মিতভাৱে কৰিছিল। তেওঁৰ চেহেৰা-পাতিও আছিল সুশ্ৰী, কেঁচা সোণবৰণীয়া শৰীৰটো আছিল সুদীৰ্ঘ আৰু সুঠাম। পদুমৰ পাহিৰ দৰে চকু, তিলফুলৰ দৰে নাক। ধুনীয়া মুখখনিত চন্দ্ৰৰ বিমল কান্তি বিৰাজমান। এই ক্ষেত্ৰত তেওঁৰ ৰূপ-গুণ বৰ্ণনা কৰি তেওঁৰ প্ৰিয়তম শিষ্য "বৰাৰ পো" মাধৱদেৱে লিখা 'গুৰু ভটিমা'টিৰ কথা উল্লেখযোগ্য।

দৰশিত সুন্দৰ গৌড় কলেৱৰ
যৈসন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।।
বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহন গম্ভীৰ ধীৰ মতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহো জ্যোতি।।

যি সময়ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ লৈছিল সেই সময়ৰ অসমখনতো বিভিন্ন জনগোষ্ঠীৰ লোক বসবাস কৰিছিল। এই প্ৰতিটো জনগোষ্ঠীৰে নিজস্ব ভাষা, ধৰ্মবিশ্বাস, সংস্কৃতি আদি আছিল। আনহাতে তেওঁলোকৰ মাজত



Scanned with CamScanner

*"এইজনা মানৱ দৰদী মহাপুৰুষে ভালদৰে উপলব্ধি কৰিছিল যে এই ধুনীয়া ধৰণীখনত মানুহৰ মাজত যিমানেই ভেদাভেদ বাঢ়িব সিমানেই মানুহৰ মাজত হিংসা-প্ৰতিহিংসা, ঘাত-প্ৰতিঘাত বাঢ়িব। এই ধৰণৰ ঘটনাবোৰে মানৱ সভ্যতাৰ বিকাশত অন্তৰায়ৰ সৃষ্টি কৰিব। সেয়েহে তেওঁ সকলো লোকৰ মাজত সমন্বয়ৰ সেঁতু গঢ়িবলৈ চেষ্টা কৰিছিল। উচ্চ বংশজাত শিৰোমণি ভূঞাৰ পুত্ৰ হ'লেও তেওঁৰ সংবেদনশীল হৃদয় সদায় সমাজৰ শোষিত, নিপীড়িত, নিৰ্যাতিত লোকৰ বাবে কান্দি উঠিছিল। সেয়ে অন্ধবিশ্বাস, কুসংস্কাৰ, অভাৱ-অনাটন, নিৰক্ষৰতা আদিৰ বাবে সংসাৰ সমুদ্ৰত কক্‌বকাই থকা লোকসকলৰ বাবে ধৰ্মৰ দুৱাৰ মুকলি কৰি দিছিল।"*

কাজিয়া-পেচালো লাগিছিল। অৱশ্যে এইবোৰ ক্ষণস্থায়ী আছিল। নানা কু-ৰীতি-নীতি আদিৰ প্ৰচলন আছিল। পশুবলিৰ লগতে নৰবলিও চলিছিল। শংকৰদেৱে তেওঁৰ উদাৰ ধৰ্মনীতিৰে এই কু-প্ৰথাবোৰ আঁতৰাই সকলোকে একতাৰ ডোলেৰে বান্ধিবলৈ যত্ন কৰিছিল। দয়া, মৰম, ক্ষমা, অহিংসা আদিৰ দৰে মানৱীয় গুণৰাজিৰ বিকাশৰ ওপৰত তেওঁ অধিক গুৰুত্ব দিছিল। অকল মানুহেই নহয়, অন্য প্ৰাণীসমূহৰ প্ৰতিও দয়াশীল হ'বলৈ তেওঁ উপদেশ দিছিল।

কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পড়ি কৰিবা প্ৰণাম।।

শংকৰদেৱে এবাৰ এবাৰকৈ দুবাৰ তীৰ্থ যাত্ৰা কৰিছিল। প্ৰথম তীৰ্থ যাত্ৰাত সুদীৰ্ঘ বাৰ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থক্ষেত্ৰ পৰিভ্ৰমণ কৰে। তেওঁ পুৰী আৰু বৃন্দাবনত দীৰ্ঘকাল শাস্ত্ৰ অধ্যয়ন কৰাৰ লগতে বিভিন্ন আলোচনা- বিলোচনাত মগ্ন আছিল। বিভিন্ন ঠাইৰ সাধু, সন্ত, মহন্ত আদিৰ সংস্পৰ্শত তেওঁৰ মনৰ দিগন্ত প্ৰসাৰিত হৈছিল। ঈশ্বৰক যি নামেৰেই নামাতো কিয়, তেওঁ মাথোঁ এজনেই। তেওঁক পাবলৈ তপ, জপ, যাগ, যজ্ঞ অথবা আড়ম্বৰপূৰ্ণ বাহ্যিক অনুষ্ঠানৰ প্ৰয়োজন নাই। ভক্তিভাৱে একমনে তেওঁৰ নাম ল'লে তেওঁক পোৱা সম্ভৱ।

তপ জপ তীৰ্থ ব্ৰত সবে বিড়ম্বন।
কেৱল ভক্তিতে তুষ্ট হোন্ত নাৰায়ণ।।

শংকৰদেৱে কীৰ্তনঘৰ বা নামঘৰ সাজি এক শান্তিপূৰ্ণ বাতাৱৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এই নামঘৰবোৰ সেই সময়ত আদালত স্বৰূপ আছিল। গাঁৱৰ সকলো বিচাৰ-পৰ্ব নামঘৰতে হৈছিল আৰু সকলোৱে এই বিচাৰৰ ৰায় নতশিৰে মানি লৈছিল। এই কীৰ্তনঘৰতে তেওঁৰ সাম্যৰ আদৰ্শ সুন্দৰকৈ প্ৰতিফলিত হৈছিল। কীৰ্তনঘৰত উচ্চ-নীচ, জ্ঞানী-অজ্ঞানী, ধনী-দুখীয়া সকলোৱে সমান স্থান। সেই সময়ৰ সমাজত জাত-পাতৰ বিচাৰ প্ৰবল ৰূপত আছিল। কিন্তু তেওঁৰ ধৰ্মত জাত-পাতৰ কোনো ব্যৱধান নাছিল। সকলো ধৰ্মৰ লোকৰ বাবে তেওঁৰ ধৰ্মৰ দুৱাৰ মুকলি আছিল। তেওঁৰ শিষ্যসকলৰ ভিতৰত গোবিন্দ, উদাৰ গোবিন্দ, থীৰা মৰল, হৰিদাস বনিয়া, ভোবোৰা, দামোদৰ, কেতাই খাঁ, মুৰাৰি, জয়ৰাম চান্দসাই আদি উল্লেখযোগ্য। এওঁলোকৰ ভিতৰত গোবিন্দ গাৰো সম্প্ৰদায়ৰ, 'জয়ৰাম' ভুটীয়া সম্প্ৰদায়ৰ, 'মুৰাৰি' কোঁচ সম্প্ৰদায়ৰ আৰু 'চান্দসাই' মুছলমান সম্প্ৰদায়ৰ লোক আছিল। এইজনা মানৱ দৰদী মহাপুৰুষে ভালদৰে উপলব্ধি কৰিছিল যে এই ধুনীয়া ধৰণীখনত মানুহৰ মাজত যিমানেই ভেদাভেদ বাঢ়িব সিমানেই মানুহৰ মাজত হিংসা-প্ৰতিহিংসা, ঘাত-প্ৰতিঘাত বাঢ়িব। এই ধৰণৰ ঘটনাবোৰে মানৱ সভ্যতাৰ বিকাশত অন্তৰায়ৰ সৃষ্টি কৰিব। সেয়েহে তেওঁ সকলো লোকৰ মাজত সমন্বয়ৰ সেঁতু গঢ়িবলৈ চেষ্টা কৰিছিল। উচ্চ বংশজাত শিৰোমণি ভূঞাৰ পুত্ৰ হ'লেও তেওঁৰ সংবেদনশীল হৃদয় সদায় সমাজৰ শোষিত, নিপীড়িত, নিৰ্যাতিত লোকৰ বাবে কান্দি উঠিছিল। সেয়ে অন্ধবিশ্বাস, কুসংস্কাৰ, অভাৱ-অনাটন, নিৰক্ষৰতা আদিৰ বাবে সংসাৰ সমুদ্ৰত কক্‌বকাই থকা লোকসকলৰ বাবে ধৰ্মৰ দুৱাৰ মুকলি কৰি দিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ পথ যথেষ্ট কণ্টকপূৰ্ণ আছিল। শক্তিৰ পূজা-পাঠ কৰা লোকসকলে পদে পদে তেওঁৰ বিৰোধিতা কৰিছিল। অকল যে বাহিৰৰ লোকৰ পৰাই তেওঁ আহুকাল পাইছিল তেনে নহয়, তেওঁৰ বহুতো আত্মীয়-বন্ধুৱেও নানা ধৰণে বিঘিনি ঘটাবলৈ যত্ন কৰিছিল। ৰাজৰোষত পৰিয়েই তেওঁৰ জোঁৱায়েক 'হৰি'য়ে অকালতে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। উদাসীন ভকত বুলি একেলগে বন্দী হোৱা মহাপুৰুষ মাধৱদেৱে প্ৰাণদণ্ডৰ পৰা ৰেহাই পাইছিল। বিভিন্ন সময়ত শংকৰদেৱ নিজেও পলাই ফুৰিবলগীয়া অৱস্থা হৈছিল।



Scanned with CamScanner

মহাপুৰুষজনাই ধুঁৱাহাটত ওঠৰ বছৰ কাল কটায়। ধুঁৱাহাটত থাকোঁতে তেওঁৰ প্ৰিয়তম শিষ্য মাধৱদেৱৰ লগত মিলন ঘটে। এসময়ৰ ঘোৰ শাক্ত মাধৱদেৱে বলি-বিধান সম্পৰ্কে পুৰুষজনাৰ লগত 'তিনি প্ৰহৰ বেলি বাদ কৈলে'। কিন্তু তেওঁ মহাপুৰুষে আগবঢ়োৱা 'তৰুমূল শ্লোক'ৰ যুক্তিত পৰাজয় স্বীকাৰ কৰি তেওঁৰ ওচৰত মুৰ দোঁৱাই শৰণ লয়। চৰিত পুথিত এই মিলনক 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' বুলি অভিহিত কৰিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিভিন্ন শাস্ত্ৰ মন্থন কৰি স্ব-দৃষ্টিভংগীৰে সমসাময়িক সমাজৰ উপযোগীকৈ তেওঁৰ গ্ৰন্থসমূহ ৰচনা কৰিছিল। ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ সমসাময়িক বৈষ্ণৱ গুৰুসকলে শাস্ত্ৰসমূহৰ ভিতৰত শ্ৰীমদ্ভাগৱত পুৰাণক সবাতোকৈ উচ্চ আসন দিছিল। এই ক্ষেত্ৰত গুৰুজনাও ব্যতিক্ৰম নহয়। সেয়েহে তেওঁৰ ৰচনাত ভাগৱত পুৰাণৰ প্ৰভাৱ অধিক।

গুৰুজনাৰ সাহিত্যিক জীৱনৰ প্ৰথম স্বাক্ষৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মূল 'মাৰ্কণ্ডেয় পুৰাণ'। এই গ্ৰন্থখনৰ জৰিয়তে তেওঁ নাম, দেৱ, গুৰু আৰু ভকত-ভকতিৰ এই চাৰিখুটি মাৰে। ধুঁৱাহাটত থাকোঁতে তেওঁৰ প্ৰথম লিখিত নাটক 'পত্নীপ্ৰসাদ' ৰচনা কৰে। অৱশ্যে ইয়াৰ আগতে বৰদোৱাত থাকোঁতে 'চিহ্নযাত্ৰা' নামৰ নাটক এখন লিখিছিল। এই নাটকখন পাবলৈ নাই। 'চিহ্নযাত্ৰা'ত বজাবৰ বাবে কুমাৰসকলৰ হতুৱাই খোল, কঁহাৰসকলৰ হতুৱাই খুটিতাল, ভোৰতাল আদি প্ৰস্তুত কৰিছিল। তুলাপাতত হেঙুল-হাইতাল বোলাই বৈকুণ্ঠৰ পট আঁকিছিল। একেৰাহে সাতদিন-সাতৰাতি এই নাটকৰ অভিনয় চলিছিল।

মহাপুৰুষৰ দ্বাৰা ৰচিত আনকেইখন নাটক হ'ল—'ৰুক্মিণী হৰণ', 'কেলিগোপাল', 'পাৰিজাত হৰণ', 'কালিয়দমন' আৰু 'ৰামবিজয়'। ইয়াৰ প্ৰথম চাৰিখন নাটক পাটবাউসীত থাকোতে ৰচনা কৰিছিল। সৰ্বসাধাৰণক ভক্তিধৰ্মলৈ আকৰ্ষিত কৰিবলৈ যত্ন কৰাটোৱেই এই নাটক ৰচনাৰ মূল উদ্দেশ্য আছিল।

তেওঁৰ নাম-প্ৰসঙ্গমূলক পুথি 'কীৰ্তন-ঘোষা' 'বৈষ্ণৱ সাহিত্যৰ কীৰ্ত্তিস্তম্ভ' স্বৰূপ। বৰগীত আৰু ভটিমাসমূহ অসমীয়া গীতি সাহিত্যৰ অনুপম সম্পদ। ইয়াৰ উপৰিও তেওঁ কাব্য, ভক্তিতত্ত্বৰ গ্ৰন্থ, অনুবাদমূলক গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চিৰযুগমীয়াকৈ চহকী কৰি থৈ গৈছে।

শ্ৰীমন্ত শংকৰদেৱ এজন কৰ্মযোগী মহাপুৰুষ আছিল। তেওঁ বিবোৰ আদৰ্শ দেখুৱাইছিল সেই সময়ৰ সমাজৰ বাবে সেইবোৰ বিপ্লৱী আদৰ্শ আছিল। বিপ্লৱী হ'লেও তেওঁ এজন নম্ৰ আৰু বিনয়ী লোক আছিল। তেওঁৰ বিৰোধিতা কৰা লোকসকলৰ প্ৰতি কেতিয়াও বিৰূপ মন্তব্য কৰা নাছিল। পাৰিবাৰিক সূত্ৰে যথেষ্ট সা-সম্পত্তিৰ উত্তৰাধিকাৰী হ'লেও বিষয়-বৈভৱৰ প্ৰতি কোনো আকৰ্ষণ নাছিল আৰু সেইবোৰ হেলাৰঙে পৰিত্যাগ কৰিছিল। তেওঁ নিজে যিদৰে সহজ-সৰল জীৱন অতিবাহিত কৰিছিল শিষ্যসকলকো তেনে জীৱন যাপন কৰিবলৈ উপদেশ দিছিল।

*"শংকৰদেৱে কীৰ্তনঘৰ বা নামঘৰ সাজি এক শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এই নামঘৰবোৰ সেই সময়ত আদালত স্বৰূপ আছিল। গাঁৱৰ সকলো বিচাৰ-পৰ্ব নামঘৰতে হৈছিল আৰু সকলোৱে এই বিচাৰৰ ৰায় নতশিৰে মানি লৈছিল। এই কীৰ্তনঘৰতে তেওঁৰ সাম্যৰ আদৰ্শ সুন্দৰকৈ প্ৰতিফলিত হৈছিল। কীৰ্তনঘৰত উচ্চ-নীচ, জ্ঞানী-অজ্ঞানী, ধনী-দুখীয়া সকলোৰে সমান স্থান।"*

শ্ৰীমন্ত শংকৰদেৱ অকল কবি, নাট্যকাৰ বা গীতিকাৰেই আছিল এনে নহয়; গায়ন, বায়ন, সংগীতজ্ঞ, চিত্ৰকৰকে আদি কৰি কিমান গুণৰ যে সমাৱেশ ঘটিছিল তেওঁৰ মাজত ! তেওঁ যেতিয়া কোচবিহাৰত মহাৰাজ নৰনাৰায়ণ-চিলাৰায়ৰ লগত আছিল তেতিয়া তেওঁলোকৰ মনোবাঞ্চা পূৰণৰ বাবে তাঁতীকুছিৰ তাঁতীসকলৰ হতুৱাই কৃষ্ণলীলা সম্বলিত 'বৃন্দাবনী বস্ত্ৰ' বোৱাই উলিয়াইছিল। এই বৃন্দাবনী বস্ত্ৰ দীঘে ছয়কুৰি আৰু পথালিয়ে তিনিকুৰি হাতৰ আছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পাটবাউসী, সুন্দৰীদিয়া, বৰদোৱা, বৰপেটা, লেচাকোনীয়া, লেঙা, মৌকুছি, ডেকাৰকুছি আদি বিভিন্ন ঠাইত কীৰ্তনঘৰ সাজি একশৰণ হৰিনাম প্ৰচাৰ কৰি সমাজত ঐক্য-সংহতি আৰু শান্তি-সম্প্ৰীতিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। অসমৰ বিভিন্ন জাতি-উপজাতি একলগ কৰি এক বৃহত্তৰ অসমীয়া জাতি গঠন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ চৰিত্ৰত সকলো মানবীয় গুণৰে সমাৱেশ ঘটিছিল। ১৫৬৮ খৃষ্টাব্দৰ ভাদ মাহৰ ২১ তাৰিখ শুক্লা দ্বিতীয়া তিথিৰ দিনা তেওঁ জীৱন নাটৰ সামৰণি মাৰিলে।

অসমৰ জাতীয় জীৱনত তেওঁ চিৰদিন উজ্বল নক্ষত্ৰৰ দৰে জিলিকি থাকিব। ◆



Scanned with CamScanner



# শ্ৰদ্ধাঞ্জলি ঃ

# 'সুগন্ধি পখিলা'ৰ কবি হীৰুদালৈ

ইন্তাজুল হক
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

শইচ. পথাৰ আৰু মানুহৰ কবিতা ৰচনা কৰি অলেখ লোকৰ হৃদয় শেৱালিৰ সুবাসেৰে আমোল-মোলাই তোলা 'সুগন্ধি পখিলা'ৰ কবি আমাৰ আটাইৰে আপোনৰো আপোন হীৰুদাই (হীৰেন ভট্টাচাৰ্য) সমগ্ৰ অসমবাসীকে শোক সাগৰত পেলাই ২০১২ চনৰ জুলাই মাহৰ ৪ তাৰিখে পুৱা ১১-৩০ বজাত গুৱাহাটীৰ দিছপুৰ হস্পিতালত শেষ নিশ্বাস ত্যাগ কৰিলে। হাৰ্ওফাৰ্ও আৰু বৃক্কৰ ৰোগৰ বাবে ১৪ জুনৰ পৰা চিকিৎসাধীন হৈ থকা কবিগৰাকীয়ে "স্নেহ তীৰ্থ" লৈ উভতি নহাৰ দুখৰ বতৰা দি চিৰবিদায় মাগিলে। নিমিষতে উদং হৈ পৰিল আধুনিক অসমীয়া কাব্য জগত। আমাৰ আটাইৰে অতি মৰমৰ ভূপেন হাজৰিকা যিদৰে সকলোৰে মাজত 'ভূপেনদা' নামেৰে পৰিচিত তেনেদৰে তেখেতো সকলোৰে মাজত 'হীৰুদা' নামেৰে পৰিচিত।

১৯৩২ চনৰ ২৮ জুলাইত যোৰহাটত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃ প্ৰয়াত তীৰ্থনাথ ভট্টাচাৰ্য আৰু মাতৃ প্ৰয়াত স্নেহলতা ভট্টাচাৰ্য। পিতৃৰ চাকৰি সূত্ৰে অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিবলগীয়া হোৱা বাবে তেওঁৰ স্কুলীয়া জীৱন আৰম্ভ হয় ডিব্ৰুগড়ত। কিন্তু সৰুৰে পৰা বন্ধন ভাল নোপোৱা হীৰুদাই স্কুলত কোনো আকৰ্ষণ অনুভৱ কৰা নাছিল। ডিব্ৰুগড়ৰ পিচত গোলাঘাট, তেজপুৰ, মঙ্গলদৈ আদি বিভিন্ন ঠাইত কটাই তেওঁলোকৰ পৰিয়ালটি গুৱাহাটীলৈ আহে। ১৯৪৫ চনত কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত কটন কলেজত নাম লগায় যদিও আই. এ. পৰীক্ষা দিব নোৱাৰিলে। পিচত বি. বৰুৱা কলেজৰ পৰা পৰীক্ষা দি আই. এ. পাছ কৰি বি. এত নাম লিখে যদিও পঢ়া সমাপ্ত কৰা নহ'ল।

হীৰুদাই অতি সহজ-সৰল, থলুৱা শব্দেৰে কবিতা লিখিছিল। 'দেশ বুলিলে আদেশ নালাগে' বুলি সকলোকে পথৰ সন্ধান দিয়া ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰী কবিগৰাকীৰ কবিতাত অসমৰ সমগ্ৰ প্ৰকৃতি, অসমীয়া মানুহৰ প্ৰেম-প্ৰীতি, সংগ্ৰাম আদি বিভিন্ন দিশ ন-ন ৰূপত প্ৰকাশ পাইছিল। তেওঁৰ প্ৰকাশিত কবিতা পুথিসমূহ হ'ল— ১। ৰৌদ্ৰ কামনা (১৯৬৪) ২। মোৰ দেশ মোৰ প্ৰেমৰ কবিতা (১৯৭২) ৩। বিভিন্ন দিনৰ কবিতা (১৯৭৪) ৪। কবিতাৰ ৰ'দ (১৯৭৬) ৫। তোমাৰ গান (১৯৭৬) ৬। সুগন্ধি পখিলা (১৯৮১) ৭। জোনাকী মন ঃ অনুৰংগ (১৯৮৫) ৮। শইচৰ পথাৰ মানুহ (১৯৯১) ৯। ভালপোৱাৰ ৰোকা মাটি (১৯৯৬) ১০। মোৰ প্ৰিয় বৰ্ণমালা (১৯৯৫) ১১। ভালপোৱাৰ দিক্‌চৌ বাটেৰে (২০০০) ১২। হীৰেন ভট্টাচাৰ্যৰ বাছকবনীয়া কবিতা (২০০৩) ১৩। সুগন্ধি শিপা (২০০৫) ১৪। কবিতাৰ



Scanned with CamScanner

জাত-পাত (২০০৮) ১৫। শিপাৰ পৰা পাতলৈকে (২০০৯) ১৬। হীৰেন ভট্টাচাৰ্যৰ কবিতা (২০১১)।

এজন কবিয়েই নহয়, হীৰুদা আছিল এগৰাকী প্ৰতিষ্ঠিত গীতিকাৰ। তেওঁৰ গীতসমূহ কেইবাগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ কণ্ঠত অমৰ হৈ আছে। তেওঁৰ একমাত্ৰ গীতৰ সংকলনখন হ'ল—'তোমাৰ গান' (১৯৭৬)। তেওঁৰ বিভিন্ন কবিতাও গীতৰ সুৰেৰে জনপ্ৰিয় হৈ আছে।

এগৰাকী শিশুগ্ৰন্থ লেখক হিচাপে তেওঁ অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁ লিখা শিশুগ্ৰন্থসমূহ হ'ল— ১। ল'ৰা ধেমালি (১৯৯১) ২। আকৌ ধেমালি (১৯৯১) ৩। বৈ বৈ ধেমালি।

হীৰুদাই সম্পাদনা কৰা আলোচনীসমূহ হ'ল—১। চিত্ৰবন (১৯৫৬) ২। মনন (১৯৬৪) ৩। আন্তৰিক (১৯৬৯)। সম্পাদিত গ্ৰন্থসমূহ হ'ল—১। আমাৰ মাজৰ ব্ৰজেন বৰুৱা (১৯৬২) ২। প্ৰসঙ্গ ঃ নধি মহন্ত (১৯৮৮)।

সুন্দৰকৈ বাংলা ভাষা ক'ব পৰা এইগৰাকী কবিয়ে নিজৰ কেবাখনো গ্ৰন্থ বাংলালৈ অনুবাদও কৰিছিল। সেয়া হ'ল— ১। জোনাকী মন ও অন্যান্য (১৯৯১) ২। শসেৰ মাথ, মানুষ আৰু অন্যান্য (২০০২) ৩। শিপাৰ থেকে পাতা অবদি (২০১০) ৪। বৃষ্টি পৰে আঝৰে (২০১১)। সাহিত্যিক প্ৰদীপ আচাৰ্যই তেওঁৰ কিছুসংখ্যক কবিতা ইংৰাজীলৈ তৰ্জমা কৰি 'Ancient Gongs' নামেৰে প্ৰকাশ কৰি উলিয়াইছিল। ইয়াৰ উপৰিও গুজৰাটী, হিন্দী আদি ভাষালৈও তেওঁৰ কবিতাৰ অনুবাদ হৈছে। 'পৰিচয়', 'কৃত্তিবাস' আৰু 'প্ৰতিক্ষণ' — এই তিনিখন বাংলা আলোচনীত তেওঁৰ বাংলা কবিতা প্ৰকাশ পাইছে।

হীৰুদাৰ প্ৰথম কবিতা 'নিমন্ত্ৰণ' 'আৱাহন'ৰ পাতত প্ৰকাশ পায়। একে সময়তে 'প্ৰবাহ'ৰ প্ৰথম সংখ্যাতে আন এটা কবিতা প্ৰকাশ হৈছিল। 'প্ৰবাহ'ৰ সৈতে তেওঁ নিজেও জড়িত আছিল।

শৈশৱৰে পৰা বিভিন্ন সামাজিক, সাংস্কৃতিক কামৰ সৈতে জড়িত হৈ থকা কবিয়ে ১৯৫৫ চনত অনুষ্ঠিত IPTA ৰ অধিবেশনৰ আগে আগে ভাৰতীয় গণনাট্য সংঘৰ সৈতে জড়িত হৈ পৰে। গণনাট্য মঞ্চতে তেওঁ হেমাংগ বিশ্বাস, ভূপেন হাজৰিকা, কেশৱ মহন্ত আদিৰ দৰে বিখ্যাত শিল্পী-সাহিত্যিকৰ সান্নিধ্য লাভ কৰে আৰু প্ৰগতিশীল ভাবধাৰাৰ প্ৰতি আকৃষ্ট হৈ পৰে। সৰ্বভাৰতীয় সংগঠন 'প্ৰগতিশীল লেখক সংঘ'ৰ সৈতে জড়িত হৈ পৰাৰ পিচত ১৯৬৫ চনত সংঘৰ দিল্লীত অনুষ্ঠিত অধিবেশনত যোগদান কৰে। তেওঁ এই সংঘৰ কাৰ্যকৰী কমিটিৰ সদস্যও আছিল। 'প্ৰগতিশীল লেখক সংঘ'ৰ অসম শাখা 'প্ৰগতিশীল শিল্পী সংঘ'ৰ সৈতে তেওঁ ওৰেটো জীৱন জড়িত আছিল। ১৯৮৪ চনত প্ৰগতিশীল লেখক সংঘৰ স্বৰ্ণজয়ন্তী গুৱাহাটীত অনুষ্ঠিত হৈছিল। বামপন্থী ভাবাদৰ্শত বিশ্বাসী হীৰুদাই সাহিত্যৰ মাজেৰে বামপন্থী চিন্তাৰ প্ৰকাশ হোৱাটো বিচাৰিছিল।

বঁটা-বাহনলৈ কোনো ধৰণৰ আকৰ্ষণ অনুভৱ নকৰা হীৰুদাই ১৯৮৫ চনত 'সুগন্ধি পখিলা'ৰ বাবে অসম সাহিত্য সভাৰ 'বিষ্ণুপ্ৰসাদ ৰাভা বঁটা'ৰ উপৰিও ভাৰতীয় বিদ্যাভৱনৰ পৰা 'ৰাজাজী সাহিত্য বঁটা' আৰু 'ছোভিয়েত দেশ বঁটা' লাভ কৰে। ১৯৯২ চনত 'শইচৰ পথাৰ মানুহ'ৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। ২০০১ চনত জীৱনজোৰা সাধনাৰ বাবে তেওঁ মেগৰ শৈক্ষিক ন্যাসে প্ৰদান কৰা ২০০১ চনৰ 'অসম উপত্যকা সাহিত্য বঁটা' লাভ কৰে। ২০১০ চনত অসম চৰকাৰে প্ৰদান কৰা 'গণেশ গগৈ বঁটা' লাভ কৰে। ২০১১ চনত লাভ কৰে পদ্মনাথ বিদ্যাবিনোদ খ্যাত সাহিত্য পুৰস্কাৰ।

'কবি মই নাছিলো কোনোকালে/ব্যৰ্থতাৰ এন্ধাৰে মোক মাথোঁ/সত্যক সহজে ল'বলৈ শিকালে' বুলি কোৱা এইগৰাকী বুদ্ধিদীপ্ত কল্পনাৰ অধিকাৰী কবিয়ে অসম সাহিত্য সভাৰ কামপুৰ অধিবেশনৰ কবি সন্মিলনত সভাপতিৰ আসন অলংকৃত কৰিছিল। ১৯৫৬ চনৰ পৰা 'স্নেহতীৰ্থ'ত থাকিবলৈ লোৱা হীৰুদাই পৰিয়ালৰ জোৰত অলপ পলমকৈ পাৰুল দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয়। তেওঁলোকৰ একমাত্ৰ কন্যা সন্তানটি হ'ল শান্তা শৰ্মা (ভট্টাচাৰ্য)। কোনো ঠাইতে থিৰেৰে থাকিব নোৱাৰা খেয়ালী মনৰ কবিগৰাকীয়ে বোৰ্কা পানীটেমা হাইস্কুলত কেইমাহমানৰ বাবে শিক্ষকতাও কৰিছিল। নিজৰ খেয়াল-খুচি মতে ঘূৰি ফুৰিলেও ঘৰ-পৰিয়ালৰ লগত তেওঁৰ মধুৰ সম্পৰ্ক আছিল। অৱশ্যে এজন স্বাধীনচিতীয়া মুক্ত মনৰ কবিৰ বাবে যি উদাৰতাৰ প্ৰয়োজন সেয়া দিবলৈ পৰিয়ালে কোনোদিনে কাৰ্পণ্য কৰা নাছিল।

কবিতা লেখিলেও হীৰুদাই কেতিয়াও কবিতা লৈ ব্যস্ত থকা নাছিল। গোটেইটো জীৱন মানুহৰ সংগ বিচাৰি অৰণ্যে-দৰণ্যে ঘূৰি ফুৰি তেওঁ যেন জীৱনটোক উপলব্ধি কৰিবলৈ যত্ন কৰিছিল। বিভিন্ন কবি সন্মিলনবোৰলৈ গৈছিল যদিও কবিতা পাঠ কৰাটো তেওঁৰ মুখ্য উদ্দেশ্য নাছিল, তেওঁৰ মূল উদ্দেশ্য আছিল মানুহক লগ পোৱাৰ। সেয়েহে মন গ'লেই মঞ্চ এৰি কাৰোবাৰ ঘৰলৈ গৈ আড্ডা মাৰিছিল। সাধাৰণ মানুহৰ ঘৰত সোমাই সুখ-দুখৰ খবৰ লৈছিল। দেশৰ কথা, ৰাজনৈতিক পৰিৱেশৰ কথা, খেতি-বাতিৰ কথা, বানপানীৰ কথা এইবোৰ খবৰ লৈ তেওঁ জনসাধাৰণৰ লগত মিলি যাব বিচাৰিছিল।



Scanned with CamScanner

কেতিয়াবা কপৌফুল বিচাৰি ফুৰিছিল। কেতিয়াবা আকৌ কপৌফুল বিচাৰি বহু দূৰ-দূৰণিলৈ গৈছিল। সাধাৰণ মানুহৰ লগত এনেদৰে মিলি তেওঁলোকৰ জীৱনৰ বাৰ্তা তথা সুখ-দুখৰ কাহিনী শুনি কবিতাত সেয়া প্ৰতিফলিত কৰিছিল।

হীৰুদাৰ প্ৰিয় পাঠকে তেওঁক মৰমতে 'সুগন্ধি পখিলা'ৰ কবি, 'জোনাকী মন'ৰ কবি, 'প্ৰেম আৰু ৰ'দালি'ৰ কবি আদি বিভিন্ন নামেৰে অভিহিত কৰিছিল। তেওঁ আছিল যথাৰ্থতে মানুহৰ প্ৰতি, দেশৰ বায়ু, পানী, মাটিৰ প্ৰতি গভীৰ প্ৰেমেৰে হৃদয় ভৰি থকা এগৰাকী দৰদী কবি। আধুনিক অসমীয়া কবিতালৈ বৈ অহা দুৰ্বোধ্যতাৰ সোঁতৰ ভাঙি কবিতাক তেওঁ জনমুখী কৰি তুলিলে। এইখন দেশক তেওঁ প্ৰাণভৰি ভালপায়। সেয়েহে অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ, শত্ৰু-মিত্ৰ সকলোৰে হৃদয় বিশ্বাসেৰে জিনি বগুৰা-বনুৰা-হালোৱা সকলোৰে মাজত তেওঁ জীয়াই থাকিবলৈ বিচাৰে— এই দেশৰ বাবে মই জীয়াই আছোঁ। এই দেশৰ বাবেই মই জীয়াই থাকিবলৈ মৰণপণ কৰিছোঁ। বগুৰা, বনুৰা, হালোৱা এই সকলোৰে মাজত মই আছোঁ— মোৰ দেশৰ বাবে। অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ। জীৱনে-মৰণে, শয়নে-সপোনে এই দেশৰ আহ্বান মই শুনিছোঁ।

কবিৰ যিকণ সম্বল আছে সেয়া জগতৰ শান্তি ৰক্ষা কৰিবৰ বাবে ত্যাগ কৰিবলৈ সদা প্ৰস্তুত।

হীৰুদাক শব্দৰ কাৰিকৰ বুলি কোৱা হয়। তেওঁৰ কবিতা আৰু গানত ব্যৱহাৰ কৰা প্ৰতিটো শব্দই পাঠক তথা শ্ৰোতাৰ হৃদয়ত অনুৰণনৰ সৃষ্টি কৰিব পাৰে। 'শব্দ কবিৰ অস্ত্ৰ' বুলি তেওঁ নিজেও বিশ্বাস কৰিছিল। শব্দ, ৰূপ, বৰ্ণ আৰু গোন্ধৰ অনুভূতিৰ বাবেই তেওঁৰ কবিতাসমূহত এক লিৰিকেল ব্যঞ্জনা ভাঁহি আহে। শব্দৰ সু-প্ৰয়োগৰ উপৰিও চুটি চুটি কবিতাবোৰত প্ৰয়োগ কৰা উপমা, প্ৰতীক, চিত্ৰকল্প আদিও অভিনৱ।

অসমীয়া কাব্য সাহিত্যত স্ব-মহিমাৰে উজ্জীৱিত হীৰুদাৰ প্ৰায়বোৰ কবিতাই হৃদয়স্পৰ্শী আৰু সংবেদনশীল। প্ৰেম আকলুৱা কবিয়ে প্ৰেমৰ বিষয়ে কৈছে এইদৰে—

> প্ৰেমৰ কথাটো আৰু আনক ক'ব নোৱাৰি
> নিশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে
> শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।

মাতৃপ্ৰেম, দেশপ্ৰেম, ভাষাপ্ৰেম— এই সকলোবোৰে তেওঁৰ কবিতাত সাৰ্বজনীন ৰূপ পাইছে। প্ৰেমৰ লগতে বিদ্ৰোহ, বিষাদ, নিঃসংগতা আদিয়েও তেওঁৰ কবিতাত ধৰা দিছে। শইচ, পথাৰ আৰু মানুহক লৈ লিখা কবিতাবোৰত অসম কৃষকৰ প্ৰাত্যহিক জীৱনৰ অন্তৰস্পৰ্শী প্ৰতিচ্ছবি বৰ সুন্দৰ্ভা প্ৰতিফলিত হৈছে।

তেওঁৰ কিছুমান কবিতাৰ পংক্তি ইমান জনপ্ৰিয় যে স্মৰণীয় উক্তিলৈ ৰূপান্তৰ হৈছে। তাৰ ভিতৰত— 'মৃত্যু এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য', 'কপৌ ৰং চুলিত লাগিছে বেয়া নেদেখি, লাগক, 'সোণালীখিনি নিদিবা, বুকু জুৰি বৈ থাকক', 'তুমিতো জানাই/এই কবিৰ ঘৰ একো নাই/এটাই মাথোঁ কামিজ/তাৰো ছিগো ছিগো চিলা 'কবিতা পঢ়ি পাহৰিব পাৰি/ পাহৰিব পাৰি কিছু দুখ আৰু গ্লানি' আদি উল্লেখযোগ্য।

কলাগুৰু বিষ্ণু ৰাভাৰ বিয়োগত তেওঁ হৃদয়ৰ গভীৰ বে এইদৰে প্ৰকাশ কৰিছিল —

> চকুৰ পানীৰে
> ভৰি উঠে মোৰ আইৰ দুচকু
> এতিয়া কি স'তে
> মই ঘৰলৈ ওভতো?

মানুহে তেওঁক কবি হিচাপে জানিলেও হীৰুদাই সুন্দৰ আঁকিছিল। কবিতা লিখাৰ দৰে যদি ছবিও আঁকিলেহেঁ তেতিয়া তেওঁ এজন ভাল চিত্ৰকৰ ৰূপেও খ্যাতি অৰ্জন ক পাৰিলেহেঁতেন। ছবি আঁকোতে তেওঁ তেনে কোনো বি চিন্তা কৰা নাছিল। সন্মুখত যি পাইছিল তাকে লৈ ছবি আঁকি

হীৰুদাই খেল চাই বৰ ভাল পাইছিল। ক্ৰিকেট খেল থাকিলে তেওঁ আইন সকলো কাম বাদ দি টি. ভিৰ ওচৰত থাকিছিল। অসমীয়া সাজ-পোচাক, খাদ্য আদি তেওঁ খুব পাইছিল। ভাষা-সংস্কৃতিৰ বাবে মৰিব পৰা হীৰুদাই ভা অবক্ষয় ঘটা দেখিলে যথেষ্ট উদ্বিগ্ন হৈ পৰিছিল। সংবাদ চাইনবোৰ্ড আদিত ভাষাৰ অপব্যৱহাৰ কৰা দেখিলে তেওঁ ব্য হৈ পৰিছিল। পৰিবৰ্তনৰ মাজেৰে ভাষা জীয়াই থাকিব— কথা তেওঁ বিশ্বাস কৰিছিল।

বিংশ শতিকাৰ শেষৰ তিনিটা দশক আৰু একৈ শতিকাৰ প্ৰথমটো দশক— এই চাৰিওটা দশকৰ আটাই জনপ্ৰিয় কবিজনাৰ মহাপ্ৰয়াণ অসমীয়া কাব্য জগতৰ অপূৰণীয় ক্ষতি। অসমীয়া কবিতাক মানুহৰ মাজলৈ লৈ চিৰ সেউজ, চিৰ তৰুণ হীৰুদা শাৰীৰিকভাৱে আমাৰ মা নাই যদিও মানসিকভাৱে সদায় জীয়াই থাকিব। তেওঁৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ। ◆



Scanned with CamScanner

# অসমীয়া সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ মামণি ৰয়ছম গোস্বামী



পাপৰি তালুকদাৰ
স্নাতক প্ৰথম ষাণ্মাসিক, ভূগোল বিভাগ

❝ জীৱন নামৰ শিল্পটোক অতি কাষৰ পৰা অধ্যয়ন কৰা মামণি ৰয়ছম গোস্বামীৰ লেখনিত 'জীৱন' আৰু 'সাহিত্য' একাকাৰ হৈ গৈছিল। ইয়াৰ জৰিয়তেই জীৱন অন্বেষণী এইগৰাকী প্ৰতিভাই এক বৈপ্লৱিক পৰিৱৰ্তনৰ জোৱাৰ আনিবলৈ সক্ষম হৈছিল। ❞

গম্ভীৰ জীৱনবোধৰ অধিকাৰী মামণি ৰয়ছম গোস্বামী আছিল এক এনেকুৱা ব্যক্তিত্ব, যি ব্যক্তিত্বই সমাজত নাৰীৰ বিপক্ষে চলি থকা অন্যায়-অবিচাৰবোৰক প্ৰতিবাদৰ জোৱাৰেৰে বিলুপ্ত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। অসমীয়া কলা-সাহিত্যৰ বুৰঞ্জীত নিজৰ নাম জকমকীয়া কৰি থৈ যাবলৈ সক্ষম হোৱা মামণি ৰয়ছম গোস্বামী আছিল বিৰল প্ৰতিভাৰ অধিকাৰী। বাস্তৱবাদী চিন্তাধাৰাৰে অসমৰ সাহিত্যাকাশ উজ্বলাই তোলা এইগৰাকী মহান লেখিকা মানৱতাবাদীও আছিল। কলমৰ বলিষ্ঠ ভাষাৰে অসমীয়া সাহিত্য জগতত অমূল্য ৰত্নগুণি আগবঢ়াই যোৱা মামণি ৰয়ছম গোস্বামীয়ে নিৰ্ভীকভাৱে সমাজৰ শোষিত-নিষ্পেষিত-প্ৰতাৰিত মানুহৰ চৰিত্ৰসমূহক নিজৰ ৰচনাত ঠাই দি সমাজ পৰিৱৰ্তনৰ এক গুৰুভাৰ বহন কৰি নিজকে দৃষ্টান্ত হিচাপে থৈ গ'ল।

পুৰুষতান্ত্ৰিক সমাজে বান্ধি দিয়া চাৰিবেৰৰ মাজৰ সাতামপুৰুষীয়া ৰীতিসমূহক কেৰেপ নকৰি তেওঁ বিধবাৰ বগা সাজ দলিয়াই পেলাই কপালত দগমগীয়া ৰঙা ফোঁট এটা লৈ ৰাজপথলৈ ওলাই আহিছিল। প্ৰতিবাদৰ যেন ই এক অন্য ভাষা। তেওঁ যেন ক'ব বিচাৰিছিল— নাৰী হ'লেও আমি স্বাধীন মানুহৰ দৰেই জীয়াই থাকিব বিচাৰো। কোনো যুক্তিসমৃদ্ধ যুক্তি নথকা সমাজৰ পুৰণিকলীয়া কু-ৰীতি-নীতিবোৰৰ পৰা নাৰী সমাজক মুক্ত কৰিবলৈ যেন তেওঁ অংগীকাৰবদ্ধ। নাৰী মনৰ ভিতৰচ'ৰাত প্ৰৱেশ কৰি তেওঁ কান্দি উঠিছিল নাৰীৰ দাসত্বৰ শিকলি দেখি। সেয়ে তেওঁ তথাকথিত সমাজব্যৱস্থাক আওকাণ কৰি মুক্ত দৃষ্টিভংগীৰে তথা অতি সাহসিকতাৰে তেওঁৰ লেখনিৰ মাজেৰে নাৰীৰ প্ৰতি সমাজে কৰি থকা অন্যায়ৰ শাশ্বত সত্যবোৰ মুকলি কৰি দিছিল।

পুৰুষতান্ত্ৰিক সমাজে নাৰীৰ ওপৰত কৰা অবিচাৰ আৰু মামণি ৰয়ছম গোস্বামীয়ে কিদৰে ইয়াৰ বিৰোধিতা কৰিছিল এইবোৰ স্পষ্ট ৰূপত ফুটি উঠিছে তেওঁৰ উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত। স্বামীহাৰা বিধৱা দুজনীৰ যন্ত্ৰণাকাতৰ



Scanned with CamScanner

> নাৰী মনৰ ভিতৰচ'ৰাত প্ৰবেশ কৰি তেওঁ কান্দি উঠিছিল নাৰীৰ দাসত্বৰ শিকলি দেখি। সেয়ে তেওঁ তথাকথিত সমাজব্যৱস্থাক আওকাণ কৰি মুক্ত দৃষ্টিভংগীৰে তথা অতি সাহসিকতাৰে তেওঁৰ লেখনিৰ মাজেৰে নাৰীৰ প্ৰতি সমাজে কৰি থকা অন্যায়ৰ শাশ্বত সত্যবোৰ মুকলি কৰি দিছিল।

জীৱন-যাতনা এইখন উপন্যাসত অতি স্পষ্টভাৱে প্ৰতিফলিত হৈছে। উপন্যাসখনৰ 'গিৰিবালা' নামৰ চৰিত্ৰটোৰ মাজেদি মামণি ৰয়ছম গোস্বামীয়ে সমাজৰ তথাকথিত অন্যায়, অবিচাৰবোৰ স্পষ্ট ৰূপত বিৰোধিতা কৰিছে। 'গিৰিবালা'ৰ জৰিয়তে এটা অতি সাহসী আৰু দৃঢ় চৰিত্ৰ ফুটাই তুলি গোস্বামীয়ে বৈধব্যৰ মুকলি বিৰুদ্ধাচৰণ কৰিছে। আকৌ আন এটা চৰিত্ৰ 'দুৰ্গা'ৰ যোগেদি অসহায়া বিধৱা এজনীয়ে কিদৰে বিধৱাৰ বগা সাজ পৰিধান কৰি সকলো দুখ-কষ্ট সহ্য কৰিবলগা হয় তাক ফুটাই তোলা হৈছে।

তেওঁৰ দ্বাৰা প্ৰণীত আন এখন উপন্যাস 'আধালেখা দস্তাবেজ'তো মূলতঃ নাৰী-জীৱনৰ দ্বন্দ্ব, সংঘাত আৰু ৰহস্যময়তাক গভীৰ অন্তদৃষ্টিৰে উপস্থাপন কৰা হৈছে। পুৰুষতান্ত্ৰিক সমাজে সদায়েই পদদলিত কৰি ৰাখিব বিচৰা নাৰীয়ে যে স্বাধীনতাহে বিচাৰে আৰু সাহস তথা বুদ্ধিমত্তাৰে নিজকে সমাজত প্ৰতিষ্ঠিত কৰিব পাৰে সেই কথাকে উপন্যাসখনত প্ৰতিপন্ন কৰিব বিচৰা হৈছে। 'আধালেখা দস্তাবেজ' এখন আত্মজীৱনী। ইয়াৰ জৰিয়তে গোস্বামীয়ে তেওঁৰ নাৰী জীৱনৰ সংঘাত, দ্বন্দ্ব, জটিলতা আদিবোৰ নেওচি কিদৰে এগৰাকী সাহসী তথা শক্তিশালী নাৰী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে তাকে বৰ্ণনা কৰিছে।

তেওঁ লেখা কবিতাবোৰতো প্ৰতিফলিত হৈছে সংঘাত আৰু সংগ্ৰামৰ এখন স্পষ্ট ছবি। সংঘাত আৰু সংশয়েৰে আবৰা জীৱনত অৰ্জন কৰা অভিজ্ঞতাসমূহকে তেওঁ কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে। সমাজ ব্যৱস্থাৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি তেওঁ 'Ode to a whore' নামৰ কবিতাটোত সমাজৰ সকলোৰে নিন্দিত বেশ্যা এগৰাকীৰ জীৱনক পংকিলতাৰ পৰা উদ্ধাৰ কৰি আনি যে আৰু ন সেউজী ৰূপ দিব পাৰি সেই ছবি প্ৰকট কৰিছে। সকলোৰে প্ৰতি সমান মানৱতাৰ উদাহৰণ হিচাপে আমি তেওঁৰ 'Buffalow Sacrifice' কবিতাটোলৈ আঙুলিয়াব পাৰোঁ। মূলতঃ তেওঁৰ চিন্তা সদায়েই মানৱতাৰ সপক্ষে আছিল। সমাজত নাৰী-পুৰুষ সকলোৰে সমান অধিকাৰ আছে, স্বাধীনতা আছে তাকেই তেওঁ প্ৰমাণ কৰি দেখুৱাইছে তেওঁৰ সৃষ্টিশীলতাৰ মাজেৰে।

বাস্তৱৰ ওপৰত অধিক গুৰুত্ব দিয়া মামণি ৰয়ছম গোস্বামীৰ লেখনিবোৰত জীৱনবোধৰ এক স্পষ্ট সুৰ প্ৰতিফলিত হোৱা দেখা যায়। তেওঁৰ গল্প-উপন্যাসত সমাজৰ তেজ-মঙহৰ চৰিত্ৰসমূহৰ জীৱনৰ ৰং, সুখ-দুখ, হাঁহি-কান্দোনৰ এক স্পষ্ট ছবি ফুটি উঠা দেখা যায়। এই লেখনিবোৰত তেওঁৰ মনোভাব আছিল উদাৰ, সহানুভূতিশীল তথা মানৱীয় দৃষ্টিভংগীৰে পৰিপূৰ্ণ। জীৱন নামৰ শিল্পটোক অতি কাষৰ পৰা অধ্যয়ন কৰা মামণি ৰয়ছম গোস্বামীৰ লেখনিত 'জীৱন' আৰু 'সাহিত্য' একাকাৰ হৈ গৈছিল। ইয়াৰ জৰিয়তেই জীৱন অন্বেষণী এইগৰাকী প্ৰতিভাই এক বৈপ্লৱিক পৰিৱৰ্তনৰ জোৱাৰ আনিবলৈ সক্ষম হৈছিল।

সাহিত্য একাডেমীৰ লগতে ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা বিজয়ী এইগৰাকী বিৰল প্ৰতিভাই তেওঁৰ আঙুলিৰ ফাঁকেৰে নিঃসৃত হোৱা সোণালী আখৰৰ পূৰ্ণ বৰুণ-সম্ভাৰেৰে বিশ্ব সাহিত্যক দি গ'ল মহাৰ্ঘ সম্পদ। তেওঁৰ মানৱতাবাদ অকল সাহিত্যতে প্ৰতিফলিত হোৱা নাছিল ব্যৱহাৰিক জীৱনতো তেওঁ আছিল সম্পূৰ্ণ মানৱতাবাদী। তেওঁৰ কলমৰ মমতাৰে সমাজৰ মূলসুঁতিৰ পৰা বিচ্ছিন্ন হৈ থকা কষ্টপূৰ্ণ জীৱনবোৰক সমাজৰ মাজলৈ আকৌ ঘূৰাই অনাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। দুখে তেওঁকো কঙাল কৰিছিল। কিন্তু এনে হেজাৰ দুখৰ বন্যাতো তেওঁ বিচলিত নহৈ বৰং সাহসিকতাৰে যুঁজ দিছিল ইয়াৰ লগত। দৃঢ় সাহসিকতাৰ পৰিচয় দি তেওঁ জীৱনৰ দুখ-দুৰ্যোগবোৰক ঠাই দিছিল তেওঁৰ সাহিত্যত। এনেদৰেই সাহসিকতাৰ অপূৰ্ব নিদৰ্শন দাঙি ধৰা মানৱতাবাদী, স্পষ্টবাদী, বাস্তৱবাদী তথা নাৰীমুক্তিৰ কণ্ঠস্বৰ এইগৰাকী মহান ব্যক্তিত্ব মামণি ৰয়ছম গোস্বামী অসম মুলুক তথা বিশ্ব সাহিত্যত সদায় উজ্বলি থাকিব নিজস্ব স্বকীয়তাৰে। ◆



Scanned with CamScanner

# অসমীয়া সংগীত কাননৰ এপাহি গোলাপ দীপালী বৰঠাকুৰ



সংগীতা কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

অসমীয়া সংগীত জগতত দীপালী বৰঠাকুৰ এটি পৰিচিত নাম। জীৱনৰ ভৰ দুপৰতে 'মটৰ নিউৰণ'ৰ দৰে দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হৈ তেওঁৰ সুললিত কণ্ঠস্বৰ চিৰদিনৰ বাবে হেৰুৱালে সঁচা কিন্তু যি এমুঠি চিৰসেউজ গান আমাক দিলে সেয়া অনন্য।

১৯৪১ চনৰ ৩১ জানুৱাৰী তাৰিখত শিৱসাগৰৰ ম'হখুটি গাঁৱত দীপালী বৰঠাকুৰৰ জন্ম। তেওঁৰ দেউতাকৰ নাম বিশ্বনাথ বৰঠাকুৰ আৰু মাতৃৰ নাম চন্দ্ৰকান্তি দেৱী। সৰুতে দেউতাকৰ অকাল বিয়োগ ঘটাত দীপালী বৰঠাকুৰে পৰিয়ালৰ সৈতে শিৱসাগৰৰ ককাক-আইতাকৰ ঘৰলৈ আহে। সংগীতৰ সাধন কৰা এই ঘৰখনতে দীপালী বৰঠাকুৰে সংগীতৰ আদিপাঠ শিকিবলৈ সুবিধা পায়। শোৱাপাটিতে আইতাকৰ মুখত শুনা বৰগীত আৰু মাকৰ মুখত শুনা বিয়ানাম, আইনাম আদিয়েও হয়তো তেওঁৰ কণমানি মনটোক সংগীতলৈ আকৰ্ষিত কৰিছিল।

> "কুলিৰ মাত বন্ধ হৈ যাব পাৰে। তাৰ প্ৰতিধ্বনি চিৰযুগমীয়া কৰিব পাৰি। বিজ্ঞানে সহায় কৰে আজিকালি। দীপালীৰ কণ্ঠ মাধুৰ্য সমগ্ৰ অসমীয়া জাতিৰ প্ৰকাশৰ সম্পত্তি।"
>
> (ড° ভূপেন হাজৰিকা)

মাত্ৰ পাঁচ বছৰ বয়সতে তেওঁ অকণিৰ মইনা চ'ৰাত গীত গাই সংগীতৰ জগতখনত ভৰি দিয়ে। সেয়াই আৰম্ভণি। ইয়াৰ পিচতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহবাগানত থকা বাইদেৱেকৰ ঘৰলৈ যাওঁতে তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়। কণমানি দীপালী বৰঠাকুৰৰ গীত শুনি ৰূপকোঁৱৰ মুগ্ধ হয় আৰু তেওঁক গীত শিকোৱাৰ লগতে নাচো শিকায়। অকল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই নহয়, ব্ৰজেন বৰুৱা, অতুল শৰ্মা, পৰাগধৰ চলিহা আদিৰ দৰে বিশিষ্ট শিল্পীসকলৰ সান্নিধ্যয়ো তেওঁক অনুপ্ৰাণিত কৰিছিল। ককায়েক ভূপেন বৰঠাকুৰ আৰু ভবেন বৰঠাকুৰেও সংগীতৰ জগতখনত আগবাঢ়ি যোৱাত বিশেষ অনুপ্ৰেৰণা যোগাইছিল।

নিজৰ যাদুকৰী কণ্ঠৰ বাবে তেওঁ আকাশবাণী গুৱাহাটীত অডিশ্বন নিদিয়াকৈয়ে অস্থায়ী শিল্পীৰূপে গীত পৰিৱেশন কৰিবলৈ সুযোগ পাইছিল। পিচত অৱশ্যে অডিশ্বনত



Scanned with CamScanner

অংশগ্ৰহণ কৰি নিয়মীয়া শিল্পীৰূপে স্বীকৃতি লাভ কৰিছিল। সেই সময়ত সৰ্বসাধাৰণৰ বাবে গান শুনাৰ একমাত্ৰ মাধ্যম আছিল ৰেডিঅ'। দীপালী বৰঠাকুৰেও অনাতাঁৰ কেন্দ্ৰৰ এক নিয়মীয়া শিল্পী ৰূপে গীত পৰিবেশন কৰি সংগীতপ্ৰেমীসকলৰ মাজত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ কালজয়ী গীতসমূহৰ ভিতৰত 'সময় পালে আমাৰ ফালে এবাৰ আহি যাবা', 'চেনাই মই যাওঁ দেই', 'সোণৰ খাৰু নালাগে মোক বিয়াৰ বাবে আই', 'জোনধনে জোনালীতে তৰাৰতীক পাই', 'কণমান বৰশীৰে চিপ্', 'লুইতে নেযাবি অ'', 'কোন সেই ৰূপৱতী যায়' আদি উল্লেখযোগ্য। প্ৰবেশিকা পৰীক্ষা পাছ কৰাৰ পিচতে তেওঁ কটন কলেজত আই. এ শ্ৰেণীত নামভৰ্ত্তি কৰে। তেতিয়াই তেওঁ বীৰেন্দ্ৰ কুমাৰ ফুকন আৰু জিতেন দেৱৰ ওচৰত সংগীতৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে। কটন কলেজত পঢ়ি থাকোঁতে তেওঁ আৰু বহুতো শিল্পী-সাহিত্যিকৰ সান্নিধ্য লাভ কৰে। তেওঁলোকৰ ভিতৰত ফণী তালুকদাৰ, লক্ষহীৰা দাস, ৰুদ্ৰ বৰুৱা, বীৰেন্দ্ৰ নাথ দত্ত, পুৰুষোত্তম দাস, নিৰ্মলপ্ৰভা বৰদলৈ আদি উল্লেখযোগ্য।

প্ৰয়াত লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাত নিৰ্মিত ছবি 'লাচিত বৰফুকন'ত দীপালী বৰঠাকুৰে নেপথ্য গায়িকা হিচাপে কণ্ঠদান কৰে। কথাছবিখনৰ বাবে গোৱা 'যৌৱনে আমনি কৰে চেনাই' শীৰ্ষক গীতটোৱে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। সেই সময়তে (১৯৬১ চন) কলকাতাত আয়োজন কৰা ৰেডিঅ' সংগীত সপ্তাহত ৰুদ্ৰ বৰুৱা আৰু হেমেন হাজৰিকা ৰচিত তথা সুৰ আৰোপিত দুটি গীত পৰিবেশন কৰে। তেতিয়াই বিখ্যাত ৰেকৰ্ডিং কোম্পানী এইচ. এম. ভিয়ে দীপালী বৰঠাকুৰৰ প্ৰতিভাৰ পৰিচয় পাই তেওঁৰ সুৰদী কণ্ঠেৰে প্ৰথমখন গ্ৰামোফোন ৰেকৰ্ড উলিয়ায়।

অসমৰ সংগীত জগতখন নিজৰ সুৰদী কণ্ঠেৰে অতি জাকতজিলিকা কৰি তোলা সদাহাস্যময়ী গায়িকা দীপালী বৰঠাকুৰৰ কণ্ঠ হঠাতে থমকি ৰ'ব লগা হ'ল। ১৯৬৮ চনত গীত ৰেকৰ্ডিং কৰি থাকোঁতে অসুস্থতা অনুভৱ কৰে। পৰীক্ষাৰ অন্তত গম পোৱা গ'ল তেওঁ স্নায়ুৰ জটিল 'মটৰ নিউৰণ' ৰোগত আক্ৰান্ত হৈছে। ফলত তেওঁৰ কণ্ঠ চিৰদিনৰ বাবে থমকি ৰ'ব লগা হ'ল। ভৰ যৌৱনতে কণ্ঠ এনেদৰে ৰুদ্ধ হৈ পৰাৰ ফলস্বৰূপে অসমে চিৰদিনৰ বাবে এগৰাকী যশস্বী কণ্ঠশিল্পীৰ কণ্ঠ হেৰুৱাবলগীয়া হ'ল। নহ'লে হয়তো তেওঁৰ সুললিত কণ্ঠই বিশ্বৰ সংগীত জগততে এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন।

এইক্ষেত্ৰত ড° ভূপেন হাজৰিকা দেৱৰ বক্তব্য উল্লেখনীয়— 'এৰা। বাপ্তিয়ে লিখি গ'ল 'চেনাই মই যাওঁ দেই ....' সেই গীত গালে দীপালী নামৰ আমাৰ শিৱসাগৰৰ ('আমাৰ' বুলিছোঁ কিয়নো মোৰ দেউতা নাজিৰাৰ) এগৰাকী ছোৱালীয়ে.... ৰেকৰ্ডত... অসম ৰজনজনাই গ'ল..... মই কলিকতালৈ গুচি অহাৰ পিছত দীপালীৰ নাম অসমৰ মানুহৰ মুখে মুখে..... ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত শান্তিৰ বাবে মই আৰু হেমাঙ্গ বিশ্বাস যেতিয়া গুৱাহাটীলৈ যাওঁ, তেতিয়া কটন কলেজত পঢ়ি থকা দীপালীক মই লগ ধৰি আমাৰ সভাত গীত গাবলৈ অনুৰোধ কৰো। সেই নিশা দীপালীৰ গীত শুনি এনে ভাব হ'ল যেন— অসমৰ স্বকীয় সৌন্দৰ্য থকা, উচ্চাৰণৰ শুদ্ধতা থকা, পৰিৱেশনাত মাৰ্জিত ৰুচি থকা এই ছোৱালীগৰাকী অতুলনীয়া।'

১৯৭৬ চনত প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ সৈতে তেওঁ বিবাহপাশত আবদ্ধ হয়। ৰোগৰ চিকিৎসাৰ বাবে কলকাতালৈ যাওঁতে দুয়ো দুয়োকে লগ পায়। গুণীৰ গুণ বুজা নীলপৱন বৰুৱাই দীপালী বৰঠাকুৰক নিজৰ জীৱন সংগী হিচাপে গ্ৰহণ কৰা সিদ্ধান্ত সঁচাকৈয়ে আদৰ্শনীয়। ১৯৮০ চনৰ পৰা তেওঁলোকে গুৱাহাটীত থাকিবলৈ লয়। পদ্মশ্ৰী উপাধিৰে সন্মানিত দীপালী বৰঠাকুৰ আজিও আমাৰ অতি মৰমৰ, অতি হেঁপাহৰ। তেওঁৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। ◆

*মই ক'ৰবাত অকণমান লিখি থোৱা গীত এটিৰ শেষাংশ লিখিবলৈ বাকী..... তাত যেতিয়কৰ তুহঁ জুইৰ, দিন মজুৰৰ, সংখ্যালঘু আদিৰ সমস্যাৰ কথা লেখি লেখি— অকল দীপালীৰ কণ্ঠৰুদ্ধ হোৱাৰ কথাকে ভাবি (কাকো নকৈ) লেখিছিলোঁ তলৰ কেইষাৰি কথা। গায়িকা বুলি নকৈ গায়ক বুলি লিখিছিলোঁ, কিয়নো তেতিয়াও নেজানো সঁচাকৈয়ে দীপালীয়ে গাব পাৰিব নে নোৱাৰে— 'শীতৰে সেমেকা ৰাতি/কণ্ঠৰুদ্ধ কোনো সুগায়কৰ/প্ৰভাত আনিব পৰা/অথচ নোগোৱা এটি/অমৰ গীতৰ বাবে/মই যেন এটি সুধাকণ্ঠ হওঁ/সুধা কণ্ঠ হওঁ/সুধা কণ্ঠ হওঁ।'*

*—ড° ভূপেন হাজৰিকা*



Scanned with CamScanner

# সাহিত্য অকাডেমি আৰু ২০১২ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা লাভ কৰা অসমীয়া সাহিত্যিক

বিশ্বজিৎ বৰ্মন
স্নাতক তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

ভাৰতবৰ্ষৰ বিভিন্ন ভাষাৰ বিকাশ আৰু সমৃদ্ধি সাধনৰ উদ্দেশ্যে ভাৰত চৰকাৰে ১৯৫৪ চনৰ ১২ মাৰ্চত দেশৰ সৰ্ববৃহৎ সাহিত্যিক অনুষ্ঠান সাহিত্য অকাডেমি স্থাপিত কৰে। সাহিত্য অকাডেমিয়ে দেশৰ বিভিন্ন ভাষাৰ লেখকসকলক তেওঁলোকৰ সাহিত্য সাধনাৰ বাবে বঁটা প্ৰদান কৰাৰ উপৰিও ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত চেমিনাৰ, কৰ্মশালা আদি পাতি সাহিত্য চৰ্চাত উৎসাহ-উদ্দীপনা যোগাই আহিছে। অকল এয়াই নহয় বিভিন্ন সময়ত প্ৰতিভাৱান লেখকলৈ গৱেষণা আৰু ভ্ৰমণ অনুদানো আগবঢ়াই আহিছে।

নতুন দিল্লীৰ ৰবীন্দ্ৰ ভৱনত সাহিত্য অকাডেমিৰ মুখ্য কাৰ্যালয়টো অৱস্থিত। প্ৰখ্যাত স্থপতিবিদ এইচ. ৰহমানে এই ভৱনটোৰ নক্সা কৰিছিল। সাহিত্য অকাডেমি সাহিত্য বিষয়ৰ এক স্বতন্ত্ৰ সংস্থা। ইয়াৰ সৰ্বোচ্চ কৰ্তৃপক্ষ হ'ল সাধাৰণ পৰিষদ। সাধাৰণ পৰিষদৰ সদস্য সংখ্যা ৯৭ জন। কাৰ্যকৰী পৰিষদৰ সদস্য সংখ্যা ২৫ জন।

ভাৰতীয় সাহিত্যৰ এক মহৎ ঐতিহ্য আৰু পৰম্পৰা আছে। সাহিত্য অকাডেমিয়ে এই ঐতিহ্য আৰু পৰম্পৰা অটুট ৰাখিবলৈ প্ৰতিখন ৰাজ্যৰে সুন্দৰ সৃষ্টিৰাজিক অন্যান্য ভাষালৈ প্ৰকাশ কৰাত আগভাগ লৈ আহিছে। এনে ধৰণৰ সাহিত্যিক বিনিময় আৰু সৃজনীমূলক যোগাযোগে ৰাষ্ট্ৰ এখন নিৰ্মাণত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। দেশৰ বিভিন্ন আগশাৰীৰ গ্ৰন্থমেলাত অংশগ্ৰহণ কৰাৰ উপৰিও সাহিত্য অকাডেমিয়ে শ্ৰীলংকা গ্ৰন্থমেলা, লণ্ডন গ্ৰন্থমেলা, ফ্ৰেংকফুৰ্ট গ্ৰন্থমেলা আদি বিদেশী গ্ৰন্থমেলাত অংশগ্ৰহণ কৰি ভাৰতীয় গ্ৰন্থক বিদেশত জনপ্ৰিয় কৰি তোলাত প্ৰভূত অৰিহণা যোগাই আহিছে।

সাহিত্য অকাডেমিৰ বৃহৎ পুথিভঁড়ালটোও চমকপ্ৰদ। ইয়াত বহু লাখ পুথি সংগৃহীত কৰি ৰখা হৈছে। অকল আমাৰ দেশৰ বিদ্যানুৰাগী লোকসকলৰ মাজতেই নহয় বিদেশৰ বিদ্যানুৰাগী লোকৰ বাবেও এই পুথিভঁড়ালটো আকৰ্ষণৰ কেন্দ্ৰবিন্দু স্বৰূপ। সাহিত্য অকাডেমিয়ে স্বীকৃত ২২টা ভাষাৰ উপৰিও অন্যান্য ভাৰতীয় আৰু বিদেশী ভাষাৰ পুথিও ইয়াত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও গৱেষকসকলৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় সকলো তথ্যপাতি ইয়াত পোৱা যায়।

সাহিত্য অকাডেমিয়ে ১৯৫৭ চনৰ পৰাই ছমহীয়া পত্ৰিকা 'ইণ্ডিয়ান লিটাৰেচাৰ' প্ৰকাশ কৰি আহিছে। পত্ৰিকাখন দেশ-বিদেশ উভয়ৰে পাঠকলৈ যোগান ধৰা হয়। সকলো ভাষাক প্ৰতিনিধিত্ব কৰা অইন এখন দ্বি-মাসিক পত্ৰিকাও সাহিত্য অকাডেমিয়ে প্ৰকাশ কৰি আহিছে। এইখনৰ নাম হ'ল 'সমকালীন ভাৰতীয় সাহিত্য'।

সাহিত্য অকাডেমিয়ে প্ৰতিবছৰে ২৪টা ভাৰতীয় ভাষাৰ বিশিষ্ট লেখকক তেওঁলোকৰ সাহিত্যিক কৰ্মৰ বাবে বঁটা প্ৰদান কৰি আহিছে। সেই ভাষাকেইটা হ'ল— অসমীয়া, বঙলা, বড়ো, ডোগ্ৰী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়া, কাশ্মিৰী, কোংকনী, মৈথেলী, মালায়ালাম, মণিপুৰী, মাৰাঠী, নেপালী, উৰিয়া, পাঞ্জাবী, ৰাজস্থানী, সংস্কৃত, চাওতালী, সিন্ধী, তামিল, তেলেগু আৰু উৰ্দু।

অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ চলিত বৰ্ষৰ (২০১২) সাহিত্য অকাডেমিৰ 'ভাৰতীয় ভাষা সন্মান' বঁটা আগবঢ়োৱা হৈছে। বিশিষ্ট গৱেষক-পণ্ডিত, শিক্ষাবিদ আৰু সুলেখক টাবুৰাম টাইডক



Scanned with CamScanner

মিচিং ভাষাৰ বিকাশ তথা প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে এই সন্মান যচা হৈছে। আনহাতে বড়ো সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে বড়ো সাহিত্যিক হৰিচৰণ বড়োলৈ এই সন্মান যচা হৈছে। মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ দেৱ গোস্বামীক পূব ভাৰতত প্ৰাচীন আৰু মধ্যযুগীয় সাহিত্যৰ গৱেষণা আৰু অৱদানৰ বাবে সাহিত্য অকাডেমিৰ ভাৰতীয় ভাষা সন্মান আগবঢ়োৱা হৈছে। আনহাতে বিশিষ্ট বিজ্ঞানী তথা শিশু সাহিত্যিক শান্তনু তামুলীলৈ সাহিত্য অকাডেমিয়ে ২০১২ বৰ্ষৰ শিশু সাহিত্য বঁটা আগবঢ়াইছে। অসমৰ মানুহৰ বাবে এয়া নিশ্চয় সুখবৰ।

লখিমপুৰ জিলাৰ অতি ভিতৰুৱা মিচিং গাঁও 'ঘুণাসুতি আয়েংগিয়া'ত মিচিং সাহিত্যৰ উত্তৰণৰ একনিষ্ঠ সাধক টাবুৰাম টাইডৰ জন্ম হয়। উত্তৰ লখিমপুৰত স্কুলীয়া জীৱন আৰম্ভ কৰা এই গৰাকী বিশিষ্ট শিক্ষাবিদে ১৯৬৩ চনত কলকাতা বিশ্ববিদ্যালয়ৰ অধীনত আৰ. কে. মিছন কলেজৰ পৰা স্নাতক ডিগ্ৰী আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৬ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ইয়াৰ পিচতে তেওঁ ঐতিহ্যমণ্ডিত কটন কলেজত ইংৰাজী বিষয়ৰ শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰে। ১৯৭৩-৭৪ চনত ইউ. কেৰ বিড্ডিং বিশ্ববিদ্যালয়ৰ পৰা প্ৰায়োগিক ভাষাতত্ত্ব বিষয়ত স্নাতক ডিপ্ল'মা লাভ কৰে।

কেৱল মিচিং ভাষালৈয়ে নহয় টাবুৰাম টাইডে অসমীয়া আৰু ইংৰাজী সাহিত্যলৈও যথেষ্ট অৰিহণা আগবঢ়াইছে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল— 'একুকি নিবন্ধ', 'মিচিং ভাষাৰ বানান পদ্ধতি', 'মিচিং গমপিৰ কুমছাং' (মিচিং ভাষাৰ অভিধান), 'ক্লিমছেং' আদি। শিক্ষা, সাহিত্য, সংস্কৃতি আৰু সমাজসেৱাৰ বাবে অসম চৰকাৰে তেখেতক ২০১১-১২ বৰ্ষৰ চুকাফা বঁটাৰেও সন্মানিত কৰে।

অসমীয়া ভাষা-সাহিত্যক লৈ সদায় আশাবাদী মনোভাব পোষণ কৰা টাবুৰাম টাইডে আমাৰ সাহিত্যৰাজি অনুবাদৰ জৰিয়তে বাহিৰত প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱাৰ ওপৰত গুৰুত্ব দিয়ে। বিশ্বকবি ৰবীন্দ্ৰনাথৰ কবিতা বিশ্বত জনপ্ৰিয় হোৱাৰ মূলতে অনুবাদ বুলিও তেওঁ মতপোষণ কৰে। বৰ্তমান সময়ত তেওঁ নিজেও মিচিং সাধুৰ ইংৰাজী ৰূপান্তৰৰ কামত ব্যস্ত আছে।

১৯৬৬ চনৰ ১ এপ্ৰিলত বাসুগাঁৱৰ ওচৰৰ 'ৰূপচাইদাম সত্ৰামগুৰি'ত ভাষা বিজ্ঞান সন্মান লাভ কৰা আন এগৰাকী বিশিষ্ট সাহিত্যিক হৰিচৰণ বড়োৰ জন্ম হয়। বাসুগাঁৱত স্কুলীয়া শিক্ষা লাভ কৰাৰ পিচত তেওঁ ক্ৰমে শ্বিলং আৰু বজালী কলেজত উচ্চ শিক্ষা লাভ কৰে। ২০০৪ চনত পৰিকল্পনা উন্নয়ন বিভাগৰ যুটীয়া সঞ্চালক পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। পিচত তেওঁ পুনৰ বি. টি. চিত পৰিকল্পনা উন্নয়ন বিভাগত কাম কৰি অৱসৰ লয়।

হৰিচৰণ বড়োৱে বড়ো ভাষাৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ভালেকেইখন আলোচনী-বাতৰিকাকত আদিত তত্বগধুৰ প্ৰবন্ধ লেখা বড়োৰ প্ৰকাশিত গ্ৰন্থখন হ'ল— 'ওগনামে ইদিংবাও' (বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰচ'ৰা)। এইখন শিশুগ্ৰন্থৰ বাবে তেওঁ সাহিত্য অকাডেমিৰ বঁটা লাভ কৰে। বৰ্তমান তেওঁৰ কেবাখনো গ্ৰন্থ প্ৰকাশৰ পথত বৈ আছে। হৰিচৰণ বড়োৱে ইজিপ্ত, ইজৰাইল, পেলেষ্টাইন, চীন, ছিংগাপুৰ আদি বিভিন্ন ৰাষ্ট্ৰ ভ্ৰমণ কৰি তাৰ ওপৰত ভিত্তি কৰিও গ্ৰন্থ প্ৰণয়ন কৰিছে।

আনহাতে সাহিত্য অকাডেমিৰ বড়ো ভাষাৰ বাবে যুৱ সাহিত্যৰ বঁটা লাভ কৰিছে জয়শ্ৰী বড়োৱে।

প্ৰাচীন আৰু মধ্যযুগীয় ভাষা-সাহিত্য তথা সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট পণ্ডিত-গৱেষক মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ড° নাৰায়ণ চন্দ্ৰ দেৱ গোস্বামীয়ে সাহিত্য অকাডেমিৰ বঁটা লাভ কৰা খবৰত সমগ্ৰ মাজুলীতে উল্লাসৰ বন্যা বৈ যায়। ১৯৩২ চনত নতুন 'চামগুৰি সত্ৰ'ত জন্মগ্ৰহণ কৰা দেৱ গোস্বামীয়ে মাত্ৰ সাত বছৰ বয়সতে গৃহ পৰিত্যাগ কৰি চামগুৰি সত্ৰ প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন কৰে। কঠোৰ সাধনা আৰু অধ্যয়নৰ জৰিয়তে তেওঁ জীৱন পথত অগ্ৰসৰ হয়। সত্ৰৰ বিভিন্ন শিক্ষাৰ লগতে সংস্কৃত টোলৰ পৰা শাস্ত্ৰী উপাধি লাভ কৰি নতুন কমলাবাৰী সংস্কৃত টোলৰ প্ৰধান আচাৰ্য হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে।

২০০৪ বৰ্ষত তেওঁ অসম চৰকাৰৰ পৰা শংকৰদেৱ বঁটা লাভ কৰে। ইয়াৰ উপৰিও হীৰাপ্ৰভা বঁটা, কমলা দুৱৰা বঁটাও লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০১০ চনত তেওঁক সন্মানীয় ডি. লিট. উপাধি প্ৰদান কৰে। তেওঁৰ দ্বাৰা ৰচিত তিনিখন গ্ৰন্থ ক্ৰমে অসমীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান, কীৰ্তনঘোষা আৰু নামঘোষা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যত মৌলিকতা বিচাৰ, অংকীয়া নাটৰ গদ্যানুবাদ, গুৰু চৰিতৰ অসমীয়া পদ্যানুবাদ, শ্ৰীমদ্ভাগৱদ্গীতাৰ পদ্যানুবাদ, কীৰ্তনঘোষা আৰু নামঘোষাৰ তত্ত্ব সমীক্ষা, শংকৰদেৱ আৰু হৰিদেৱ আদি গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য ভঁৰাল চহকী কৰিছে। কেবাখনো গ্ৰন্থ বৰ্তমান সময়ত প্ৰকাশৰ পথত। ইয়াৰ সমান্তৰালভাৱে তেওঁ মুখাশিল্পৰ লগতো জড়িত হৈ আছে।



Scanned with CamScanner

অসমীয়া ভাষা-সাহিত্যৰ ভৱিষ্যৎ সম্বন্ধে মতপোষণ কৰি তেওঁ কয় যে অসমীয়া সাহিত্যৰ ভৱিষ্যৎ উজ্জ্বল। সকলো লোকে মিলিজুলি একাগ্ৰতাৰে সমাজৰ কাম কৰি গ'লে তাৰ সুফল সমাজে লাভ কৰিবই। বৈষ্ণৱ সাহিত্য চৰ্চাৰ জৰিয়তে আধ্যাত্মিক জ্ঞানৰ উপৰিও সমাজজীৱনক শৃঙ্খলিত কৰি ৰাখিব পৰা নৈতিক প্ৰমূল্যৰাজি আহৰণ কৰিব পৰা যায় বুলি মন্তব্য পোষণ কৰি তেওঁ নতুন প্ৰজন্মই বৈষ্ণৱ সাহিত্য চৰ্চাত মনোনিৱেশ কৰাটো বাঞ্ছা কৰে। বৰ্তমানৰ হিংসা জৰ্জৰ পৰিস্থিতিত বৈষ্ণৱ সাহিত্যৰ চৰ্চা অতি প্ৰয়োজনীয় বুলিও তেওঁ অনুভৱ কৰে।

বৰ্তমান সময়ত এইগৰাকী মহান কৰ্মযোগীয়ে সত্ৰীয়া নাচৰ ব্যাকৰণ প্ৰস্তুতৰ কামত ব্যস্ত আছে। এই মূল্যৱান ব্যাকৰণখন অসমীয়া, সংস্কৃত আৰু ইংৰাজী এই তিনিওটা ভাষাত প্ৰকাশ পাব। তদুপৰি সমগ্ৰ ৰামায়ণখন সংস্কৃতৰ পৰা অসমীয়া পদলৈ ৰূপান্তৰ কৰা কামো সমাপ্ত হোৱাৰ পথত।

অসমৰ শিশু সাহিত্য জগতত শান্তনু তামুলী এটি পৰিচিত নাম। অকল শিশু সাহিত্যিক ৰূপেই নহয়, এগৰাকী বিজ্ঞান লেখক হিচাপেও তেওঁ সাহিত্যানুৰাগী পাঠকৰ মাজত পৰিচিত। এইগৰাকী সাহিত্যিকক সাহিত্য অকাডেমিয়ে ২০১২ বৰ্ষৰ শিশু সাহিত্য বঁটা আগবঢ়াইছে। সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা লাভ কৰা তেওঁ তৃতীয়গৰাকী শিশু সাহিত্যিক। শিশু আলোচনী 'মৌচাক' আৰু 'নতুন আৱিষ্কাৰ'ৰ সম্পাদক শান্তনু তামুলীয়ে শিশু সাহিত্যৰ বাবে আগবঢ়োৱা মূল্যবান বৰঙণি তথা কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়।

শান্তনু তামুলী ছাত্ৰ অৱস্থাৰ পৰাই শিশু সাহিত্য আৰু জনপ্ৰিয় বিজ্ঞান চৰ্চাৰ সৈতে জড়িত হৈ পৰে। মাত্ৰ ১৯ বছৰ বয়সতে তেওঁ 'মানী, বাণী আৰু ফুলনি' নামৰ এখন উপন্যাস ৰচনা কৰে। এই উপন্যাসখনত প্ৰকৃতি আৰু শিশুৰ মাজত থকা সম্পৰ্কৰ সুন্দৰ বিৱৰণ পোৱা যায়। 'সৰীসৃপ' তেওঁ শিশুৰ বাবে লেখা এখন জনপ্ৰিয় বিজ্ঞান পুথি। এই পুথিখনৰ বাবে তেওঁ ১৯৭৪ চনত ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। শিশু সাহিত্যৰ বাবে তেওঁ ২০১০ চনত পুণ্য বৰা স্মাৰক ন্যাস বঁটা আৰু মাধৱ কন্দলী বঁটা লাভ কৰে। শিশুসকলৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত তেওঁ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে ২০১০ চনত তেওঁলৈ ৰাষ্ট্ৰীয় বিজ্ঞান বঁটাও আগবঢ়ায়।

শান্তনু তামুলীৰ এতিয়ালৈকে ২৫খন মান শিশু সাহিত্য আৰু জনপ্ৰিয় বিজ্ঞান গ্ৰন্থ প্ৰকাশ পাইছে। যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ সঞ্চালক পৰ্যায়ৰ বিজ্ঞানী পদৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তেওঁ ইউনিচেফৰ সহযোগত 'হেৰিটেজ আশ্ৰম' নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সদস্যসকলক লৈ সাধুকথাৰ জৰিয়তে ৫০খন চাহ বাগিচাৰ শিশুসকলৰ ভাষাৰ বিকাশৰ এক অভিলাষী আঁচনিত ব্যস্ত হৈ আছে। ◆

*(বিশ্বজিৎ বৰ্মনে ২০১৩ চনৰ স্নাতক পৰীক্ষাত অসমীয়া বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হৈছে)*

## আত্মকথা

ভাৰতৰ বহু লেখকৰ দৰে অখ্যাত এখন গাঁৱত অতিবাহিত কৰা শৈশৱ আৰু কৈশোৰেই মোৰ লেখক জীৱনৰ উহ, ভিত্তিভূমি। গাঁৱতেই জ্ঞাতে-অজ্ঞাতে প্ৰকৃতি, জীৱন আৰু বাস্তৱৰ লগত তেতিয়াই মোৰ এটা আনুভূতিক সম্পৰ্ক হয় আৰু লাহে লাহে সি পাহি মেলি জীৱন-ভাৱনা-বেদনা সঞ্চাৰী হৈ আহিবলৈ ধৰে।

চহৰত সুদীৰ্ঘ পঞ্চাছ বছৰ কটোৱাৰ পিছতো স্মৃতি-স্বপ্ন-বিষাদ-আনন্দ হৈ সেই গাঁওখনেই অজস্ৰ কথা সুৰ-গন্ধ-বৰ্ণ, দিন আৰু ৰাতিৰ ৰহস্যময় দৃশ্য হৈ আজিও প্ৰতিনিয়ত মোৰ মন হৃদয় আৰু কল্পনাক আলোড়িত কৰি ৰাখিছে।

..........সৃজনশীল কল্পনাৰ পৰা গাঁওখন অদৃশ্য হৈ গ'লে আমাৰ শিল্প-সাহিত্যৰ সৌন্দৰ্য আৰু মহিমাৰ ৰামধেনুখনি ম্লান হৈ পৰিব। অবৰ্ণনীয় অভাৱ- অনাটনৰ মাজেৰে হাজাৰ বছৰ ধৰি গাঁওবোৰে ভাৰতীয় ভাষাবোৰক প্ৰবাহিত, প্ৰাণোচ্ছল কৰি ৰাখিছে। শোষণ দাৰিদ্ৰতা জাত বিচাৰ সাম্প্ৰদায়িক বিদ্বেষ আৰু উন্মাদনা, গোষ্ঠী-সংঘৰ্ষ আৰু বিশ্বায়নৰ গৰাহৰ পৰা গাঁওবোৰ ৰক্ষা কৰিব নোৱাৰিলে ভাৰতীয় লেখকসকলৰ ভাষাই, সাহিত্যই ক'ৰ পৰা প্ৰাণৰস গ্ৰহণ কৰিব? কৌটিকলীয়া ভাৰতীয় সাহিত্য-সংস্কৃতিৰ ঐশ্বৰ্যশীল মৌখিক পৰম্পৰাটো মৰাসুঁতিত পৰিণত হ'ব।

—নীলমণি ফুকন



Scanned with CamScanner

# চাইবাৰ অপৰাধ আৰু অপৰাধী

মণিৰুল ইছলাম
স্নাতক তৃতীয় বৰ্ষ (কলা)

বৰ্তমানৰ যুগ বিজ্ঞানৰ যুগ। প্ৰযুক্তিৰ যুগ। তথ্য প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰৰ ফলস্বৰূপে মানুহে যিদৰে নানা উন্নত আধুনিক সা-সুবিধা ভোগ কৰি আহিছে ঠিক তেনেদৰে বিভিন্ন অপৰাধীৰে পৃথিৱীখন ভৰি পৰিছে। প্ৰযুক্তি বিদ্যাৰ লগত জড়িত এনে এটা অপৰাধ হ'ল চাইবাৰ অপৰাধ বা কম্পিউটাৰ ক্ৰাইম। বিশ্বত ভয়াবহভাৱে বাঢ়ি অহা অপৰাধবোৰৰ ভিতৰত ই এক অন্যতম অপৰাধ। বিশ্বৰ উন্নত দেশসমূহৰ পৰা তৃতীয় বিশ্বৰ অনুন্নত দেশবোৰলৈ এই অপৰাধ ভয়াবহভাৱে ছানি ধৰিছে।

কম্পিউটাৰ আৰু ইয়াৰ নেটৱৰ্কৰ সৈতে জড়িত অপৰাধকে চাইবাৰ অপৰাধ বুলি কোৱা হয়। এনে অপৰাধক ঘাইকৈ দুই ভাগত ভগোৱা হয়— (১) কম্পিউটাৰ নেটৱৰ্ক বা সঁজুলিক লক্ষ্য হিচাপে লৈ সংঘটিত কৰা অপৰাধ। (২) কম্পিউটাৰ নেটৱৰ্ক বা সঁজুলিৰ ব্যৱহাৰৰ যোগেদি সংঘটিত কৰা অপৰাধ। কম্পিউটাৰ নেটৱৰ্কক লক্ষ্য হিচাপে লৈ সংঘটিত কৰা অপৰাধসমূহৰ ভিতৰত কম্পিউটাৰ ভাইৰাছ, কম্পিউটাৰে সেৱা আগবঢ়াবলৈ অস্বীকাৰ কৰা আক্ৰমণ আদি উল্লেখযোগ্য। কম্পিউটাৰ নেটৱৰ্ক ব্যৱহাৰ কৰি সংঘটিত কৰা অপৰাধসমূহৰ ভিতৰত চাইবাৰ ষ্টকিং, জালিয়াতি, পৰিচয় চুৰি আদি উল্লেখযোগ্য। চাইবাৰ ষ্টকিং হৈছে কোনো এজন ব্যক্তিৰ ইণ্টাৰনেটত তেওঁ চলোৱা কাম-কাজত অবৈধভাৱে অনুসৰণ কৰা কাৰ্য। অপৰাধীয়ে বলি হোৱা ব্যক্তিজনলৈ কিছুমান মেইল প্ৰেৰণ কৰি এই দুষ্কাৰ্য কৰে।

পত্ৰৰ জৰিয়তে মানুহক হাৰাশাস্তি কৰাৰ দৰে ই-মেইলৰ জৰিয়তে হাৰাশাস্তি কৰা হয়। ই-মেইলৰ জৰিয়তে ভাবুকি প্ৰদৰ্শন কৰি কিছুমান অন্যায় সুবিধা গ্ৰহণ কৰাটো সাধাৰণ হাৰাশাস্তি হিচাপে গণ্য কৰা হয়। কেতিয়াবা আকৌ ই-মেইলৰ উৎসৰ ভুল ব্যাখ্যা দিয়া হয় অৰ্থাৎ যি উৎসৰ পৰা ই-মেইল প্ৰেৰণ কৰা হয় সেই উৎসৰ সলনি বেলেগ উৎসৰ পৰা মেইল প্ৰেৰণ কৰা দেখুওৱা হয়। ইয়াৰ ফলত যিজন লোকে প্ৰেৰণ কৰে তেওঁ গোপনে ৰৈ যায় আৰু যাৰ পৰা প্ৰেৰণ কৰা হৈছে তেওঁ বিপদত পৰে। কেতিয়াবা আক্ৰমণ কৰিব খোজা ব্যক্তি, প্ৰতিষ্ঠান আদিলৈ বিপুল সংখ্যক মেইল পঠিয়াই নানা ধৰণৰ খেলিমেলিৰ সৃষ্টি কৰা হয়।

কিছুমান অপৰাধীয়ে কম্পিউটাৰ ব্যৱস্থাত অকৰ্তৃত্বশীলভাৱে প্ৰৱেশ কৰে। ইয়াক হেকিং বোলা হয়। হেকিঙৰ জৰিয়তে অপৰাধীয়ে কম্পিউটাৰ ব্যৱস্থাত অনধিকাৰ প্ৰৱেশ কৰি মূল্যবান তথা গুৰুত্বপূৰ্ণ তথ্য ধ্বংস কৰে অথবা বিকৃত কৰে। সাম্প্ৰতিক কালত কম্পিউটাৰ হেক কৰি বিভিন্ন দেশৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰতিৰক্ষা সম্বন্ধীয় তথ্য-পাতি চুৰি কৰা দেখা গৈছে।

চাইবাৰ অপৰাধীয়ে ভাইৰাছৰ জৰিয়তেও নানা ধৰণৰ অপৰাধ সংঘটিত কৰে। ভাইৰাছ হ'ল এবিধ প্ৰগ্ৰেম, যিবোৰ কম্পিউটাৰ আৰু কোনো ফাইলৰ সৈতে সংলগ্ন হৈ থাকে। অপৰাধীয়ে নেটৱৰ্কৰ জৰিয়তে অন্যান্য কম্পিউটাৰ তথা ফাইললৈ বিয়পাই দিয়ে। এই ভাইৰাছৰ ফলত কম্পিউটাৰত থকা অন্যান্য ফাইলবোৰ ধ্বংস হৈ যাব পাৰে। চফ্টৱেৰ জালিয়াতি, কপিৰাইট উলংঘা, ট্ৰেডমাৰ্ক আৰু ছাৰ্ভিচ মাৰ্ক উলংঘা আদি হৈছে চাইবাৰ বৌদ্ধিক সম্পদ অপৰাধ। এনেধৰণৰ আইন বিৰোধী কামৰ ফলত সম্পদৰ স্বত্বাধিকাৰীয়ে নিজৰ অধিকাৰৰ পৰা সম্পূৰ্ণৰূপে বা আংশিকভাৱে বঞ্চিত হয়। চাইবাৰ অপৰাধীয়ে ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন ধৰণে অবৈধ কাম-কাজ সংঘটিত কৰিব পাৰে। এনে কাম কৰিবলৈ নিষিদ্ধ সামগ্ৰীৰে



Scanned with CamScanner

পূৰ্ণ ৱেবচাইট মুকলি কৰে। নিচাযুক্ত দ্ৰব্যৰ চোৰাং বেপাৰীবোৰে তেওঁলোকৰ নিষিদ্ধ দ্ৰব্যৰ অবৈধ সৰবৰাহৰ বাবে ইণ্টাৰনেটৰ সুবিধা লয়। সাংকেতিক ই-মেইল আৰু তথ্য প্ৰযুক্তিৰ সহায়ত এই কাম সম্পন্ন কৰা হয়। কিছুমান অপৰাধীয়ে ইণ্টাৰনেট কাফেত বহি তেওঁলোকৰ ব্যৱসায়িক লেনদেন কৰাৰ উপৰিও ইণ্টাৰনেট কুৰিয়াৰৰ জৰিয়তে নিষিদ্ধ দ্ৰব্যৰ সৰবৰাহ কৰে।

চাইবাৰ জগতত অনলাইন জালিয়াতি এক লাভজনক ব্যৱসায়ৰূপে পৰিগণিত হৈছে। নিয়োগৰ প্ৰস্তাৱ, ক্ৰেডিট কাৰ্ডৰ জালিয়াতি আদি এনে ধৰণৰ অপৰাধৰ ভিতৰত পৰে। কিছুমান অপৰাধীয়ে অকৃৰ্তত্বশীল প্ৰগ্ৰেমৰ জৰিয়তে সংগোপনে আন কম্পিউটাৰ চিষ্টেমত প্ৰৱেশ কৰে। পিচত এই প্ৰৱেশে কম্পিউটাৰ চিষ্টেমৰ কৰ্তৃত্বশীল প্ৰগ্ৰেম হিচাপে থিয় দিয়ে।

চাইবাৰ অপৰাধীৰ কোনো বয়সৰ সীমা নাই। কম্পিউটাৰ সম্পৰ্কে জ্ঞান থকা শিশুৰ পৰা বৃদ্ধলৈ যিকোনো লোকে এই জগতত প্ৰৱেশ কৰিব পাৰে। শিশু বা কিশোৰসকলে (৬ৰ পৰা ১৮ বছৰৰ ভিতৰত) সাধাৰণতে মনৰ কৌতুহল দমন অথবা অনেক হাৰাশাস্তি কৰিবলৈকে এই কাম কৰে। কিছুমান সুসংগঠিত হেকাৰে ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ বাবেও এই কামত অৱতীৰ্ণ হয়। মৌলবাদ, সন্ত্ৰাসবাদ আদি প্ৰচাৰৰ বাবে এই হেকাৰসকল ব্যস্ত হৈ পৰে। কিছুমান পেছাদাৰী হেকাৰে প্ৰতিদ্বন্দ্বী গোটৰ তথ্য সংগ্ৰহ কৰি দৰকাৰ হ'লে তেওঁলোকৰ কম্পিউটাৰ চিষ্টেম ধ্বংস কৰি পেলাব পাৰে। কেতিয়াবা আকৌ বিভিন্ন অনুষ্ঠানৰ পৰা অপসাৰিত কৰ্মচাৰীয়ে সেই প্ৰতিষ্ঠানটোৰ কম্পিউটাৰত আবদ্ধ হৈ থকা বিভিন্ন তথ্য চুৰি কৰিও অপৰাধ সংঘটিত কৰে।

চাইবাৰ অপৰাধ নিৰাময় কৰাটো সহজ নহয়। কিন্তু যিহেতু প্ৰতিৰোধ ব্যৱস্থা নিৰাময়তকৈ উত্তম সেয়েহে ইণ্টাৰনেট ব্যৱহাৰৰ ক্ষেত্ৰত সদায় সতৰ্ক দৃষ্টি ৰখা উচিত। অপৰিচিত ব্যক্তিৰ আগত যিদৰে মানুহে নিজৰ বিষয়ে কোৱাটো অনুচিত ঠিক তেনেদৰে ইণ্টাৰনেটত নিজৰ বিষয়ে তথ্য প্ৰকাশ কৰিব নালাগে। অনলাইন ব্যৱস্থাৰে অচিনাকি ব্যক্তিলৈ নিজৰ ফটো পঠিয়াব নালাগে। অপৰাধীয়ে এনে ধৰণৰ ফটোৰ অপপ্ৰয়োগ কৰিব পাৰে। জালিয়াতিৰ পৰা হাত সাৰিবলৈ কোনো অসুৰক্ষিত ৱেবচাইটলৈ নিজৰ ক্ৰেডিট কাৰ্ডৰ নম্বৰ প্ৰেৰণ কৰিব নালাগে। ভাইৰাছ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ অত্যাধুনিক এণ্টিভাইৰাছ ছফ্টৱেৰ ব্যৱহাৰ কৰা উচিত। ভাইৰাছ আক্ৰমণৰ ফলত তথ্য নষ্ট হ'লেও যাতে ক্ষতি নহয় সেইবাবে গুৰুত্বপূৰ্ণ তথ্যসমূহ বিকল্পভাৱে সংৰক্ষণ কৰি থ'ব লাগে। শিশু বা কিশোৰসকলে যোগাযোগ ৰখা ৱেবচাইটবোৰলৈ সতৰ্ক দৃষ্টি ৰাখিলে হাৰাশাস্তিৰ পৰা ৰক্ষা পাব পাৰি।

বৰ্তমান সময়ত সন্ত্ৰাসবাদীয়ে কম্পিউটাৰৰ জৰিয়তে যি বিভীষিকাৰ সৃষ্টি কৰিছে সেই বিভীষিকা সমগ্ৰ মানৱ জাতিৰ বাবে বিৰাট প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। চাইবাৰ সন্ত্ৰাসবাদ এক গোলকীয় সমস্যা। সন্ত্ৰাসবাদীয়ে সেৱা আগবঢ়াবলৈ অস্বীকাৰ কৰা মেইল প্ৰেৰণ, ঘৃণা বিয়পোৱা ৱেবচাইট আৰু ই-মেইল, সংবেদনশীল কম্পিউটাৰ নেটৱৰ্কত আক্ৰমণ আদিৰ জৰিয়তে বিভিন্ন অপৰাধ সংঘটিত কৰে। কেতিয়াবা আকৌ এনে পদ্ধতিৰ সাংকেতিক বাৰ্তা প্ৰেৰণ কৰে—যাৰ অৰ্থ উলিয়াব নোৱাৰি ৰাষ্ট্ৰযন্ত্ৰ অসহায় অৱস্থাত থাকিবলগীয়া হয়। চাইবাৰ সন্ত্ৰাসবাদৰে অইন এটা ৰূপ হৈছে ইণ্টাৰনেট যোগে ধন দাবী। আমেৰিকাৰ দৰে ধনী ৰাষ্ট্ৰবিলাকৰ বাবে এইটো এটা ডাঙৰ ভাবুকি হৈ পৰিছে।

ভাৰতবৰ্ষত ২০০০ চনৰ ১৭ মে'ত 'তথ্য প্ৰযুক্তি আইন-২০০০' সংসদত গৃহীত হৈছে। এই আইনত চাইবাৰ অপৰাধ ৰোধ তথা মোকাবিলা কৰিবলৈ ভিভিন্ন ধাৰা সন্নিবিষ্ট কৰা হৈছে। অপৰাধৰ গুৰুত্ব অনুযায়ী অপৰাধীক কাৰাবাস, জৰিমনা বিহা আদিৰ দৰে শাস্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু জনসাধাৰণৰ সজাগতাৰ অভাৱৰ বাবে এই আইনে বিশেষ সাফল্য লাভ কৰিব পৰা নাই। এনে অপৰাধৰ বলি হোৱা বহুতো লোকে আইনখনৰ জৰিয়তে লাভ কৰা সুবিধাৰ বিষয়ে নাজানে। সেয়েহে অভিযোগ পঞ্জীয়ন নহয়। বিশ্বৰ অন্য দেশবোৰৰ ক্ষেত্ৰতো একে কথাই খাটে। আমেৰিকাত প্ৰতিমাহে এনে ধৰণৰ কিছুসংখ্যক অভিযোগ পঞ্জীয়ন হয় যদিও বহু ঘটনা প্ৰকাশ নাপায়।

চাইবাৰ অপৰাধ ৰোধ কৰাটো ইমান সহজ নহয়। কিন্তু সতৰ্কতা, সজাগতা আদিৰ জৰিয়তে ইয়াক বাধা দিব পাৰি। জটিল প্ৰযুক্তি ব্যৱস্থাৰ বাবে কম্পিউটাৰত ৰখা তথ্যৰাজি সুৰক্ষিত কৰি ৰখাটোও সহজসাধ্য নহয়। এই কথা সত্য যে বিশ্বৰ কোনো আইনে অপৰাধ নাইকিয়া কৰাৰ ক্ষেত্ৰত সফল হোৱা নাই। সেয়েহে জনসাধাৰণ সজাগ হৈ থাকিলে চাইবাৰ অপৰাধ কমি যাব পাৰে বুলি আশা কৰিব পাৰি। ◆

(প্ৰবন্ধটি যুগুত কৰোঁতে বিভিন্ন সময়ত বিভিন্ন আলোচনী, বাতৰি কাকত আদিৰ পৰা সংগৃহীত তথ্যৰ সহায় লোৱা হৈছে)



Scanned with CamScanner

# অসমত আঞ্চলিক ৰাজনীতিৰ বিপৰ্যয়

**দিগন্ত কলিতা**
সহঃ অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

সুস্থ-সবল গণতান্ত্রিক দেশ এখনৰ বাবে আঞ্চলিক ৰাজনীতিৰ প্ৰয়োজন অপৰিহাৰ্য। অসমকে ধৰি ভাৰতবৰ্ষৰ সকলোবোৰ ৰাজ্যতে আঞ্চলিক ৰাজনীতিৰ গুৰুত্ব অপৰিসীম। অঞ্চল এটাৰ সামগ্রিক উন্নয়নত আঞ্চলিকতাবাদে যথেষ্ট সহায় কৰিব পাৰে। যেতিয়াই কোনো এটা অঞ্চলে নিজকে অইনৰ তুলনাত অৱহেলিত, নিষ্পেষিত অনুভৱ কৰে তেতিয়াই আঞ্চলিকতাবাদী ভাবধাৰাৰ উদ্ভৱ হয়। অৰ্থাৎ ক'বলৈ গ'লে আঞ্চলিকতাবাদে অঞ্চলটোৰ লোকসকলক সচেতন কৰি নিজকে উন্নতিৰ দিশত আগুৱাই লৈ যোৱাত সহায় কৰে। ভাৰতবৰ্ষৰ নিচিনা এখন যুক্তৰাষ্ট্ৰ য'ত কেন্দ্ৰীয় চৰকাৰ অধিক শক্তিশালী, এনে এখন দেশত আঞ্চলিক ৰাজনীতিৰ প্ৰাসংগিকতা সদায়েই আছে।

**আঞ্চলিক ৰাজনীতিৰ পটভূমি ঃ—**

অসমৰ আঞ্চলিক ৰাজনীতিৰ কথা ক'লে আমাৰ মনলৈ পোনতে অসম আন্দোলনৰ কথাই আহে যদিও ইয়াৰ শিপাই প্ৰাক্-স্বাধীনতা কালতেই পোখা মেলিছিল। তেতিয়াৰ আঞ্চলিকতাবাদ মূলতঃ আছিল ভাষাভিত্তিক। সেই সময়ত যেতিয়া বৃটিছসকলে অসমৰ পঢ়াশালিবোৰত বঙালী ভাষা প্ৰৱৰ্তন কৰিছিল তেতিয়া আনন্দৰাম ঢেকিয়াল ফুকন, মণিৰাম দেৱান, অম্বিকাগিৰি ৰায়চৌধুৰী আদি মহান ব্যক্তিসকলৰ প্ৰচেষ্টাত অসমত এই বিষয়ে যথেষ্ট সজাগতা আহিছিল।

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰে। ৫৫৮ খন Princely State লগ লগাই ভাৰত যুক্তৰাষ্ট্ৰ গঠন কৰা হ'ল। সেই সময়ত ৰাজ্যবোৰক ভৌগলিকভিত্তিক বিভাজন কৰা হৈছিল। কিন্তু লাহে লাহে ভাৰতৰ বিভিন্ন ৰাজ্যত ভাষাভিত্তিক ৰাজ্য গঠনৰ বাবে আন্দোলন আৰম্ভ হ'ল। পাছলৈ এই ভাষাভিত্তিক আন্দোলনে শক্তিশালী ৰূপ ধাৰণ কৰে। যাৰ ফলস্বৰূপেই পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বত ভাষাভিত্তিক ৰাজ্য গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। অসমতো ১৯৬০ চনত ভাষা আন্দোলন হয়। যাৰ ফলস্বৰূপে পৰ্যায়ক্ৰমে অসম ৰাজ্য বিভক্ত হৈ ক্ৰমে নগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচল আদি ৰাজ্যবোৰ গঠন হয়।

যদিও অসমত অম্বিকাগিৰি ৰায়চৌধুৰীৰ দিনতে আঞ্চলিকতাবাদে পোখা মেলিছিল; অসমৰ আঞ্চলিক ৰাজনীতিয়ে পূৰ্ণতা লাভ কৰে অসম আন্দোলনৰ জৰিয়তেহে। অসম আন্দোলনৰ ফলশ্ৰুতিত ১৯৮৫ চনত অসমত আঞ্চলিক চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ দিনলৈকে অসমৰ আঞ্চলিক ৰাজনীতি চালুকীয়া তথা অনিশ্চয়তাৰ গৰাহত আছিল।

বৃটিছৰ দিনৰে পৰা অসমলৈ বিদেশী প্ৰব্ৰজনকাৰীৰ সোঁত বৈয়ে আছিল। এই প্ৰক্ৰিয়া স্বাধীনোত্তৰ কালতো অব্যাহত থকাত অসমৰ থলুৱা জনগোষ্ঠীসমূহে ক্ৰমে অস্তিত্বৰ সংকটত ভোগে। প্ৰব্ৰজনকাৰীসকলক দেশৰ পৰা বিতাৰিত কৰাৰ উদ্দেশ্যে গঢ় লৈ উঠে বহিৰাগত বহিষ্কাৰ আন্দোলন অৰ্থাৎ অসম আন্দোলন। এই আন্দোলনৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থা আছিল অন্যতম। তেওঁলোকৰ ১৬ দফীয়া দাবী চনত বহিৰাগত বিতাৰণৰ দাবীটোৱেই আছিল প্ৰধান। এই অসম আন্দোলনৰ সমাপ্তি ঘটে ১৯৮৫ চনত যেতিয়া ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আন্দোলনকাৰী নেতাসকলৰ মাজত এক



Scanned with CamScanner

ত্রিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়। যাৰ নামকৰণ কৰা হৈছিল 'অসম চুক্তি' হিচাপে। এই চুক্তিমতে ১৯৭১ চনৰ ২৫ মাৰ্চৰ ভিতৰত অসমত প্ৰৱেশ কৰা সকলো লোককে বৈধ নাগৰিক বুলি প্ৰতিপন্ন হ'ব। এই চুক্তিখনে যিসকল লোকক আন্দোলনৰ সময়ত শত্ৰু বুলি বিবেচনা কৰা হৈছিল সেইসকলক মিত্ৰ হিচাপে পৰিগণিত কৰালে। অসম আন্দোলনৰ ফচল হিচাপে এটা আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম হ'ল আৰু ১৯৮৫ চনত সংখ্যাগৰিষ্ঠতা পাই এই দলটোৱে আঞ্চলিক চৰকাৰ প্ৰতিষ্ঠা কৰে। এনেকৈয়ে অসমৰ আঞ্চলিক ৰাজনীতিয়ে পূৰ্ণতা লাভ কৰিলে।

**বিপৰ্যয় ঃ—**

অসম চুক্তি স্বাক্ষৰিত হ'ল, আঞ্চলিক চৰকাৰো প্ৰতিষ্ঠা হ'ল কিন্তু সমস্যাৰ শেষ নহ'ল। সেইখিনি সময়তে অসমত সশস্ত্ৰ সংগঠন এটাৰ জন্ম হ'ল। তেওঁলোকে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল বহিৰাগতসকলক। এই সশস্ত্ৰ সংগঠনটোৱে ভাৰত চৰকাৰৰ বিৰুদ্ধেও সংগ্ৰাম আৰম্ভ কৰিলে। এফালে অসম চুক্তি, আঞ্চলিক চৰকাৰ প্ৰতিষ্ঠা আনফালে বহিৰাগতৰ বিৰুদ্ধে সংগ্ৰাম আৰু ভাৰত চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম। এইবোৰেই আঞ্চলিক ৰাজনীতিত এক বিভ্ৰান্তিৰ সৃষ্টি কৰিলে।

অসমত আঞ্চলিক চৰকাৰ প্ৰতিষ্ঠা হ'ল। কিন্তু নিৰ্বাচনৰ সময়ত যি দুটা প্ৰধান ইচ্ছ্যু ('অৰ্থনৈতিক উন্নয়ন' আৰু 'বহিৰাগতক বহিস্কাৰ') লৈ চৰকাৰ প্ৰতিষ্ঠা হৈছিল, বাস্তৱত তাৰ এটাও প্ৰতিপন্ন নহ'ল। চৰকাৰখনে প্ৰথম ৫ বছৰীয়া শাসন কালত মাত্ৰ ২০০জন বিদেশীহে চিনাক্ত কৰি বহিস্কাৰ কৰিব পাৰিলে। লাহে লাহে পৰৱৰ্তী নিৰ্বাচনবোৰত উক্ত ইচ্ছ্যু দুটা আঞ্চলিক দলটোৱে প্ৰত্যাহাৰ কৰিব ধৰিলে যাৰ ফলস্বৰূপে অসমৰ জনগণে আঞ্চলিক দলটোৰ প্ৰতি বিশ্বাস হেৰুৱাই পেলালে। যোৱা ২০১১ চনৰ বিধানসভা নিৰ্বাচনত দলটোৱে যি ফলাফল দেখুৱালে ইয়ে তাৰ জ্বলন্ত প্ৰমাণ।

আমি যদি অসমৰ আঞ্চলিক ৰাজনীতিৰ বিপৰ্যয়ৰ কাৰণসমূহ খুচৰি চাওঁ দেখিম যে অসমৰ আঞ্চলিক ৰাজনীতিৰ প্ৰধান দুৰ্বলতাটোৱেই হ'ল— ইয়াৰ কোনো নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য নাই। আঞ্চলিক ৰাজনীতিয়ে কি বিচাৰে, কেনেকৈ আগবাঢ়ি যাব লাগে, ইয়াৰ আশা-আকাঙ্খা আদিবোৰৰ কোনো স্পষ্টতা নাই বাবেই অসমৰ আঞ্চলিক ৰাজনীতিয়ে বৰ্তমানৰ বিপৰ্যয়ৰ চূড়ান্ত ৰূপ পাইছেগৈ। তদুপৰি অসম আন্দোলনৰ পৰৱৰ্তী সময়ত অসমৰ ৰাজনীতিত যি বিভ্ৰান্তিৰ সৃষ্টি হৈছিল সিয়ে প্ৰমাণ কৰি দিয়ে যে অসমৰ আঞ্চলিক ৰাজনীতিত কোনো আদৰ্শগত ভেটি নাই।

এইবোৰৰ উপৰিও অসমৰ আঞ্চলিক ৰাজনীতিৰ নেতা-পালিনেতাসকলৰ মই বৰ স্বভাব, অৰ্থৰ প্ৰতি লোভ তথা নিজকে সংখ্যাগুৰু বুলি ভাবি নাও বুৰিলেও টিঙৰ পৰা ননমা স্বভাবটোৰ বাবেই অসমৰ আঞ্চলিক ৰাজনীতিয়ে আজি বিপৰ্যয়ৰ চূড়ান্ত ৰূপ পাইছেগৈ। স্থানীয় লোকসকলৰ বিশ্বাস হেৰুৱাই অসম চুক্তিৰ দফাসমূহ ৰূপায়ন নকৰি মাত্ৰ নিজৰ কথা চিন্তা কৰা আঞ্চলিক নেতাসকলেই আজিৰ বিপৰ্যয়ৰ অন্যতম দায়ী।

যিহেতু অসমত আঞ্চলিক ৰাজনীতিৰ পুৰামাত্ৰাই প্ৰাসংগিকতা আছে সেয়ে ইয়াৰ পুনৰজাগৰণৰো যথেষ্টখিনি প্ৰয়োজনীয়তা আছে। এইক্ষেত্ৰত, দেখা যায় আঞ্চলিক ৰাজনীতিৰ বিপৰ্যয়ৰ অন্যতম দায়ী আঞ্চলিক দলসমূহেই। সেয়ে আঞ্চলিক দলসমূহে আগতে কৰি অহা ভুলবোৰৰ পৰা শিক্ষা লৈ নিজকে সংশোধন কৰি এক নতুন সংকল্পনাৰে আগুৱাব লাগিব। যি হ'ব লাগিব দৃঢ়, মজবুত আৰু স্পষ্ট। স্পষ্ট আদৰ্শ, উদ্দেশ্য তথা লক্ষ্য আগত লৈ তথা থলুৱা জাতি- জনগোষ্ঠীসমূহৰ আশা-আকাংখ্যাবোৰক গুৰুত্ব দি এইবোৰ সম্পূৰ্ণ কৰাৰ দৃঢ় সংকল্পৰে তেওঁলোকে মৰণপন কৰিব লাগিব। মই বৰ মনোভাব ত্যাগ কৰি তথা নিজকে সংখ্যাগুৰু বুলি ভবা মানসিকতাক বিসৰ্জন দি নেতাসকল ওলাই আহিব লাগিব, সমাজৰ সামগ্ৰিক কল্যাণৰ স্বাৰ্থত। ইয়াৰ বাবে প্ৰয়োজন হ'ব সঁচাকৈ কিবা এটা কৰি দেখুওৱাৰ স্পষ্ট তথা দৃঢ় মানসিকতা। ◆


*সহায়ক গ্ৰন্থপঞ্জী ঃ—*

- *শৰ্মা, ভূপেন; জানা, অৰুণ কে ঃ Class, Ideology and Political Parties in India (2002), P 281.*
- *গান্ধাৰ, এল, এছ ঃ Regional Political Parties (1992) P 87.*
- *গোস্বামী, এছ ঃ Language Politics in Assam (1997).*
- *বৰুৱা, দেৱপ্ৰসাদ ঃ আঞ্চলিকতাবাদৰ দস্তাবেজ।*
- *বিভিন্ন আলোচনী আৰু বাতৰি কাকত।*





Scanned with CamScanner

# প্ৰকৃতি, পৰিৱেশ, পশু-পক্ষী আৰু মানুহ

ধৰিত্ৰী পাঠক
স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিভাগ

আমি বসবাস কৰা এই ধুনীয়া ধৰণীখন প্ৰকৃতিৰ অভিনৱ অৱদান। প্ৰকৃতিয়ে অকৃপণভাৱে পৃথিৱীখনিক নন্দন কানন হিচাপে গঢ়ি তোলাই নহয়, নিজে সৃষ্টি কৰা সম্পদসমূহক ইটোক সিটোৰ পৰিপূৰক হিচাপে মণি-মুকুতা গঁঠাৰ দৰে গাঁঠি পেলাইছে। মানুহ জীয়াই থাকিবলৈ যিদৰে বায়ু, পানী, ভূ-ভাগ আৰু সমাজৰ প্ৰয়োজন হয় ঠিক তেনেদৰে জীৱ-জন্তু, পশু-পক্ষীকে আদি কৰি অন্যান্য প্ৰাণীসমূহ জীয়াই থাকিবলৈ অৰণ্য, পথাৰ, নৈ-বিল-সাগৰ, বায়ু, পানী আদিৰ প্ৰয়োজন। প্ৰকৃতিয়ে এই আটাইবোৰ যাক যেনেকৈ প্ৰয়োজন হয় তেনেকৈয়ে সৃষ্টি কৰিছিল। কিন্তু আমি মানুহে প্ৰকৃতিৰ এই বিনন্দীয়া সৌন্দৰ্য ৰক্ষা কৰিব পৰা নাই। আমি নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে প্ৰকৃতি আৰু পৰিৱেশৰ ধ্বংসে কাৰ্যত লিপ্ত হৈ দিনে দিনে পৃথিৱীখন ধ্বংসৰ পথলৈ আগবঢ়াই দিছোঁ। এয়া সঁচাকৈয়ে চিন্তনীয় বিষয়।

প্ৰকৃতি আৰু পৰিৱেশৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক বিৰাজমান। পৰিৱেশ হৈছে এক পাৰিপাৰ্শ্বিক অৱস্থা। এই অৱস্থাই মানুহ, পশু-পক্ষী আৰু উদ্ভিদসমূহৰ জন্ম, বিকাশ আৰু বৃদ্ধিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। চি. বি. গাৰ্কৰ মতে— 'কোনো এটা নিৰ্দিষ্ট সময়ত, নিৰ্দিষ্ট স্থানত মানুহৰ চাৰিওফালে থকা অৱস্থাৰ সমষ্টিকে পৰিৱেশ বোলা হয়।'

প্ৰকৃতি ৰাজ্যত সকলো জীৱকে জীয়াই থাকিবলৈ কিছুমান উপাদানৰ প্ৰয়োজন। এই উপাদানবোৰ জীৱ থকা আৰু জীৱ হীন—দুয়ো ধৰণৰ হ'ব পাৰে। গছ-গছনিৰ পৰা জীৱাণুলৈকে প্ৰাণযুক্ত পৰিৱেশক জৈৱ পৰিৱেশ আৰু বায়ু, পোহৰ, সূৰ্যৰ তাপ, পানী, গেছ আদি প্ৰাণশূন্য উপাদানেৰে গঠিত পৰিৱেশক অজৈৱ পৰিৱেশ বোলা হয়। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল যে প্ৰথম অৱস্থাত পৃথিৱীৰ বায়ু, পানী, মাটি আৰু জীৱসমূহক লৈ এক পৰিৱেশ ৰচিত হৈছিল। তেনেকুৱা পৰিৱেশক প্ৰাকৃতিক পৰিৱেশ ৰূপে অভিহিত কৰা হয়। সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰো অগ্ৰগতি হোৱাৰ ফলস্বৰূপে মানুহৰ সংস্কৃতি, আৰ্থ-সামাজিক কাৰ্য-কলাপ আদিৰ পৰা এটা পৰিৱেশৰ সৃষ্টি হ'ল। এই পৰিৱেশক সামাজিক পৰিৱেশ বুলি কোৱা হয়।

সৃষ্টিৰ পাতনিৰে পৰা আমাৰ পৰিৱেশে কম-বেছি পৰিমাণে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। ভূমিকম্প, আগ্নেয়গিৰি, ধুমুহা, অতিবৃষ্টি, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগবোৰে পৰিৱেশৰ যথেষ্ট ক্ষতিসাধন কৰি আহিছে। কিন্তু প্ৰকৃতি জগতৰ দুৰ্যোগবোৰতকৈ মানুহে নিজৰ দ্বাৰা সৃষ্টি কৰা দুৰ্যোগবোৰেহে পৰিৱেশৰ অভাৱনীয় ক্ষতি কৰিছে। যি সময়ত মানুহৰ প্ৰয়োজনবোৰ সীমিত আছিল সেই সময়ত আমাৰ চৌদিশৰ বায়ু, পানী, মাটি, জীৱ-জন্তু, গছ-গছনি অৰ্থাৎ সমগ্ৰ প্ৰকৃতি জগতৰ পৰাই নিজৰ সীমিত অভাৱ পূৰণ কৰিছিল। কিন্তু লাহে লাহে সময় সলনি হ'বলৈ ধৰিলে। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত উৎকৰ্ষ সাধন, জন বিস্ফোৰণ, প্ৰাকৃতিক সম্পদৰ অবাধ ধ্বংসযজ্ঞ, ভূমিৰ অৱক্ষয় আদি বিভিন্ন কাৰণৰ ফলস্বৰূপে প্ৰকৃতিয়ে মানুহৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিব নোৱাৰা হৈ পৰিল। পূৰ্ব পৰিকল্পনা নোহোৱাকৈ ঘৰ-দুৱাৰ নিৰ্মাণ, কল-কাৰখানা আদি স্থাপনৰ ফলস্বৰূপে অকল কৃষি ভূমি অথবা অৰণ্য ভূমিয়েই যে কমি যাবলৈ ধৰিছে এনে নহয়, পাহাৰ-পৰ্বত, নদ-নদী, জান-জুৰি আদিৰ সংখ্যাও কমি আহিবলৈ ধৰিছে। এক কথাত ক'বলৈ গ'লে মানুহে যেতিয়াৰে পৰা প্ৰাকৃতিক পৰিৱেশৰ পৰা সম্পদ আহৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে তেতিয়াৰে পৰা আমাৰ চৌপাশৰ পৰিৱেশ দ্ৰুতগতিত সলনি হ'বলৈ ধৰিলে।



Scanned with CamScanner

‘মানুহ জীয়াই থাকিবলৈ যিদৰে বায়ু, পানী, ভূ-ভাগ আৰু সমাজৰ প্ৰয়োজন হয় ঠিক তেনেদৰে জীৱ-জন্তু, পশু-পক্ষীকে আদি কৰি অন্যান্য প্ৰাণীসমূহ জীয়াই থাকিবলৈ অৰণ্য, পথাৰ, নৈ-বিল-সাগৰ, বায়ু, পানী আদিৰ প্ৰয়োজন।............ আমি নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে প্ৰকৃতি আৰু পৰিৱেশৰ ধ্বংস কাৰ্যত লিপ্ত হৈ দিনে দিনে পৃথিৱীখন ধ্বংসৰ পথলৈ আগবঢ়াই দিছোঁ।’

বৰ্তমান সময়ত পৃথিৱীৰ উন্নয়নশীল দেশবোৰৰ বাবে এটা ডাঙৰ সমস্যা হৈছে জনসংখ্যা বিস্ফোৰণ। জনসংখ্যা বিস্ফোৰণে চহৰাঞ্চল আৰু গ্ৰাম্যাঞ্চল উভয়তে পৰিৱেশ বিনষ্ট কৰিছে। জনসংখ্যা বৃদ্ধিৰ বাবে বায়ু, পানী আদি দূষিত হোৱাৰ ফলস্বৰূপে প্ৰদূষণ বাঢ়ি এক অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি হৈছে। কল-কাৰখানাৰ পৰা ওলোৱা দূষিত পদাৰ্থৰ সোঁত আৰু আৱৰ্জনাবোৰ ধ্বংস কৰিবলৈ কোনো বিজ্ঞানসন্মত পদ্ধতি অৱলম্বন নকৰা বাবে সেইবোৰ পোনে পোনে গৈ নৈ, বিল, পথাৰ, সাগৰ আদিত পৰে। ইয়াৰ ফলত নৈ-বিলৰ পানী, পথাৰৰ ঘাঁহ-বন আদি দূষিত হৈ প্ৰাণী জগতৰ বাবে এক ভয়ংকৰ বিপদ মাতি আনিছে। অকল এয়াই নহয়, এই দূষিত পদাৰ্থবোৰৰ লগতে খেতিপথাৰত জধে-মধে সাৰ তথা কীটনাশক দ্ৰব্য প্ৰয়োগ কৰাৰ ফলস্বৰূপে পৰিৱেশৰ প্ৰচুৰ ক্ষতিসাধন হৈছে। মাটিৰ নিজস্ব গুণ, গঠন আৰু গাঁথনি ধ্বংস হৈ গৈছে। ভূগৰ্ভস্থ পানী প্ৰদূষিত হৈ জলচৰ প্ৰাণীবোৰ বিলুপ্তিলৈ অগ্ৰসৰ হৈছে।

জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহে বাসোপযোগী ঠাই আৰু খাদ্যৰ চাহিদা বৃদ্ধি কৰিবলৈ বনাঞ্চলৰ গছ-গছনি কাটি খাণ্ডাং কৰিবলৈ ধৰিছে। চোৰাং ব্যৱসায়ী আৰু এচাম অসাধু লোকে অকল ব্যক্তিগত স্বাৰ্থপূৰণৰ বাবে অৰণ্যৰ গছ-গছনি কাটি সেউজী পৃথিৱীখনিক টকলা পৃথিৱীলৈ ৰূপান্তৰিত কৰিব ধৰিছে। অথচ আমি বেছিভাগ লোকেই জানো যে পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে ভূপৃষ্ঠত শতকৰা ৩৩.৩ ভাগ অৰণ্য থকাটো অতি প্ৰয়োজন। অৰণ্য যথোচিতভাৱে নথকা বাবেই জলবায়ুৰ এক অভাৱনীয় পৰিৱৰ্তন ঘটিছে। জলচক্ৰৰ পৰিৱৰ্তন ঘটি বেছি বৰষুণৰ ঠাইত খৰাং বতৰৰ সৃষ্টি হৈছে। খৰাং বতৰ পৃথিৱীত যিমানেই বাঢ়ি যাব পৃথিৱীত বনজুইৰ পৰিমাণ সিমানেই বাঢ়ি যাব। এই বনজুয়ে বৰ্ষাসিক্ত অৰণ্যসমূহ গ্ৰাস কৰিব। জীৱই ইটোৰ লগত সিটোৰ সম্পৰ্ক ৰক্ষা কৰি চলাটোৱেই কঠিন হ'ব।

সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ লগে লগে গোলকীয় উষ্ণতা বৃদ্ধি পাবলৈ ধৰিছে। গোলকীয় উষ্ণতাৰ অভাৱনীয় বৃদ্ধিয়ে সমগ্ৰ বিশ্বৰে বিজ্ঞানী মহলক চিন্তান্বিত কৰি তুলিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে প্ৰাকৃতিক পৰিৱেশৰ সৈতে ভাৰসাম্য ৰক্ষাৰ বাবে বিজ্ঞানীমহলে বৃক্ষৰোপণৰ ওপৰত অধিক গুৰুত্ব দিছে। পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত গছ-গছনিয়ে যুগে যুগে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত অগ্ৰগতিৰ ফলস্বৰূপে সমগ্ৰ বিশ্বতে অকল যান-বাহনেই নহয়, উদ্যোগ আদিও অভাৱনীয় ৰূপত বৃদ্ধি পাইছে। এই যান-বাহন তথা উদ্যোগবোৰৰ পৰা নিৰ্গত হোৱা বিভিন্ন গেছ, ধোঁৱা আদিয়ে সমগ্ৰ বায়ুমণ্ডলকে প্ৰদূষিত কৰি পেলায়। এয়া সমগ্ৰ জীৱকুলৰ বাবে এক ভয়াবহ সংকেত। সেউজীয়া গছ-গছনিয়ে এই অলাগতিয়াল পদাৰ্থবোৰ শুহি লৈ বায়ুৰ ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে। এনেদৰে গছ-গছনিয়ে পৰিৱেশ বিশুদ্ধ কৰে। এই কথা সত্য যে গছ থাকিলেহে পৰিৱেশ সুন্দৰ হৈ থাকিব আৰু সুন্দৰ পৰিৱেশ থাকিলেহে পৃথিৱীখন জীৱকুলৰ বাবে বাসোপযোগী হৈ থাকিব।

মেগাছেছে বঁটা বিজয়ী বিখ্যাত ভাৰতীয় পৰিৱেশ বিজ্ঞানী এম. চি. মেহতাই ভাৰতৰ উচ্চতম ন্যায়ালয়ত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদন কৰিছিল। এই আবেদনৰ ৰায় অনুসৰি ১৯৯১ চনত শিক্ষাৰ সকলো স্তৰতেই পৰিৱেশ শিক্ষা বাধ্যতামূলক বিষয় ৰূপে অন্তৰ্ভুক্ত কৰিবলৈ আদেশ জাৰি কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক নিচেই সৰুৰে পৰা পৰিৱেশ সম্পৰ্কে সজাগ আৰু সচেতন কৰি তোলাই ইয়াৰ মূল উদ্দেশ্য। পৰিৱেশ ৰক্ষা কৰাত অকল ছাত্ৰ-ছাত্ৰীসকলে সজাগ হৈ থাকিলে সকলো সমস্যাৰ সমাধান হ'ব বুলি ভাবিলে সাংঘাতিক ভুল কৰা হ'ব। সমাজৰ সকলো স্তৰৰ লোকে এই ক্ষেত্ৰত সজাগ হৈ থাকিব লাগিব।

গছ-গছনিয়ে অকল যে পৰিৱেশকেই ৰক্ষা কৰে এনে নহয়। গছ-গছনিয়ে মাটিৰ উপৰিভাগ কপ্‌কপীয়াকৈ খামুচি ধৰি থকা বাবে প্ৰবল ধুমুহা-অতিবৃষ্টি আদিয়ে মাটিৰ বিশেষ ক্ষতিসাধন কৰিব নোৱাৰে। কিন্তু বৰ্তমান সময়ত হাবি-বন বা গছ-গছনি দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰা বাবে সহজে ভূমি ক্ষয় হ'ব ধৰিছে। বৰষুণে মাটিৰ সাৰুৱা পদাৰ্থ থকা তৰপটো খহাই নি মাটিৰ উৰ্বৰতা হ্ৰাস কৰিছে। এই তৰপটো গৈ নৈত পৰিছে। ইয়াৰ ফলত নৈবোৰ বাম হৈ পৰা বাবে জল ধাৰণৰ ক্ষমতা কমি গৈছে। সেয়েহে দাঁতি-কাষৰীয়া অঞ্চলবোৰত বানপানীয়ে ভয়ংকৰ ৰূপ লৈ মানুহ, জীৱ-জন্তু আদিৰ জীৱনলৈ ভাবুকি নমাই আনিছে।



Scanned with CamScanner

অৰণ্যভূমি হ্ৰাস হোৱাৰ ফলত অৰণ্যত বসবাস কৰা জীৱ-জন্তুবোৰ চৰম খাদ্য সংকটৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ ফলত মানুহ আৰু জীৱ-জন্তুবোৰৰ মাজত সংঘাত বাঢ়িছে। উদাহৰণস্বৰূপে যোৱা কিছুবছৰ জুৰি আমাৰ অসমত হাতী আৰু মানুহৰ মাজত তীব্ৰ সংঘাতৰ সৃষ্টি হৈছে। খাদ্যৰ সন্ধানত জাকজাক বনৰীয়া হাতী খেতিপথাৰলৈ ওলাই আহি খেতিয়কৰ বহু কষ্টৰ ধন সোণালী পথাৰখন অতি কম সময়তে তহিলং কৰি পেলায়। কেতিয়াবা মাজনিশা পাহাৰৰ দাঁতি-কাষৰীয়া গাঁওবোৰত প্ৰৱেশ কৰি ঘৰ-দুৱাৰ ভাঙি চৰম ত্ৰাসৰ সৃষ্টি কৰে। কেতিয়াবা মানুহৰ মৃত্যুও ঘটিছে। ৰাজধানী চহৰ গুৱাহাটী মহানগৰীৰ অপৰূপ সৌন্দৰ্যৰে ভৰা পাহাৰবোৰ আৰু সেউজীয়া গছ-গছনিবোৰ মানুহে কাটি-কুটি টকলা কৰাৰ ফলস্বৰূপে ইয়াত বাস কৰা জীৱ-জন্তুবোৰ বিশেষকৈ বাঘবোৰে খাদ্যৰ সন্ধানত জনাৰণ্যলৈ নামি আহি মানুহৰ হাতত কৰুণভাৱে মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। সৌ সিদিনাখন দুলীয়াজানৰ আবাসিক অঞ্চল এটাত ওলোৱা নাহৰফুটুকী বাঘ এটা নিষ্ঠুৰভাৱে গুলীয়াই হত্যা কৰা হয়। এনেবোৰ ঘটনাই সকলো প্ৰকৃতিপ্ৰেমী লোকৰে হৃদয় চুৰমাৰ কৰি তোলে।

বাসস্থানৰ অভাৱৰ বাবে চৰাইবোৰো এতিয়া হেৰাই যাব ধৰিছে। ৰাতিপুৱা আৰু গধূলি গণনা কৰি শেষ কৰিব নোৱাৰা বগা বগা বগলীৰ জাকবোৰ ক'ত যে হেৰাই গ'ল ! শগুণ, বৰটোকোলা, হাড়গিলা, চিলনী, হাইঠা, কুৰুৱা, বাঢ়ৈটোকা, ভাটৌ, বুলবুলি, মইনা আদি চৰাইবোৰেও প্ৰতিকুল পৰিৱেশৰ বাবেই এই দৈন্য অঞ্চল পৰিত্যাগ কৰি কোনোবা দিকৃচৌ বনলৈ গুচি গ'ল। প্ৰকৃতিক যদি সংৰক্ষণ অথবা পৰিবৰ্দ্ধন কৰা নহয় তেন্তে আমাৰ জীৱনৰ পৰা চিৰবিদায় ল'ব খোজা বস্তুৰ তালিকা দিনে দিনে বাঢ়ি যাব। ইয়াতকৈ দুখৰ কথা আৰু কি হ'ব পাৰে?

এই পৃথিৱীত মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-গছনি, নদ-নদী, পাহাৰ-পৰ্বত আদি প্ৰত্যেকেই এটা আনটোৰ ওপৰত কিবা প্ৰকাৰে হ'লেও নিৰ্ভৰশীল হৈ থাকে। এই নিৰ্ভৰশীলতাৰ বাবেই প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা হয়। কিবা কাৰণত এই ভাৰসাম্য বিনষ্ট হ'লে সমগ্ৰ জীৱকুলৰ বাবে চৰম ভাবুকি আহি পৰিব। সেয়েহে ইয়াৰ সমাধান বিচাৰি নানা ধৰণৰ ৰাষ্ট্ৰীয়, আন্তৰ্ৰাষ্ট্ৰীয়, আঞ্চলিক আলোচনা, গৱেষণা, শোভাযাত্ৰা, সভা-সমিতি আদি অনুষ্ঠিত কৰা হৈছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে প্ৰত্যেক বছৰৰ এপ্ৰিল মাহৰ ২২ তাৰিখটো 'ধৰিত্ৰী দিৱস' আৰু জুন মাহৰ ৫ তাৰিখটো 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰি অহা হৈছে। বিশ্ব পৰিৱেশ দিৱসৰ মূল উদ্দেশ্য হ'ল— আজি আমি এই মুহূৰ্তত চন্দ্ৰ বা মঙ্গল গ্ৰহত বসবাস কৰাৰ কথা নাভাবি আমাৰ পৃথিৱীখনক পৰিৱেশ প্ৰদূষণৰ পৰা মুক্ত কৰি তোলাটো প্ৰধান কৰ্তব্য। এই প্ৰসঙ্গতে উত্তৰ প্ৰদেশৰ চামেলি জিলাৰ মণ্ডল গাঁৱৰ জনসাধাৰণে গছ কটাৰ বিৰুদ্ধে কৰা 'চিপ্‌কো' আন্দোলনৰ কথা উল্লেখযোগ্য। 'চিপ্‌কো' শব্দৰ অৰ্থ হৈছে সাৱটি ধৰা। গছ কটা বন্ধ কৰিবলৈ এই গাঁৱৰ মহিলাসকলে গছবোৰ সাৱটি ধৰি গছ কাটিবলৈ অহা মানুহক বাধা দি সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। প্ৰকৃতি প্ৰেমৰ ইয়াতকৈ আৰু কি বেলেগ উদাহৰণ হ'ব পাৰে?

এফালে এচাম লোকে গছ-গছনি ধ্বংস কৰি সেউজী ধৰণীখনিক মৰুভূমিলৈ ৰূপান্তৰিত কৰাৰ বিপৰীতে আন এচাম প্ৰকৃতিপ্ৰেমী লোকে পৃথিৱীখনিক পুনৰ পূৰ্বৰ অৱস্থালৈ নৈ যাবলৈ অক্লান্ত প্ৰয়াস কৰি আছে। মানুহৰ এই প্ৰকৃতি প্ৰেমৰ বাবে গঢ়ি উঠা 'ইক' ক্লাব, সেউজী ধৰণী দি গ্ৰেট আৰ্থ, নেচাৰ চ'ছাইটি আদিৰ দৰে স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে লাখ লাখ গছপুলি ৰোৱাৰ আঁচনি লৈ নিজ লক্ষ্যপথত অগ্ৰসৰ হৈছে। কিছুমান মানুহে ব্যক্তিগত উদ্যোগেৰেও এই ক্ষেত্ৰত মহামূল্যৱান পদক্ষেপ গ্ৰহণ কৰিছে। এয়া আমাৰ বাবে সঁচাকৈয়ে শুভ বতৰা। প্ৰতিজন মানুহে নিজৰ প্ৰতিটো জন্মদিনতে যদি একোটা গছপুলি ৰোৱাৰ সংকল্প গ্ৰহণ কৰে তেন্তে পৃথিৱীখন যে সদায় সেউজীয়া হৈ থাকিব সেয়া নিশ্চিত। প্ৰতিবছৰে বানপানীৰ ৰুদ্ৰমূৰ্তিয়ে জুৰুলা কৰা আমাৰ ৰাজ্যখনৰ নদীৰ পাৰবোৰত বিভিন্ন গছপুলি ৰুই দিলে গছৰ শিপাই মাটি খামুচি ধৰি এটা প্ৰতিৰোধৰ সৃষ্টি কৰিব। পাহাৰীয়া অঞ্চলবোৰত যথেষ্ট পৰিমাণে গছ থাকিলে অঞ্চলবোৰ ভূমিস্খলনৰ পৰা ৰক্ষা পৰিব। মানুহকে ধৰি জীৱকুল অকালতে মৃত্যুমুখত পৰিবলগীয়া অৱস্থা কেতিয়াও নহ'ব।

পৃথিৱীত যত্নৰ অসাধ্য একো নাই। ইতিমধ্যে হৈ যোৱা ভুলবোৰৰ পুনৰাবৃত্তি নকৰি সকলোৱে একগোট হৈ কামত আগবাঢ়িলে পৃথিৱীখনক আমি নিশ্চয় সেউজী কৰি তুলিব পাৰিম। এই ক্ষেত্ৰত বৈজ্ঞানিকে ন-ন প্ৰচেষ্টাৰে, চিত্ৰকৰে তুলিকাৰে, গায়ক আৰু গীতিকাৰে গানেৰে, সাহিত্যিকে নিজৰ সাহিত্যৰাজিৰে সকলো লোকক পৰিৱেশ সম্পৰ্কে সচেতন কৰি তুলিব পাৰে। প্ৰকৃতিৰ পৰা বিচ্ছিন্ন হৈ থাকিলে মানুহৰ জীৱনৰ বহুতো নিৰ্মল আনন্দৰ উৎস নোহোৱা হৈ যাব। এককথাত ক'বলৈ গ'লে জীৱনটোৱে শূন্য হৈ পৰিব। মানুহে জীৱনত কেইটামান অমৃতময় মুহূৰ্তৰ বাবে বাচি থাকে। এই অমৃতময় মুহূৰ্তৰ এটা ভাগ আমি প্ৰকৃতি জগতৰ পৰাই গ্ৰহণ কৰোঁ আহক। ◆



Scanned with CamScanner

মহাবিদ্যালয়ৰ সাহিত্য চৰা 'সাহিত্য কানন'ৰ দ্বাৰা প্ৰকাশিত হাতে লেখা আলোচনী 'প্ৰতীতি'ৰ পৃষ্ঠাৰ পৰা—

# বিশিষ্ট গৱেষক, প্ৰাচ্যতত্ত্ববিদ, সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ উপাসক ড° কেশৱানন্দ দেৱ গোস্বামী ছাৰৰ সৈতে এটি অন্তৰংগ আলাপ

*"ঐতিহ্য-পৰম্পৰাক বিচাৰ-বিশ্লেষণসহ নতুন ৰূপত গ্ৰহণ কৰা, তুলি ধৰাত আনন্দ পাওঁ। তাৰ বিপৰীতে বেজবৰুৱাৰ ভাষাৰে 'মখলু চাহাব' বচেৰাবোৰৰ কাণ্ড-কাৰখানা দেখি বৰ দুখ পাওঁ— আমি ক'লৈ গৈ আছো, নতুন প্ৰজন্মক ক'লৈ নিছো বুলি। এচামে কান্ধত বন্দুক লোৱাৰ বিপৰীতে আন এচাম ডেকাৰ কান্ধত খোলটো দেখি আনন্দিত হওঁ।"*

**প্ৰশ্ন ঃ** ছাৰ নমস্কাৰ। নগৰবেৰালৈ আহি থাকোঁতে আৰু ইয়াত উপস্থিত হৈ আপোনাৰ কেনে লাগিছে বাৰু?

**উত্তৰ ঃ** অতীতলৈ যেন ঘূৰি গৈ এক নষ্টালজিক ভাবনাত ৰোমাঞ্চিত হৈছোঁ। ঐতিহ্য সুঁৱৰি অভিভূত হৈ পৰিছোঁ।

**প্ৰশ্ন ঃ** আপোনাৰ জন্মস্থান আৰু শৈশৱ সম্পৰ্কে অকণমান ক'বনে?

**উত্তৰ ঃ** বিখ্যাত 'চিত্ৰ ভাগৱত'ত থকা গুৰুজনাৰ পৰিনাতি দামোদৰ আতাই বৰদোৱা উদ্ধাৰ কৰিবলৈ আহি পতা লুইতৰ বালিৰ 'বালিসত্ৰ'। তাতেই শৈশৱ, কৈশোৰ অতিবাহিত—এক মধুময় সত্ৰীয়া পৰিৱেশত।

**প্ৰশ্ন ঃ** আপুনি সত্ৰীয়া সংস্কৃতিৰ এজন বিদগ্ধ পণ্ডিত আৰু পূজাৰী। আপোনাৰ ঘৰুৱা পৰিৱেশৰ বাবেই সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈছিলনে?

**উত্তৰ ঃ** ঘৰুৱা বা সত্ৰৰ পৰিৱেশত ডাঙৰ-দীঘল হোৱা বাবে তাতে মজি আছিলো; কিন্তু মোৰ সমসাময়িকসকলৰ আগ্ৰহ বৰ নাছিল। মই নাচৰ কাৰণে স্কুলীয়া কালতে স্কুল এৰি শোণিত কোঁৱৰ গজেন বৰুৱাৰ লগ হলোঁ। সেই নৃত্যগুৰুৰ অধীনত নাচ শিকিছিলোঁ। তাৰপিছত সেইবোৰ এৰি পুনৰ পঢ়িবলৈ লোৱাৰ পৰা চাকৰিৰ পৰা অৱসৰ পোৱালৈকে গীত-নৃত্যৰ জগতখন প্ৰায় বাদ পৰিছিল যদিও বৰগীত প্ৰচাৰ-চৰ্চা কৰা চলি আছিল, আকাশবাণী গুৱাহাটীৰ যোগে। ডিব্ৰুগড়ত থকা সময়ত আকাশবাণীৰ জৰিয়তে গীত প্ৰচাৰ হৈছিল।

**প্ৰশ্ন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশাল সাহিত্যৰাজি সম্পৰ্কে আজিও আমাৰ সমাজৰ বেছিভাগ লোকেই অজ্ঞ। এই সম্পৰ্কে সত্ৰ মহাসভা বা অন্যান্য সংগঠনবোৰে কিদৰে আগবঢ়া উচিত?

**উত্তৰ ঃ** আমাৰ মাজত প্ৰচাৰ আৰু আলোচনা বৰ কম হয়। অপ্ৰিয় সত্য যে আনুষ্ঠানিকতা পালন আদিতে মহাপুৰুষ সীমিত। পাঞ্জাবী বিশ্ববিদ্যালয়ত থাকোঁতে শংকৰদেৱক শংকৰাচাৰ্য বুলি অনেক পণ্ডিতে ভবা দেখিছিলোঁ। অন্য ভাষাতো তেওঁ সম্পৰ্কে প্ৰচাৰ হ'ব লাগে। বিনামূলীয়া সৰু সৰু পুস্তিকা বিলাব লাগে। ত্যাগ আৰু সেৱাৰ মনোভাব ব্যতিৰেকে ই সম্ভৱ নহয়। সভা পাতি নাম গোৱাতে আৱদ্ধ থাকিলে নহ'ব। সত্ৰ মহাসভাই অনেক কাম হাতত লৈছে।

**প্ৰশ্ন ঃ** আপোনাৰ প্ৰিয় সাহিত্যিক আৰু প্ৰিয় গ্ৰন্থ?

**উত্তৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ দশম তথা নাট-গীতসমূহ।

**প্ৰশ্ন ঃ** বৰ্তমানৰ সামাজিক অৱক্ষয়ৰ পৰিপ্ৰেক্ষিতত হোৱা মূল্যবোধৰ পৰিৱৰ্তন সম্পৰ্কে আপোনাৰ অভিমত কি?



Scanned with CamScanner

উত্তৰ ঃ শংকৰদেৱৰ পুনৰ্মূল্যায়ন।

প্ৰশ্ন ঃ কোনবোৰ কথাই আপোনাক আনন্দ দিয়ে? আৰু কোনবোৰ কথাই দুখ দিয়ে?

উত্তৰ ঃ ঐতিহ্য-পৰম্পৰাক বিচাৰ-বিশ্লেষণসহ নতুন ৰূপত গ্ৰহণ কৰা, তুলি ধৰাত আনন্দ পাওঁ। তাৰ বিপৰীতে বেজবৰুৱাৰ ভাষাৰে 'মখলু চাহাব' বচেৰাবোৰৰ কাণ্ড-কাৰখানা দেখি বৰ দুখ পাওঁ— আমি ক'লৈ গৈ আছো, নতুন প্ৰজন্মক ক'লৈ নিছো বুলি। এচামে কান্ধত বন্দুক লোৱাৰ বিপৰীতে আন এচাম ডেকাৰ কান্ধত খোলটো দেখি আনন্দিত হওঁ।

প্ৰশ্ন ঃ ইমান ব্যস্ততাৰ মাজতো আপুনি কোন সময়ত লেখা-মেলা কৰে?

উত্তৰ ঃ পুৱা বেলা আৰু আন ব্যস্ততা নাথাকিলে সন্ধিয়া। সঁচা কথা যে সত্ৰীয়া সংগীতৰ পিনে দৃষ্টি দিওঁতে তাতে অধিক সময় যায়। ল'ৰা-ছোৱালীবোৰক যিকণ জানো, দিওঁতে সময় বেছি যায়।

প্ৰশ্ন ঃ সাহিত্যৰ কোনটো দিশে আপোনাক বেছিকৈ আকৰ্ষিত কৰে?

উত্তৰ ঃ মধ্যযুগীয় অসমীয়া সাহিত্য আৰু ধ্ৰুপদী সাহিত্য— যাৰ বাবে সাহিত্য অকাডেমীৰ বঁটা আৰু অসম সাহিত্য সভাৰ প্ৰাচ্যতত্ত্বৰ গৱেষণাৰ বাবে কৃষ্ণকান্ত সন্দিকৈ বঁটা এই অভাজনলৈ আগবঢ়াইছে।

প্ৰশ্ন ঃ আপুনি লাভ কৰা সন্মান তথা বঁটাৰ বাবে 'সাহিত্য কানন'ৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন যাচি অনাগত দিনবোৰ সুন্দৰ হোৱাৰ কামনা কৰিলোঁ।

উত্তৰ ঃ 'সাহিত্য কানন'ৰ সমূহ কৰ্মকৰ্তা তথা লেখক-লেখিকালৈ হিয়াভৰা ধন্যবাদ যাচিলোঁ। ◆

'তেওঁ (শংকৰদেৱে) অসমক 'এক দেৱ'ত শৰণৰ যোগে নতুন শিক্ষা বা অনুশাসন দিলে, জটিল গোপ্য ধৰ্ম আৰু তাৰ অৰ্থহীন অনুষ্ঠানৰ অতীতৰ পৰা অসমক মুকলি কৰিব আৰু সকলো সন্দেহযুক্ত সম্পৰ্কৰ পৰা মুক্ত এটি সৰল আৰু পোনপটীয়া বস্তু দি থৈ গ'ল। অসমক এক পবিত্ৰতৰ আধ্যাত্মিক জীৱন দিওঁতা তেওঁ অসমৰ সবাতোকৈ মহান নিৰ্মাতা। ধৰ্মগুৰুৰূপে তেওঁ যে ভাৰতৰ শ্ৰেষ্ঠসকলৰ এজন সেই বিষয়ে প্ৰশ্নই উঠিব নোৱাৰে।'

— ড° সুনীতি কুমাৰ চট্টোপাধ্যায়

'......ছিংগাপুৰত আপুনি ৰাস্তাত চিগাৰেটৰ টুকুৰা নেপেলায় বা ষ্টোৰৰ ভিতৰত নাখায়। ....... ডুবাইত ৰমজান মাহত আপুনি ৰাজহুৱা স্থানত আহাৰ গ্ৰহণ কৰিবলৈ সাহস কৰিব নোৱাৰে। জেদ্দাত শিৰস্ত্ৰাণ অবিহনে বাহিৰলৈ ওলাব নোৱাৰে। ....... ৱাশ্বিংটনত আপুনি ঘণ্টাত ৫৫ মাইলতকৈ (৮৮ কিঃ মিঃ/ঘণ্টা) অধিক গতিত গাড়ী চলাবলৈ সাহস কৰিব নোৱাৰে আৰু ট্ৰেফিক পুলিচক 'নাজানে মই কোন? মই অমুক আৰু অমুকৰ পুতেক' বুলি ক'ব নোৱাৰে। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ সাগৰৰ পাৰত জাবৰ পেলোৱা ঠাইৰ বাহিৰে আন ক'তো নাৰিকলৰ বাকলি নাপাব। টকিঅ'ৰ ৰাজপথত আপুনি কিয় পানৰ পিক নেপেলায়? বষ্টনত আপুনি কিয় পৰীক্ষাত ঠগ নকৰে বা মিছা ছাৰ্টিফিকেট নিকিনে? আপুনি আনৰ দেশৰ আনৰ নিয়মবোৰ পালন কৰিব পাৰে কিন্তু নিজৰ ঠাইত নোৱাৰে। ভাৰতৰ মাটি স্পৰ্শ কৰা মুহূৰ্ততে আপুনি কাগজ-পত্ৰ আৰু চিগাৰেটৰ টুকুৰা য'তে-ত'তে পেলাবলৈ আৰম্ভ কৰি দিয়ে। যদি বহিঃৰাষ্ট্ৰত আপুনি এজন নিয়মানুৱৰ্তী আৰু সু-নাগৰিক হ'ব পাৰে, ভাৰততো সেয়া হ'ব নোৱাৰে কিয়?....... আমি চৰকাৰ বাছনি কৰিবলৈ ভোটদান কৰো আৰু তাৰ পাছত সকলো দায়বদ্ধতা আওকাণ কৰো। আমি চৰকাৰে সকলোৰে বাবে সকলো কৰিব বুলি আশা কৰি পিছফালে বহি থাকো। য'ত আমাৰ অৰিহণা একেবাৰে নেতিবাচক। আমি চৰকাৰে পৰিষ্কাৰ কৰিব বুলি আশা কৰো কিন্তু আমি য'তে-ত'তে জাবৰ-জোঁথৰ পেলাবলৈ বন্ধ নকৰো......'

—ড° এ পি জে আব্দুল কালাম



Scanned with CamScanner

# জোনবাইৰ দেশৰ পৰা তৰাৰ দেশলৈ এক বিৰল পৰিক্ৰমা

টিংকু ঠাকুৰ
স্নাতক তৃতীয় ষাণ্মাসিক

১৯৬৯ চনৰ ২০ জুলাই। সেইদিনা সমগ্ৰ বিশ্বৰ ৫০০ নিযুত লোকে নিজৰ উশাহ বন্ধ কৰি টেলিভিছনৰ সন্মুখত বহি আছিল। উদ্দেশ্য— এক বিৰল ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হোৱা। অৱশেষত উৎকণ্ঠাৰ অন্ত পৰিল। চাৰিদিনৰ ভিতৰত চাৰি লাখ কিলোমিটাৰৰ দুঃসাহস ভ্ৰমণৰ অন্ত পেলাই 'এপল'—১১'ৰপৰা নামি আহি চন্দ্ৰৰ বুকুত প্ৰথম খোজ পেলালে নাছাৰ মহাকাশচাৰী নীল আৰ্মষ্ট্ৰঙে। ২০ মিনিট পিচতে তেওঁৰ আন এগৰাকী সহযোগী এডুইন এলড্ৰিনে তেওঁৰ এই ঐতিহাসিক যাত্ৰাৰ সহচৰ হৈ একেৰাহে কেইবাঘণ্টাও চন্দ্ৰৰ বুকুত ঘূৰি-পকি তথ্য সংগ্ৰহ কৰিলে। চন্দ্ৰৰ বুকুত খোজ পেলোৱা প্ৰথম আৰু দ্বিতীয় মহাকাশচাৰী হিচাপে এওঁলোক দুয়োজনৰ নাম চিৰদিন উজ্বলি থাকিব। চন্দ্ৰৰ বুকুত তেওঁলোকে সমগ্ৰ মানৱ জাতিৰ বিজয় নিচান উৰুৱাই বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত মানৱ সভ্যতা কি গতিৰে আগবাঢ়িছে তাৰেই যেন ধ্বজা উৰুৱালে।

১৯৩০ চনৰ ৫ আগষ্টত নীল আৰ্মষ্ট্ৰঙৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম ষ্টিপেন কোবিং আৰ্মষ্ট্ৰিং আৰু মাতৃৰ নাম লুইছি এংগেল। পিতৃ ষ্টিফেন কোৰিঙে তেওঁৰ ল'ৰা 'নীল'ক লৈ যথেষ্ট সপোন দেখিছিল। সেয়েহে তেওঁক সকৰে পৰা পাৰদৰ্শী কৰি তুলিবলৈ যত্নৰ অকণো ত্ৰুটি কৰা নাছিল। মাত্ৰ ৬ বছৰ বয়সতে অহাইঅ'ৰ ৱাৰেনত তেওঁ আকাশী বিমানত উঠিছিল। ইয়াৰ পিচত নীলে কাউন্টী বিমান বন্দৰত বিমান উৰণৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। নিজৰ প্ৰতিভাৰ বলতে তেওঁ মাথো পোন্ধৰ বছৰ বয়সতে পাইলটৰ অনুজ্ঞা পত্ৰ লাভ কৰিবলৈ সক্ষম হয়।

১৯৪৭ চনত নীল আৰ্মষ্ট্ৰঙে আমেৰিকাৰ নৌবাহিনীৰ পৰা এটা বৃত্তি লাভ কৰে। এই বৃত্তি লাভ কৰি তেওঁ ইণ্ডিয়ানাৰ পুৰুডুৱে বিশ্ববিদ্যালয়ত নামভৰ্তি কৰে আৰু নিজৰ প্ৰিয় বিষয় এৰ'স্পেচ ইঞ্জিনিয়াৰিং অধ্যয়ন কৰে। পুৰুডুৱে বিশ্ববিদ্যালয়ৰ পৰা তেওঁ এৰ'নটিকেল ইঞ্জিনিয়াৰিঙত স্নাতক ডিগ্ৰীও লাভ কৰে।

১৯৬২ চনত তেওঁ 'নাছা'ৰ মহাকাশ কাৰ্যসূচীত যোগদান কৰে। কঠোৰ সাধনা আৰু অধ্যৱসায়ৰ সুফল স্বৰূপে তেওঁ কেইবছৰমান পিচতে চন্দ্ৰৰ বুকুত ভৰি দিয়া প্ৰথমজন মানৱ হিচাপে বিশ্বৰ ইতিহাসত নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰি থবলৈ সক্ষম হয়। চন্দ্ৰ অভিযানত নীল আৰ্মষ্ট্ৰং আৰু এডুইন এলড্ৰিনৰ উপৰিও তেওঁলোকৰ সহযোগী হিচাপে মাইকেল কলিন্‌ছে অংশগ্ৰহণ কৰিছিল। কিন্তু তেওঁ চন্দ্ৰৰ বুকুত খোজ দিয়া নাছিল, কমাণ্ড মডিউল পাইলটৰ দায়িত্বহে গ্ৰহণ কৰিছিল।

চন্দ্ৰ অভিযান 'এপল'— ১১'ৰ দায়িত্ব সুকলমে সমাধা কৰাৰ পিচত তেওঁ নাছাৰ এডভান্সড ৰিছাৰ্চ এণ্ড টেকন'লজীৰ কাৰ্যালয়ত মহাকাশ বিভাগৰ সহযোগী প্ৰশাসক হিচাপে যোগদান কৰে। পিচত তেওঁ নাছাৰ চাকৰি পৰিত্যাগ কৰি আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ত অধ্যাপনা আৰম্ভ কৰে। নিজ দেশলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক 'প্ৰেচিডেঞ্চিয়েল মেডেল অব ফ্ৰিডম', 'কংগ্ৰেছনেল স্পেচ মেডেল অব অনাৰ', ''কংগ্ৰেছনেল গ'ল্ড মেডেল'' আদি বিভিন্ন সন্মান তথা বঁটাৰে সন্মানিত কৰা হৈছিল।

চন্দ্ৰৰ বুকুত প্ৰথম খোজ দি ৰূপকথাৰ নায়কত পৰিণত হোৱা নীল আৰ্মষ্ট্ৰঙে অৱশেষত ধুনীয়া ধৰণীৰ মোহ ত্যাগ কৰি তৰাৰ দেশলৈ গুচি গ'ল। ২০১২ চনৰ ২৫ আগষ্টত এইগৰাকী মহাকাশচাৰীয়ে শেষ নিশ্বাস ত্যাগ কৰাৰ লগে লগে মানৱ জাতিৰ অগ্ৰগতিৰ এটা যুগৰ অৱসান ঘটিল। কিংবদন্তি পুৰুষ নীল আৰ্মষ্ট্ৰঙৰ মৃত্যুৰ বাতৰিয়ে তেওঁৰ মহাকাশ অভিযানৰ সহযোগী এডুইন এলড্ৰিনকো মৰ্মাহত কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামাই তেওঁক আমেৰিকাৰ সৰ্বকালৰ ৰাষ্ট্ৰীয় নায়ক হিচাপে অভিহিত কৰে। ◆



Scanned with CamScanner

# মহান বিজ্ঞানী ষ্টিফেন উইলিয়াম হকিং জীৱন আৰু সাধনা

মনজিৎ কলিতা
একাদশ শ্ৰেণী (কলা)

যেতিয়া মানুহে মনৰ অদম্য শক্তি, একাগ্ৰতা, অনুসন্ধিৎসা, উৎসাহ আৰু প্ৰেৰণাৰে কৰ্মক্ষেত্ৰত আগবাঢ়ি যায় তেতিয়া কোনো বাধাই তেওঁৰ যাত্ৰাপথত অন্তৰায়ৰ সৃষ্টি কৰিব নোৱাৰে। জীৱনৰ যাত্ৰাপথত নানা ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈও অমিতবিক্ৰমী মনৰ অধিকাৰী এনে এজন মহান বিজ্ঞানীয়ে মানৱ জাতিলৈ এতিয়াও যি অতুলনীয় অৱদান আগবঢ়াই আছে সেয়া ভাবিলেই আচৰিত লাগে। অসাধ্য সাধনা কৰিবলৈ সক্ষম হোৱা এই মহান বিজ্ঞানীজনেই হ'ল ইংৰাজ পদাৰ্থবিদ ষ্টিফেন উইলিয়াম হকিং।

১৯৪২ চনৰ ৮ জানুৱাৰীৰ দিনা ষ্টিফেন হকিঙৰ জন্ম হয়। তেওঁৰ পিতৃ নামী চিকিৎসক ফ্ৰেংক হকিঙৰ ঘৰ ইংলেণ্ডত। মাতৃ ইছবেল আছিল স্কটলেণ্ডৰ জীয়ৰী। লণ্ডনৰ উত্তৰাঞ্চলৰ হাইগেটৰ সুপ্ৰসিদ্ধ বাইৰণ হাইস্কুলত হকিঙৰ শিক্ষা জীৱন আৰম্ভ হয়। ইয়াৰ পিছত চেইণ্ট এলবান্সৰ এখন বে-চৰকাৰী স্কুলত হকিঙে হাইস্কুলীয়া শিক্ষা সমাপ্ত কৰে।

সৰুৰে পৰা হকিঙে নিজৰ চোকা বুদ্ধিমত্তাৰ পৰিচয় দিব পাৰিছিল। তেওঁৰ মেধাশক্তিও আছিল অতুলনীয়। আমি আটায়ে জানো যে অংকশাস্ত্ৰৰ দৰে বিষয় এটিত পাৰদৰ্শিতা অৰ্জন কৰিবলৈ হ'লে ঘৰত যথেষ্ট অভ্যাস কৰা দৰকাৰ। কিন্তু এই ক্ষেত্ৰত হকিং আছিল সম্পূৰ্ণ ব্যতিক্ৰম। তেওঁ ঘৰত অংকৰ কোনো অভ্যাস কৰা নাছিল। কিন্তু মজাৰ কথা এয়ে যে শ্ৰেণীৰ পৰীক্ষাবোৰত তেওঁ সদায় এশৰ ভিতৰত এশ নম্বৰ পাবলৈ সক্ষম হৈছিল। তেওঁৰ এই মেধাশক্তিয়ে লগৰ ল'ৰা-ছোৱালীবোৰক ইৰ্ষান্বিত আৰু বিস্মিত কৰি তুলিছিল। সৰ্বসাধাৰণ ল'ৰা-ছোৱালীক যিবোৰ অংকই বিমোৰত পেলাইছিল হকিঙে সেইবোৰৰ একো নভবাকৈ শুদ্ধ উত্তৰ দিব পাৰিছিল।

হকিঙৰ নাওখেল বৰ প্ৰিয় আছিল। সেই সময়ত অক্সফোৰ্ড আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ত নাওখেল এটা অতি জনপ্ৰিয় খেল ৰূপে প্ৰচলিত আছিল আৰু দুয়োখন বিশ্ববিদ্যালয়ৰ মাজত কঠিন প্ৰতিদ্বন্দ্বিতামূলক উত্তেজনাপূৰ্ণ খেল অনুষ্ঠিত হৈছিল। হকিঙে এটা ক্লাবৰ সদস্য হৈ একাগ্ৰচিত্তে নাওখেলৰ অনুশীলন কৰিছিল। তেওঁৰ বুদ্ধিমত্তা, কৰ্মদক্ষতা, অপৰিসীম সাহসৰ গুণত প্ৰশিক্ষকসকলে তেওঁক গুৰিয়াল হিচাপে নিৰ্বাচিত কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে শাৰীৰিক অৱয়ৱত হকিং ক্ষীণ আৰু চাপৰ আছিল যদিও তেওঁ যথেষ্ট শক্তিশালী আছিল। তেওঁৰ মাতটো ডাঙৰ হোৱা বাবে দলটোৰ নেতৃত্বত যথেষ্ট সুবিধা হৈছিল।

হকিঙৰ হাতৰ আখৰ একেবাৰে ভাল নাছিল। ক্ষীণ, চাপৰ, জধলা ল'ৰাটোৰ অস্বাভাৱিক কাণ্ড, আঁকোৰ-গোজ স্বভাৱ আদিৰ বাবে শিক্ষকসকলৰো তেওঁৰ প্ৰতি কোনো ভাল ধাৰণা নাছিল। অংক আৰু পদাৰ্থবিদ্যাত আশ্চৰ্যজনকভাৱে চোকা এই ল'ৰাটোৱে শিক্ষকে সোধা যিকোনো প্ৰশ্নৰেই হেলাৰঙে উত্তৰ দিব পাৰিছিল। লগৰ বন্ধু-বান্ধৱবোৰে এনে অদ্ভুত ক্ষমতাৰ বাবে তেওঁক 'আইনষ্টাইন' বুলি ঠাট্টা-মস্কৰা কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ বন্ধু-বান্ধৱে কৰা এই ঠাট্টাৰ কথা আনন্দেৰে মনত পেলাই

কৈছিল যে সিহঁতে হয়তো তেওঁৰ গাত তেনেকুৱা এজন বিজ্ঞানীৰ লক্ষণ দেখা পাইছিল।

সুখ্যাতিৰে স্কুলীয়া শিক্ষা সামৰণি মৰাৰ পিচত হকিঙে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ইউনিভাৰ্ছিটি কলেজত গণিতশাস্ত্ৰ আৰু পদাৰ্থবিদ্যা অধ্যয়ন কৰিবলৈ লয়। অক্সফোৰ্ডৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী পোৱা বাবে তেওঁ গৱেষণাৰ সুবিধা বিচাৰি কেমব্ৰিজ বিশ্ববিদ্যালয়লৈ আবেদন জনায়। যথাসময়ত তেওঁ কেমব্ৰিজত গৱেষণা কৰিবলৈ অনুমতি লাভ কৰে।

মাত্ৰ ২১ বছৰ বয়সতে হকিঙে এক দুৰাৰোগ্য স্নায়বিক ৰোগত আক্ৰান্ত হয়। চিকিৎসা বিজ্ঞানত এই ৰোগটোক 'মটৰ নিউৰণ ৰোগ' বা 'লু' গেৰিক'ৰ ৰোগ' বুলি জনা যায়। আমেৰিকাত এই ৰোগটো Amyotrophic Lateral Sclerosis (ALS) বুলি জনা যায়। এই ৰোগৰ সৰ্বগ্ৰাসী আক্ৰমণত মানুহৰ মেৰুদণ্ড আৰু মস্তিষ্কৰ বিভিন্ন মাংসপেশী নিয়ন্ত্ৰণকাৰী স্নায়ুবোৰ ক্ৰমান্বয়ে ক্ষয় হৈ যাবলৈ ধৰে। অৱশ্যে মেধা আৰু বুদ্ধিমত্তাৰ কোনো অৱনতি নঘটে।

গৱেষণাৰ কাম-কাজ আৰম্ভ কৰা সময়তে তেওঁ 'জেন ৱাইল্ড' নামৰ ধুনীয়া গাভৰু এগৰাকী লগ পায় আৰু দুয়ো বিবাহপাশত আবদ্ধ হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়। ১৯৬৫ চনৰ জুলাই মাহত দুয়ো বিবাহপাশত আবদ্ধ হয়। ১৯৬৭ চনত তেওঁৰ প্ৰথম পুত্ৰ ৰবাৰ্টৰ জন্ম হয়। ১৯৭০ চনত দ্বিতীয় সন্তান লুছীৰ জন্ম হয়। তৃতীয় সন্তান টিমথিৰ জন্ম হয় ১৯৭৯ চনত।

হকিঙৰ অধ্যয়ন আৰু গৱেষণাৰ মূল বিষয়-বস্তু আছিল বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে এক সম্যক জ্ঞান। বিশ্বব্ৰহ্মাণ্ডৰ জন্মৰ সন্ধান, বিশ্বব্ৰহ্মাণ্ডৰ জন্মৰ আঁতি-গুৰি বিচৰা আদি বিষয়বস্তুৰ ওপৰত তেওঁ আত্মনিমগ্ন হৈ থাকে। ১৯৭০ চনৰ পৰাই হকিঙৰ শাৰীৰিক অৱস্থা যথেষ্ট বেয়াৰ পিনে ঢাল খায়। উঠা-বহা, শোৱাৰ কাৰণে বিচনাত উঠা আদি কামবোৰ কৰোঁতে যথেষ্ট সময় তথা সহায়ৰ প্ৰয়োজন হৈছিল। কিন্তু তেওঁ সকলো কাম অইনৰ সহায় নোলোৱাকৈ কৰিবলৈ যত্ন কৰিছিল। ১৯৭৫ চনৰ পৰা তেওঁৰ শাৰীৰিক অৱস্থাৰ অধিক অৱনতি ঘটে আৰু তেওঁক কাম-কাজত সহায় কৰিবলৈ গৱেষণাত সহায় কৰা ছাত্ৰ এজনক ৰখা হয়। হকিঙে এই কথাটোত মুঠেই ভাল পোৱা নাছিল যদিও অন্য উপায়ো নাছিল। পিচত এই গৱেষক ছাত্ৰজনৰ পৰিৱৰ্তে এগৰাকী নাৰ্চ ৰখাৰ ব্যৱস্থা কৰা হ'ল।

১৯৯০ চনত হকিঙৰ জেনৰ লগত বিবাহ বিচ্ছেদ হয়। ১৯৯৫ চনত তেওঁ ইলেইন মেছনক বিবাহ কৰায়। ইয়াৰ পূৰ্বে ইলেইন মেছনে সুদীৰ্ঘ পোন্ধৰ বছৰ নাৰ্চ হিচাপে হকিঙক দিনে-ৰাতিয়ে পৰিচৰ্যা কৰিছিল।

স্নায়বিক বৈকল্যই তেওঁৰ সমগ্ৰ শৰীৰে বিকল কৰি দিয়ে। তেওঁ অকল নিজৰ বাওঁহাতৰ আঙুলি দুটিহে লৰচৰ কৰিব পাৰে। এটা অস্ত্ৰোপচাৰৰ ফলত সম্পূৰ্ণভাৱে হেৰুৱাবলগীয়া হয় বাক্‌শক্তি। ১৯৭৭ চনৰ পৰা এক বিশেষ ধৰণৰ হুইল চেয়াৰৰ সহায়ত তেওঁ চলা-ফুৰা কৰে। এই হুইল চেয়াৰখনত এটা সৰু কম্পিউটাৰ আৰু এটা বাক্ সংশ্লেষণকাৰী (Speech synthesizer) লগোৱা আছে। পিচত তেওঁৰ যিটো মাত ওলাল সেই মাতটো পৃথিৱীৰ মানুহৰ মাত নোহোৱা যেন লাগে। মাতটো ধাতৱিক আৰু যান্ত্ৰিক যেন হৈ পৰিল। হকিঙে অৱশ্যে তেওঁৰ মাতটো আগৰ মাতটোতকৈ স্পষ্ট আৰু গহীন হোৱা বাবে ভালেই পালে।

হকিঙে গভীৰ আত্মবিশ্বাস আৰু একাগ্ৰতাৰে বৈজ্ঞানিক চিন্তা-চৰ্চাত নিজকে নিমগ্ন ৰাখে। তেওঁৰ এই ৰূপটোৱে হেজাৰ হেজাৰ বছৰ আগেয়ে তপস্যাৰত ধ্যানমগ্ন ঋষিসকলে ধ্যানত বহি সত্যৰ সন্ধান কৰা কথাটোলৈ মনত পেলায়। ইংলেণ্ডৰ ৰাণী এলিজাবেথে তেওঁক নিজ হাতেৰে ইংলেণ্ডৰ ৰজাৰ বা ৰাণীৰ 'Companion of Honour' সম্মানেৰে বিভূষিত কৰে। এই সম্মান তেওঁৰ নিজ দেশৰ এটি সুউচ্চ সম্মান। কেমব্ৰিজ বিশ্ববিদ্যালয়ে তেওঁক অন'ৰেৰী 'ডক্টৰ অৱ ছায়েন্স' ডিগ্ৰী প্ৰদান কৰে। স্পেইন দেশৰ অতি সম্মানজনক বঁটা 'Harmony and Concord Prize'ৰেও তেওঁক অলংকৃত কৰা হয়। তেওঁ লাভ কৰা অন্যান্য বঁটাসমূহৰ ভিতৰত 'উইলিয়াম হপ্‌কিন্স বঁটা', 'উলফ্ বঁটা', 'মেৰেল মেডেল', 'হিউজ মেডেল', 'এলবাৰ্ট আইনষ্টাইন বঁটা' আদি উল্লেখযোগ্য। বিশ্বৰ আৰু বহুতো বিশ্ববিদ্যালয়ে 'অন'ৰেৰী ডক্টৰ অৱ চায়েন্স ডিগ্ৰী প্ৰদান কৰি এই মহান বিজ্ঞানীজনক সম্মান জনায়।

ষ্টিফেন হকিঙে যি অদম্য মানসিক শক্তিৰে শাৰীৰিক অক্ষমতাৰ ফলত সৃষ্টি হোৱা বাধা-বিঘিনি অতিক্ৰম কৰি এতিয়ালৈ নিজৰ গৱেষণা কাৰ্যত লাগি আছে সেয়া ভাবিলেই আচৰিত যেন লাগে। বিশ্বৰ ইতিহাসত এনে বিৰল ব্যক্তিত্বৰ অধিকাৰী মানুহ খুব কমেই পোৱা যায়। তেওঁৰ ব্যতিক্ৰমী কাৰ্যাৱলীয়ে আমাক অহিৰ্নিশে সোঁৱৰাই দিয়ে যে মানুহৰ মনৰ শক্তি অসীম। ই কোনো বাধাৰ প্ৰাচীৰ নামানে। হকিঙে কেইবাখনো মূল্যবান গ্ৰন্থ লিখিছে। সেইবোৰ হ'ল—A brief history of Time, Black Holes and Baby Universes, The Nature of Space and Time আদি। এইগৰাকী মহান বিজ্ঞানী সকলো মানুহৰে প্ৰেৰণাৰ প্ৰতীক হওক। ◆



Scanned with CamScanner

# সাধনা ঃ জীৱনৰ অন্য এক নাম

ৰমেন পাঠক
প্ৰাক্তন ছাত্ৰ

*"মানুহৰ জীৱনৰ যাত্ৰাপথত বাধা-বিঘিনি থাকেই। সেইবোৰ অতিক্ৰম কৰিব পাৰিলেহে সফলতাৰ মুখ দেখা পোৱা সম্ভৱ।"*

সংগীত মানেই হ'ল সাধনা, আৰু সাধনা হ'ল ইষ্ট দেৱতাৰ প্ৰাৰ্থনা লেখীয়া। সংগীত সাধনা ইষ্ট দেৱতাৰ প্ৰাৰ্থনাৰ দৰে নিৰ্মল আৰু পবিত্ৰ। সংগীত সাধনাই মানুহৰ জীৱন পবিত্ৰ, স্বচ্ছ কৰি তোলে। প্ৰত্যেক ব্যক্তিৰেই হৃদয়ত সংগীতৰ অনুভূতি কিছু পৰিমাণে হ'লেও থাকেই। যি লোকে ইয়াক সাধনাৰ দ্বাৰা জীয়াই ৰাখিব পাৰে তেৱেঁই মহান সাধক হিচাপে পৰিগণিত হ'ব পাৰে।

নিৰবচ্ছিন্ন সাধনা, একাগ্ৰতা, মনৰ দৃঢ়তা আদিয়ে মানুহৰ জীৱনৰ বিভিন্ন সপোন পূৰণ কৰাত সহায় কৰে। এই ক্ষেত্ৰত মই মোৰ যাত্ৰাপথত লাভ কৰা সৰু-বৰ অভিজ্ঞতাৰ কথা পাঠকসকলক কিছু পৰিমাণে জনাবলৈ বিচাৰিছোঁ।

নিচেই সৰুৰে পৰা মই বাঁহীৰ প্ৰতি এক দুৰ্বাৰ আকৰ্ষণ অনুভৱ কৰিছিলোঁ। ছয় বছৰমান বয়সৰ পৰা ৰাসপূজা চাবলৈ গ'লে দুই-এটা বাঁহী কিনি আনি ঘৰত অনবৰত বজাইছিলো। ইয়াৰ বাবে মোৰ দেউতাই দাবী-ধমকি দিয়াই নহয় কেতিয়াবা তেওঁৰ মাৰ পৰ্যন্ত খাইছিলোঁ। এইবোৰে মোৰ ওপৰত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা নাছিল। সেই সময়ত মোৰ মনত এটাই ধাৰণা আছিল যে মই বাঁহী বজামেই।

মোৰ বাৰ বছৰ মান বয়সত আমাৰ গাঁৱৰ ব'হাগ বিহুৰ ফাংচনত বিহু দলটিৰ সৈতে বাঁহী বজাবলৈ সুবিধা এটি পাইছিলোঁ। মই বাঁহী বজাবলৈ মঞ্চত উঠাৰ আগমুহূৰ্তত আমাৰ গাঁৱৰে দাদা এজনে মোক বাঁহী বজাবলৈ নিদি নিজে বজাইছিল। সেইদিনা মই খুব কান্দিছিলোঁ আৰু সিদিনাই প্ৰতিজ্ঞা কৰিছিলোঁ যে মই এদিন হ'লেও ভাল বাঁহীবাদক হ'মেই। কিন্তু সেই সময়ত মোক উৎসাহ দিয়া কোনো মানুহ নাছিল।

সময় বাগৰিল। মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজ পালোঁ। ২০০৩ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পিচত মোৰ সপোন যেন লাহে লাহে বাস্তৱায়িত হ'বলৈ ধৰিলে। আমাৰ মহাবিদ্যালয়ৰ মাননীয়া প্ৰবক্তা ভূমিকা বৰ্মণ বাইদেউৰ উৎসাহ-আশীৰ্বাদ আৰু নিৰ্দেশ মতে মই মহাবিদ্যালয়ৰ উপৰিও নগৰবেৰাৰ যিকোনো অনুষ্ঠানতে বাঁহী বজাবলৈ সুবিধা পোৱা হ'লো। অসমৰ সত্ৰীয়া সংগীতৰ গৱেষক তথা বিশিষ্ট সাহিত্যিক ড° কেশৱানন্দ দেৱ গোস্বামী দেৱে আমাৰ মহাবিদ্যালয়ত প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া স্মাৰক প্ৰদৰ্শণমূলক বক্তৃতা প্ৰদান কৰিছিল। অনুষ্ঠানটিত মই বাঁহীত বৰগীতৰ সুৰ পৰিৱেশন কৰিছিলোঁ। মোৰ বাঁহীৰ সুৰত আপ্লুত হৈ তেওঁ মোক কাষলৈ মাতি নি মোৰ বাঁহীবাদনৰ প্ৰশংসা কৰি ক'ৰবাত শিকিছো নেকি সুধিলে। মই শিকাৰ কোনো সুবিধা পোৱা নাই বুলি কওঁতে তেওঁ গুৱাহাটীত থকা বিশিষ্ট বাঁহীবাদক প্ৰভাত শৰ্মাৰ তত্বাৱধানত শিকিব পাৰিম বুলি ক'লে। মই চাৰৰ পৰা প্ৰভাত শৰ্মা দেৱৰ ঠিকনা আদি সংগ্ৰহ কৰিলোঁ। ইয়াৰ উপৰিও আমাৰ কলেজত NACC ৰ পৰিদৰ্শনৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা অহা বিশিষ্ট ব্যক্তিসকলেও মোৰ বাঁহীবাদনত সন্তুষ্ট হৈ কাষলৈ মাতি নি দিয়া আশীৰ্বাদ আৰু উৎসাহ-উদ্দীপনাই

"সংগীত সাধনাই মানুহৰ জীৱন পৱিত্ৰ, স্বচ্ছ কৰি তোলে। প্ৰত্যেক ব্যক্তিৰেই হৃদয়ত সংগীতৰ অনুভূতি কিছু পৰিমাণে হ'লেও থাকেই। যি লোকে ইয়াক সাধনাৰ দ্বাৰা জীয়াই ৰাখিব পাৰে তেৱেঁই মহান সাধক হিচাপে পৰিগণিত হ'ব পাৰে।"

মোক যাত্ৰাপথত আগবাঢ়িবলৈ প্ৰেৰণা যোগাইছিল।

স্নাতক ডিগ্ৰী লাভ কৰাৰ পিচত (২০০৭) মই শ্ৰীযুত প্ৰভাত শৰ্মা দেৱৰ তত্বাৱধানত বাঁহীৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰোঁ। ২০০৯ চনৰ চেপ্তেম্বৰ মাহত জামুগুৰিত থকা A.P.B.N. কেম্পত এক বিশেষ অনুষ্ঠানত বাঁহী বজাবলৈ সুবিধা পাওঁ। সেই অনুষ্ঠানতে বিশিষ্টা অভিনেত্ৰী গায়ত্ৰী মহন্তৰ ভিনিহিদেউ শ্ৰীযুত নিৰঞ্জন গোস্বামী দেৱক লগ পাওঁ আৰু তেওঁৰ পৰা বহুতো উৎসাহ লাভ কৰোঁ। তেওঁৰ নিৰ্দেশ মৰ্মে আন এজন বিশিষ্ট বাঁহীবাদক শ্ৰীযুত পৰমেশ্বৰ বসুমতাৰী দেৱৰ লগ হওঁ আৰু তেওঁৰ পৰাও যথেষ্ট জ্ঞান লাভ কৰোঁ।

২০০৯ চনৰ ১৭ এপ্ৰিল তাৰিখে অসমৰ এখন পুৰণি আগশাৰীৰ বিহুমঞ্চ লতাশিল খেলপথাৰৰ বিহুমঞ্চত অনুষ্ঠান পৰিৱেশন কৰোঁ। মোৰ অনুষ্ঠান পৰিৱেশনৰ সময়সীমা আছিল মাত্ৰ পোন্ধৰ মিনিট। কিন্তু ৰাইজৰ মৰমৰ দাবীত মোৰ অনুষ্ঠান পৰিৱেশনৰ সময় বাঢ়ি গৈ এঘণ্টা হৈছিল। সেইদিনা মই আনন্দিত হোৱাই নহয়, মোৰ আত্মবিশ্বাসে বাঢ়ি গৈছিল। সেইদিনা উপস্থিত থকা অসমৰ জনপ্ৰিয় সংগীত পৰিচালক শ্ৰীযুত ৰমেন বৰুৱা দেৱে মোক বিচাৰি কাৰ্যালয়লৈ আহি মোক আশীৰ্বাদ দিছিল। এই কথা মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ। পৰৱৰ্তী সময়তো তেওঁ মোক উৎসাহ- উদ্দীপনা আৰু সহায়ৰ হাত আগবঢ়াই আহিছে।

লতাশিলৰ উপৰিও গুৱাহাটীৰ প্ৰায়বোৰ বিহুমঞ্চ যেনে ভৰলুমুখ, নুনমাটি, চান্দমাৰী, ভৰলুমুখ খুইচগেট, ফটাশিল আমবাৰী, গড়চুক আদিত অনুষ্ঠান পৰিৱেশন কৰিছোঁ। ইয়াৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহতো মোৰ অনুষ্ঠান পৰিৱেশন কৰিছোঁ। উত্তৰ-পূৱ গ্ৰন্থমেলাত এতিয়ালৈ তিনিবাৰ অনুষ্ঠান পৰিৱেশন কৰিছোঁ। ২০১১ চনত অনুষ্ঠিত উত্তৰ-পূৱ গ্ৰন্থমেলাত মঞ্চ উদ্বোধন হিচাপে নাকেৰে বৰগীত এটি বজাওঁ। তাত উপস্থিত থকা বিশিষ্ট পণ্ডিত শ্ৰীযুত হোমেন বৰগোহাঞি দেৱে সন্তুষ্ট হৈ মোক উৎসাহ-উদ্দীপনা দিয়ে। এইখিনিতে উল্লেখযোগ্য যে মই অকল মুখেৰেই নহয় নাকেৰেও বাঁহী আৰু ম'হৰ শিঙৰ পেঁপা বজাই আহিছোঁ।

টি ভি চেনেলত অনুষ্ঠান পৰিৱেশন কৰাটো মোৰ সকলো পৰা এটা হেঁপাহ আছিল। অৱশেষত সেই হেঁপাহ পূৰাবো সুযোগ আহিল। ২০১০ চনৰ ১৩ আগষ্টত Dy 365 চেনেলৰ 'ডি. ৱাই অৰুণোদয়' অনুষ্ঠানটিত উপস্থিত থাকিবলৈ সুবিধা পাওঁ। তাত মই মুখ আৰু নাকেৰে বাঁহী বজোৱাৰ উপৰিও অসমৰ বিভিন্ন ঠাইৰ শ্ৰোতা-দৰ্শকৰ প্ৰশ্নৰ উত্তৰ দিওঁ। ইয়াৰ পিচত ক্ৰমে NE টিভিত তিনিবাৰ, News Liveত দুবাৰ, Frontier টিভিত এবাৰ, আকৌ DY 365ত এবাৰ মোৰ বাঁহীবাদন অনুষ্ঠান পৰিৱেশন কৰিছোঁ। News Live চেনেলে মোক অসমৰ একমাত্ৰ নাকেৰে বাঁহী বজোৱা ব্যক্তি হিচাপে অভিহিত কৰে। ইয়াৰ উপৰিও মই 'মৌকুঁৱৰী' নামৰ বিহু চিডিটোত বাঁহী বজাইছোঁ।

২০১২ চনৰ এপ্ৰিলত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ছয়নিকা ভূঞাই তেওঁৰ গ্ৰুপত বাঁহী বজাবলৈ মাতে আৰু তেতিয়াৰে পৰা মই তেওঁৰ লগত গুৱাহাটী আৰু ইয়াৰ ওচৰে-পাজৰে থকা বিভিন্ন ঠাইৰ উপৰিও উজনি অসমৰ দুলীয়াজান, মাজুলী, ডিগবৈ, কাৰ্বিআংলং আদিত অনুষ্ঠান পৰিৱেশন কৰোঁ।

বৰ্তমান মই নিজাববীয়াকৈ Music Group ৰ লগত কাম কৰি আছোঁ আৰু কেইবাটাও গ্ৰুপৰ লগত কাম কৰি আছোঁ। ইয়াৰ উপৰিও মই এখন সংগীত মহাবিদ্যালয়ত Flute Teacher হিচাপে কাম কৰি আছোঁ।

এজন ভাল বাঁহীবাদক হ'বলৈ যিমান জ্ঞানৰ দৰকাৰ মই হয়তো তাৰ এধানিমানহে শিকিছোঁ। মোৰ শিকিবলৈ আৰু বহুতো বাকী আছে। মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক এযাৰ কথা ক'বলৈ বিনম্ৰ প্ৰয়াস কৰিছোঁ— সেয়া হ'ল মানুহৰ জীৱনৰ যাত্ৰাপথত বাধা-বিঘিনি থাকেই। সেইবোৰ অতিক্ৰম কৰিব পাৰিলেহে সফলতাৰ মুখ দেখা পোৱা সম্ভৱ।

এইখিনিতে মই এটি বিশেষ কথা উল্লেখ কৰিছোঁ। মোৰ বাঁহী শিকাৰ ক্ষেত্ৰত মোৰ মা-দেউতাই প্ৰথমতে কোনো উৎসাহ যোগোৱা নাছিল। পিচত অৱশ্যে তেওঁলোকৰ ধাৰণা সলনি হ'ল। এতিয়া তেওঁলোকেও মোক যথেষ্ট প্ৰেৰণা যোগায়। মা-দেউতাৰ ইচ্ছা মই যেন এজন ভাল বাঁহীবাদক হৈ দেশলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰোঁ। ◆



Scanned with CamScanner

# অনুভৱৰ দুৱাৰ মেলি.....

(১)

আমাৰ চৌপাশে ঘটি থকা কিছুমান ঘটনা-উপঘটনাই আজিকালি প্ৰায়েই মনৰ দুৱাৰত কোবাই যায়হি। ভাব হয়, আমাৰ সমাজ জীৱনৰ প্ৰতিটো স্তৰতে যেন নিয়ম ভঙাৰ এক বিৰাট প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিদিনে অসামাজিক আৰু অপৰাধমূলক কাৰ্যকলাপ অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। এই কাৰ্যবোৰৰ বহুততে উঠি অহা যুৱক-যুৱতী লিপ্ত হৈ পৰা বাবে সমাজৰ যুৱ উশৃংখলতা বৃদ্ধি পোৱা দেখা গৈছে।

ছাত্ৰজীৱন প্ৰতিজন মানুহৰে জীৱনৰ এক সোণালী অধ্যায়। ভৱিষ্যতৰ সেন্দুৰীয়া আলি প্ৰস্তুত কৰাৰ সময়। এই সময়ত সদ্ ভাৱনা, সদ কৰ্ম আৰু সদ্ চিন্তাৰে নিজকে ভৱিষ্যতৰ উপযুক্ত নাগৰিক কৰি তোলা হয়। জীৱনৰ এনে এক সুন্দৰ সময়ত কিছুমান যুৱক-যুৱতী কি কু-প্ৰভাৱৰ কবলত পৰি বিপথে পৰিচালিত হয় সেয়া নিশ্চয় চিন্তনীয় বিষয়।

যান্ত্ৰিকতাৰ ধামখুমীয়াত পৰি আমাৰ সমাজৰ পৰা মৰম, চেনেহ, ভালপোৱা আদিৰ দৰে সুকোমল অনুভূতিবোৰ দিনে দিনে হেৰাই যোৱা যেন অনুভৱ হয়। পৰিৱৰ্তিত সমাজত মানৱতা, মূল্যবোধ আদিৰ অৱক্ষয় হৈছে। এককথাত ক'বলৈ গ'লে মূল্যবোধক হত্যা কৰা হৈছে। স্থান লৈছে আত্মকেন্দ্ৰিকতা, আত্মম্ভৰিতা আদি। বাতৰি কাকত মেলিলেই ডাঙৰ ডাঙৰ শিৰোনামেৰে দেখা পাওঁ হত্যা-ধৰ্ষণ, লুণ্ঠন, যুৱ মানসিকতাৰ স্খলন আদি বিভিন্ন খবৰ। এই খবৰবোৰৰ অন্তৰালত কি কাৰক সোমাই আছে সেইটো বিচাৰ কৰি উলিওৱাতকৈ এচামে আনচামক দোষাৰোপ কৰাত মত্ত হৈ পৰে। আমি ভাবো দুৰ্নীতিগ্ৰস্ত পিতৃ-মাতৃ, পৰিয়ালত নৈতিক শিক্ষাৰ অভাৱ, ভয়ংকৰ হাৰত বৃদ্ধি পোৱা নিবনুৱা সমস্যা, ৰাগিয়াল দ্ৰব্য সেৱন, পশ্চিমীয়া আদব-কায়দাৰ অন্ধ অনুকৰণ, অশ্লীল কিতাপ-পত্ৰ পঢ়া অথবা মোবাইল ফোনত অথবা অন্য ইলেকট্ৰনিক মাধ্যমত দেখা পোৱা অশ্লীল দৃশ্য আদিৰ দৰে এশ এবুৰি কাৰকৰ বাবে যুৱ উশৃংখলতা বৃদ্ধি পাইছে। কনিষ্ঠজনে জ্যেষ্ঠজনক কৰা সন্মান, জ্যেষ্ঠজনে কনিষ্ঠজনক কৰা মৰম-চেনেহ আদিৰো অভাৱ বাৰুকৈয়ে দেখা গৈছে।

'ইজি মানি' লাভৰ বাসনা সমাজৰ সৰ্বস্তৰতে বিয়পি পৰিছে। যুৱসমাজো এই বাসনাৰ বলি হৈছে। ইয়াৰ ফল দ্ৰুতভাৱে বৃদ্ধি পাইছে চুৰি-ডকাইতি, হত্যা, অপহৰণ, লুণ্ঠ আদিৰ দৰে অপৰাধমূলক কাৰ্য। ধনৰ পাহাৰ গঢ়ি তোলা এচা দুৰ্নীতিগ্ৰস্ত পিতৃৰ কোনোদিনে অভাৱ-অনাটনৰ সৈতে মুখ মুখি নোহোৱা সন্তানসকলে অবাধ স্বাধীনতা লাভ কৰি এ 'আধুনিক লাইফ ষ্টাইল' গঢ়ি তুলিছে। এই সন্তানসকলৰ হাত থাকে দামী মোবাইল ফোন অথবা স্মাৰ্ট ফোন, ঘূৰি ফুৰিব থাকে বিলাসী বাইক, ৰেষ্টোৰা, ধাবা আদিত খাবলৈ জেপ থাকে অজস্ৰ টকা। বহুতো পিতৃয়ে সন্তানক নৈতিকভাৱে সংস্কৃতিবান কৰি তোলাৰ কোনো প্ৰয়াস নকৰে। সন্তানে কি কৰিছে কি নকৰিছে সেয়া চকু দিবলৈ এওঁলোকৰ সময় নাই এইবোৰ সন্তানে বিলাসী হোটেলত বন্ধু-বান্ধৱীৰ সৈতে 'পাৰ্ট কৰাত ব্যস্ত থাকে। নিশাৰ আঁৰে আঁৰে চলা এই পাৰ্টিবোৰ যু উশৃংখলাৰ চৰম নিদৰ্শন। ইয়াত সুৰা, নিচাযুক্ত দ্ৰব্য আদিৰ অবা প্ৰচলন। এইবোৰ যুৱক-যুৱতীৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, ৰুচি অভিৰুচি আদিও ভিন্ন প্ৰকৃতিৰ।

অনৰ্থক হৈ-হাল্লা, গণ্ডগোল, চিঞৰ-বাখৰ আদিৰে বিকৃ আনন্দ প্ৰকাশ কৰা বৰ্তমানৰ এচাম যুৱকৰ ফেশ্বন হৈ পৰিছে এই প্ৰসঙ্গতে 'ৰেগিঙ'ৰ কথা উল্লেখ কৰিব পাৰি। 'ৰেগিং' নাম মহাব্যাধিটোক নাইকিয়া কৰিবলৈ দেশৰ উচ্চতম ন্যায়াল বহুতো আইন কৰিছে। কিন্তু প্ৰকৃত কথা হ'ল যুৱ মানসিক যেতিয়ালৈ সুস্থিৰ আৰু সৃষ্টিকামী নহয় তেতিয়ালৈ সে মহাব্যাধিটো শেষ কৰা অসম্ভৱ। প্ৰতিযোগিতামূলক পৰীক্ষা উত্তীৰ্ণ হৈ বহুতো সপোন বুকুত বান্ধি ইঞ্জিনীয়াৰিং পঢ়িবলৈ ছাত্ৰ নিবাসত অকালতে প্ৰাণ হেৰুৱাবলগীয়া হোৱা 'মাধু মৃত্যুৰ বাবে কোন দায়ী সেয়া হয়তো কোনোদিনে নিৰ্ণয় নহ' কাৰোবাৰ বিকৃত মানসিকতাৰ বাবে কতজনে এনেদৰে প্ৰাণাহু দিবলগীয়া হৈছে তাৰ হিচাপ নাই।

সন্ত্ৰাস, হত্যা, হিংসাবৰ্জিত, মানৱীয় প্ৰেম- ভালপোৱাৰে পৰিপূৰ্ণ এখন সুন্দৰ পৃথিৱীৰ স্বপ্ন আমি সদায় দেখোঁ। ৰাইজে নখ জোকাৰিলে নৈ বৈ যোৱাৰ দৰে আমি আটায়ে মিলি এনে সুন্দৰ পৃথিৱী এখনি গঢ়ো আহক। ◆

ৰুমা কলিতা, হীৰামণি কলিতা
স্নাতক তৃতীয় বৰ্ষ (কলা), অসমীয়া বিভাগ

(২)

'চিঠিৰ বোজা মই পিঠিত বান্ধি লৈ
পৰৰ চেনেহ কঢ়িয়াওঁ.........'

সু-গায়ক খগেন মহন্তৰ এই গানটোৱে মোক সদায় আমনি কৰিছিল। ভাবিছিলোঁ, পিয়ন ককাইদেৱে মোলৈও যদি তেনে চেনেহ কঢ়িয়াই অনা চিঠি এখন আনিলেহেঁতেন....... ! না...... ই...... মোৰ মনৰ আশা মনতে মাৰ যায়। ....... সময়বোৰ আগবাঢ়ি যায়....... কিন্তু এদিন হঠাৎ........ হয়, মই বিশ্বাসেই কৰিব পৰা নাছিলো। পিয়ন ককাইদেৱে ডাকযোগে অহা চিঠি এখন মোৰ হাতত তুলি দিলে। মই হতবাক হৈ পৰিলোঁ। প্ৰবল উত্তেজনাত ভিতৰি-ভিতৰি মই ঘামি গ'লো। মোৰ জীৱনৰ প্ৰথম চিঠি...... তাকো ডাকযোগে অহা !

বিয়েই নহওক পৰম উৎসাহ আৰু আগ্ৰহেৰে চিঠিখন খুলিলো। চিঠিখন বাগ্‌সা জিলাৰ পৰা এজন অচিনাকী বন্ধুৱে লিখিছে। তেওঁ মোৰ নাম-ঠিকনা এখন মাহেকীয়া আলোচনীত পাইছিল। আলোচনীখনত মোৰ বিভিন্ন লিখনি প্ৰকাশ পাই থাকে। তেওঁৰ হেনো পঢ়ি ভাল লাগিছে। সেয়েহে মোৰ লগত বন্ধুত্ব কৰিব বিচাৰে। তেওঁৰ চিঠিখনে মোক সঁচাকৈয়ে আনন্দিত কৰি তুলিলে। মই অতি সোনকালে তেওঁ বিচৰা বন্ধুত্বলৈ সহাঁৰি জনাই চিঠি দিলোঁ। তেৱোঁ মোলৈ আকৌ চিঠি পঠিয়ালে। এনেদৰে আমাৰ 'পত্ৰ বন্ধুত্ব' এতিয়ালৈ চলি আছে।

এদিন পিয়ন ককাইদেৱে চিঠিখন দিয়া সময়ত মোৰ সৈতে বন্ধু এজন আছিল। বন্ধুৱে উপহাসৰ হাঁহি মাৰি ক'লে, 'তই এতিয়াও মান্ধাতা যুগতে আছ। আজিৰ যুগতো মানুহে এনেদৰে চিঠি লিখি সময় নষ্ট কৰেনে?'

মোৰ মনত অলপ হ'লেও বেজাৰ লাগিল। চিঠি লিখাৰ আৰু চিঠি পোৱাৰ কি আনন্দ সেই আনন্দ মোৰ বন্ধুজনে জীৱনত কেতিয়াও পোৱা নাই। সেয়ে বন্ধুই মোক তেনেদৰে ক'লে। পিচ মুহূৰ্ততে ভাবিলো— আমাৰ গাঁৱৰ পিয়ন ককাইদেৱে কিছুমান চৰকাৰী কাগজ-পত্ৰ, ইণ্টাৰভিউৰ কলিং লেটাৰ অথবা চাকৰিৰ চিঠি-পত্ৰ আদিৰ বাহিৰে অইন কোনো চিঠি-পত্ৰ অনা কোনেও দেখা নাই। গতিকে মোৰ বন্ধুজনে মোক তেনেদৰে কোৱাত কোনো ভুল হোৱা নাই।

আচলতে আমি যুৱ প্ৰজন্মই বৰ্তমান সময়ত ইলেকট্ৰনিক মাধ্যমৰ চেপাত বুৰ গৈ আছোঁ। টি. ভি., মোবাইল ফোন, ইণ্টাৰনেট, ফেচবুক, গুগল আদিত এনেদৰে মজি আছোঁ যে কিছুবছৰ পিচত চাগে' আমাৰ মানৱীয় আবেগ-অনুভূতিবোৰ একেবাৰে হ্ৰাস হৈ যাব। আমিও চাগে' যন্ত্ৰত পৰিণত হ'ম। আমি আমাৰ প্ৰাচীন ঐতিহ্য, পৰম্পৰা আদি এনেদৰে বিসৰ্জন দিয়া উচিত হৈছেনে? এটি নীলা খামত নীলা নীলা আখৰবোৰেৰে চেনেহ সানি পঠিওৱা চিঠিখনত যি মৰম-আন্তৰিকতা সোমাই থাকে সেয়া জানো মোবাইলৰ মেচেজবোৰত পোৱা যায়? 'নীলা খাম' বুলি ক'লেই যে সকলো চিঠি নীলা খামত আহিব তেনে নহয়। আচলতে আমাক এদিন ক্লাচত 'মেমে' নীলা গগৈদেৱে লিখা 'নীলা খামৰ চিঠি' নামৰ বিখ্যাত কিতাপখনি পঢ়িবলৈ কৈছিল। সেয়ে চিঠি বুলিলে 'নীলা খাম' শব্দটোৱেই মনলৈ আহে।

কিছুবছৰ আগলৈকে ঘৰৰ পৰা বাহিৰলৈ পঢ়িবলৈ পঠিওৱা সন্তানটিৰ এখনি চিঠিৰ বাবে পিতৃ-মাতৃ উদ্বাউল হৈ আছিল। প্ৰিয়জনৰ পৰা এখন চিঠিৰ অপেক্ষাত কোনোবা গাভৰুৱে সন্ধিয়ালৈ বৈ বৈ অৱশেষত অভিমানত চকুপানী টুকিছিল। ডেকাবোৰেও 'চিঠি আছেনে চিঠি আছেনে' বুলি ডাকোৱাল ককাইক তৎ নোহোৱা কৰিছিল। কিন্তু এতিয়া সেই দিন নাই। 'নীলা খাম'টো খুলিয়েই নীলা নীলা লিখনীবোৰ দেখি আনন্দত উৎফুল্লিত হোৱা ল'ৰা-ছোৱালী আজিকালি হয়তো বিচাৰিয়েই পোৱা নাযাব।

কথাবোৰ ভাবিলেই মনটো দেখোন কিবা বেয়া লাগে। এনেকৈয়ে হয়তো আমি গম নোপোৱাকৈয়ে আৰু বহুতো আনন্দৰ অনুভূতি হেৰাই গৈ আছে আমাৰ জীৱনৰ পৰা। ◆

মুকুল কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ



Scanned with CamScanner



# ক্ৰীড়া জগতৰ অঘোষিত মহাসমৰ
# অলিম্পিক ঃ কিছু অনুভৱ

**দীপ্তিৰেখা পাঠক মজুমদাৰ**
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

"এই পৃথিৱী এক ক্ৰীড়াঙ্গন
ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গন"— সঁচাকৈয়ে, সুজলা-সুফলা শস্য শ্যামলা এই বিনন্দীয়া বিশ্বৰ সকলো লোককে শান্তি-সম্প্ৰীতি, সাম্য-মৈত্ৰী আৰু একতাৰ এনাজৰীৰে বান্ধি ৰাখিব পৰা বস্তুটোৱেই হৈছে ক্ৰীড়া। অলিম্পিক এনে এক ক্ৰীড়াঙ্গন য'ত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈসকলে জাতিক গৌৰৱান্বিত কৰিবলৈ সক্ষম হয়।



অলিম্পিকৰ ইতিহাস এক দীঘলীয়া ইতিহাস। এই ইতিহাস প্ৰায় তিনি সহস্ৰাব্দ উজাই গৈ পোৱা ইতিহাস। খ্ৰীষ্টপূৰ্ব ৭৭৬ বৰ্ষত আৰম্ভ হোৱা এই ক্ৰীড়া সমাৰোহ ৩৯৩ খ্ৰীষ্টাব্দ পৰ্যন্ত বৰ্তি আছিল। গ্ৰীচ দেশৰ অলিম্পিয়াত অনুষ্ঠিত এই ক্ৰীড়া সমাৰোহক প্ৰাচীন অলিম্পিক বুলি জনা যায়।



১৮৯৬ খ্ৰীষ্টাব্দত গ্ৰীচৰ ৰাজধানী চহৰ এথেন্সত আধুনিক অলিম্পিকৰ অভিষেক ঘটে। ১৮৯৬ চনৰ ৬ এপ্ৰিলত গ্ৰীচৰ ৰজা পঞ্চম জৰ্জে এই ক্ৰীড়া সমাৰোহৰ শুভাৰম্ভ কৰাৰ লগে লগে আৰম্ভ হ'ল অলিম্পিকৰ এক নতুন ইতিহাস। উল্লেখযোগ্য যে তেতিয়ালৈকে এই ক্ৰীড়া সমাৰোহখন অকল পুৰুষ প্ৰতিযোগীৰ বাবেহে মুকলি আছিল। আধুনিক অলিম্পিকৰ প্ৰথম স্বৰ্ণপদক লাভ কৰোঁতাজন হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জেমছ বি. ক'নলী।

১৯০০ খ্ৰীষ্টাব্দত পেৰিচত অনুষ্ঠিত দ্বিতীয়খন অলিম্পিকত ভাৰতবৰ্ষই প্ৰথমবাৰৰ বাবে 'ব্ৰিটিছ ইণ্ডিয়া' নামেৰে অংশগ্ৰহণ কৰিছিল। তেতিয়াৰে পৰা বৰ্তমানলৈ ভাৰতবৰ্ষই মুঠ ২৩ খন অলিম্পিকত অংশগ্ৰহণ কৰি ৯টা স্বৰ্ণ, ৬ টা ৰজত আৰু ১১টা

ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ হৈ প্ৰথম অলিম্পিক পদক বিজেতা ক্ৰীড়াবিদগৰাকী হৈছে 'নৰ্মান প্ৰিচাৰ্ড'। ১৯০০ চনত পুৰুষৰ ২০০ মিটাৰ দৌৰত ২২.৮ ছেকেণ্ডৰ লৈ ৰূপত পদক লাভ কৰি ভাৰতীয় অলিম্পিকৰ ইতিহাসত তেওঁ নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰিবলৈ সক্ষম হয়। প্ৰিচাৰ্ডে পুৰুষৰ ২০০ মিটাৰ হাৰ্ডলচতো ৰজত পদক লাভ কৰিবলৈ সক্ষম হয়। এইদৰে একেখন খেলতে ভাৰতৰ হৈ দুটাকৈ অলিম্পিক পদক লাভ কৰা তেওঁ এতিয়ালৈ একমাত্ৰ ক্ৰীড়াবিদ।

পেৰিচ অলিম্পিকত মহিলা ক্ৰীড়াবিদসকলক অংশগ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰা হয়। ইউনাইটেড কিংডমৰ টেনিছ খেলুৱৈ 'চাৰ্লট কুপাৰ' অলিম্পিক ইতিহাসত স্বৰ্ণ পদক অৰ্জন কৰা প্ৰথমগৰাকী মহিলা ক্ৰীড়াবিদ। তেওঁ টেনিচৰ মহিলা একক শাখা আৰু মিক্সড ডাবলছ শাখা— দুয়োটা শাখাতে স্বৰ্ণপদক অৰ্জন কৰিবলৈ সক্ষম হয়।

আধুনিক অলিম্পিকৰ শুভাৰম্ভ হোৱাৰ পিচত প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অলিম্পিক অনুষ্ঠিত হৈ আহিছে। অৱশ্যে ১৯১৬ খ্ৰীষ্টাব্দত প্ৰথম মহাসমৰ আৰু ১৯৪০ আৰু ১৯৪৪ খ্ৰীষ্টাব্দত দ্বিতীয় মহাসমৰৰ বাবে অলিম্পিক অনুষ্ঠিত হোৱা নাছিল। অলিম্পিকত অন্তৰ্ভুক্ত ক্ৰীড়াসমূহ হৈছে— এথলেটিক্‌ছ, আৰ্চাৰী, বেডমিণ্টন, বাস্কেটবল, বক্সিং, কেনয়িং, চাইক্লিং, ড্ৰাইভিং, ইকুইষ্টিয়ান, ফেন্সিং, ফুটবল, হকী, হেণ্ডবল, জিমনাষ্টিক্‌ছ, জুড', মডাৰ্ণ পেন্টাথলন, ৰয়িং, চেইলিং, শুটিং, ছুইমিং, টেবুল টেনিছ, টাইকোৱাণ্ড', টেনিছ, ভলীবল, ৱেইট লিফটিং, ৰেষ্টলিং।

অলিম্পিকৰ পৰা বাদ পৰা খেলসমূহ হৈছে বেচবল, বাস্ক পেলটা, গলফ, ক্ৰিকেট, টাগ অব ৱাৰ, ৱাটাৰ মটৰছ স্পটছ। অৱশ্যে ২০১৬ চনত ব্ৰাজিলৰ 'ৰি অ' ডি জেনেৰিঅ'ত অনুষ্ঠিত হ'বলগীয়া অলিম্পিকত গলফ্ আৰু ৰাগবী ছেভেন্‌ছ অন্তৰ্ভুক্ত কৰা হ'ব।

**২০১২ চনৰ লণ্ডন অলিম্পিকৰ পূৰ্ব প্ৰস্তুতি ঃ—**

২০০5 চনৰ ৬ জুলাইত ২০১২ চনৰ অলিম্পিক আয়োজক মহানগৰ হিচাপে লণ্ডন মহানগৰ নিৰ্বাচিত হয়। এই স্বত্ব লাভৰ পথত লণ্ডনে মস্কো, নিউইয়ৰ্ক, মাদ্ৰিদ আৰু পেৰিছক অতিক্ৰম কৰিবলৈ সক্ষম হয়। লগে লগে তিনিবাৰ আধুনিক অলিম্পিক আয়োজনৰ স্বত্ব লাভ কৰা প্ৰথম মহানগৰ হিচাপে পৰিগণিত হয়। এয়া নিশ্চয় গৌৰৱৰ বিষয়। ইয়াৰ পূৰ্বে মহানগৰখনে ১৯০৮ আৰু ১৯৪৮ চনত অলিম্পিক খেল আয়োজনৰ স্বত্ব লাভ কৰিছিল।

অলিম্পিকৰ আয়োজক মহানগৰ হিচাপে স্বত্ব লাভ কৰাৰ পিচৰে পৰা এখন সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অলিম্পিক সমাৰোহ পতাৰ প্ৰচেষ্টাৰে সমগ্ৰ দেশ উঠিপৰি লাগে। ভেনু আৰু আন্তঃগাঁথনি নিৰ্মাণৰ বাবে 'অলিম্পিক ডেলিভাৰী অথৰিটী ব'ৰ্ড' গঠন কৰা হয়। পূব লণ্ডনৰ ষ্ট্ৰেটফৰ্ডত ২০০ একৰ মাটি লৈ 'অলিম্পিক ভিলেজ'ৰ প্ৰস্তুতি পৰ্ব আৰম্ভ কৰা হয়।

লণ্ডন অলিম্পিকৰ বেছিভাগ ভেনুক গ্ৰেটাৰ লণ্ডনৰ ভিতৰত তিনিটা জ'নত ভাগ কৰি লোৱা হয়— দি অলিম্পিক জ'ন, দি ৰিভাৰ জ'ন আৰু ডি চেণ্ট্ৰেল জ'ন। ইয়াৰ বাহিৰেও প্ৰয়োজন হ'লেই ব্যৱহাৰ কৰিব পৰাকৈ গ্ৰেটাৰ লণ্ডনৰ বাহিৰৰ বোমাইথা আৰু পৰ্টলেণ্ড নেশ্বনেল চেইলিং একাডেমিকো সজাই পৰাই তোলা হয়।

পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰতো যাতে কোনো আঁসোঁৱাহৰ সৃষ্টি নহয় তাৰ বাবেও বিশেষ দৃষ্টি ৰখা হয়। বহুকেইটা ৰেলৱে লাইনক নতুন ৰূপ দিয়া হয়। ক্ষিপ্ৰগতি সম্পন্ন ৰেল সেৱা 'জাভেলিন'ৰ উপৰিও বুলেট ট্ৰেইনৰ ব্যৱস্থা কৰা হয়। দৰ্শনাৰ্থীৰ বাবে আধুনিক ছাটল বাছৰো ব্যৱস্থা কৰা হয়।

২০১২ চনৰ লণ্ডন অলিম্পিক আৰু পেৰা অলিম্পিক গেমছৰ মেছকট দুটা ২০১০ চনৰ ১৯ মে' তাৰিখে মুকলি কৰি দিয়া হয়। মেছকট দুটাৰ নাম হৈছে 'ৱেনলক' আৰু 'মেণ্ডেভিলে'। অলিম্পিক আৰু পেৰা অলিম্পিকৰ ডিজাইন প্ৰস্তুত কৰে 'ডেভিড ৱাট কিন্‌ছে'। পৰম্পৰা ৰক্ষা কৰি পদকৰ সন্মুখ ভাগত দিয়া হয় গ্ৰীক জয়ৰ দেৱী নাইকীৰ ছবি। আনটো ফালে আছে গেমছ লগো, টেমছ নৈ আৰু এথলীটৰ শক্তিৰ প্ৰতীক ৰূপত এলানি লাইন।

তৃতীয়বাৰৰ বাবে অলিম্পিক খেল অনুষ্ঠিত কৰাৰ গৌৰৱ অৰ্জন কৰা ইংলেণ্ডবাসীৰ বাবে ২০১২ চনৰ অলিম্পিক যেন এটি বিৰাট সপোন ! এই সপোনক সাকাৰ ৰূপ দিবলৈ তেওঁলোকে যত্নৰ ক'তো ত্ৰুটি কৰা নাছিল। গোটেই দেশখনকে ন-কইনাৰ দৰে সজাই-পৰাই তুলিছিল। ইয়াৰ আগতে ১৯ মে'ৰ পৰা আৰম্ভ হোৱা শিখা দৌৰৰ অন্তিম পৰ্যায়ত আমাৰ দেশৰ মেগাষ্টাৰ বিগ-বি অমিতাভ বচ্চনে বিশ্বৰ বিভিন্ন গণ্য-মান্য ব্যক্তিৰ সৈতে অংশগ্ৰহণ কৰি নিজে গৌৰৱান্বিত হোৱাৰ লগতে দেশলৈও গৌৰৱ কঢ়িয়াই আনে।

অৱশেষত অপেক্ষাৰ অন্ত পৰিল। ২৭ জুলাইত লণ্ডনৰ স্থানীয় সময় অনুসৰি নিশা ৯ বজাত ঐতিহাসিক ঘণ্টা বাজি উঠাৰ লগে লগে শুভাৰম্ভ হ'ল 'দি গ্ৰেটেষ্ট শ্ব' অন আৰ্থ'ৰ। ইংলেণ্ডৰ চাৰিকুৰি ছয় বছৰীয়া ৰাণী এলিজাবেথে আধুনিক যুগৰ ত্ৰিছ সংখ্যক অলিম্পিক মুকলি হোৱা বুলি ঘোষণা কৰাৰ লগে



Scanned with CamScanner

লগে ৬০ হেজাৰ দৰ্শক বহিব পৰা অলিম্পিক ষ্টেডিয়ামৰ দৰ্শকবৃন্দ উল্লাসিত হৈ পৰিল........।

আৰম্ভ হ'ল আতচবাজীৰ বৰ্ণিল-বৰ্ণাঢ্য আৰু বিচিত্ৰ খেলা। ছেইক্সপীয়েৰৰ 'দা টেম্পেষ্ট'ৰ আধাৰত হোৱা উদ্বোধনী অনুষ্ঠানটো ২৩ টনৰ এটা বিশাল বেল বজাই আৰম্ভ কৰে 'ব্ৰেডলি উইগিনিছে।' টেমছ নদীৰ পাৰত লণ্ডনে বিশ্ববাসীৰ আগত নিজৰ সৰ্বস্ব উজাৰি দেখুৱালে। 'ইন্‌ছপাইৰেশ্বন এ জেনেৰেশ্বন' এই থীমেৰে আৰম্ভ হোৱা এই অবিস্মৰণীয় নিশাটিত বৃটিছ আভিজাত্যপূৰ্ণ ৰূপত প্ৰতিফলিত কৰাত সফল হ'ল আয়োজক দেশ। 'শ্লামডগ মিলিয়নাৰ'খ্যাত অস্কাৰ বিজয়ী ডেনী বয়েলৰ পৰিকল্পনাত বৃটিছ আভিজাত্যৰ লগতে গ্ৰাম্য জীৱনৰো প্ৰতিফলন ঘটিল। ইংলেণ্ডৰ চৰণীয়া পথাৰ, খেতিপথাৰ, লোক সংগীত— একোৱেই বাদ নপৰিল সেই বৰ্ণিল নিশাটিত। অনুষ্ঠানটোত 'এলিছ ইন ৱাণ্ডাৰলেণ্ড' আৰু হেৰী প'টাৰৰ প্ৰভাৱো প্ৰতিফলিত হোৱা দেখা গ'ল। এক বিশেষ ভূমিকাত জেমছ বণ্ড খ্যাত ডেনিয়েল ক্ৰেইগকো দেখা গ'ল। শতাধিক লোকে নাৰ্ছ আৰু ডাক্তৰৰ ৰূপত নাচি-বাগি অনুষ্ঠানটোত অংশ ল'লে। অলিম্পিকত ক্ৰিকেট নাথাকিলেও ক্ৰিকেটৰ জন্মদাতা ইংলেণ্ডে অনুষ্ঠানটোত ক্ৰিকেটৰ খণ্ডচিত্ৰ এটিও দেখুৱালে।

অলিম্পিক ষ্টেডিয়ামৰ ষাঠি হেজাৰ দৰ্শকৰ লগতে বিশ্বৰ এক বিলিয়ন দৰ্শকে উপভোগ কৰা এই অনুষ্ঠানটোৰ বাবে ২৭ মিলিয়ন পাউণ্ড খৰচ কৰা হয়। শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ অস্কাৰ বিজয়ী ভাৰতীয় সংগীতজ্ঞ এ. আৰ. ৰহমানে সুৰ দিয়া পাঞ্জাবী গীত আৰু ভাংৰা নৃত্যও উদ্বোধনী অনুষ্ঠানত পৰিবেশন কৰা হয়। ২০৪ খন দেশৰ দহ হেজাৰ পাঁচশ এথলীটে উদ্বোধনী অনুষ্ঠানৰ মাৰ্চপাষ্টত অংশগ্ৰহণ কৰে। পৰম্পৰা ৰক্ষা কৰি খেলুৱৈৰে মাৰ্চপাষ্টত প্ৰথমেই প্ৰৱেশ কৰে অলিম্পিকৰ জন্মদাতা দেশ গ্ৰীচ। অন্তিম দলটো আছিল গ্ৰেটবৃটেইন। ভাৰতীয় দলটোৰ ধ্বজাবাহক আছিল বেইজিং অলিম্পিকৰ পদক বিজয়ী বক্সাৰ সুশীল কুমাৰ।

**লণ্ডন অলিম্পিক আৰু ভাৰত ঃ—**

বেইজিং অলিম্পিকত মাত্ৰ তিনিটা পদক লাভ কৰা আমাৰ দেশৰ খেলুৱৈসকলে যথেষ্ট অনুশীলন কৰি দেশবাসীৰ আশীৰ্বাদ শিৰত লৈ লণ্ডন অলিম্পিকলৈ ৰাওনা হৈছিল। কিন্তু লণ্ডন অলিম্পিকৰ ফলাফলত দেশবাসীয়ে বিচৰা ধৰণে সন্তুষ্ট হ'ল নে? আমাৰ এই আলোচনাত লণ্ডন অলিম্পিকত আমাৰ খেলুৱৈসকলে কিদৰে নিজৰ দক্ষতা প্ৰকাশ কৰিলে তাৰ এটি চমু আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে।

প্ৰথমতে আমি আৰ্চাৰীৰ কথা আলোচনা কৰোঁ। যথেষ্ট সম্ভাৱনাপূৰ্ণ খেলুৱৈৰে আৰ্চাৰী দলটো সজাই তোলা হৈছিল যদিও দলীয় শাখাত ভাৰতীয় পুৰুষ দলটো ৰিকাৰ্ভ শাখাৰ এলিমিনেশ্যান ৰাউণ্ডৰ প্ৰথম ৰাউণ্ডতে জাপানৰ বিৰুদ্ধে 'খুচ-অফ'ত পৰাস্ত হৈ বাহিৰ হ'বলগীয়া হয়। এই দলটোত আছিল অসমৰ জয়ন্ত তালুকদাৰ, ৰাহুল বেনাৰ্জী আৰু তৰুণদীপ ৰায়।

আৰ্চাৰীৰ একক শাখাৰ এলিমিনেশ্যান ৰাউণ্ডৰ প্ৰথম ৰাউণ্ডৰ পৰাই জয়ন্ত তালুকদাৰে বিদায় লয়। এলিমিনেশ্যান দ্বিতীয়খন খেলত ৰাহুল বেনাৰ্জীয়ে পোলেণ্ডৰ ৰাফেল ডুব্ৰ'লস্কিৰ হাতত পৰাস্ত হয়। মহিলাৰ একক শাখাত আমেৰিকাৰ জেনিফাৰ নিক'লাছৰ বিৰুদ্ধে নাগালেণ্ডৰ চেক্ৰভেলু স্বুৰোৱে শেষ পৰ্যন্ত যুঁজ দি এক পইণ্টৰ ব্যৱধানত পৰাস্ত হয়। ব্যক্তিগত শাখাত বম্বাইলা দেৱীয়ে মেক্সিকোৰ আইডা ৰোমানৰ হাতত পৰাস্ত হয়। বিশ্বক্ৰমৰ এক নম্বৰ আৰ্চাৰ দীপিকা কুমাৰীয়ে প্ৰতিযোগিতাৰ ব্যক্তিগত শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত ব্ৰিটেইনৰ এমি অলিভাৰৰ হাতত পৰাস্ত হয়।

বক্সাৰ সুমিত ছাংৱানে ৮০ কিলোগ্ৰাম শাখাত ব্ৰাজিলৰ য়াম্মাগুচি ফ্ৰলেণ্টি নোৰৰ হাতত পৰাস্ত হয়। এক বিতৰ্কিত পৰিস্থিতিৰ বাবে পৰাজিত বক্সাৰজনৰ হৈ ভাৰতীয় দলে দাখিল কৰা প্ৰতিবাদ জুৰিয়ে অগ্ৰাহ্য কৰে। আন এজন বক্সাৰ বিকাশ কৃষ্ণনে আমেৰিকাৰ এৰ'ল স্পেন্সৰ বিৰুদ্ধে জয়লাভ কৰিছিল যদিও স্পেন্সৰ আবেদন মৰ্মে ভিডিঅ' ফুটেজ পৰীক্ষা কৰাৰ পিচত 'আইবা'ই আমেৰিকাৰ খেলুৱৈজনক ভাৰতীয় খেলুৱৈজনে কৰা ফাউলৰ বাবে চাৰি পইণ্ট দিব লাগে বুলি ৰায় কৰা বাবে কোৱাৰ্টাৰ ফাইনেল খেলাৰ সুযোগ হেৰুৱায়।

শীৰ্ষস্থানীয় বক্সাৰ তথা বেইজিং অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী বিজেন্দৰ সিঙে ৭৫ কিলোগ্ৰাম ইভেণ্টত কাজাখস্তানৰ দানাবেক চুজ্ঞান'ভক ১৪-১০ ব্যৱধানত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰত প্ৰৱেশ কৰে। প্ৰি-কোৱাৰ্টাৰত দৰ্শনীয় প্ৰদৰ্শনেৰে মংগোলিয়াৰ ছাৰডাম্বা পুৰেভডৰ্জক ১৬-১১ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কোৱাৰ্টাৰ ফাইনেলত উজবেকিস্তানৰ আব্বাচ অটোয়েৰৰ হাতত পৰাস্ত হোৱাৰ লগে লগে একেৰাহে দুবাৰ অলিম্পিক পদক জয়ৰ স্বপ্ন ভংগ হয়।

মণিপুৰৰ এল. দেবেন্দ্ৰ সিঙে ৪৯ কিলোগ্ৰাম লাইট ফ্লাইৱেইট শাখাত হণ্ডুৰাছৰ মেইৰণ মলিনা ফিগুৰোক নক-আউট কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। প্ৰি-কোৱাৰ্টাৰত এক কঠিন প্ৰতিদ্বন্দ্বিতাৰ অন্তত আমেৰিকাৰ টেবেল গাৰ্ডিয়াক ১৬-১৫ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ

জাম্পাৰ ময়ুখা জনী ফাইনেললৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হয়। কোৱালিফায়িং ৰাউণ্ডত ১২জন কোৱালিফায়াৰৰ অন্তিম স্থানত থাকে ওম প্ৰকাশ। মহিলাৰ ট্ৰিপল জাম্পত ময়ুখা ২২ সংখ্যক স্থানত থাকে। বেঞ্জিতি মহেশ্বৰীয়েও কোৱালিফায়িং ৰাউণ্ডৰ অন্তিম স্থানত থাকে। আন এগৰাকী হাই জাম্পাৰ ছাহানা কুমাৰীয়েও কোৱালিফায়িং ৰাউণ্ডতে বিদায় মাগে।

কমনৱেলথ গেমছৰ স্বৰ্ণ পদক বিজয়ী কৃষ্ণা পুনিয়াই দেশবাসীৰ মনত আশাৰ সঞ্চাৰ কৰি 'ডিছ্‌কাছ থ্ৰ' ইভেণ্ট'ৰ ফাইনেলত প্ৰৱেশ কৰে। অলিম্পিকৰ ফাইনেলত প্ৰৱেশ কৰা তেওঁ প্ৰথম ভাৰতীয় ডিছ্‌কাছ থ্ৰ'ৱাৰ। ফাইনেলত নিৰাশাজনক প্ৰদৰ্শন কৰি সপ্তম স্থানতে সন্তুষ্ট হ'বলগীয়া হয়। তেওঁৰ সতীৰ্থ সীমা আন্তিলে কোৱালিফায়িং ৰাউণ্ডৰ পৰাই বিদায় মাগে।

এথলীট বিকাশ গৌড়াই 'ডিছ্‌কাছ থ্ৰ''ৰ ফাইনেলত প্ৰৱেশ কৰে যদিও দেশলৈ পদক অনাৰ গৌৰৱ অৰ্জন কৰিব নোৱাৰিলে। মহিলাৰ ৮০০ মিটাৰ দৌৰত উৰন্ত পৰী পি. টি. উষাৰ শিষ্যা টিণ্টু লুকা ছেমি ফাইনেলত প্ৰৱেশ কৰে যদিও ফাইনেলত স্থান পাবলৈ অক্ষম হয়।

পুৰুষৰ মাৰাথন দৌৰত ভাগ লোৱা ১০৫ জন প্ৰতিযোগীৰ মাজত ভাৰতৰ ৰাম সিং যাদৱে ৭৮ সংখ্যক স্থান পায়। অলিম্পিকৰ মাৰাথনত প্ৰতিদ্বন্দ্বিতা কৰা ৰাম সিং প্ৰথমজন ভাৰতীয় এথলীট।

কমনৱেল্থ গেমছৰ স্বৰ্ণপদক বিজয়ী মহিলা মল্লযোদ্ধা গীতা ফোগাটে প্ৰথম ৰাউণ্ডত কানাডাৰ টন্যা লীন ভাৰবীকৰ হাতত ৩-১ ব্যৱধানত পৰাজিত হয়।

পদক জয়ৰ বাবে হৃদয়ত অনুভূত তীব্ৰ তাড়ণাৰ বাবেই অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হ'ল বুলি অভিমত ব্যক্ত কৰে ১৯ বৰ্ষীয় মল্লযুঁজাৰু যোগেশ্বৰ দত্তই। তেওঁ পুৰুষৰ মল্লযুঁজৰ ৬০ কিলোগ্ৰাম ফ্ৰি ষ্টাইলত দেশলৈ পঞ্চমটো পদক আনিবলৈ সক্ষম হয়।



বেইজিং অলিম্পিকৰ শেষৰ দিনটো সমগ্ৰ ভাৰতবাসীৰ বাবে গভীৰ উৎকণ্ঠা আৰু আশাৰ দিন আছিল। এটি সোণৰ পদকৰ আশাত কোটি কোটি ভাৰতীয়ই বেইজিং অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী মল্লযুঁজাৰু সুশীল কুমাৰলৈকে চাই আছিল।



সুশীল কুমাৰে প্ৰথম ৰাউণ্ডত বেইজিং অলিম্পিকৰ স্বৰ্ণ পদক বিজয়ী তুৰস্কৰ ৰামাজান ছাহিলক পৰাস্ত কৰি যথেষ্ট প্ৰত্যাশাৰ বতৰা কঢ়িয়াই আনে। ছেমি ফাইনেলত সুন্দৰ প্ৰদৰ্শনেৰে কাজাখস্তানৰ আকজুবেক টানাতোভক ৩-১ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। কিন্তু ফাইনেলত জাপানী প্ৰতিপক্ষ টাটাছুমিৰো য়ু'নেমিট্‌ছুৱে অতি সহজতে তেওঁক পৰাস্ত কৰিবলৈ সক্ষম হয়। ভাৰতলৈ স্বৰ্ণ নাহিল, আহিল ৰূপৰ পদক। হ'লেও এই বিজয়ে কোটি কোটি ভাৰতীয়ৰ মুখত হাঁহি বিৰিঙালে। সুশীল কুমাৰ ভাৰতবৰ্ষৰ একমাত্ৰ খেলুৱৈ যিয়ে একেৰাহে দুবাৰ অলিম্পিক পদক লাভ কৰিলে। আনহাতে ২টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদকেৰে সৰ্বাধিক অলিম্পিক পদক জয় কৰি আমাৰ দেশে ইতিহাস ৰচিলে। সোণৰ পদক লাভ নকৰা বাবে পদকৰ তালিকাত দেশে লাভ কৰিলে ৫৫ সংখ্যক স্থান।

সোতৰ দিন লণ্ডন চহৰ উজ্জীৱিত কৰি ৰথাৰ পিচত এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে লণ্ডন অলিম্পিকৰ সামৰণি মৰা হয়। আন্তৰ্জাতিক অলিম্পিক কমিটিৰ সভাপতি জেকুইছ ৰ'জে অলিম্পিকৰ সমাপ্তি ঘোষণা কৰে। আয়োজক দেশে কোনো বাধা-বিঘিনি নোহোৱাকৈ বিশ্ববাসীক শতিকাৰ শ্ৰেষ্ঠ ক্ৰীড়া মহোৎসৱ উপহাৰ দিবলৈ সক্ষম হ'ল।

ক্ৰীড়া জগতৰ এই অঘোষিত মহাসমৰখনত বহু ক্ৰীড়াবিদৰ উত্থান-পতন, হাঁহি-অশ্ৰুৰ সাক্ষী হৈ ৰ'ল বিশ্বৰ অগণন ক্ৰীড়ানুৰাগী লোক। বহুতো বিশ্ব তাৰকা খেলুৱৈৰ স্বপ্ন ভংগ



Scanned with CamScanner

হ'ল, জন্ম হ'ল নতুন নতুন নায়কৰ। অলিম্পিকত ভাগ লোৱা দেশসমূহৰ বেছি সংখ্যকেই পদক অৰ্জনত ব্যৰ্থ হয়। ৮৫খন দেশে অতি কমেও এটাকৈ পদক অৰ্জন কৰে। ১২০খন দেশে পদকৰ মুখ দেখা নাপালে। এচিয়া মহাদেশৰ পাকিস্তান, শ্ৰীলংকা আৰু বাংলাদেশে পদক লাভ কৰিবলৈ সমৰ্থ নহ'ল।

লণ্ডন অলিম্পিকত এইবাৰ আমেৰিকাৰ খেলুৱৈয়ে আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়। আৰম্ভণিতে চীন আগবাঢ়ি আছিল যদিও এথলেটিক্সৰ ইভেণ্টসমূহ আৰম্ভ হোৱাৰ পিছৰে পৰা আমেৰিকাই চীনক চেৰ পেলাবলৈ সক্ষম হয়। ৪৬টা সোণ, ২৯টা ৰূপ আৰু ২৯টা ব্ৰঞ্জৰ পদকেৰে আমেৰিকাই শীৰ্ষস্থান দখল কৰে। অনহাতে ৩৮টা সোণ, ২৭টা ৰূপ আৰু ২২টা ব্ৰঞ্জৰ পদকেৰে চীনে দ্বিতীয় স্থান লাভ কৰে। ২৯টা সোণ, ১৬টা ৰূপ আৰু ১৯টা ব্ৰঞ্জৰ পদকেৰে গ্ৰেট্‌বৃটেইনে তৃতীয় স্থান লাভ কৰে।

অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰা দলসমূহৰ মাৰ্চপাষ্টৰ সময়ত ভাৰতীয় দলটোৰ ধ্বজাবাহক সুশীল কুমাৰৰ সৈতে গৈ বিতৰ্কৰ আৱৰ্তত সোমাই পৰে ৰহস্যময়ী ভাৰতীয় যুৱতী মধুৰা নগেন্দ্ৰ। পিছত ব্যাপক সমালোচনাৰ সন্মুখীন হোৱা মধুৰাই দেশবাসীৰ আবেগত আঘাত হনা বাবে দেশবাসীৰ ওচৰত ক্ষমা বিচাৰে।

মহিলা ফুটবলৰ এখন খেলৰ পূৰ্বে আয়োজকে ভুলবশতঃ উত্তৰ কোৰিয়াৰ সলনি দক্ষিণ কোৰিয়াৰ পতাকা উৰোৱাত প্ৰতিবাদকল্পে উত্তৰ কোৰিয়াৰ দলটোৱে এঘণ্টাৰো অধিক সময় খেলপথাৰত নদমাকৈ থাকে।

অলিম্পিক ইতিহাসত সবাতোকৈ সফল এথলীট আমেৰিকান চুপাৰ সাঁতোৰবিদ মাইকেল ফেল্পছে ৪ আগষ্টত অন্তিমবাৰ সাঁতোৰত ভাগ লৈ স্বৰ্ণ পদক জয় কৰে। এই চুপাৰ সাঁতোৰবিদজনে এথেন্স অলিম্পিকত ৬টা, বেইজিং অলিম্পিকত ৮টা আৰু লণ্ডন অলিম্পিকত ৪টা স্বৰ্ণ সহিতে মুঠ ১৮টা স্বৰ্ণ পদক জয় কৰি (মুঠ অলিম্পিক পদক ২২টা) কেৰিয়াৰৰ সামৰণি মাৰে। সাঁতোৰৰ আন্তঃৰাষ্ট্ৰীয় সংগঠন ফিনাই ফেল্পছক তেওঁৰ এই কৃতিত্বৰ বাবে জীৱনজোৰা সাধনাৰ বঁটা দিয়ে।

বেইজিং অলিম্পিকৰ দৰে লণ্ডন অলিম্পিকতো জামাইকাৰ 'দ্ৰুততম মানৱ' উছেইন ব'ল্টে ৯.৬৩ ছেকেণ্ডত ১০০ মিটাৰ, ১৯.৩২ ছেকেণ্ডত ২০০ মিটাৰ আৰু ৩৮.৮৪ ছেকেণ্ডত ৪×১০০ মিটাৰ ৰিলে দৌৰৰ স্বৰ্ণ পদক জয় কৰি নতুন অলিম্পিক ৰেকৰ্ড স্থাপন কৰে।

মহিলাৰ ৪×৪০০ মিটাৰ ৰিলে দৌৰ আৰু মহিলাৰ বাস্কেটবলত একেৰাহে পঞ্চমবাৰলৈ আমেৰিকাই নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হয়।

ব্ৰাজিলৰ সৈতে হোৱা ফুটবলৰ ফাইনেল খেলত মেক্সিকোৰ অ'ৰিবে পেৰাল্টাই ১.৯ ছেকেণ্ডত দিয়া গ'লটো আছিল ১৯৭৬ চনৰ পিচত অলিম্পিকৰ ফুটবলৰ ফাইনেলৰ দ্ৰুততম গ'ল। পেৰাল্টাৰ দুগ'লেৰে মেক্সিকোৱে ব্ৰাজিলক ২-১ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে অলিম্পিকৰ ফুটবলৰ স্বৰ্ণ পদক লাভ কৰে।

বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা ডাবল্‌ছ খেলুৱৈয়ে জানি-বুজি পইণ্ট আৰু মেচ এৰি দিয়া লৈ উঠা ফিক্সিঙৰ ধুমুহা লণ্ডন অলিম্পিকৰ এটা ভয়ানক জোকাৰণি। এই ঘটনাত জড়িত আঠগৰাকী খেলুৱৈক আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন ফেডাৰেশনে অযোগ্য ঘোষণা কৰে।

'ফৰ্বছ' আলোচনীয়ে ২০১২ বৰ্ষৰ এশগৰাকী চহকী খেলুৱৈৰ তালিকা এখন প্ৰস্তুত কৰিছিল। এই তালিকাত লণ্ডন অলিম্পিকত ভাগ লোৱা ১২ গৰাকী খেলুৱৈও আছে। এই ক্ষেত্ৰত শীৰ্ষস্থান দখল কৰিছে আমেৰিকাৰ এন. বি. এ. খেলুৱৈ লেব্ৰন জেম্‌ছে। তেওঁ চুইজাৰলেণ্ডৰ টেনিছ তাৰকা ৰ'জাৰ ফেডাৰাৰকো অতিক্ৰম কৰিছে। ◆



*"বৰ্তমানলৈ ভাৰতবৰ্ষই মুঠ ২৩ খন অলিম্পিকত অংশগ্ৰহণ কৰি ৯টা স্বৰ্ণ, ৬ টা ৰজত আৰু ১১টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ হৈ প্ৰথম অলিম্পিক পদক বিজেতা ক্ৰীড়াবিদগৰাকী হৈছে 'নৰ্মান প্ৰিচাৰ্ড'। ১৯০০ চনত পুৰুষৰ ২০০ মিটাৰ দৌৰত ২২.৮ ছেকেণ্ড লৈ ৰজত পদক লাভ কৰি ভাৰতীয় অলিম্পিকৰ ইতিহাসত তেওঁ নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰিবলৈ সক্ষম হয়। প্ৰিচাৰ্ডে পুৰুষৰ ২০০ মিটাৰ হাৰ্ডলচতো ৰজত পদক লাভ কৰিবলৈ সক্ষম হয়।"*



*'সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ, দেশৰ সম্পদ।' (অভিৰুচি)*



Scanned with CamScanner

ভাত হয় কবিৰ জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাত আৰু
' বহল বুকুত কবিয়ে বিচাৰি পায় শব্দৰ প্ৰেয়সীক।
কেলেণ্ডাৰ য'ত কবিয়ে দেখুৱাই দিব পাৰে এৰি অহা

# কবিতা



'কবিতা শব্দেৰে নিৰ্মিত ভাষাৰ শিল্প। ভাবে নিজৰ প্ৰয়োজনতেই, নিজৰ বিকাশৰ তাড়ণাতেই নিৰ্মাণ কৰে শব্দ। শব্দ কবিৰ অস্ত্ৰ। প্ৰত্যেক কবিৰে আছে শব্দৰ ভুৱন। তেওঁলোকে আবিষ্কাৰ কৰে নতুন শব্দ, প্ৰতিষ্ঠা কৰে প্ৰচলিত গ্ৰামীণ শ্ৰুতিদুষ্ট শব্দৰ নতুন ভাব অনুষ। শব্দৰ পুনৰ গঠন আৰু পুনৰ নিৰ্মাণেই হৈছে কবিৰ বিশিষ্ট চৰিত্ৰ।'

—হীৰেণ ভট্টাচাৰ্য

## মন চঞ্চল ফাগুণ

তোমাক দেখিলে স্তব্ধ হৈ ৰয়
প্ৰেমৰ ৰঙীণ কেনভাছত
মোৰ যন্ত্ৰণাৰ উশাহ।

তোমৰ উতনুৱা মৰমে
এটি টি-চাৰ্টৰ দৰে
খামোচ মাৰি ধৰিছে
মোৰ হৃদয়ত
অনুভৱৰ নিস্তব্ধ নিশা !

কন্থৱা কোমল হাঁহিয়ে তোমাৰ
কাৰ বুকুত সাজিলে প্ৰেমৰ তাজমহল
চকুত চকু থৈ চাওঁতে
কিয় জানো মন চঞ্চল ফাগুণ হ'ল। ◆

*প খেয়ালী মনৰ কবি **অভিজিৎ কলিতাই** "অভিমন্যু" ছদ্মনামেৰে কৰে। সৰুৰে পৰা কবিতা লেখা 'অভিজিৎ'ৰ কবিতা লেখাৰ নাই স্থান। অতি সোনকালে কাব্য সংকলন এখন পাঠকৰ হাতত তুলি অভিজিৎ'ৰ মনৰ ইচ্ছা পূৰ্ণ হওক।*



Scanned with CamScanner

## কবি 'অভিজিৎ'ৰ 'অনুভৱৰ স্বৰ'

*কবিতা হৈছে অনুভৱৰ এক নিলাজ ডায়েৰী, য'ত প্ৰতিভাত হয় কবিৰ জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাত আৰু গোপন কল্পনা। প্ৰেমৰ ৰঙীন কেন্‌ভাছত অথবা প্ৰকৃতিৰ বহল বুকুত কবিয়ে বিচাৰি পায় শব্দৰ প্ৰেয়সীক। কবিৰ বাবে কবিতা হ'ল অতীত স্মৃতিৰ এখন দীঘলীয়া কেলেণ্ডাৰ য'ত কবিয়ে দেখুৱাই দিব পাৰে এৰি অহা দিনবোৰৰ নষ্টালজিক মুহূৰ্তবোৰ........*

# পুহ

পুহৰ নিয়ৰে ঢকা আকাশ
　　　উজলাই তুলিছে তৰাই
নিয়ৰ শুভ্ৰ বৰষুণজাকে
　　　ধৰণী গ'ল তিয়াই।
তোমাৰ কলমত সৃষ্টি হোৱা
　　　কবিতাৰ শলিতাই
দিলে অমিয়া মাত
　　　তাকে ভাবি ভাবি
অশান্ত হিয়া কেতিয়া যে পৰিলে শাঁত
পুহৰ কুঁৱলীয়ে আবৰা
　　　কোনো এক গভীৰ সন্ধিয়াত !! ◆

# চ'ত

তুমি আহিলে
উদুলি মুদুলি হয়
পদূলি
নাচে নাচনী বৰদৈচিলা
মুক্ত আকাশ ধীয়াই
কঁপি কঁপি উৰে
কত হেঁপাহেৰে সজা
বড়-বিৰণৰ চিলা ! ◆

# মন চঞ্চল ফাগুণ

তোমাক দেখিলে স্তব্ধ হৈ ৰয়
প্ৰেমৰ ৰঙীণ কেনভাছত
মোৰ যন্ত্ৰণাৰ উশাহ।

তোমৰ উতনুৱা মৰমে
এটি টি-চাৰ্টৰ দৰে
খামোচ মাৰি ধৰিছে
মোৰ হৃদয়ত
অনুভৱৰ নিস্তব্ধ নিশা !

কহুৱা কোমল হাঁহিয়ে তোমাৰ
কাৰ বুকুত সাজিলে প্ৰেমৰ তাজমহল
চকুত চকু থৈ চাওঁতে
কিয় জানো মন চঞ্চল ফাগুণ হ'ল। ◆

*● আমাৰ মহাবিদ্যালয়ৰ অলপ খেয়ালী মনৰ কবি **অভিজিৎ কলিতাই** "অভিমন্যু" ছদ্মনামেৰে কবিতা লেখিবলৈ আৰম্ভ কৰে। সকৰে পৰা কবিতা লেখা 'অভিজিৎ'ৰ কবিতা লেখাৰ নাই কোনো সময়, নাই কোনো স্থান। অতি সোনকালে কাব্য সংকলন এখন পাঠকৰ হাতত তুলি দিয়াৰ হেঁপাহ পুহি ৰখা 'অভিজিৎ'ৰ মনৰ ইচ্ছা পূৰ্ণ হওক।*



Scanned with CamScanner

# প্ৰেমাৰ্ঘ— মামণি বাইদেউলৈ

নৱনীতা পাঠক
সহকাৰী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ

মই ভালপাওঁ সুন্দৰক
ভালপাওঁ সত্যক
আৰু ভালপাওঁ তোমাক;
হয়তো তুমি সত্য আৰু সুন্দৰৰেই মূৰ্ত প্ৰকাশ।

মই ভালপাওঁ ধুমুহাৰ গতি
ভালপাওঁ পৃথিৱীৰ গতি
আৰু ভালপাওঁ তোমাক;
হয়তো তুমি গতিশীলতাৰেই মূৰ্ত বিকাশ।

মই ভালপাওঁ হিমাদ্ৰীৰ উন্নত বুকু
ভালপাওঁ মেঘমালাৰ বিদ্যুৎ চকু
আৰু ভালপাওঁ তোমাক;
হয়তো তুমি উদাৰতাৰেই বিশাল আকাশ।

মই ভালপাওঁ ৰাভাৰ চিফুংবাহীৰ সুৰ
ভালপাওঁ বিথোফেনৰ বেহেলাৰ সুৰ
আৰু ভালপাওঁ তোমাক
হয়তো তুমি এটি নতুন সুৰ জীৱন আৰু জগতৰ।

মই ভালপাওঁ লুইতৰ বুকুৰ বালিচৰ
ভালপাওঁ মৰুদ্যান চাহাৰ বক্ষৰ
আৰু ভালপাওঁ তোমাক;
হয়তো তুমি নিঠৰুৱাৰ আশ্ৰয়ৰ চিৰসেউজীয়া ঘৰ।

মই ভালপাওঁ সঁচা গভীৰতা মহাসাগৰ আৰু সমুদ্ৰৰ
ভালপাওঁ সঁচা মিলন নদী আৰু সাগৰৰ
আৰু ভালপাওঁ তোমাক;
হয়তো তুমি ভন্বা-মিছিছিপিত নাও মেলি
গোৱা গাঁথা গঙ্গা-লুইতৰ।

মই ভালপাওঁ প্ৰভাতী সুৰুযৰ হেঙুলীয়া আভা
ভালপাওঁ আকাশ ৰাঙলী কৰা পলাশৰ শোভা
আৰু ভালপাওঁ তোমাক;
হয়তো তোমাৰ কপালৰ দগমগীয়া ৰঙা ফোঁটটিয়ে
জগাই তোলে মোৰ বিপ্লৱী সত্তা।

মই ভালপাওঁ মনালিছাৰ কৰুণ হাঁহি-ভিঙিৰ সৃষ্টি
ভালপাওঁ টেৰেছাৰ ত্যাগময়ী দৃষ্টি
আৰু ভালপাওঁ তোমাক;
হয়তো তোমাতেই পাম মই
এন্ধাৰ নাশি যোৱা সৌৰবৃষ্টি।

হে জ্ঞান মন্দাকিনী,
লোৱা মোৰ প্ৰেমাৰ্ঘ,
দিয়া মোক প্ৰেৰণা আৰু আত্মবল
মই যেন হওঁ নীলকণ্ঠ অৰিন্দম
পান কৰো পৃথিৱীৰ সমস্ত হলাহল। ◆

# তোমালৈ

মুকুল কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিভাগ

তোমালৈ
বহুত মনত পৰিছে। মোৰ
পদুলিৰ দুবৰিডৰা নিয়ৰত
সেমেকি উঠিছে....।
মনত পৰে......
তলসৰা শেৱালি বুটলি
মোলৈ চাই মাৰা হাঁহিটিলৈ।
মোৰ কবিতাৰ ছন্দলিপিত তুমি
উটি-ভাহি,
মোৰ হৃদয় জোনাকেৰে ভৰাই
এই যে তুমি আঁতৰি গ'লা
গ'লাই। মোৰ জীৱনলৈ
উভতি নহাৰ প্ৰতিশ্ৰুতি লৈ.....। ◆



Scanned with CamScanner

# মন্ত্ৰী-পদাৱলী

শ্বাহ জামাল মোল্লা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

(মহন্ত)

প্ৰফুল্ল মহন্ত দেৱ ধৰাত জন্মিলা
স্বৰ্ণপুৰী নিৰ্মাণাৰ্থে কংকাল বান্ধিলা।
যুৱক বালক সৱে যুদ্ধ কৰিলন্ত
ছয় বৰিষ অন্তে এক সন্ধি ভৈলন্ত।
সূত্ৰধাৰ :-
ওহে সভাসদ, উন্মুক্ত গগণতলে নেহৰু
ক্ৰীড়াঙ্গনে সহস্ৰজনৰ সম্মুখে কৰ্ণে ধৰি দুৰ্নীতি নকৰিবাৰ
শপত লৈয়া পৰৱৰ্ত্তী পঞ্চবৰ্ষে অসমভূমিক মহন্তে
চৈয়ে লুটপাট কৰিলন্ত তাক আপোনাসৱে
স্বচক্ষে দেখিলন্ত, শুনিলন্ত। অতএৱ
নিদ্ৰাৰান্তে নিৰন্তৰে হৰিবোল হৰিবোল।।

(গগৈ)

স্বৰ্গঙ্গাজল তুল্য চৰিত্ৰ যাহাৰ।
ফলৰস খায়মাত্ৰ নাহি, ভোজন বিহাৰ।।
উৎকোচৰ নাম তেৰাই শুনিব ন পাৰে।
অসম খণ্ডকাৰীক কিন্তু বৰপীৰা পাৰে।।
হ ইজ বদবোক্তিৰে অসম জিনিলা।
দেশমাতাৰ তিমিৰ এক ভৱিষ্যত ৰচিলা।।
পঞ্চদশ বৰ্ষ যেৱে শাসন কৰিব।
দেশৰ ভগ্নাৱশেষহে মাথো কাললৈ ৰ'ব।
কহয় মাধৱ মাই কিনো তপসাইলা।
দেৱতুল্য মুখ্যমন্ত্ৰী অসম ৰাজ্যে পাইলা।।

(শৰ্মা)

কলিযুগে ভৈলন্ত এক
দেৱ অৱতাৰ।
বিশ্বৰূপ প্ৰদৰ্শনাৰ্থে কৰে
লীলা অপাৰ।।
শৰতান্তে হেমন্তৰ যৈচন আগমন।
তৰুণান্তেও এহি দেৱৰ তৈচন মন।।
হেন জানি তৰুণে স্ব-গৌৰৱ প্ৰকাশিলা।
আগ্নিবাণ নিক্ষেপি গোট হিমালয় গলালা।।
মোক্ষম আঘাতে গলা হিমালয় ধৰাত বহে।
তাণ্ডৱ নৃত্য কৰি দেৱে নবকুল নাশে।।

কহয় মাধৱ মাই কিনো তপসাইলা।
গুৰুদ্ৰোহী মদগৰ্বী ৰাগোৱাল পাইলা।। ◆

# নিশাৰ আশা

লিপিকা কলিতা
উঃ মাঃ প্ৰথম বৰ্ষ

মোৰ বুকুৰ নিভৃত কোণত
বন্তি এগছি জ্বলাব বিচাৰোঁ
কিন্তু—
দুখৰ চিএৰবোৰে বোবা কৰি পেলায়
মোৰ বেদনাসিক্ত কণ্ঠ

মন সাগৰত মোৰ জিলিকিছিল
এখন সপোন গুঠাৰ ছবি
ঠিক আজলি পখিলাটিৰ দৰে........

হৃদয়ত বাজিছিল ৰিণি ৰিণি গীতৰ কলি........

অনুভৱে জাকি মাৰি উঠে
মোৰ কলিজাৰ পলসুৱাত
তেতিয়া নদীত তৰা সৰে
বগলী জাকে জাকে উৰে
হৃদয় শুই পৰে
তোমাৰ স্বপ্নৰ শেতেলীত। ◆



Scanned with CamScanner

# শান্তিৰ সন্ধানত

ফৰিজুল হ'ক
স্নাতক তৃতীয় ষাণ্মাসিক, শিক্ষা বিভাগ

ক'ৰবাত বিকট চিঞৰ শুনিলেই
কলিজা কঁপি উঠে
মনত পৰে ধেমাজিৰ সেই
তেজে ধোৱা ৰাতিপুৱাটোলৈ।

মনত পৰে বি টি এ ডিৰ
গোষ্ঠী সংঘৰ্ষৰ নোম শিয়ৰা
মৃত্যু যন্ত্ৰণাবোৰৰ কথা.......

এয়াই নেকি গান্ধীজীৰ সপোনৰ ৰামৰাজ্য?
এয়াই নেকি একবিংশ শতিকাৰ
বিকশিত ভাৰতবৰ্ষ?

মহান ব্যক্তিবোৰৰ
সোণবুলীয়া আদৰ্শবোৰ ভৰিৰে মোহাৰি
গঢ়িছোঁ আজি
ধ্বংসমুখী ভাৰতবৰ্ষ আমি
নিজৰ ইতিহাসে কোৱা পৰিচয় পাহৰি

জলাঞ্জলি দিছো অহিংসাৰ নীতি
পামনে আকৌ ঘূৰাই
পামনে ঘূৰাই এখন শান্তিৰ সমাজ
য'ত থাকিব শান্তি ঐক্য প্ৰগতি
থাকিব গান্ধীৰ অহিংস আদৰ্শ
পামনে ঘূৰাই......
জকমকাই ফুলা মানৱতাৰ সুবাসিত ফুল
মনৰ বাগিচাত......
পামনে? ◆



# প্ৰেমৰ পানচৈ

কল্পনা কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক, শিক্ষা বিভাগ

তোমাৰ নিৰ্জনতাত জীয়াই থাকো
এটোপাল চিয়াঁহিৰ দৰে,
যাৰ হাঁহি, বৰ্ণ, শব্দই
জগাই তোলে কবিতাৰ স্পন্দন।
তোমাৰ ঠোঁটা পৰশত সাৰ পাই উঠে
উমাল বুকুৰ গুই থকা সপোন,
হাঁহিভৰা দুচকুত তোমাৰ
হ'ব বিচাৰো এজনী চঞ্চলা হৰিণী,
তোমাৰ দুবাহুৰ অগ্নিগড়ত
হ'ব বিচাৰো এজনী উষা মই।
মোৰ উৰ্বৰা হিয়াত গুজি থৈছোঁ
প্ৰেমৰ মৃত্যুঞ্জয়ী লতা,
প্ৰেম পুষ্পেৰে লহপহকৈ বগাই আহিবা।
কিয় জানো কোবাল নদীৰ সোঁতৰ দৰে
মোৰ হিয়াৰ মাজেৰে জুৰি হৈ বয়
তোমাৰ প্ৰেমৰ সজল ধাৰা।
দিয়া মেলি, মেলি দিয়া—
আকুল তোমাৰ প্ৰেমৰ পানচৈ। ◆



Scanned with CamScanner



# নিজান দিনৰ স্কেচ্

ৰুবুল আলী
স্নাতক তৃতীয় যাণ্মাসিক

তোমাক পাহৰিব নোৱাৰাৰ দুখত
দুখী মই
নোপোৱাৰ দুখত নহয়।

তুমি আঁতৰি যোৱা বাবে
ৰাতিবোৰে চকুলো টুকিছে
বিষাদৰ জুইবোৰে নিৰলে কান্দিছে।

জ্বলা হৃদয়খনি আৰু কিমাননো জ্বলিব
কলীয়া ধুমুহাজাকে সুধিছে
ভঙা সপোনটো আৰু কিমানবাৰ ভাঙিব......

ময়ো ভাগৰি পৰিছোঁ
তুলিকা জহি-খহি গ'ল
কলিজাও আজি বিষাদৰ ৰঙেৰে প্লাবিত......

সেয়ে পাহৰিব বিচাৰোঁ তোমাক
অ', পাহৰিব বিচাৰোঁ। ◆

# জননী

লিয়না পাঠক
উঃ মাঃ দ্বাদশ শ্ৰেণী (কলা)

তুমিয়েই মোৰ জ্ঞানদায়িনী
তুমিয়ে দেখুৱালা মোক
সূৰ্যৰ প্ৰভাতী আভা
তুমিয়ে দেখুৱালা মোক
পৃথিৱীৰ অপৰূপ শোভা।

পাওঁ মই তোমাতেই আশাৰ ৰেঙনি
যাওঁ মই নিদ্ৰা তোমাৰ কোলাতেই
লওঁ জিৰণি
তুমিয়েই ভেটি মোৰ আত্মবিশ্বাসৰ
তুমিয়েই আধাৰ মোৰ লক্ষ্য জীৱনৰ।

মোৰ দুখে তোমাৰ হৃদয় ভাঙে
তোমাৰ দুখত মোৰ চকুলো সৰে।

তুমিয়েই প্ৰেৰণা মোৰ সমস্ত জীৱনৰ
তুমিয়ে লগৰী মোৰ জীৱন বাটৰ
তুমিয়ে যেন হোৱা
আই মোৰ জনমে জনমে
তোমাকেই পূজিম মই
জীৱনে মৰণে। ◆



# ফুলনি

প্ৰদীপ ঘোষ
একাদশ শ্ৰেণী

মোৰ ফুলনিৰ ফুল
ঋতুৱে ঋতুৱে ফুলে

সেই ফুলৰ ৰং-বিৰঙৰ হাঁহিত
উঠলি উঠে মোৰ হৃদয়

গোলাপ, তগৰ, শেৱালি, চম্পাইঁতে
ধূলিৰ স'তে সখী পাতি মনৰ কথা পাতে

সুবাসিত বতাহে উতলা কৰে মন
ফুলৰ স'তে কথা পাতি
থাকিবৰ মোৰ পণ। ◆



# আশা

হাচিনা বেগম
স্নাতক তৃতীয় ষাণ্মাসিক

শিকলিডাল এনেকৈয়ে ছিঙে
তোমাৰ বুকুৰ পাহে পাহে

শুকান পাতত কোমল হৃদয়
ফেকুৰি উঠে মাজনিশা

ঘন এন্ধাৰত পূৰঠ বুকুত
বিচাৰি ফুৰো স্বাধীনতা

আশাৰ তৰাবোৰ জিলিকি উঠে
ঘন কঠিন শিকলিবোৰত

উদং বুকুত বাগৰি যায় বতাহ
কুঁৱলীত ওলমি ৰয় হুমুনিয়াহ,.... ◆



# এয়া যে নহয় সময় থমকি ৰোৱাৰ

নিকুমণি দাস
স্নাতক তৃতীয় ষাণ্মাসিক, শিক্ষা বিভা

হে মোৰ অসমীয়া ভা
এয়া যে নহয় সময় থমকি ৰোৱ
নহয় যে সময় জাতি বিচাৰ কৰ
এয়া যে সময় লক্ষ্যক ধিয়াই আগুৱাই যো

হিন্দু, মুছলমান, শিখ, জৈ
আমি সকলো যে ভাই ভ
একে মাতৃভূমিৰ কোলাতে আমাৰ জ
হিংসা, হত্যা, সন্ত্ৰাসবাদ এ
এয়া যে মাতৃভূমিৰ কাতৰ আহ্

উঠা অসমীয়া— সাজু হো
মাতৃভূমিক কৰিবলৈ মু
মাতৃভূমি যে এতিয়া সন্ত্ৰাসৰ কবল
এতিয়া আৰু বহি বহি ভবাৰ সময় নাই

এয়া যে নহয় সময় থমকি ৰোৱ
এয়া যে সময় আগুৱাই যোৱাৰ। ◆



Scanned with CamScanner

# মোৰ মহাবিদ্যালয়

চুমী পাটোৱাৰী
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

এক অপৰূপ সৌন্দৰ্যৰে ভৰা
মোৰ মহাবিদ্যালয়
যাৰ নামত লুকাই আছে
মহত্ব। জ্ঞানৰ আলয়
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়

যিখন মহাবিদ্যালয়ে ওপচাই পেলায়
মোৰ আশাভৰা মন
যাৰ কল্পনাই ৰঙীণ আৰু পোহৰ কৰে
মোৰ পবিত্ৰ হৃদয়

হে মোৰ মহাবিদ্যালয় !
তোমাক প্ৰণাম কৰি
আমি আৰম্ভ কৰিছোঁ
প্ৰজ্ঞাৰ যাত্ৰা

তোমাক শত কোটি নমস্কাৰ
অ' মোৰ আপোনৰো আপোন
শইচ সেউজী বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় !
তুমি আমাক সেই পথ দেখুৱাই দিয়া
য'ত মানুহে মানুহক
মৰমেৰে আকোঁৱালি লয়। ◆



# মোৰ অসম দেশ

ৰফিকুল ইছলাম
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

এইখন মোৰ দেশ
ৰূপে-গুণে নিৰুপমা
হীৰা মণি মুকুতাৰ দৰে
আছে জিল্‌মিল্ কৰি।
আমি অসমীয়া উদাৰ মনৰ
আমাৰ মাজত নাই কোনো ভিন-পৰ।
একতাৰে মিলিজুলি গাওঁ গান
সম্প্ৰীতি আৰু সমন্বয়ৰ।
মোৰ দেশত আছে চিৰ সেউজ ধান
ঔষধি গছ-গছনিৰে ভৰা
অৰণ্যবোৰে গায় জীৱনৰ জয়গান
নিমাখিত জীৱ-জন্তুবোৰে অৰণ্যত
আকুলভাৱে বিচাৰে জীৱনৰ নিৰাপত্তা।
আই অসমী,
তুমি দিয়া আমাক আশীৰ্বাদ
আটায়ে মিলিজুলি
বঢ়াব পাৰোঁ যেন তোমাৰ সন্মান। ◆



Scanned with CamScanner

# তুমি এৰি যোৱাৰে পৰা

হৰজ্যোতি মেধী
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি এৰি যোৱাৰে পৰা
ধূলিময় হৈ পৰিছে মোৰ হৃদয় আকাশ
ধূলিময় হৈ পৰিছে মোৰ চৌপাশ

তুমি এৰি যোৱাৰে পৰা
থমকি ৰ'ল মোৰ মৰম-ভালপোৱা
বেদনাময় হৈ পৰিছে
জীৱনৰ প্ৰতিটো সময়
যন্ত্ৰণাই আগুৰি ধৰিছে মোৰ হৃদয়

তুমি অবিহনে পাৰ কৰিছো
জীৱনৰ প্ৰতিটো পল
মাথোঁ দুদিন চকুৰ ভালপোৱা দি
ভাঙি গ'লা মোৰ হৃদয়
দি গ'লা নয়ন ভৰোৱা চকুপানী এই জগতত
অকলে এৰি থৈ গুচি গ'লা মোক
এই আধৰুৱা জীৱন বাটত।

তুমি নাই
সেয়েহে জনাৰণ্যৰ ভীৰৰ মাজতো অকলশৰীয়া মই
তুমি নাই
সেয়েহে শূন্য হৈ পৰিছোঁ মই।

তুমি এৰি যোৱাৰে পৰা
তুমি এৰি যোৱাৰে পৰা.....◆

# শব্দ

নবীৰ আলম
স্নাতক তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান

শব্দবোৰোতো আছে নিজস্ব প্ৰাণ
বিচৰণ কৰিবলে' এখনি মুক্ত আকাশ
আচলতে প্ৰতিটো শব্দই একো একোটা
জীৱন্ত সত্তা
একো একোটা কবিতা....

এই শব্দবোৰে মোক ৰাতি ৰাতি শুৱলে' নিদিয়ে
মনৰ ডায়েৰীত ছন্দৰ খলকনি তোলে
উজাগৰে থাকোঁ সেয়ে...
শব্দৰ উজান উঠা ৰাতিবোৰত.....
কবিতাতেই ছবি আঁকো 'সৃষ্টি'ৰ

এই শব্দবোৰেই মোক শিকাই দিয়ে
পোহৰ আৰু এন্ধাৰৰ পাঠ
সুখ আৰু বিষাদৰ গান.....
শব্দৰ উষ্ণ সান্নিধ্যৰেই পাৰ কৰো
কঁপি থকা কত দুখৰ সাঁকো.....
শব্দৰ স'তে কথা পাতি পাতিয়েই
পাৰ কৰো কত উজাগৰি ৰাতি
তথাপিও
শব্দবোৰ ভাগৰুৱা নহয়

কিন্তু,
শব্দবোৰোতো এদিন ভাগৰুৱা হ'ব
চাৰিওফালে ঘূৰি ঘূৰি মোক পহৰা দিব
মই শব্দৰ সাহসতে এঘুমটি যাম
নিৰলে নিজানে.....
মানুহতকৈ শব্দবোৰেই যে মোৰ বেছি বিশ্বস্ত....
মানুহতকৈ শব্দবোৰেই যে মোৰ পৰম আত্মীয়.... ◆



Scanned with CamScanner

# গল্প



‘সৌন্দৰ্যৰ প্ৰতি অনুৰাগ সকলো মানুহৰে আছে। কোনো এটা বস্তু দেখিলে, সুমধুৰ সুৰৰ ধ্বনি শ্ৰৱনেন্দ্ৰিয়ত প্ৰৱেশ কৰিলে আমাৰ মনত আনন্দ লাগে। যেতিয়া এটা সুন্দৰ বস্তুৰ ছবি আঁকা হয় তেতিয়া সেই ছবিৰ প্ৰতি আমি সকলোৱে কম-বেছি ৰকমে আকৃষ্ট হওঁ। এইদৰে শব্দাদিৰ সহায়ত তুলি ধৰা ঘটনাৰ প্ৰতিও আমাৰ আকৰ্ষণ কম নহয়। এই আকৰ্ষণৰ প্ৰতি লক্ষ্য ৰাখি গল্প লেখকে তেওঁৰ অভিজ্ঞতা বিশেষ কৌশলেৰে আনৰ আগত প্ৰকাশ কৰে।’

—ত্ৰৈলোক্য নাথ গোস্বামী

# ানাকৰ জিল্‌মিল্


াম আজাদ
সক, ইংৰাজী বিভাগ




দেউতাক দীপক পাঠকে মাত লগালে। পৰ্দা ঠেলি
ৰ লগে লগে লাচনি-পাচনি কৰি নিয়া জেতুকী বাইও
গাড়ীত বহাত সহায় কৰিলে। লাহে লাহে গাড়ী
উতাকে মনোযোগেৰে গাড়ী চলাইছে। তেওঁ তাইক
টিউচন শেষ হোৱাৰ পিচত তেওঁ পুনৰ আহি তাইক

। প্ৰতিষ্ঠিত ব্যৱসায়ী দীপক পাঠকৰ এতিয়া আগৰ
 তেওঁক বিপৰ্যস্ত কৰি তুলিলেও ইমান সহজে হাৰ
কলো আৱস্ত কৰিবলৈ যত্ন কৰিছে। এই ক্ষেত্ৰত যাৰ
নহেঁতেন সেইগৰাকী মৰমৰ পত্নী সুৰেখাও চিৰদিনৰ
চিএৰি কান্দিবলৈ মন যায় পাঠকৰ। কিন্তু নোৱাৰে।




Scanned with CamScanner

# ডাৱৰৰ বুকুত জোনাকৰ জিল্‌মিল্‌

আব্দুল কালাম আজাদ
স্নাতক তৃতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ



'মাজনী' ...... গাড়ীৰ হৰ্ণ বজাই বেদনাৰ দেউতাক দীপক পাঠকে মাত লগালে। পৰ্দা ঠেলি এহাতে পেঞ্চত ভৰ দি বেদনা ওলাই আহিল। তাইৰ লগে লগে লাচনি-পাচনি কৰি দিয়া জেতুকী বাইও ওলাই আহিল। গাড়ীৰ দুৱাৰ খুলি তাই বেদনাক গাড়ীত বহাত সহায় কৰিলে। লাহে লাহে গাড়ী চলিবলৈ ধৰিলে। বেদনাই দেউতাকলৈ চালে। দেউতাকে মনোযোগেৰে গাড়ী চলাইছে। তেওঁ তাইক টিউচন চেণ্টাৰত নমাই নিজৰ কামলৈ গুচি যাব। টিউচন শেষ হোৱাৰ পিচত তেওঁ পুনৰ আহি তাইক ঘৰত থৈ যাব। এয়া তেওঁৰ দৈনন্দিন ৰুটিন।

বেদনাৰ দেউতাকে ব্যৱসায় কৰে। এসময়ৰ প্ৰতিষ্ঠিত ব্যৱসায়ী দীপক পাঠকৰ এতিয়া আগৰ সেই সোণালী সুদিন নাই। জীৱনৰ ঘাত-প্ৰতিঘাতে তেওঁক বিপৰ্যস্ত কৰি তুলিলেও ইমান সহজে হাৰ মনা লোক তেওঁ নহয়। সেয়েহে পুনৰ নতুনকৈ সকলো আৰম্ভ কৰিবলৈ যত্ন কৰিছে। এই ক্ষেত্ৰত যাৰ সহায়-সহযোগিতা আদিয়ে তেওঁক অনুপ্ৰেৰণা দিলেহেঁতেন সেইগৰাকী মৰমৰ পত্নী সুৰেখাও চিৰদিনৰ বাবে তেওঁক এৰি থৈ গুচি গৈছে। ভাবিলে চিঞৰি চিঞৰি কান্দিবলৈ মন যায় পাঠকৰ। কিন্তু নোৱাৰে।



Scanned with CamScanner

তেওঁ পুৰুষ। পুৰুষে এনেদৰে কান্দিলে মানুহে হাঁহিব। সুখ্যাতিৰে বি. এ. পাছ কৰাৰ পিচত দীপক পাঠকে চাকৰিলৈ বাট চাই সময় নষ্ট নকৰিলে। এটা চাকৰিৰ বাবে যিমান পইচা ব্যয় কৰিব লাগিব সেইখিনি ব্যয় কৰিব পৰা সামৰ্থ তেওঁৰ দেউতাকৰ যে নাই সেয়া তেওঁ জানে। পঢ়িব মন থাকিলেও দেউতাকে চহৰত থৈ পঢ়াব নোৱাৰে সেয়াও ভালদৰে জানে। সেয়েহে দেউতাকৰ যি অলপ মূলধন আছিল তাকেই লৈ প্ৰথমতে সৰু-সুৰা ব্যৱসায় আৰম্ভ কৰিলে। সময় আগবাঢ়িল। লাহে লাহে ব্যৱসায়ও আগবাঢ়িবলৈ ধৰিলে। মাক-দেউতাকৰ আশীৰ্বাদ আৰু প্ৰেয়সী সুৰেখাৰ অনুপ্ৰেৰণাত ব্যৱসায়ত তেওঁ দোপতদোপে আগবাঢ়িবলৈ ধৰিলে।

এদিন হোমৰ জুইক সাক্ষী কৰি বন্ধু-বান্ধৱ তথা ৰাইজৰ আশীৰ্বাদ শিৰত লৈ সুৰেখাক তেওঁ নিজৰ জীৱনলৈ আদৰি আনিলে। কি যে মানোমোহা আছিল সেই দিনবোৰ ! সুৰেখাই মৰম-চেনেহৰ এনাজৰীৰে গোটেই ঘৰখনকে বান্ধি পেলালে। মাকৰ অকাল মৃত্যুৰ পিচত হাঁহিবলৈ পাহৰা দেউতাকৰ মুখলৈ হাঁহি ঘূৰি আহিল। বিয়া দি উলিয়াই দিয়া ভনীয়েক দুজনীয়ে ঘৰলৈ আহিলে উভতি যাবলৈ পাহৰা হ'ল। চৌদিশে যেন এক সৰগীয় আনন্দ বিয়পি পৰিল। তেওঁ চলোৱা এই পুৰণি পদ্মিনী প্ৰিমিয়াৰখন— এইখনো সুৰেখাৰ বাবেই লবলগীয়া হৈছিল।

সেইদিনাখন আছিল এটি নিৰিবিলি জোনাক নিশা। সুৰেখাৰ কোলাত মূৰ থৈ তেওঁ জোনাক উপভোগ কৰি আছিল। সুৰেখাই লিহিৰি লিহিৰি আঙুলিৰে তেওঁৰ মূৰত হাত বুলাই দিছিল। এক মধুৰ আবেশে তেওঁৰ দেহ-মন আচ্ছন্ন কৰি তুলিছিল।

'আমি এখন গাড়ী লওঁ দিয়া।' হঠাৎ সুৰেখাই কৈছিল।

'গাড়ী..... !' চকু দুটা ডাঙৰকৈ মেলি দিছিল তেওঁ।

'অ' গাড়ী— এৰোপ্লেন নহয়।' সুৰেখাৰ খিল্‌খিলীয়া হাঁহিটো উৰি উৰি গৈ জোনাকত মিলি পৰিছিল।

'কিন্তু সু, মোৰ হাতত এতিয়া কিমান টকা আছে তুমি নিশ্চয় জানা। নতুন গাড়ী এখন লবলৈ ইমান টকা মই ক'ৰ পৰা পাম?'

'কোনে কৈছে তোমাক নতুন গাড়ী কিনিবলৈ? কাৰোবাৰ চেকেণ্ড হেণ্ড গাড়ী এখন চোৱা। তাকে ৰং-চং কৰি নতুন কৰি ললেই হ'ল। এই পুৰণি ভেচ্‌পাখনেৰে ঘূৰি ফুৰোঁতে তোমাৰ বৰ কষ্ট হয়। দেউতাইও গাড়ী এখনৰ ইচ্ছা কৰিছে।'

'আৰু তোমাৰ— তোমাৰ জানো গাড়ীত ঘূৰি ফুৰাৰ চখ নাই?' তেওঁ ধেমালিৰ সুৰেৰে সুধিছিল।

'আছে আছে..... সেই কাৰণেইতো কৈছোঁ। নতুন গাড়ী কিনিবলৈ পইচা গোট খোৱালৈকে মই বা পৃথিৱীত থাকোঁ নে নেথাকোঁ !' সুৰেখাৰ কথা শেষ নৌহওঁতেই তেওঁ জাপ মাৰি বহি সুৰেখাক নিজৰ দুবাহুৰ মাজত আবদ্ধ কৰি কৈছিল— 'এনে কথা নক'বা সু, কেতিয়াও নক'বা ! তুমিবিহীন পৃথিৱীখনত মই এটা দিনো থাকিব নোৱাৰোঁ।'

তেওঁৰ কথাত সুৰেখাই মিঠা হাঁহি এটা মাৰিছিল। পৰিস্থিতিটো লাহে লাহে সহজ হৈ পৰিছিল। সুৰেখাৰ দুয়োখন হাত নিজৰ হাতৰ মাজত লৈ সুধিছিল— 'কোৱা, কি গাড়ী লাগিব?'

'পদ্মিনী প্ৰিমিয়াৰ।' সুৰেখাই লাহেকৈ কৈছিল।

সুৰেখাৰ পচন্দৰ ছেকেণ্ড হেণ্ড গাড়ীখন বিচাৰোঁতে তেওঁৰ যথেষ্ট সময় লাগিছিল। কিন্তু তেওঁ হাৰ মনা নাছিল। জীৱনত প্ৰথমবাৰৰ বাবে কিবা এটা বিচৰা প্ৰিয়তমা পত্নীৰ পচন্দৰ বস্তু বিচাৰি ঘূৰি ফুৰোঁতেও যে ইমান আনন্দ পাব পাৰি সেয়া তেওঁ যেন তেতিয়াহে উপলব্ধি কৰিব পাৰিছিল।

অৱশেষত এদিন ৰং-চং কৰি ন-কইনাৰ দৰে সজাই-পৰাই পদুলিমুখত গাড়ীখন হাজিৰ কৰিলে। সকলোকে আচৰিত কৰি দিম বুলিয়েই তেওঁ আগতীয়াকৈ কাকো একো কোৱা নাছিল। সিদিনা দেউতাক আৰু সুৰেখাৰ আনন্দ ভৰা মুখ দুখনিয়ে তেওঁকো আনন্দিত কৰি তুলিছিল।

'এই ৰখোৱা......ৰখোৱা......' বেদনাৰ মাতত দীপক পাঠক বাস্তৱলৈ ঘূৰি আহিল। এটা শব্দ কৰি গাড়ীখন ৰৈ গ'ল। বেদনাই অতি সাৱধানেৰে গাড়ীৰ পৰা নামিল আৰু টিউচন চেণ্টাৰলৈ আগবাঢ়িল।

দীপক পাঠকৰ গাড়ীয়ে পুনৰ গতি ললে। এইবাৰ তেওঁ বেদান্তৰ ঘৰলৈ যাব। সুখ্যাতিৰে বি. এচ. চি. পাচ কৰা বেদান্তই চাকৰিৰ অভাৱত টিউচনকে জীৱিকা অৰ্জনৰ উপায় হিচাপে গ্ৰহণ কৰিছে।

ভাল টিউচন শিক্ষক বুলি কম দিনতে জনপ্ৰিয় হৈ পৰা বেদান্তক তেওঁ কেবাদিনো লগ ধৰিছে। ঘৰলৈ শিকাবলৈ অহা ভাল শিক্ষক এজনৰ ওচৰত বেদনাক গতাই দিব পাৰিলে তেওঁ এটা ডাঙৰ উশাহ ল'ব পাৰে। বেদান্তই তেওঁক সময় উলিয়াই দিব পৰা নাই। আজি বেদান্তৰ পৰা সঠিক সিদ্ধান্ত এটা তেওঁ পাব বুলিয়েই ধৰি লৈছে।

পুনৰ অন্যমনস্ক হৈ পৰিল দীপক। যোৱা কেইদিনমানৰ পৰা সুৰেখাৰ স্মৃতিয়ে তেওঁক পুনৰ ব্যথিত কৰি তুলিছে। সুৰেখা গুচি যোৱা পোন্ধৰ বছৰ হ'বৰ হ'ল। নিশা যেতিয়া গভীৰ হয়



Scanned with CamScanner

তেতিয়া তেওঁ নিঃশব্দে বেদনাৰ বিচনাৰ কাষ পায়হি। শুই থকা বেদনাক তেতিয়া তেওঁৰ সুৰেখা যেন লাগে। তপত চকুলো দুধাৰি তেওঁৰ দুগালেৰে বৈ যায়। 'তুমি গুচি আহা সু, মাত্র এবাৰৰ বাবে তোমাৰ সন্তানটিক চাই যোৱা' বুলি অন্তৰেৰে আকুতি কৰে। কিন্তু সুৰেখা ঘূৰি নাহে। আহিব নোৱাৰে। যিখন দেশলৈ সুৰেখা গুচি গৈছে তাৰ পৰা কোনোদিনে ঘূৰি আহিব নোৱাৰে।

বেদনাৰ জন্মৰ এমাহ পিচতে হঠাতে এদিন সুৰেখাৰ জ্বৰ উঠিল। প্ৰথমে তেওঁ বিশেষ একো ভবা নাছিল। কিন্তু দ্বিতীয়দিনা জ্বৰে যেন প্ৰচণ্ড ৰূপ ধাৰণ কৰিলে। জুইৰ দৰে গৰম আৰু ৰঙা হৈ পৰা সুৰেখাক লগে লগে চহৰলৈ লৈ গ'ল। চহৰৰ সকলোতকৈ নাম থকা নাৰ্ছিংহোমখনত ভৰ্তি কৰিলে। সম্পূৰ্ণ এটা মাহ জীৱন-মৰণৰ লগত সংগ্ৰাম কৰি অৱশেষত সুৰেখাই যেন হাৰ মানিলে। ডাক্তৰ-নাৰ্চৰ আপ্ৰাণ চেষ্টা, পৰিয়ালৰ মানুহৰ প্ৰাৰ্থনা এইবোৰে সুৰেখাক ধৰি ৰাখিব নোৱাৰিলে...... সুৰেখা গুচি গ'ল বহু দূৰলৈ...... কোনেও নজনা তৰাৰ দেশলৈ।

সুৰেখাৰ শোকে তেওঁক এনেভাৱে আচ্ছন্ন কৰি ৰাখিছিল যে বহুদিনলৈ তেওঁ অক'মানি কেঁচুৱাটোৰ ওচৰলৈ এবাৰৰ বাবেও যোৱা নাছিল। সেই তেতিয়াই দেউতাকে কেঁচুৱাটোক চোৱা-চিতা কৰিবলৈ জেতুকীবাইক লৈ আহিছিল। জেতুকীবায়ে পৰম একাগ্ৰতাৰে কেঁচুৱাটোক ডাঙৰ-দীঘল কৰিবলৈ ধৰিলে।

দিনবোৰ পাৰ হৈ গৈ আছিল। হঠাৎ এদিন জেতুকীয়ে অনুভৱ কৰিলে— বহুৱাই দিলে অক'মানি মাইনাজনীয়ে যেন বহিব নোৱাৰে। তাই উবুৰি খাই পৰি যায়। জেতুকীয়ে একো বুজিব পৰা নাছিল। তাই দৌৰি আহি তেওঁক কথাষাৰ কৈছিল।

দীপক পাঠকৰ শোকৰ দগ্‌মগীয়া জুইকুৰা তেতিয়াও একেদৰেই আছিল যদিও কথাষাৰ শুনি এইবাৰ তেওঁ ৰ'ব নোৱাৰিলে। তেওঁৰ বুকুখন ধৰ্‌ফৰাই উঠিল। তেওঁ দৌৰি গৈ মাইনাজনীৰ কাষ পালেহি। সুৰেখা যোৱাৰ পিচত প্ৰথমবাৰৰ বাবে তাইক আলফুলে বুকুৰ মাজত ললে। দুধাৰি তপত চকুলো দুগালেৰে বাগৰি গ'ল। তাইৰ দুগালত দুটা চুমা দি লাহেকৈ বহুৱাই দিলে। দহমাহ পাৰ হৈ যোৱা ছোৱালীজনী উবুৰি খাই পৰি কান্দি উঠিল।

এজন এজনকৈ কেবাজনো শিশু বিশেষজ্ঞৰ ওচৰলৈ তেওঁ কণমানিজনীক লৈ গ'ল, কিন্তু সকলো বিশেষজ্ঞৰে এটাই উত্তৰ— জন্মতে লৈ অহা বিকলাংগতাৰ বাবে তেওঁৰ কণমানিজনীয়ে কাহানিও সুস্থ মানুহৰ দৰে খোজকাঢ়িব নোৱাৰিব। তথাপিও তেওঁ আশা এৰি দিয়া নাছিল। কিজানিবা কিবা হয়েই...... এই আশাতে তেওঁ তাইক পাৰ্যমানে চিকিৎসা কৰিলে। কিন্তু নাই........ নহ'ল........ তেওঁৰ আশা পূৰণ নহ'ল।

জীৱনৰ ঘাত-প্ৰতিঘাতে দীপক পাঠকক বৰ বেয়াকৈ বিপৰ্যস্ত কৰি পেলালে। কিয়, কিয় এনে হয় মানুহৰ জীৱনত? কিয় এনেকৈ হেৰাই যায় জীৱনৰ স্বপ্ন?....... কোনেও তেওঁক উত্তৰ দিব নোৱাৰে। 'বেদনা'....... কিয় সু........কিয় তুমি তাইলৈ এই নামটো পচন্দ কৰিছিলা? তাইৰ গোটেই জীৱনটো এনেদৰে বেদনাৰে পূৰ্ণ হ'ব বুলি তুমি আগতীয়াকৈ জানিছিলা নেকি সু......? ......সুৰেখাৰ ফ্ৰেমত বন্দী হৈ থকা ফটোখনিয়ে তেওঁক কাহানিও কোনো উত্তৰ নিদিয়ে।

দীপক পাঠকক দিয়া প্ৰতিশ্ৰুতি অনুসৰি বেদান্তই বেদনাক পঢ়াবলৈ আহিল। বেদনাৰ কথা-বতৰা আৰু আচাৰ-ব্যৱহাৰত তেওঁ মোহিত হ'ল। ব'হাগৰ কুঁহিপাতৰ দৰে কোমল মুখনিত লাগি থকা বেদনাক্রান্ত ভাবটোৱে তাইক যেন আৰু বেছি সুন্দৰ কৰি তুলিছে। মাত্র এটা খুঁতৰ বাবে তাই চিৰদিন দুখৰ সাগৰত পৰি থাকিবনে.......? নাই....... তাইক পঢ়াৰ লগতে জীৱনটোক নতুনকৈ চাবলৈ শিকাব। বেদান্তই ভাবিলে।

দিনবোৰ আগবাঢ়ি গ'ল। বেদান্তই তাইক পঢ়াৰ লগতে হেৰোৱা মনোবল ঘূৰাই আনিবলৈ যত্নৰ কোনো ত্ৰুটি কৰা নাই। তেওঁ বেদনাক জীৱনৰ লগত হাৰ নমনা জেচমিন, শৰ্মিষ্ঠা, অনামিকাহঁতৰ কথা কয়। তাই চকু দুটা ডাঙৰকৈ মেলি কথাবোৰ শুনে। ইমানদিনে অকল নিজৰ জগতখনতে বিচৰণ কৰি থকা বেদনাৰ হৃদয় আশা, আনন্দ আৰু উদ্দীপনাৰে ভৰি পৰে। বাহিৰৰ পৃথিৱীখন ইমান সুন্দৰ! ইমানদিনে তাইক দেখোন কোনেও এইখন পৃথিৱীৰ কথা কোৱা নাছিল.......! নিজৰ বিকলাংগতা, জন্মৰ পিচত মাকৰ মৃত্যু...... এইবোৰৰ বাবে ইমানদিনে তাই নিজকে অভগীয়া বুলি ভাবি আছিল......। তাইক যদি কোনোবাই আগতে এইবোৰ কথা ক'লেহেঁতেন! তাই ৰ' লাগি বেদান্তৰ মুখলৈ চাই থাকে। বেদান্তইও তাইলৈ চাই থাকে। অনুভৱৰ এজাক ৰিমঝিম্ বৰষুণত তিতি তিতি দুলি থাকে দুটি অশান্ত মন এক হোৱাৰ অপেক্ষাত।

জীৱন চাগে' এনেকুৱাই। নিজে কোনো কাহানিও কল্পনা নকৰা বা নভবাবোৰ ঘটা, নিবিচৰাটো পোৱা, বিচৰাটো পাইও হেৰুওৱা এইবোৰৰ সমষ্টিয়েই জীৱন— বেদনাই মনতে ভাবে। এজাক ৰ'দালিয়ে তাইৰ জীৱনটোক উমাল কৰি তুলিছে। এই উমেৰে তাই পাহৰিব খোজে এৰি অহা দিনবোৰৰ বেথাভৰা স্মৃতি। এতিয়া তাইৰ মনত নাই কোনো ক্ষোভ। শৰতৰ আকাশৰ দৰে তাইৰ মনাকাশ স্বচ্ছ হৈ পৰিছে। বেদনাই দুগুণ উৎসাহেৰে পৰীক্ষাৰ বাবে সাজু হ'ল।



Scanned with CamScanner

পৰীক্ষা শেষ হোৱাৰ পিচত বেদনা প্ৰথমবাৰৰ বাবে মোমায়েকহঁতৰ ঘৰলৈ গ'ল। তাইক অহা দেখি মোমায়েক আনন্দিত হোৱাই নহয়, আচৰিতো হ'ল। হ'বৰ কথাই। বুজন হোৱা দিনৰে পৰা তাইক তেওঁলোকৰ ঘৰলৈ আনিবলৈ মোমায়েক-মামীয়েকে কিমান যে যত্ন কৰিছিল। কিন্তু আনিব পৰা নাছিল। এইবাৰ তাই দেউতাকৰ লগত নিজেই আহিছে। গোটেই ঘৰখনতে এক উচৱমুখৰ পৰিৱেশৰ সৃষ্টি হ'ল।

মোমায়েকহঁতৰ ঘৰত ভায়েক-ভনীয়েকহঁতৰ লগত হৈ-চৈ কৰি কটাওঁতে দিনবোৰ কেনেকৈ যে পাৰ হ'ল বেদনাই গমকে নাপালে। দুসপ্তাহৰ সলনি তিনি সপ্তাহৰ মূৰত দেউতাকে তাইক আনিবলৈ গ'ল। পুনৰ অহাৰ প্ৰতিশ্ৰুতিৰে তাই ঘৰলৈ উভতিল।

ঘৰত মনটো বৰ উকণ্ডা উকণ্ডা যেন লাগিছে বেদনাৰ। বেদান্ত চাৰ..... হয়, এই সময়ত বেদান্ত চাৰ আহিলে বৰ ভাল লাগিলহেঁতেন। কাৰ হতুৱাই তাই বেদান্ত চাৰক মাতি পঠিয়াব? এনেদৰে মাতি পঠিয়ালে মানুহে বা কি ভাবিব? এক সংকোচ ভাবে তাইৰ মনটো আচ্ছন্ন কৰি পেলালে।

এদিন দুদিনকৈ কেবাদিনো পাৰ হ'ল। বেদান্ত সিহঁতৰ ঘৰলৈ, তাইৰ খবৰ লবলৈ নাহিল। বেদনাৰ মনৰ উচ্পিচনি বাঢ়ি গ'ল। কাক সুধিব বেদান্তৰ কথা......?........ নাই নোসোধে, কাকো নোসোধে তেওঁৰ কথা। তেওঁৰ যদি তাইৰ কথা মনত নপৰে তেন্তে তাইও মনত নেপেলায়। অভিমানত বুকু ভৰি পৰে। কিয় এনে হৈছে তাইৰ? এয়াই নেকি প্ৰেম?

অৱশেষত মনৰ লগত যুঁজি যুঁজি হাৰ মানিলে বেদনাই। তাই দেউতাকক বেদান্তৰ কথা সুধিলে। জীয়েকৰ জঁইপৰা মুখনিলৈ চাই দীপক পাঠকৰ অন্তৰ সেমেকি গ'ল। তেওঁ তাইৰ মূৰত হাত ফুৰাই ক'লে— 'সি চাকৰি পাই ইয়াৰ পৰা গুচি গ'ল নহয়। তুমি গম পোৱা নাই নেকি?'

'গুচি গ'ল......' অস্ফুট স্বৰত বেদনাৰ মাতটো ওলাই আহিল। দেউতাকে বিশেষ একো নোকোৱাকৈ বাহিৰলৈ ওলাই গ'ল।

বেদনাৰ ৰিজাল্ট ওলাল। তাই আটাইকেইটা বিষয়ত লেটাৰসহ ডিষ্টিংচ্ছন পাই পাছ কৰিছে। ঘৰখনত বহুত বছৰৰ মূৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হ'ল। এবুকু অনামী বেদনা সংগোপনে ঢাকি ৰাখি তাই সকলোৰে সৈতে আনন্দত ভাগ লবলৈ যত্ন কৰিলে।

'অ'ই শাৰদী, তই গম পাব নে, চাকৰি পোৱাৰ পিচতে বেদান্ত চাৰৰ মাকে হেনো চাৰৰ বিয়া পাতি দিলে......?' হাঁহি-খিকিন্দালি কৰি থকা ছোৱালীজাকৰ মাজৰ পৰা বেহেনাই শাৰদীক উদ্দেশ্য কৰি ক'লে।

এজাক ধুমুহাই বেদনাৰ বুকুখন যেন চেদেলি-ভেদেলি কৰি পেলালে। তাইৰ সুস্থ ভৰিখনো যেন জঠৰ হৈ পৰিল। ক্ষন্তেক সময় চকু দুটা মুদি নিজকে সহজ কৰিবলৈ যত্ন কৰিলে।

নিশা লাহে লাহে গভীৰ হৈ আহিছে। বেদনাৰ বুকুত জ্বলি থকা জুইকুৰাই তাইক যেন দহি পুৰি ছাই কৰিব ধৰিছে। এনে লাগিছে তাইৰ জীৱনৰ সবাতোকৈ মূল্যবান বস্তুটি চিৰদিনৰ বাবে হেৰাই গ'ল ! এতিয়া তাইৰ জীয়াই থকাৰ কোনো অৰ্থ নাই। তাই গুচি যাব চিৰদিনলৈ....... বহু দূৰ-দূৰণিলৈ.......।

......ছিঃ এয়া তাই কি ভাবিছে? নাই তাই ইমান দুৰ্বল নহয়। জীৱনটো ইমান ঠুনুকা নহয় যে এটা সপোন ভাগিলেই শেষ হৈ যাব। তাই আৰু সপোন দেখিব। দেউতাকৰ সপোন সাৰ্থক কৰিবলৈ তাই মনপুতি পঢ়িব। তাই ডাক্তৰ হ'ব। চিকিৎসাৰ অভাৱত তিল তিলকৈ মৃত্যুমুখলৈ আগবঢ়া দৰিদ্ৰ জনসাধাৰণৰ সেৱাকে নিজৰ জীৱনৰ ব্ৰত হিচাপে লব।

বেদনা লাহে লাহে খোলা খিৰিকীখনৰ কাষ পালে। তৰা ভৰা আকাশখনে তাইলৈ চাই এটি মিচিকি হাঁহি মাৰিলে। ♦

'এটা গল্প বা কবিতা লিখিবলৈ যিমান গভীৰ উপলব্ধি আৰু অনুভূতিৰ প্ৰয়োজন গল্পটো বা কবিতাটো পঢ়ি ৰসৰ পূৰ্ণ সোৱাদ পাবলৈও আচলতে সিমানেই উপলব্ধি আৰু অনুভূতি গুণৰ প্ৰয়োজন।'

—ড° ভবেন্দ্ৰনাথ শইকীয়া



Scanned with CamScanner



# এটি পখীৰ মৃত্যুত......

ৰূপামণি তালুকদাৰ
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

**শা**ওণ মহীয়া ৰ'দ। ভৰ দুপৰীয়া। আমি— মানে মা, মই আৰু ভন্টি— ভুঁই ৰুই আছো। মায়ে বিচনাতে কৈছিল আজিৰ কঠীয়াখিনি এবেলাতে শেষ কৰিব লাগিব। পিচবেলা তেওঁ পথাৰলৈ আহিব নোৱাৰে। গাঁৱত ৰাইজৰ নাম আছে, তালৈকে যাব লাগিব। আমিও শেষ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছো। মা আহিব নোৱাৰিলে আমিও আহিব নোৱাৰো। বোকা দিয়া মাটিখিনি নষ্ট হ'ব। ভাগৰ, ভোক, পিয়াহ সকলোৱে চাৰিওফালৰ পৰা হেঁচি ধৰিছে। আমি সেইবোৰলৈ কাণসাৰ কৰা নাই। কোনেও কাকো মাতবোলো কৰা নাই। আমাৰ লক্ষ্য এটাই— কঠীয়াখিনি শেষ কৰিব লাগে। সমগ্ৰ শৰীৰ ঘামেৰে তিতি গৈছে। কপালৰ ঘাম নাকেৰে বৈ আহি মুখত পৰিছে। এটা নিমখীয়া সোৱাদ অনুভৱ কৰিছো। ক'তো বতাহ বলা নাই। চৌদিশে এটি উকণ্ঠা উকণ্ঠা ভাব। আজি সূৰ্য আৰু বতাহৰ শক্তি প্ৰদৰ্শনত বতাহ যেন বেয়াকৈ হাৰি গৈছে।

মই ভন্টি নিতুলৈ চালো। ৰ'দত তাইৰ সোণবৰণীয়া মুখখনি টিকৃটিকীয়া ৰঙা হৈছে। কপাললৈ আহি থকা তাইৰ টৌ খেলা চুলিখিনি আৰু বাগৰি অহা ঘাম মচোঁতে মচোঁতে মুখৰ বিভিন্ন ঠাইত বোকাৰ চিটিকণি লাগি কিবা এটা বেলেগ ৰূপ হৈছে মুখখনিৰ। দুখতো হাঁহি উঠি গ'ল। মই হাঁহিবলৈ লৈছোঁহে। এনেতে 'অ' মা, মই মৰিলোঁ মৰিলোঁ' বুলি নিতু ধুপুচকৈ বোকাত পৰিল। মোৰ হাঁহি আৰু তাই বোকাত পৰা শব্দ—দুয়োটা একেলগ হৈ দূৰ দিগন্তত মিলি গ'ল......। মায়ে মোলৈ চাই ভেকাহি মাৰি উঠিল। মই দৌৰি গৈ তাইৰ কাষ পালোঁ। তাই হাতখন জোকাৰি জোকাৰি চিঞৰি আছে।

তাইৰ জোকাৰি থকা হাতখন দেখি মই যেন হাঁহিত ফাটি পৰিম— এনে লাগিল। জোকাৰি থকা হাতখনত এক ঠাঙৰ মাৰি লাগি থকা জোকডাল এৰোৱাই দিলো। অনাহকত সময় নষ্ট কৰা বাবে ধমকি দুটামানো দিলো। নিতু থেনথেনাই উঠিল।

কোনোমতে কঠীয়া শেষ কৰি আমি তিনিও আলিত বহিলো। অলপ সময় চকু মুদি আটায়ে পানী খালোঁ। মায়ে খোচনাৰ পৰা তামোল উলিয়ালে। আমিও তামোল খাই লাহে লাহে ঘৰলৈ খোজ ললো। আমাৰ শৰীৰ ঢলং-ঢপং। শৰীৰটো আগবাঢ়িব নোখোজে। কোনোমতে ঘৰ পাই বাৰান্দাৰ খুটাটোত



Scanned with CamScanner

শৰীৰৰ সমস্ত ভৰ দি বহিলোঁ।

মোৰ দুয়োখন ভৰিত খজুৱতি আৰম্ভ হৈছে। আচলতে কঠীয়া ৰুই থাকোঁতে মোকো কেবাবাৰো জোকে কামুৰিছিল। সেইবোৰ ঠাইত এতিয়া সাংঘাতিক খজুৱতি আৰম্ভ হৈছে। এনে লাগিছে যেন ছালখনকে বখলিয়াই দিম।

কটাৰীখনেৰে ভৰি খজুৱাই থাকোঁতে হঠাতে মোৰ সন্মুখত ঢপ্‌কৈ কিবা এটা আহি পৰিল। মুহূৰ্তৰ বাবে মই চক্‌খাই উঠিলো। বুকুখনো ঢপ্‌ঢপাই উঠিল। মুৰ তুলি চাই দেখো এটি ধুনীয়া সৰু চৰাই। তাৰ ধুনীয়া জোঙা ঠোঁটটো টিক্‌টিকীয়া ৰঙা। গাৰ বৰণ হালধীয়া আৰু সেউজীয়া। মূৰটো ক'লা। ডিঙিত এশাৰী বগা আঁচ টনা আছে। এনে লাগে ডিঙিটোত যেন মুকুতাৰ মালা এধাৰিহে পিন্ধিছে.....!

কাৰোবাৰ মাত শুনি মই মুৰ তুলি চালোঁ। দেখিলো আলিৰ দাঁতিত ল'ৰা এজন বৈ আছে। সি হাত মেলি কৰ্কশভাৱে চৰাইটো তাক দিবলৈ মোক আদেশ দিলে। মই স্তব্ধ হৈ ৰ'লোঁ। কিবা এটা বুজিবলৈ চেষ্টা কৰিলোঁ। লগে লগে মোৰ মনত এখন ছবি ফট্‌ফটীয়া হৈ পৰিল। হয়, মানুহ নামধাৰী এই দয়া-মায়াহীন পাষণ্ডটোৱে তাৰ জিঘাংসা পূৰাবলৈ চৰাইটোক তাৰ হাতত থকা বাটলুগুটিটোৰে আঘাত কৰিছে। এতিয়া সেইটো তাৰ প্ৰাপ্য। সেয়েহে তাক মই চৰাইটো দিব লাগে। মই চৰাইটোলৈ চালো। এধানি আশ্ৰয়ৰ আশাত সি চুঁচৰি চুঁচৰি মোৰ পিনে আহি আছে। তাৰ দেহৰ পৰা তেজ ওলাই আছে। ঠেংখনো সম্ভৱ ভাগিছে। মোৰ মনটো হাঁহাকাৰ কৰি উঠিল। তীব্ৰ খঙেৰে ল'ৰাটোলৈ চালো।

'কৈছো নহয়, এইমাত্ৰ ইয়াৰ পৰা আঁতিৰি যা, নহ'লে সকলোকে মাতি আনি তোক ৰামকিল দিম। এইখন কি দেখিছ.....?' মই তাক কটাৰীখন দেখুৱালো। সি অশ্ৰাব্য শব্দ কিছুমানেৰে গালি পাৰি আঁতৰি গ'ল।

মই লৰালৰিকৈ চৰাইটোক কোঁচত তুলি ললো। মোৰ চিঞৰ শুনি মা আৰু নিতু আহি কাষ পালেহি। মই চৰাইটোৰ মুৰত হাত ফুৰাই দিবলৈ ধৰিলো। মায়ে কেঁচা হালধি বটি আনি আঘাত পোৱা ঠাইত লগাবলৈ দিলে। নিতুৱে ক'ৰবাৰপৰা মলম এটা আনিলে।

আমাৰ মৰমৰ ছাঁত চৰাইটোৱে যেন অলপ আৰাম পালে— ঠিক এনে এটা অনুভৱ হ'ল। মোৰ মনটোৱে সামান্য সকাহ পালে। কিন্তু..... হঠাতে কি হ'ল এয়া.....! চৰাইটোৱে মোৰ কোঁচতে ধৰ্‌ফৰাবলৈ ধৰিলে। মায়ে ক'লে— 'পানী খাব নেকি?'

নিতুৱে দৌৰি গৈ বাতি এটাত পানী লৈ আহিল। মই মেলি খাই থকা মুখখনিত পানী অকণমান খুৱাই দিলোঁ। চৰাইটোৱে চকুদুটা মুদি পানীখিনি গিলিবলৈ যত্ন কৰিলে। অলপ পানী কোৱাৰিৰে বাগৰি আহিল। হয়তো অলপ ভিতৰলৈ গ'ল। তাৰ মুখখন পুনৰ মেল খালে। মই পুনৰ পানী অলপ মুখত দি তাৰ মুৰটোত হাত ফুৰাই থাকিলো। মোৰ এনে লাগিল চৰাইটোৱে যেন মোৰ চকুত চকু থৈ কিবা এটা বুজাব বিচাৰিছে। চৰাইটোৰ চকুৰে পানী বৈ আহিল।

হঠাৎ..... এয়া কি হৈ গ'ল......! চৰাইটোৱে মোৰ কোঁচতে ধৰ্‌ফৰাবলৈ ধৰিলে......আৰু এটা সময়ত নিথৰ হৈ ৰ'ল।

মোৰ বুকুখন শোকে খুন্দা মাৰি ধৰিলে। 'মা' 'মা' বুলি চিঞৰিব ধৰিলো। মায়ে মোৰ মূৰত হাত ফুৰাই কান্দিবলৈ মন কৰিলে। তাৰ পিচত চৰাইটো লৈ লাহেকৈ গুচি গ'ল।

মই নিতুলৈ চালো। তাইৰো চকুত চকুপানী। তাই লাহেকৈ মোৰ কাষত বহি মোক সাবটি ধৰিলে। মোৰ মনত অজস্ৰ প্ৰশ্ন জুমৰি ধৰিছে।...... সঁচাকৈয়ে আমি জীৱশ্ৰেষ্ঠ মানৱ নে? কাৰ আপোনমনে নাচি-বাগি ফুৰা চৰাই এটিৰ জীয়াই থকাৰ অধিকাৰখিনি কিয় এনেদৰে ধ্বংস কৰি দিয়া হ'ল? ক'ত পালো আমি সেই অধিকাৰ? এই পৃথিৱীত খাদ্যৰ ইমানেই অভাৱ ঘটিছে নে....... যে আমি নিৰ্জু চৰাই এটিক বধ কৰি খালেহে আমাৰ পেটৰ ভোক গুচে......? নাই, মোৰ প্ৰশ্নৰ উত্তৰ ক'তো বিচাৰি নাপাওঁ।

অলেখ প্ৰশ্নৰ মাজত কক্‌বকাই ঘূৰি থাকোঁতে মোৰ মনত হোমেন বৰগোহাঞি দেৱে লিখা 'সাউদৰ পুতেকে নাও মেলি যায়' শীৰ্ষক উপন্যাসখনিত উল্লেখ থকা এটি ঘটনাৰ কথা মনত আহিল। উপন্যাসখনিৰ নায়ক বাপুকণৰ এবাৰ এটি চৰাই পুহিবলৈ মন গ'ল। সি কথাটো দেউতাকক ক'লে। দেউতাকে বাপুকণক ক'লে যে তেওঁ সপোনতে দেখিছে বাপুকণক ভালুক এটাই তাৰ পোৱালিৰ সৈতে থাকিবলৈ লৈ গৈছে আৰু বাপুকণৰ মাক দেউতাকে তাক বিচাৰি ইনাই-বিনাই কান্দি ফুৰিছে। কথাটো শুনি লগে লগে বাপুকণৰ চৰাই পোহাৰ মোহ আঁতৰি গ'ল।

বাপুকণৰ কাৰ্য আৰু আজিৰ ঘটনাটোৱে মোৰ মনটো মুকলি কৰি দিলে। মোৰ মনৰ কোনোবা এটি কোণত চৰাই এজনী পোহাৰ হেঁপাহ কেতিয়াবাৰ পৰাই সাঁচি ৰাখিছিলোঁ। আজি সেই হেঁপাহ মনৰ পৰা চিৰদিনৰ বাবে নাইকিয়া কৰি দিলোঁ। সেই কণমানি চৰাইটোৰ জীৱন ৰক্ষা কৰিব নোৱাৰিলেও ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাবে চেষ্টা কৰাৰ সংকল্প ললোঁ। ◆



Scanned with CamScanner



# নিমিলা অংক

ফৰিদা ইয়াচমিন
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

Life is Puzzle, we have to solve it.......

এয়েতো জীৱন ! মানৱ জীৱন ! আপোনাৰ জীৱন, মোৰ জীৱন, ৰূপাৰ জীৱন।

জীৱনটোক যদি এটা জটিল অংক বুলি লওঁ, তেতিয়াহ'লে গণিতৰ ছাত্ৰী নহ'লেও গণিত শিকিবলৈ চেষ্টা নকৰিম জানো।

যদি শূন্য ? শূন্যতাই যদি আমাৰ কাম্য, তেতিয়াহ'লে আমি সকলোৱেই আত্মহত্যা নকৰো কিয় ? শূন্য বুলি ভাবিও আমি কিয় ধুনীয়া ধুনীয়া ঘৰ সাজো ? মনোৰম ফুলনি পাতো ?

বিচাৰে, আমাৰ জীৱনে বহু কিবাকিবি বিচাৰে। নহ'লে নীল, এডুইন আৰু মাইকেলহঁত কিয় চন্দ্ৰলৈ গৈছিল ?

Higher Secondary পাছ কৰি চহৰৰ নতুন কলেজত ভৰি দিয়াৰ পৰা ৰূপাৰ চকুৰ আগত পৃথিৱীখন অস্বাভাৱিকভাৱে সলনি হৈ যোৱা দেখিবলৈ পাইছে। ৰূপা সাধাৰণতে এজনী কল্পনাপ্ৰৱণ ছোৱালী। দেখাত প্ৰায় বিদেশী ছোৱালীৰ নিচিনাই। ৰূপাৰ আজি কলেজলৈ অহাৰ প্ৰথম দিন। মনটো আনন্দত মতলীয়া। তাই হাঁহি হাঁহি এজনী ছোৱালীৰ ওচৰলৈ আহি সুধিলে— 'বাইদেউ, শিক্ষা বিভাগ কোন ফালে ?' ছোৱালীজনীৰ নাম ৰুনা। তাই সেইখন কলেজত দুবছৰ পঢ়িছে। ৰূপা আৰু ৰুণা দুয়োজনীয়েই স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী। ৰূপাৰ প্ৰশ্নত ৰুনাই মিচিকিয়াই হাঁহিৰে ক'লে— 'মোক বাইদেউ বুলি ক'ব নালাগে। ময়ো তোমাৰ লগতে পঢ়োঁ। অৰ্থাৎ স্নাতক প্ৰথম বৰ্ষ। মোৰ নাম ৰুনা। তোমাৰ নামটো কি ?'

—'মোৰ নাম ৰুফীয়া ফাৰুক, ঘৰত সকলোৱে ৰূপা বুলি মাতে।'

ৰূপাই ৰুনাক লগ পাই খুব ভাল পালে। ৰুনাই ৰূপাক লগত লৈ একেখন বেঞ্চতে বহিল আৰু মেজৰৰ প্ৰথম ক্লাছটো কৰিলে। ক্লাচ শেষ হোৱাত ৰুনাই ৰূপাক কলেজখন তাইৰ কেনে লাগিছে সুধিলে। ৰূপাই বহুত ভাল লাগিছে বুলি ক'লে। ৰূপাই বাৰান্দাত থিয় হৈ কলেজৰ প্ৰশাসনীয় ভৱনটোলৈ চাই ৰ'ল।

বনাই ৰূপাৰ হাতত ধৰি কলেজৰ সিটো মূৰলৈ লৈ গ'ল। ৰূপাই বনাক ক'লে—'সেইটো ৰূমলৈ কিয় যোৱা বনা?'

—'সেই টো ৰূমত আমাৰ অসমীয়াৰ ক্লাছ হ'ব।' বনাই ক'লে।

—'কিয় বনা? অসমীয়াৰ ক্লাছ তাতেই নহ'ব জানো? ইয়ালৈ কিয় আহিলা?' বনাই ৰূপাৰ কথাত উত্তৰ নিদি সোনকালে ৰূমত সোমাই পৰিল।

—'ইয়াত বহা, পিছফালে গ'লে হ'ব আৰু, ছাৰৰ কথা একো নুশুনিম।'

বনাই নিৰ্দিষ্ট কৰি দিয়া ঠাইখনতে ৰূপা বহিল আৰু বহল কোঠাটোৰ চাৰিওফালে এবাৰ চাই ল'লে। কলেজৰ চাৰিওফালৰ পৰা বিভিন্ন বিভাগত পঢ়া নতুন-পুৰণি ছাত্ৰ-ছাত্ৰী আহি কোঠালিটো ভৰি পৰিল। এজাক ল'ৰা-ছোৱালীৰ কথা-বতৰা, হাই-উৰুমিৰে কোঠাটো মুখৰ হৈ পৰিল। নিচেই ওচৰতে এজন ল'ৰাৰ মাত শুনি ৰূপা উচপ্ খাই উঠিল। ৰূপাই ল'ৰাজনৰ ফালে চোৱাত ল'ৰাজনে আকৌ এবাৰ ভদ্ৰ সুৰত ক'লে—'ভন্টি, অলপ সেইফালে যোৱা।' ৰূপাই লাজ আৰু সংকোচত মূৰ্চ্ছৰ্ছ যোৱা যেন হ'ল। তাই বনাক ক'লে যে ল'ৰাজন তাইৰ একেবাৰে ওচৰত বহিছে।

—'হ'ব হ'ব, ইমান লাজ কৰিব নালাগে। কলেজলৈ আহি এইবোৰ নাভাবিবাচোন ৰূপা। তেওঁ আমাৰ লগতে পঢ়ে।' বনাই ক'লে।

—'বনা, ল'ৰাজন মুছলমান নে হিন্দু? তাৰ নামটো কি?' ৰূপাই সুধিলে। বনাক প্ৰশ্ন কৰা দেখি ল'ৰাজনে মিচিকিয়া হাঁহি মাৰি ক'লে— 'মোক সোধা, মই কওঁ।' ৰূপা লাজত তলমুৰ হৈ থাকিল। ল'ৰাজনে ক'লে—'মোৰ নাম ৰাহিনুল ইছলাম। সকলোৱে মোক ৰোজ বুলি মাতে। এইবাৰ কোৱা— তোমাৰ নামটো কি?'

—'তোমাক মই প্ৰথমতে হিন্দু ল'ৰা বুলি ভাবিছিলো আৰু সেইকাৰণে তাইক মই তোমাৰ নামটো সুধিছিলোঁ। বাৰু, সেইবোৰ থাকক। মোৰ নাম ৰুফিয়া ফাৰুক। ঘৰত মোক সকলোৱে ৰূপা বুলি মাতে।'

—'দুয়োটা নামেই বহুত ধুনীয়া। ৰুফিয়া ফাৰুক মোৰ ডাঙৰ বাইদেউৰ নাম।'

—'মই তোমাক ৰোজ বুলি মাতিম। মোৰ ডাঙৰ দাদাৰ নাম ৰাহিনুল ইছলাম।'

—'ব'লা, আমি এতিয়া ঘৰলৈ যাওঁ। ৰূপা, তোমাক ৰাহিনুলে কি ক'লে? তোমালৈ চাই কিন্তু সি বহুত Emotional হৈছে। তোমাক কিবা ক'ব যেন লাগিছে। তুমি কিন্তু ঠিকে থাকিবা দেই।'

ৰূপা ঘৰলৈ আহিল। বনা আৰু ৰাহিনুলে কোৱা কথাবোৰ তাইৰ মনৰ মাজত পাকঘূৰণি খাবলৈ ধৰিলে। সময় বাগৰি গ'ল। ৰূপাই লাহে লাহে অনুভৱ কৰিব ধৰিলে ৰোজ যেন তাইৰ প্ৰতি যথেষ্ট আগ্ৰহী। তাৰ দুচকুৱে তাইক যেন বহুত কিবাকিবি ক'ব বিচাৰে। এদিন তাই তেওঁক লগ কৰি ক'লে—'ৰোজ, তুমি কিবা নতুনকৈ ভাবিছা নেকি?'

—'বহুত! বহুত ভাবিছোঁ ৰূপা, যিটো সমাধান কৰিব পৰা ক্ষমতা তোমাৰহে আছে।' কথাষাৰ কৈ সি ৰূপাৰ ফালে একেথিৰে চাই ৰ'ল।

ৰূপাই তাইৰ চকুৰ ফালে চালে, তাৰ দুচকুৰ চাৱনিৰ ভাষা যেন তাই বুজি পালে। ৰূপাই এইবাৰ জীৱনৰ অংকটো সহজ বুলি সোনকালে সমাধানত লাগিল। কিন্তু ৰূপাই অংকটোৰ মাজভাগত ভুল কৰিলে। প্লাছ আৰু মাইনাছৰ পুৰণফল মাইনাছ নিদি প্লাছ দি থ'লে।

প্ৰথমে ৰূপাই ৰোজক এজন ভদ্ৰ ল'ৰা বুলিয়েই ভাবিছিল। সাধাৰণতে এজন প্ৰকৃত প্ৰেমিকে তেওঁৰ ভাল লগাজনীক নিজে Observation কৰি লয়। কিন্তু ৰাহিনুলে ৰূপাৰ বিষয়ে আনৰ অনুভূতিৰ জৰিয়তে তাইক বিচাৰ কৰিলে। সি যেন ৰূপাক ভাল নোপোৱা হ'ল। ৰূপাই বেলেগৰ পৰা শুনিলে সি অইন ছোৱালী এজনীক ভালপায়। ৰূপাই ভালকৈ বুজিলে যে ৰোজৰ Observation Power নাই। আনৰ Observation ৰ জৰিয়তেহে চলে। ৰোজৰ ওপৰত তাইৰ বহুত খং উঠিল। ৰূপাই ভাবিলে যে কাইলৈ ৰোজক লগ কৰি ক'ব— নিজৰ Observation Power ৰ জৰিয়তেহে তোমাৰ ভাল লগাজনীক Introespection কৰি লবা ৰোজ।

নিজে লোৱা শুদ্ধ সিদ্ধান্তটোৰ বাবে ৰূপাৰ আনন্দ লাগিল। তাই মনতে ভাবিলে— মই মোৰ জীৱনৰ অংকটো Rank Difference Methodত নকৰি Product Moment Methodত আৰম্ভ কৰিম। মনটো ফৰকাল হোৱাত ৰূপাই আত্মজিতাৰ গান কলি মনৰ মাজত গুণগুণাবলৈ ধৰিলে—

বহুদূৰ আছে যাবলৈ,
বহু কথা আছে ক'বলৈ
সময় যে নাই, সময় যে নাই
বহু গান গোৱা হোৱা নাই
হৃদয় জুৰাই ভাগৰটি বয়
কবিতা লিখা হোৱা নাই। ◆



Scanned with CamScanner



# ভাৱৰ অনুৰণন

ভূমিজা বৰ্মন কলিতা
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

এখন যেন সপোনপুৰী। হৃদয় সোমাই গৈছিল তাৰ বন্ধু অনিমেষৰ সৈতে বিয়াঘৰলৈ। ডাক্তৰ হৰিমোহন ফুকনৰ একমাত্ৰ সন্তান 'মাইনা'ৰ বিয়া। বিয়াৰ নিমন্ত্ৰণো আছিল অভিনৱ। ডাঃ ফুকনে পত্নীৰ সৈতে গৈ সকলোকে নিজ হাতেৰে নিমন্ত্ৰণ জনাই আহিছে এযোৰ তামোল-পাণ আৰু এখন ফুলাম গামোচাৰে। হৃদয়ে নিমন্ত্ৰণ জনোৱা প্ৰথাটো ইমান ভাল পাইছিল যে সি ভাবিছিল বিয়াখনো ব্যতিক্ৰমী হ'ব। হয়তো এখন নিভাঁজ সংস্কৃতি লুকাই থকা বিয়াই হ'ব। আলফুল মৰমেৰে সি গামোচাখন সযতনে থৈ দিলে।

গধূলি বিয়াঘৰলৈ যোৱাৰ আগতে সি ডাক্তৰলৈ ফোন কৰিলে। তাইও এখন বিয়াত আছে। এখন অতি ভিতৰুৱা ঠাইৰ বিয়াঘৰৰ পৰা মনৰ অধীৰ উছাহেৰে তাই হৃদয়ক কৈ গ'ল— 'জান হৃদয়, তোলৈ মই ফোন কৰিম বুলি ভাবিয়ে আছিলোঁ। ঐ ইমান ভাল লাগিছে, এখন নিভাঁজ অসমীয়া বিয়া। হৃদয়, ৰাতিপুৱাৰ পৰাই মই গোটেই বিয়াখন পৰ্যবেক্ষণ কৰি আছোঁ। কি যে হৃদয় পৰশি যোৱা বিয়াৰ কাৰুকাৰ্য। বহুত দিনৰ মূৰত আধুনিকতাৰ পৰশৰ পৰা আহি সঁচা মৰম, ভালপোৱা, শ্ৰদ্ধা-ভক্তি লুকাই থকা বিয়া এখন উপভোগ কৰি আছোঁ। অতি ভিতৰুৱা ঠাই, এতিয়াও বিজুলী-বাতি নাই। আৰু কি জান, ইয়াত Tent house ব্যৱহৃত হোৱা নাই। গাঁওখনৰ সকলো মানুহে মিলি-জুলি বিয়াৰ সকলো কাম কৰি গৈছে এক স্বতঃস্ফূৰ্ত আনন্দত। ৰভাখন ডাঙৰ ডাঙৰ ভীমকলৰ খুটা পুতি, ওপৰত বাঁহ দি তাৰ ওপৰত আধা তিৰ্পাল ঢাকি দিছে, আৰু ধৰ্মীয় কাজ যিডোখৰত হয় তাৰ ওপৰত কলপাতেৰে ধুনীয়াকৈ সজাই দিছে। গাঁওখনত যিমান

চকী-বেঞ্চ আছে সেইবোৰ আনি বিয়াঘৰৰ চোতালত সজাই দিয়া হৈছে। মানুহবোৰ যেতিয়া বিয়াঘৰ পায়হি, মানুহবোৰক গভীৰ মমতাৰে আপ্যায়ন কৰা হৈছে কলৰ দোনাত; পগোৱা মিঠৈ, দৈ আৰু কোমল চাউলেৰে। উহ্ ! কি যে তৃপ্তিকৰ জলপান ! তাৰ পিচত আয়তীসকল যেতিয়া পানী তুলিবলৈ গৈছে নৈৰ ঘাটলৈ, তোক কৈছো নহয় হৃদয়, মই জীৱনত ইমানবোৰ সহজ আনন্দ আজিলৈ পোৱা নাই। কি নিৰ্মল আনন্দেৰে বিয়ানাম, উৰুলি ধ্বনিৰে মুখৰিত কৰি গাঁৱৰ জীয়ৰী-বোৱাৰী, বুঢ়ী সকলোৱে নৈৰ ঘাটলৈ পানী তুলিব গৈছে। পিন্ধনত আছিল নিজহাতে বৈ লোৱা কপাহী মেখেলা-চাদৰ। পানী তুলি আহি বেগুপাটিৰ সতে যি অপূৰ্ব নৃত্য কৰিলে সকলোৱে এক অদ্ভুত আনন্দত মতলীয়া হৈ, মইও নাচি পেলালো।'

হৃদয়ে ক'লে— 'ঐ একে উশাহতে ইমানবোৰ কথা ক'লি যে, মোৰ কথা নুশুন নেকি ? মইও এখন বিয়ালৈ যাব ওলাইছোঁ। ৰাতি তোৰ লগত কথা পাতিম।' হৃদয়ে ফোন লাইনটো কাটি দিলে।

ভাৰনা আৰু হৃদয় দুয়ো ল'ৰালিৰ বন্ধু। ভাৰনা এক অদ্ভুত ছোৱালী। তাইৰ ভালপোৱাবোৰত জীৱনৰ এক সঁচা উপলব্ধি জড়িত হৈ থাকে।

সন্ধিয়া ছয়টামান বজাত হৃদয় আৰু অনিমেষ বিয়াঘৰত সোমালগৈ। এক ৰাজকীয় পৰিৱেশ। লাইটৰ জাক-জমকতাৰে গোটেই পৰিৱেশটো যেন হৈ পৰিছে এখন উৎসৱৰ থলী। শাৰী শাৰীকৈ কাৰ্পেটৰ ওপৰত সজাই থোৱা আছে চকীবোৰ। কাষত এখন মঞ্চ। তাত আমন্ত্ৰিত শিল্পীয়ে হিন্দী গীত পৰিৱেশন কৰি আছে। আৰু এজাক তৰুণ-তৰুণীয়ে নৃত্য কৰি আছে হিন্দী গীতৰ তালে তালে। তাৰ কিছু কাষতে কইনাজনীক সজাই তোলা হৈছে এক স্বাভাৱিক সৌন্দৰ্যৰে পৰীৰ ৰূপত। চাৰিওফালে দামী বস্ত্ৰ চাউণ্ড বফিটিং কৰি থোৱা হৈছে আৰু শুনো-নুশুনোকৈ তাৰ পৰা ভাহি আহিছে পংকজ উদাসৰ মন মতলীয়া কৰা গজলৰ সুৰ। আটকধুনীয়া ৰভাৰে সজাই তোলা হৈছে বিয়াৰ ৰভাতলী, তাত শোভা বৃদ্ধি কৰিছে ৰজনীগন্ধা আৰু গোলাপ ফুলৰ অপৰূপ সৌন্দৰ্য আৰু সুগন্ধিয়ে।

ডাঃ ফুকনৰ ঘৰখনৰ স'তে হৃদয়ৰ আগৰেপৰাই কিছু ঘনিষ্ঠতা আছে। ডাঃ ফুকনৰ পত্নীয়ে অতি আগ্ৰহেৰে হৃদয়হঁতক মাতি লৈ গ'ল তেওঁলোকৰ সু-সজ্জিত ড্ৰয়িংৰুমলৈ। হৃদয়ে সুধিলে— 'বহুত খৰচ কৰিলে বিয়াখনত, নহয়নে নবৌ !'

হাঁহি হাঁহি তেওঁ ক'লে— '৭০ লাখ টকাৰ বাজেট বুলি কৈছে। Sound system টোতে অকল এদিনৰ বাবে ৫০ হেজাৰ পৰিছে !' এনেতে ডাঃ ফুকন সোমাই আহি হৃদয়হঁতক মাতি ডাইনিং হললৈ মাতি নিলে। সেয়া এক খোৱাতকৈ চাবলগীয়া বস্তু যেন হৈ পৰিছে। বুফে চিচ্টেম। আজিকালি চহৰৰ বিয়াবোৰ এনেকুৱা বুফে চিচ্টেমতে খোৱা-বোৱা কৰিব লাগে। শাৰী শাৰী লোভনীয় খোৱা বস্তু, বিভিন্ন মিঠাইৰ দ'ম।

হৃদয় অলপ সময়ৰ বাবে হেৰাই গ'ল ভাৰনাৰ ভাৱত। বুকুত থৈ দিয়া কেইটামান শব্দই তাক হেঁচা মাৰি ধৰিলে। ... অহি উছাহেৰে কোৱা কথাকেইটা অনুৰণিত হ'ল তাৰ ভাৱত— মই ইয়াত কলৰ দোনাত গভীৰ মৰমেৰে দিয়া কোমল চাউল, দৈ আৰু পগোৱা মিঠৈৰ জলপান খাই আছোঁ।

হৃদয় আৰু অনিমেষে নিজ হাতেৰে লৈ কিছু খোৱাবস্তু খালে। দুই টুকুৰা মাংস, দুই টুকুৰা মাছ, মিঠাই এটা, দৈ অলপ আৰু আইচক্ৰীম এটা। খোৱা শেষ কৰি দুয়ো কইনাৰ কাষলৈ গ'ল। হৃদয় অনুভূতিশীল মনৰ। কইনাজনীক সি সকলো ... লগ পাইছে। তাইও ডাক্তৰ। কইনাৰ সাজত তাইক সুন্দৰ লাগিছে কাৰণ তাইক সজাই তোলা হৈছিল তাইৰ স্বাভাৱিক সৌন্দৰ্যৰ আধাৰত। দীঘল চুলিকোচাৰে বন্ধা খোপাটোৰে আৰু তাইৰ সহজ-সৰল হাঁহিটোৰে বহি আছিল এজাক নাৰ্চৰ মাজত। দেউতাকৰ নাৰ্চিংহোমৰ নাৰ্চবোৰক একে ৰঙৰ পাটৰ সাজ পিন্ধাই মাইনাই সিহঁতবোৰক বহুৱাই ৰাখিছিল তাইৰ কাষত। বিয়া ... হৃদয়ে সৰু Gift এটা মাইনালৈ আগবঢ়ালে, মাইনাই সেইটো গ্ৰহণ নকৰিলে।

মাইনালৈ ৰ' লাগি চাই থাকি হৃদয় অলপ সময়ৰ বাবে ... গ'ল স্মৃতিৰ মুগ্ধ কোঠাত। হৃদয়ে সিহঁতৰ ঘৰুৱা চহৰখনত ... নেতৃত্বত এখন দুৰ্গাপূজা পাতে। সেই পূজাখনলৈ যেতিয়া মাইনা মাকৰ স'তে আহে তেওঁলোকক দেখি এক অজান অনন্য হৃদয়ৰ বুকুখন ভৰি পৰে। দীঘল চুলিকোচাৰে সাধাৰণ এযোৰ পাটৰ কাপোৰেৰে যেন গোটেই পূজাখনৰ ভিতৰত তাই অপৰূপ হৈ পৰে। মাইনাৰ সৰল ৰূপ আৰু সহজ আচৰণে সকলোকে মুগ্ধ কৰে। আজি তাইৰ বিয়াৰ দিনটোত তাইক এজনী পৰী দৰে লাগিছে।

হৃদয়হঁত বিয়াঘৰৰ পৰা ওলাই আহিবৰ পৰত ডাঃ ফুকনে হৃদয়ক ক'লে— 'মই নিজে বিয়া পাতিব নাপালো। পলুৱাই আনিছিলো বৌৱেৰাক। সেয়েহে মনৰ ভিতৰত লালন কৰি ৰখা হেঁপাহৰ বিয়া এখন পাতি দিলো ছোৱালীজনীক।'

এজন মানৱৰ সেৱা আগবঢ়োৱা ডাক্তৰৰ কথাখিনি ... হৃদয়ৰ বেছি ভাল নালাগিল। মনৰ ভিতৰত ভাবি থোৱা বিয়াখন সি বিচাৰি নাপালে। গামোচাৰ আঁৰত থিয় হৈ থাকিল এক



Scanned with CamScanner

আভিজাত্যৰ গৌৰৱ কঢ়িয়াই অনা আধুনিক পৰশত হালি-জালি থকা অনা-অসমীয়া বিয়া।

ৰাতি হৃদয়ে ফোন কৰি ভাৱনাক ক'লে বিয়াখনৰ কথা। ভাৱনাই ক'লে— 'জান হৃদয়, আভিজাত্যৰ মাজত ডাঙৰ হোৱা ছোৱালীজনীৰ সহজ-সৰল ৰূপটো তোৰ দৃষ্টিত সহজ-সৰল হ'ব পাৰে, কিন্তু তাইৰ বাবে হয়তো সেই ৰূপটো আৰোপিত ৰূপ। মই এনেকৈয়ে ভাবো। কাৰণ চা, যদি তাই সঁচা অৰ্থত এগৰাকী মনৰে সেৱা কৰা ডাক্তৰ হয়, তেতিয়া তাই নিশ্চয় জীৱনত বহুত ৰোগী লগ পাইছে। কেৱল ধনী মানুহৰ সেৱাত নিয়োজিত হ'বলৈ তাই ডাক্তৰ হোৱা নাই। দুখীয়া মানুহবোৰৰ অসুখ, দুখীয়া মানুহবোৰৰ জীৱনধাৰা এজন ডাক্তৰে ভালদৰে বুজিব পাৰে। গতিকে ইমান টকা খৰচ কৰি পতা বিয়াখনত তাই প্ৰতিবাদ কৰিব পাৰিব লাগিছিল। তাইতো তাৰে এটা অংশ তাইৰ ওচৰত থকা SOS Village ত দান দিব পাৰিলেহেঁতেন, ওচৰৰ বে-চৰকাৰী হৈ থকা কলেজখনৰ পুথিভঁড়ালটোৰ নামত কিছু টকা দিব পাৰিলেহেঁতেন; আৰু ইমানবোৰ খোৱা খাদ্যৰ তালিকাৰ পৰা তাই অনুভৱ কৰিব পাৰিব লাগিছিল কিমানবোৰ সৰু ল'ৰা-ছোৱালীৰ অকল পুষ্টিহীনতাৰ বাবে জীৱন পংগু হৈ যায়! অসহায় নাৰীবোৰ ৰক্তহীনতাত ভোগে! হয়নে নহয় ক'চোন?'

ভাৱনাৰ যুক্তিত হৃদয় স্তব্ধ হৈ গ'ল। তাই আকৌ ক'লে— 'এই হৃদয়, হাতত মাইক্ৰোফোনটো লৈ দামী Band ৰ স'তে চুটি পোচাক পিন্ধি হিন্দী গীত গাই থকা ছোৱালীজনীক মঞ্চৰ পৰা নমাই এযোৰ মেখেলা-চাদৰ পিন্ধাই দি এটা বিয়ানাম গাবলৈ অনুৰোধ কৰিব মন যোৱা নাছিলনে? ক'চোন তাই বাৰু আমাৰ অসমৰ অসমীয়া ছোৱালী নহয়নে? ইয়াত জান আয়তীৰ উৰুলী, বিয়ানামেৰে ৰজনজনাই গৈছে গোটেই ৰভাতলী, গাঁৱৰ ডেকা-বুঢ়া, জীয়ৰী-বোৱাৰী সকলো আনন্দত বিভোৰ। গাঁৱৰ মানুহেও নাচিব জানে, স্বতঃস্ফূৰ্ত আনন্দত, অৰ্থৰ বিনিময়ত নহয়।'

হৃদয়ৰ নাৰীৰ ওপৰত থকা ধাৰণাবোৰ সলনি হৈ যাবলৈ ধৰিলে ভাৱনাৰ যুক্তিবাদী কথাত। সি ছোৱালী এজনী ভাল পাইছিল। কবিতা আবৃত্তিত মুগ্ধ হৈ। যেতিয়া ছোৱালীজনীক সি বিয়া নকৰালে, ছোৱালীজনীয়ে তাক কৈ গ'ল যে তাই আৰু কেতিয়াও আবৃত্তি নকৰে। হৃদয়ে তাইৰ কথাখিনি সহ্য কৰিব পৰা নাছিল, কাৰণ তাইৰ প্ৰতিভাৰ মৃত্যু হ'ব নোৱাৰে। হৃদয়ে নিজৰ মনৰ ভিতৰত এক অপৰাধবোধ অনুভৱ কৰি আছিল। যেতিয়া ভাৱনাক কথাখিনি সি খুলি কৈছিল, ভাৱনাই তাক ক'লে— 'ঐ পণ্ডিত! ১২ লাখটকীয়া গাড়ীত উঠি ফুৰা তোৰ প্ৰাক্তন প্ৰেমিকাই সেই কথা কেতিয়াবাই পাহৰিলে। তোক তাইৰ কথা ভবাই তুলিবৰ বাবে অস্ত্ৰপাট প্ৰয়োগ কৰি থৈ গ'ল। শুন, তাই তোৰ দুখৰ স'তে সহবাস কৰিব কিয় নিশিকিলে, এবাৰ তই সুধি চাইছিলিনে? বাৰু তাইৰ তোৰ প্ৰতি থকা গভীৰ প্ৰেম মই তেতিয়াহে মানি ল'ম যেতিয়া তাই ক'ব পাৰিব যে তোৰ প্ৰেমৰ বাবে কেতিয়াও ১২ লাখটকীয়া গাড়ীখনত নুঠে।' সৰি পৰিছিল হৃদয় পৃথিৱীৰ মাটিত প্ৰথমবাৰৰ বাবে কল্পনাৰ সোণৰ সজাৰ পৰা।

এনেকুৱাই তাৰ বন্ধু ভাৱনা। তাই ক'লে—'ঐ শুন, পাৰ যদি আহ সহজ-সৰল মানুহ কাক বোলে চাবলৈ। মই য'ত আছোঁ, যিখন বিয়াত আছোঁ, সৰল আতিথ্যত মুগ্ধ হৈ তোৰ চকুপানী ওলাব। ইমান কৃত্ৰিমতাৰ যুগত, আধুনিক যুগত কি বিচিত্ৰ মানুহৰ সহজ-সৰল ৰূপ, য'ত হৃদয় ভৰে, চকু নভৰে। বুজিলি.....।'

ফোন লাইনটো কাটি গ'ল। হৃদয় গুচি আহিল কৃত্ৰিমতাৰ পৰা আৰু ভাৱনা বৈ গ'ল অকৃত্ৰিমতাৰ মাজত।

লাহে লাহে হৃদয় হেৰাই গ'ল ভাবৰ অনুৰণনত। ◆

*'সমাজতন্ত্ৰৰ কাৰণে আন্দোলন কৰা বিভিন্ন শোষিত শ্ৰেণীসমূহেও বিশেষকৈ মজুৰ শ্ৰেণীয়ে এইটো স্পষ্টভাবে উপলব্ধি কৰিব লাগিব যে শোষিত জনসাধাৰণৰ আধা অংশেই হ'ল নাৰী, তদুপৰি শোষক শ্ৰেণীসমূহৰ ঘৰে ঘৰে থকা নাৰীসকলৰো অধিকাংশেয়ে শোষিত হৈ আছে আৰু সুবিধাৰ অভাৱত বা চেতনাৰ অভাৱতহে তেওঁলোকে শোষণৰ বিৰুদ্ধে কোনো আন্দোলনতে আগবাঢ়ি আহিব পৰা নাই বা সক্ৰিয়ভাবে সহযোগ কৰিব পৰা নাই। তেওঁলোকে এইটোও উপলব্ধি কৰিব লাগিব যে এখন শোষণবিহীন সমাজ প্ৰতিষ্ঠা কৰাৰ অন্যতম কৰ্তব্য হ'ল সমাজৰ নাৰীসকলকো শোষণমুক্ত কৰা। নাৰীসকলক সমাজতন্ত্ৰৰ চেতনাৰে সচেতন কৰা আৰু সমাজতন্ত্ৰৰ আন্দোলনলৈ আকৃষ্ট কৰি তোলাটো সমাজতান্ত্ৰিক বিপ্লৱৰে এটা অপৰিহাৰ্য কৰ্তব্য।'*

*—সমাজ সভ্যতা আৰু নাৰী (উমা শৰ্মা)*



Scanned with CamScanner

# শেষ নিশাৰ পোহৰ

পাৰ্থপ্ৰতীম চৌধুৰী
স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিভাগ

অৰবিন্দ ৰাজখোৱা। পেছাত এজন শিক্ষক। পৰিয়াল বুলিবলৈ পত্নী মিনতি, বৃদ্ধা মাক আৰু একমাত্ৰ ল'ৰাটো। ল'ৰাটোৱে এইবাৰ হায়াৰ চেকেণ্ডাৰী ফাইনেল দিব। কিন্তু সি যেন তাৰ জীৱনটোৰ প্ৰতি অলপ বেছি অন্যমনস্ক। পঢ়াশুনাত প্ৰথমতে ভালেই আছিল। কিন্তু এতিয়া কলেজৰ কিতাপবোৰৰ লগত তাৰ ঘোৰ শত্ৰুতা। প্ৰতিটো মুহূৰ্ততে কিবা এক অনামী বেদনাই খুলি খুলি খায়। তাৰ শেঁতা পৰা মুখখনত, উজ্বল নয়নযুৰিত পূৰ্ণিমাৰ তৰাই উজলি থকা আকাশখনৰ দৰেই এশ এবুৰি সপোন। কিন্তু......

তাৰ দেউতাক খৰচী মানুহ। যিকেইটা দৰমহা পায় আত্মীয়-কুটুম্বক সহায় কৰোঁতে মাহৰ শেষলৈ হাঁহাকাৰ লাগে। মূৰ গুজি থাকিবলৈ দেউতাকে সজা এই ঘৰটো...... আচলতে দেউতাকে সজা বুলি ক'লে অন্যায় কৰা হ'ব। তাৰ মোমায়েকহঁতে এটা নতুন ঘৰ সাজিবলৈ ওলাইছিল। কাঠেৰে বন্ধা সাতামপুৰুষীয়া ঘৰটো ভাঙি এটা বিল্ডিং সাজিবলৈ তেওঁলোকে পুৰণি ঘৰটো ভাঙি দিছিল। এলাগী হৈ পৰি থকা দুৱাৰ-খিৰিকী, কাঠ, টিনখিনি যদি দৰকাৰ হয় তেন্তে ভনীয়েকক আনিবলৈ কৈছিল। মাকে কথাটো দেউতাকক ক'লে। দেউতাকে প্ৰথমতে মন কৰা নাছিল যদিও শেষত মাকৰ খেচ্‌খেচনিত বস্তুখিনি লৈ আহিছিল। কিন্তু ভেঞ্চাৰ স্কুলৰ শিক্ষক অৰবিন্দ ৰাজখোৱাই কিহেৰে ঘৰ সাজিব? অৱশেষত তেওঁৰ নামত থকা খেতি মাটিড'ৰাৰ অলপ বিক্ৰী কৰি ঘৰটো সাজিলে।

সেইবোৰ বহুত পুৰণি কথা। তাৰ হেনো তেতিয়া থুনুক-থানাক মাত ওলাইছিলহে। সেই ঘৰটোতে সি ডাঙৰ-দীঘল হ'ল। কিন্তু মেৰামতিৰ অভাৱত ঘৰটো এতিয়া জহি-পমি যাব লাগিছে। লগৰ ল'ৰাবোৰে যেতিয়া কলেজলৈ বাইক লৈ আহে তাৰ মনটো বিচলিত হৈ পৰে। দেউতাকক ক'ব খোজে 'মোকো বাইক এখন দে না দেউতা......' কিন্তু দেউতাকৰ পৰিস্থিতি বুজি মনৰ আশা মনতে সামৰি থয়। কেতিয়াবা নিজকে সান্ত্বনা দিয়ে— মোৰতো থাকিবলৈ ঘৰ এটা আছেই, কিন্তু সেই যে থাকিবলৈ ঘৰ নোহোৱা অ'ত-ত'ত পৰি থকা খোজনীয়াকেইজন...... সিহঁতে জানো কেতিয়াবা বাইকৰ সপোন দেখে? এসাজ ভাত, এডুখৰি কাপোৰৰ বাবে হাবাথুৰি খাই ফুৰা এই মানুহবোৰতকৈ মইতো বহুত সুখত আছোঁ।

তথাপিও অবুজন মনে বুজনি নেমানে। কেতিয়াবা নিজকে নিজে প্ৰশ্ন কৰে— এইটো জানো জীৱন হ'ল?....... মোৰোতো কেতিয়াবা মন যায় ৰঙীণ পৃথিৱীখনিৰ লগত খোজ মিলাই চলিবলৈ। কিন্তু এই শূন্যতাৰ মাজত মোৰ বাবেতো একোৱেই নেথাকে। কিয়....... কিয় এনে হয় মানুহৰ জীৱনত।

বিহু, পূজা আদিৰ লেখীয়া উৎসৱবোৰ আহিলে তাৰ মনটো মৰি যায়। লগৰবোৰে যেতিয়া কি কাপোৰ, কি জোতা লব সেইবোৰ কথা আলোচনা কৰে সি তেতিয়া এযোৰ কাপোৰ পাব নে নেপায় তাৰ চিন্তা কৰে। এযোৰ মনে বিচৰা কাপোৰ, লগৰীয়াবোৰৰ লগত উৎসৱৰ দিনত আনন্দ কৰিবলৈ কিছু টকা এইবোৰ তাৰ বাবে সপোনৰো অগোচৰ চিন্তা। কথাবোৰ ভাবি ভাবি তাৰ দুচকুৰে পানী বাগৰে।

কেতিয়াবা হৃদয়খন তাৰ গধুৰ হয়। তেতিয়া সি ঘৰৰ পিচফালেৰে বৈ যোৱা নৈখনৰ পাৰত আকাশ-পাতাল চিন্তা কৰি অকলশৰে বহি থাকে। নৈখন তেতিয়া তাৰ বৰ আপোন আপোন লাগে। ধৰাৰ বুকু কেতিয়া এন্ধাৰে ঢাকি ধৰে



Scanned with CamScanner

সি গমকে নাপায়। তাৰ মনৰ দুখবোৰৰ কথা চিঞৰি চিঞৰি ক'বলৈ মন যায় আকাশখনক, নৈখনক। কিন্তু নিজৰ কৰ্তব্যত মগ্ন হৈ থকা আকাশখনে আৰু নৈখনে তাৰ কথা কেতিয়াও নুশুনে।

অস্তগামী সূৰুযৰ ৰাঙলী আভা যেতিয়া নৈখনত পৰে তেতিয়া সি মুগ্ধভাবে সেই ৰঙবোৰলৈ চাই থাকে। ৰঙেৰে পৰিপূৰ্ণ ঢৌ খেলি থকা পানীৰ খলকনিত সি বিচাৰি পায় অন্য এখন পৃথিৱীৰ ঠিকনা। পাহৰি যায় মনৰ সমস্ত দুখ-চিন্তা। নৈৰ পাৰত থকা গছত বাহলৈ উভতি অহা চৰাইৰ কিচিৰ-মিচিৰ শব্দত সি অনুভৱ কৰে মই জীয়াই আছো......। এন্ধাৰৰ পাৰ ভাঙি সি ঘৰলৈ বাট পোনায় অক'মান পোহৰৰ সন্ধানত।

সন্ধিয়া পঢ়া টেবুলত বহি একেটাই মাথোঁ প্ৰশ্ন—এয়াই নেকি জীৱন? নৈখন, আকাশখন তাৰ প্ৰতি কিয় ইমান নিষ্ঠুৰ?..... নৈখনৰ দাঁতিত বহি আকাশলৈ চালে মইতো পাহৰি যাওঁ জীৱনৰ সকলো যন্ত্ৰণা, পাহৰি যাওঁ নোপোৱাৰ বেদনা? তেতিয়া ক'ত হেৰাই যায় মোৰ হতাশাবোৰ? সঁচাকৈয়ে নৈখন মোৰ প্ৰতি নিষ্ঠুৰ নে? নে মই বৰ স্বাৰ্থপৰ? নৈখনক, আকাশখনক মোৰ নিজৰ বেদনাবোৰ চিৰদিনৰ বাবে বিলাই দি কিয় মই ৰহচহীয়া পৃথিৱীৰ মাজত নিজকে মগ্ন কৰি ৰাখিব বিচাৰো?.......

কথাবোৰ ভাবি থাকোঁতে থাকোঁতে কেতিয়া যে নিশা দুপৰ হয় সি গমেই নাপায়। অৰ্থহীনভাবে খোল খাই থকা কিতাপখন জপাই লেম্পটো হাতত লৈ মাকে সাজি থৈ দিয়া ভাতসাজৰ কাষ পায়হি। কাঁহীৰ ওচৰতে থিয়কৈ থৈ দিয়া পীৰাখন পাৰি হাতখন ধুই সি ভাতৰ ঢাকনিখন গুচালে। খট্‌কৈ শব্দ এটা হ'ল। একে সময়তে সিটো কমত শুই থকা আইতাকৰ কাঁহৰ শব্দ আৰু তামোল খুন্দাৰ শব্দ শুনা গ'ল।

'অ' আইতা, তোৰ টোপনি অহা নাই নেকি?' সি আইতাকক মাত লগালে।

'কোন অ' বাপা, কোনে কি কৈছ?' তামোল খুন্দা বন্ধ কৰি আইতাকে সুধিলে।

'মইহে আইতা, বাপধন........ তই এতিয়ালৈ শোৱা নাই?'

'এ বাপা কিনো ক'ম। শুইছিলো— পিচে মাৰিবলৈ নজনা এইমৰ কাঁহটো এৰিয়েই নিদিয়া হৈছে দেখোন। সিপুৰীত গ'লেহে ৰক্ষা পাম কিজানি........ তই পঢ়ি আছিলি হ'বপায়, বাপা অ' ভালদৰে পঢ়.......' আইতাকে পুনৰ কাঁহিবলৈ ধৰিলে।

'অ' আইতা, পঢ়ি আছিলোঁ।' আইতাকক মিছা কথা কৈ তাৰ নিজকে দোষী যেন লাগিল। কিন্তু উপায় নাই।

কাঁহি কাঁহি আইতাকে ক'লে— 'দেউতাৰে বৰ কষ্ট কৰি তোক পঢ়ুৱাইছে অ' বাপা। তাৰ কষ্টৰ ধনখিনি অথলে যাব নিদিবি।'

'হ'বদে আইতা, এতিয়া শুই থাক।'

'ভাতকেইটা খোৱা শেষ হ'লে তইও শুই থাকিবি। বেছি দেৰিলৈ থাকিলে দেহাটোৱে কষ্ট পাব।'

তাৰ চকু দুটা চল্‌চলীয়া হ'ল। বুকুখনতও যেন বিষাদৰ শুলে বিন্ধিব ধৰিলে। আইতাকে এইকেইদিন কাঁহি আছে। কিন্তু মাহৰ শেষ। সি জানে দেউতাকৰ হাতত টকা নাই। সেয়েহে আইতাকলৈ ঔষধ আনিব পৰা নাই। গাঁৱৰ সমবায়ত চাউল দিয়া দুদিন পাৰ হৈ গ'ল। পইচাৰ অভাৱত দেউতাকে তাকো আনিব পৰা নাই।

দুগৰাহমান ভাত খোৱাৰ পিচত তাৰ আৰু ভাত গিলিবলৈ মন নোযোৱা হ'ল। মাকে কষ্ট কৰি বাঢ়ি থোৱা ভাতখিনিত দিওঁ নিদিওঁকৈ পানী ঢালি দি উঠি আহিল। বিচনাখনলৈ চকু ফুৰাই দেখিলে মাকে বিচনাখন আগতে ঠিক কৰি থৈ দিছিল। গাৰুটোত মূৰ থৈ সি চকু দুটি মুদিবলৈ যত্ন কৰিলে। নাই, কোনোমতে চকুযুৰি মুদ খাব নোখোজে। পুনৰ পোৱা-নোপোৱা আৰু হতাশাৰ গ্লানিয়ে হৃদয় ছানি ধৰিলে। কালিলৈ দেউতাকে সমবায়ৰ চাউলকেইটা উলিয়াব নোৱাৰিলে সিহঁতৰ টেকেলি কাটি হোৱাৰ দৰে হ'ব। মোৰ কথাটো মই নাভাবো, মই দুদিন নাখালেও শৰীৰ পৰি নাযায়। কিন্তু মা-দেউতা আৰু আইতাৰ কি হ'ব?......

আইতাকৰ কাঁহৰ শব্দই তাক পুনৰ ভবাই তুলিলে। আজিকালি আইতাকৰ গাত অলপ জ্বৰো থাকে। বয়সীয়া মানুহ, এনেদৰে জ্বৰ উঠি থকাটো একেবাৰে ভাল নহয়। .......আৰু মাৰ বিচনাৰ ওপৰৰ টিনত থকা ফুটাবোৰ........ টিনবোৰ যদি সলাই পেলোৱা নহয় অহাবাৰ বাৰিষাত ঘৰৰ ভিতৰতে জলজলী নদী বাগৰি যাব। দেউতাৰ পাথৰৰ বাবে কৰিব দিয়া অপাৰেচনটো....... সেইটোও পইচাৰ অভাৱত হোৱা নাই। আজিকালি বিষটোৰ বাবে কেতিয়াবা দেউতাই চিঞৰিও উঠে। আৰু বেচেৰী মাজনীয়ে উপায়বিহীন হৈ উচুপি থাকে। দেউতাক কেবাদিনো সুধিছিলো অপাৰেচনটো সোনকালে নকৰ কিয়? এটা কৃত্ৰিম হাঁহি মাৰি দেউতাই কৈছিল— 'টকা ক'ত পাম অ' বোপা? পৈত্ৰিক সম্পত্তি বুলি থকা সেই আধা বিঘা মাটি যদি বিক্ৰী কৰোঁ তেতিয়া তোলৈ কি থাকিব? ভগৱান আছে নহয়, তেওঁ নিশ্চয় আমাক ৰক্ষা কৰিব। আৰু যোগেন কবিৰাজৰ ঔষধ খাই আছো নহয়......। চব্ ঠিক হৈ যাব।' শেষলৈ দেউতাকৰ চকুৰ চাৰনিত এক অসহায়ৰ ভাব ফুটি উঠিল।



Scanned with CamScanner

যোগেন কবিৰাজ গাঁওখনৰ এজন পৰিচিত কবিৰাজ মানে কাঁহ, জ্বৰ আদিৰ ঔষধ দিয়ে। বিনিময়ত দুই-এটা টকা আৰু তামোল-পাণ এযোৰ পায়। কিন্তু তাৰ দেউতাকৰ অসুখ ডাঙৰ। ঔষধো জোৰদাৰ, গতিকে কুৰি টকা লাগে। প্ৰতি সপ্তাহতে ঔষধ দি কুৰি টকা লৈ যোৱাটো এটা যেন ব্যৱসায়ত পৰিণত হৈছে। যাবৰ সময়ত সি সদায় ভাষণ এটা দি যায়— 'তই চিন্তা নকৰিবি অৰবিন বাপু, মই কিমান ডাঙৰ ডাঙৰ বেমাৰ চিজিল কৰিছোঁ। তোৰ এইটো একো ডাঙৰ বেমাৰ নহয়। সেই যে মাধৱ কুমাৰৰ ল'ৰাটো......'

যোগেন কবিৰাজৰ কথা শুনি থাকিবলৈ তাৰ ধৈৰ্য নোহোৱা হৈ যায়। এনে লাগে কবিৰাজৰ পিচফালে ওলমি থকা টিকনিডালত ধৰি টানি ঘৰৰ পৰা আঁতৰাই পঠিয়াব। তাৰ শিক্ষক দেউতাকেও বুজি পায় অস্ত্ৰোপচাৰ নকৰাকৈ কবিৰাজী ঔষধেৰে তেওঁৰ বেমাৰ কেতিয়াও ভাল নহয়। কিন্তু তেওঁ অসহায়। সকলো জানিও আসন্ন মৃত্যুৰ বাবে প্ৰস্তুত হোৱাৰ বাহিৰে তেওঁৰ ওচৰত কোনো বিকল্প ৰাস্তা নাই।

.....উস্ কি কষ্টৰ এই জীৱন ! কিয় মই কাৰো বাবে একো কৰিব নোৱাৰোঁ ?..... কি লাভ হ'ব এনেদৰে থাকি ? সদা-হাস্যময়ী মাৰ মুখত আজিকালি হাঁহিৰ কোনো চিন-চাবেই নেদেখোঁ। মাৰ উজ্জ্বল চকুযুৰি আজি ম্লান হৈ পৰিছে। মাৰ এই অসহায় মুখখন দেখিলে মাৰ বুকুত মূৰ গুজি কান্দিবলৈ মন যায়। সমগ্ৰ পৃথিৱীকে মোৰ যন্ত্ৰণাৰ কথাবোৰ জনাবলৈ মন যায়।...... নাই...... মোক এটা উপায় লাগে....... এই যন্ত্ৰণাৰ পৰা চিৰ মুক্তি লাগে। ......... কেনেকৈ......... মুহূৰ্ততে মোৰ মনটো কঠিন হৈ গ'ল........। মই মোৰ জীৱনৰ চৰম সিদ্ধান্তটো ললো।

শেষ নিশা সি বিচনাৰ পৰা নামিল। সি সন্তৰ্পনে দেউতাকৰ বিচনাৰ কাষ পালে। সি দেউতাকৰ মুখলৈ চালে। এই অসহায় মানুহজনৰ শেঁতা শান্ত মুখখনিত কোনো শোকৰ বা বেজাৰৰ চিন-চাব নাই। টোপনিত লালকাল দি পৰি থকা দেউতাকৰ চৰণ স্পৰ্শ কৰি সি মাকৰ বিচনাৰ কাষ পালে। মাকলৈ চাই তাৰ দুচকুৰে পানী বৈ আহিল। মাকৰ চৰণ স্পৰ্শ কৰি সি মাকৰ কপালত আলফুলে হাত ফুৰাই দিলে। কেনেবাকৈ মাকে সাৰ পাব বুলি ভয় কৰি আহিব বিচাৰোঁতে তাৰ অনুভৱ হ'ল কোনোবাই যেন তাৰ কামিজটোত টানি ধৰিছে।....... ঘূৰি চাই দেখিলে টোপনিত লালকাল হৈ থকা মাকৰ এখন হাত তাৰ কামিজটোৰ ওপৰত। সি লাহেকৈ মাকৰ হাতখন আঁতৰাই থলে। তাৰ নয়নেৰে ধাৰাসাৰে চকুপানী বাগৰিব ধৰিলে.......।

'.......তই মোক যাবলৈ দে মা....... মই তোক একো সুখ দিব নোৱাৰিলো........' সি মনে মনে কৈ উঠিল। এইবাৰ সি আইতাকৰ কমলৈ গ'ল। কাঁহি কাঁহি ভাগৰি পৰা আইতাকে এতিয়া অলপ টোপনি গৈছে। সি পেণ্টৰ জেপত হাত ফুৰালে। দুটামান খুচুৰা পইচা পালে। আইতাকৰ তামোল থোৱা বটাখনত সেইকেইটা থৈ সি তেওঁৰ চৰণ স্পৰ্শ কৰিলে।

'তই মোক ক্ষমা কৰি দিবি দেই আইতা। মই তইঁত কাৰো বাবেই একো কৰিব নোৱাৰিলোঁ।'

দুৱাৰখন মেলি সি চোতাল পালেহি। বাহিৰত শেষ নিশাৰ শেঁতা জোন। নিস্তব্ধ পৃথিৱীখনও তাৰ দৰে অকলশৰীয়া হৈ আছে। সি নদীলৈ যোৱা ৰাস্তাৰে আগবাঢ়িল। এজাক চেঁচা বতাহ তাৰ শৰীৰৰ ওপৰেৰে পাৰ হৈ গ'ল। কিছুদূৰ আগবাঢ়োতে তাৰ মূৰৰ ওপৰেৰে এজাক চৰাই কল্-কলাই উৰি গ'ল। সি উচপ্ খাই ওপৰলৈ চাব খোজোঁতে কিহবাত উজুটি খাই হামকুৰি খাই পৰিল। একে সময়তে ওচৰৰ মছ্জিদৰ পৰা পুৱাৰ আজানৰ শব্দ ভাঁহি আহিল......।

মুহূৰ্ততে মই বাস্তৱলৈ ঘূৰি আহিলোঁ। ছিঃ ছিঃ এয়া মই কি কৰিবলৈ ওলাইছিলোঁ ! নিজকে যন্ত্ৰণাৰ পৰা মুক্ত কৰিবলৈ আৰু কিমান লোকক যন্ত্ৰণাৰ অপাৰ সাগৰত পেলাবলৈ ধৰিছিলোঁ! .......জীৱন যুঁজত হাৰ নমনা দেউতাৰ সন্তান হৈও মই কিয় এনেদৰে হাৰ মানিম....... নাই নাই, মই সংগ্ৰাম কৰিম। দেউতাৰ অপাৰেচনৰ বাবে যিকোনো কাম কৰি হ'লেও মই পইচা গোটামেই। মাৰ মুখত পুনৰ হাঁহি বিৰিঙাবলৈ মই চেষ্টা কৰিবই লাগিব। ভৰিৰ বুঢ়া আঙুলিৰে হো হোৱাই তেজ বৈ গৈ আছে। মই তাত জোৰেৰে টিপা মাৰি ধৰি দৃঢ় প্ৰতিজ্ঞ হ'লোঁ। ◆

*'মই শিল্পী হৈ সংঘাতৰ কথা কওঁ, বিপ্লৱৰ কথা কওঁ, সংগ্ৰামৰ কথা কওঁ। সপোন দেখি ছবি আঁকি থকা শিল্পীৰে আজি আমাৰ কাম নহয়— আজি নিজৰ তেজেৰে পুৱাৰ ৰঙাবেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।'*

*—জ্যোতিপ্ৰসাদ আগৰৱালা*

# প্ৰতিদান




আফজালুৰ ৰহমান
স্নাতক তৃতীয় ষাণ্মাসিক, শিক্ষা বিভাগ


**যোৱা** কিছুদিনৰ পৰা ৰোহিত বৰ চিন্তিত হৈ আছে। ক'তো মন বহুৱাব পৰা নাই। তাৰ দেউতাকৰ হাৰ্টৰ অসুখ। কেইদিনমান আগতে উশাহ-নিশাহত কষ্ট পোৱা বাবে দেউতাকক চেক-আপৰ বাবে ডাক্তৰৰ ওচৰলৈ লৈ গৈছিল। চেক-আপৰ পিচত ডাক্তৰৰ গহীন-গম্ভীৰ মুখখন দেখি ৰোহিতৰ সন্দেহ হৈছিল। ডাক্তৰে 'সব ঠিকে আছে' বুলি প্ৰেচক্ৰিপচন লিখিছিল। আহিবৰ সময়ত ডাক্তৰে ৰোহিতক পিচত এবাৰ লগ ধৰিবলৈ পৰামৰ্শ দিছিল।

ডাক্তৰৰ পৰামৰ্শ অনুসৰি ৰোহিতে তেওঁৰ ওচৰ পাইছিল। ডাক্তৰে কৈছিল আচলতে ৰোহিতৰ দেউতাকৰ হাৰ্টৰ অৱস্থা একেবাৰে ভাল নহয়। তেওঁ যেন কোনো টেনচন পাবলগীয়া নহয়। মনৰ ওপৰত ক্ৰিয়া কৰিব পৰা কোনো ঘটনাৰ যেন সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবেও ডাক্তৰে সাৱধান কৰি দিলে।

ভগ্ন মনেৰে ৰোহিত উভতি আহিল। কাৰ আগত কৈ সি তাৰ মনৰ দুখ পাতলাব? মাক বা ভনীয়েকে এইবোৰ কথা জানিলে হিতে বিপৰীত হ'বগৈ। সৰু ভায়েক অমিতকো এইবোৰ কথা ক'ব নোৱাৰি। শেষত তাৰ অন্তৰংগ বন্ধু অমলক কথাবোৰ ক'বলৈ ঠিক কৰিলে। ৰোহিত আৰু অমল একেখন গাঁৱৰে ল'ৰা। দুয়ো একেলগে ডাঙৰ-দীঘল হৈছে। নৈত সাঁতোৰা, পথাৰত খেলা, স্কুললৈ যোৱা— আটাইবোৰ কাম একেলগে কৰি দুয়ো শৈশৱ-কৈশোৰ অতিক্ৰম কৰিছে। ৰোহিতৰ মাক-দেউতাকেও অমলক নিজৰ সন্তানৰ দৰে ভাবে।

ৰোহিত আৰু অমলৰ বন্ধুত্বক অমলৰ মাক-দেউতাকেও স্বীকৃতি দিছে। তেওঁলোকেও ৰোহিতক নিজৰ সন্তানৰ দৰে ভাবে। প্ৰয়োজন হ'লেই দুয়োকে একেধৰণৰ উপদেশ দিয়ে। বিহুৰে-সবাহে ইঘৰে আনঘৰলৈ গৈ আনন্দ কৰে।

নদীৰ পাৰত বহি ৰোহিতে অমলক সকলো কথা ক'লে। ৰোহিতৰ কথা শুনি অমলো চিন্তিত হ'ল। 'এতিয়া আমি অতি সাৱধানেৰে থাকিব লাগিব, খুড়াদেৱে যাতে কোনো কথাতে আঘাত নাপায় তালৈ অহৰ্নিশে চকুদিব লাগিব।' অমলে ক'লে।

'হঠাৎ এইবোৰ কি হৈ গ'ল অমল......' ৰোহিতৰ চকুত চকুপানী বিৰিঙি উঠিল। অমলে ৰোহিতক মৰমৰ ধমকি দিলে।



Scanned with CamScanner

'মানুহৰ জীৱনত ঘাত-প্ৰতিঘাত থাকেই। তাতে ইমান ভাগি পৰিলে নহ'ব' অমলে ক'লে। মুহূৰ্ত্ততে সি যেন এক দায়িত্বশীল ব্যক্তিলৈ পৰিৱৰ্তন হ'ল। সূৰ্যাস্তৰ সৌন্দৰ্য চাই দুয়ো বন্ধু ঘৰলৈ উভতি আহিল।

আজি দেওবাৰ। ৰোহিতহঁতৰ কলেজ বন্ধ। ঘৰত থাকি ভাল নলগা বাবে ৰোহিত অমলহঁতৰ ঘৰলৈ গ'ল। অমল ঘৰত নাই। কিবা কামত অলপ ওলাই গৈছে। সোনকালে উভতি আহিব। ৰোহিত অমলৰ কোঠালৈ গ'ল। অমলৰ ভনীয়েক সোণালীয়ে কোঠাটো চাফা কৰি আছিল। ৰোহিতক দেখি সোণালীৰ মনটো কিবা অনিৰ্বচনীয় আনন্দত উথলি উঠিল। ৰোহিতক বহিবলৈ দি তাই কোঠাটোত উচ্‌পিচাবলৈ ধৰিলে। একো বুজিব নোৱাৰি ৰোহিতে তাইৰ মুখলৈ চাই কিবা ক'বা নেকি বুলি সুধিলে।

'নাই..... মই...... মই মানে..... ৰোহিত দা......' সোণালীয়ে সেপ ঢুকি ঢুকি কিবা ক'ব বিচাৰিলে। ৰোহিত আচৰিত হ'ল। এয়াতো সি সদায় দেখি থকা চট্‌ফটীয়া সোণালী নহয়। এয়া যেন কোনোবা বেলেগ সোণালী। তাই কি ক'বলৈ বিচাৰিছে সি একো ধৰিব নোৱাৰিলে।

'কি হ'ল সোণালী, ঘৰত কোনোবাই কিবা গালি পাৰিছে নেকি?' ৰোহিতে সুধিলে।

সোণালীয়ে কিছুসময় একো নামাতিলে। তাইৰ সেন্দুৰ বৰণ লোৱা মুখনি ঘামেৰে তিতি গৈছে। 'মই...... মই তোমাক খুব ভাল পাওঁ ৰোহিত দা, মই......' সোণালীয়ে উত্তৰলৈ অপেক্ষা নকৰি কোঠাটোৰ পৰা ওলাই আহিবলৈ বিচাৰিলে......। ৰোহিতে থাপ্ মাৰি তাইক হাতত ধৰি টানি আনি চকীখনত বহুৱাই দিলে। বিচনাত পৰি থকা গামোচাখনেৰে তাইক মুখমণ্ডল মচিবলৈ দি তীব্ৰভাৱে তাইলৈ চালে। তাৰ পিচত শান্তভাৱে ক'লে— 'তই এইবোৰ কথা কিয় মনলৈ আনিছ সোণালী? তোক মই সদায়ে পৰা দেখিছোঁ, নিজৰ ভনীৰ দৰে ভাবিছোঁ। এইখন ঘৰৰ লগত মোৰ যি সম্বন্ধ সেই সম্বন্ধক আমি এনেদৰে অপমান কৰিলে কোনেও আমাক ক্ষমা নকৰে। অমল আৰু মোৰ মাজত যি বন্ধুত্ব আৰু ভাতৃত্বৰ বান্ধোন সেই বান্ধোন বহুত মজবুত.....।'

'কিন্তু কেতিয়াবা দাদাই যদি মালতীৰ লগত প্ৰেম কৰে তেতিয়া.....' ৰোহিতৰ কথা শেষ নৌহওঁতেই সোণালীয়ে প্ৰশ্ন কৰিলে।

'অসম্ভৱ...... অমলে কেতিয়াও এনেকুৱা কাম নকৰে। সি মোৰ বন্ধু, তাক মই ভালদৰে জানো। সি আমাৰ বন্ধুত্বক কেতিয়াও বিশ্বাসঘাতকতা নকৰে। ভৱিষ্যতে আৰু যদি কেতিয়াবা মোক ভালপাওঁ বুলি ক'ব তেতিয়াহ'লে মই আৰু কেতিয়াও এই ঘৰলৈ নাহোঁ।'

এনেতে অমল কোঠাটোত সোমাল। 'কি অ' তহঁত দুয়ো কি কথা পাতি আছ? এই ভনীটি, যা, আমাৰ দুয়োৰে বাবে দুকাপ ভালকৈ চাহ কৰি লৈ আহ।' ককায়েকৰ কথা শুনি সোণালী নিৰৱে কোঠাটোৰ পৰা ওলাই গ'ল। ৰোহিতে কোৱা শেষৰ কথাখিনি অমলে দুৱাৰমুখৰ পৰা শুনি আছিল। সি এই বিষয়ে ৰোহিতক একো নুসুধিলে। দুয়ো নিজৰ কথাত মচগুল হৈ পৰিল।

সময়বোৰ পাৰ হৈ যাবলৈ ধৰিলে। ৰোহিত আৰু অমলে ডিগ্ৰীৰ ফাইনেল পৰীক্ষা দিলে। এদিন দুয়ো বন্ধুৱে কেৰম খেলি থাকোঁতে ৰোহিতৰ দেউতাক সিহঁতৰ কাষলৈ আহিল। খেল বন্ধ কৰি দুয়ো তেওঁৰ মুখলৈ চালে। কোনো পাতনি নেমেলাকৈ তেওঁ সিহঁতক ক'লে—'কাইলৈ মালতীক চাবলৈ মানুহ আহিব। ল'ৰা সম্বন্ধে যি খবৰ কৰিব লাগে সকলো মই কৰিছোঁ। আমাৰ চিন্তা কৰিবলগীয়া একো নাই। তহঁতে যি যি বস্তু কিনিব লাগিব মই এয়া লিষ্ট কৰি দিছোঁ। আৰু যদি কিবা লাগে তেন্তে তহঁতে হিচাপ কৰি আনিবি। দুয়ো মিলি বজাৰখিনি কৰি আন।'

'হ'ব দেউতা, তুমি কোনো চিন্তা কৰিব নালাগে। আমি দুয়ো যি যি কৰিব লাগে সব কৰিম, নহয়নে অমল?' ৰোহিতে উৎসাহেৰে ক'লে।

'ওঁ'— অমলে লাহেকৈ শলাগিলে।

মালতী দেখাই-শুনাই শুৱনি ছোৱালী। দৰাঘৰৰ মানুহে তাইক দেখিয়েই পচন্দ কৰিলে। তেওঁলোকে বিয়াৰ দিন-তাৰিখ ঠিক কৰিবলৈ কইনাঘৰক তেওঁলোকৰ ঘৰলৈ মাতিলে। দৰাঘৰলৈ দিন ঠিক কৰিবলৈ যোৱাৰ আগতে দেউতাকে মালতীক ক'লে'—'চা আইজনী, মই বেমাৰী মানুহ। উপযুক্ত ল'ৰা এজনলৈ তোক দিব পাৰিলে মই শান্তি পাম। কিন্তু তোৰ অমতত মই একো নকৰোঁ। এই বিয়াত তোৰ কিবা আপত্তি আছে যদি কৈ দে।'

মালতীয়ে ক্ষন্তেক নিৰৱে থাকি ক'লে—'নাই দেউতা, তোমালোকে ভাল দেখিছা যেতিয়া মই আৰু কি ক'ম।'

অতি সোনকালে বিয়াৰ তাৰিখ ঠিক হ'ল। ৰোহিতৰ ব্যস্ততাৰ অন্ত নোহোৱা হ'ল। ঘৰৰ প্ৰথম বিয়া। সি দেউতাকক কোনো চিন্তাত নেপেলোৱাকৈ কাম কৰিব লাগিব। অমলকো কৈ দিছে এইকেইদিন তাৰ সব বন্ধ। অমলক সকলো বুজাই দি ৰোহিত কেইদিনমানৰ বাবে মানুহ মাতিবলৈ গ'ল। সি জানে অমলে সি ভবাতকৈও বেছি ভালকৈ কামবোৰ কৰিব। 'অমল নহ'লে মই যে কি কৰিলোহেঁতেন— ৰোহিতে মনে

মনে ভাবিলে।

বিয়াৰ দুদিনমান আগৰে পৰা আত্মীয়-কুটুম্ব আহি ঘৰ ভৰি পৰিল। জোৰোণ, তামোলখোৱা আদি ৰাইজৰ উপস্থিতিত সুকলমে শেষ হ'ল। দুয়ো বন্ধুৱে কাকো একো খুঁত ধৰিবলৈ সুৰুঙা নিদিলে। ৰোহিতে অমলক সাবটি ধৰি ক'লে— 'পৃথিবীত সকলো বন্ধু তোৰ দৰেই হওক অমল। জনমে জনমে আমি দুয়ো যেন এনেদৰে বন্ধুৱেই হৈ থাকোঁ।

নিশা দৰা আহি পোৱাৰ লগে লগে ফটকা, আতচবাজী আদিৰে চৌদিশ মুখৰিত হৈ পৰিল। আয়তীসকলে উৰুলি ধ্বনিৰে দৰা আদৰিবলৈ গ'ল। ইমান সময়ে মালতীৰ লগত যেমালি কৰি থকা বান্ধৱীসকলেও দৰা চাবলৈ লৰ্ দিলে।

দৰা আহি সুন্দৰকৈ সজাই থোৱা ৰভাতলীত বহিল। হাঁহি-খিকিন্দালি কৰি ছোৱালীবোৰ পুনৰ আহি মালতীৰ কাষ পালে..... কিন্তু মালতী কোঠাত নাই। বাহিৰলৈ গ'ল বুলি আটায়ে ইফালে-সিফালে চালে। কিন্তু নাই..... মালতী ক'তো নাই। মাকে দৰাঘৰৰ লগত ব্যস্ত হৈ থকা ৰোহিতক টানি আনি কথাটো ক'লে— 'তই কিবা এটা কৰ বোপাই, মালতীক ক'তো বিচাৰি পোৱা নাই।' ৰোহিতৰ মূৰত যেন আকাশী সৰগ ভাগি পৰিল। সি চাৰিওফালে মালতীক বিচাৰিবলৈ ধৰিলে।

কথা বুলিলেই বতাহ। ইকাণ-সিকাণকৈ কইনা নোহোৱা খবৰটো চাৰিওফালে বিয়পি পৰিল। আটায়ে নানা কুৎসা ৰটনা কৰিবলৈ ধৰিলে। চৰম অপমানৰ সন্মুখীন হৈ দৰাঘৰৰ মানুহবোৰে দৰাক লৈ উভতি গ'ল। মুহূৰ্ততে গোটেই পৰিৱেশটো মৰিশালিলৈ ৰূপান্তৰিত হ'ল।

খবৰটো শুনাৰ লগে লগে ৰোহিতৰ দেউতাকৰ হাৰ্ট এটেক হ'ল। ৰোহিতে এক মুহূৰ্তও পলম নকৰি দেউতাকক মেডিকেললৈ লৈ গ'ল। মেডিকেলত যাৱতীয় আনুষ্ঠানিকতা সম্পন্ন কৰি ৰোহিত থানালৈ গ'ল। সি থানাত সকলো কথা কৈ ভনীয়েকক বিচাৰি উলিয়াবলৈ অনুৰোধ জনালে। থানাৰ পৰা ৰোহিতে কেবাবাৰো অমললৈ ফোন কৰিলে। কিন্তু অমলৰ মোবাইলৰ চুইচ অফ্ পালে। উপায়বিহীন হৈ ৰোহিত ভগ্ন মনেৰে থানাৰ পৰা ওলাই আহিল.....।

..... অলপ দূৰ আগবাঢ়ি অহাৰ পিচতে এখন বাইক আহি ৰোহিতৰ কাষত ৰ'ল। বাইকত সি অমলৰ সৈতে মালতীক দেখা পালে। মুহূৰ্তৰ বাবে তাৰ মনটোৱে যেন অলপ সকাহ পালে।

'ক'ত পালি অমল..... ক'লৈ গৈছিল এই....?' ৰোহিতে উদ্বিগ্নতাৰে সুধিলে।

'তই মোক ক্ষমা কৰি দে ৰোহিত। মোৰ বৰ ভুল হৈ গ'ল। মই যে মালতীক ভাল পাওঁ তোক কওঁ কওঁ বুলিও ক'ব নোৱাৰিলো। সেয়ে অৱশেষত মই তাইক লৈ গ'লো।'

'কি ক'লি অমল.....! তই এইবোৰ কৰিলি? ছিঃ ছিঃ আমাৰ বন্ধুত্বৰ এই প্ৰতিদান দিলি......! তোক কোনেও ক্ষমা নকৰে তোক.....' প্ৰচণ্ড খণ্ডত ৰ'ব নোৱাৰি ৰোহিতে অমলৰ গাত হাত উঠালে। মালতীয়ে দৌৰ মাৰি দুয়োৰে মাজত সোমাবলৈ যত্ন কৰিলে।

এনেতে পুলিচ এজন আহি সিহঁতৰ কাষ পালে। পুলিচজনে 'ৰাস্তাৰ মাজতে আপোনালোকে কি বলিয়ালি কৰিছে' বুলি দুয়োকে আঁতৰাই দিলে। তেওঁ ৰোহিতৰ হাতত তাৰ মোবাইলটো দি ক'লে— 'আপুনি মোবাইলটো থানাত এৰি আহিছিল। হাস্পাতালৰ পৰা ফোন আহিছে, আপুনি এইমাত্ৰ তালৈকে যাওঁক।'

হাস্পাতালত সোমাইয়ে ৰোহিতে মাকৰ কান্দোন শুনিলে। কি হৈছে সি লগে লগে বুজি পালে। বগা কাপোৰেৰে ঢাকি থোৱা দেউতাকৰ মৃতদেহটোৰ ওপৰত মূৰ থৈ সি উচুপি উঠিল। অমল আৰু মালতীয়ে এবাৰ দেউতাকৰ মুখখন চাব বিচাৰিলে। ৰোহিত গৰজি উঠিল— 'মোৰ দেউতাৰ হত্যাকাৰী হৈ তহঁতে কি সাহসত ইয়ালৈ আহিছ? আৰু যদি কেতিয়াবা আমাৰ ওচৰলৈ আহ তেন্তে আমাৰ আটাইৰে মৰা মুখ দেখা পাবি।'

কান্দি কান্দিয়েই দুয়ো আহি অমলহঁতৰ ঘৰ পালে। সিহঁতক দেখি ভনীয়েক সোণালীয়ে তাচ্ছিল্যৰ সুৰত ক'লে— 'বাঃ দাদা বাঃ! তই আজি যি কলংক সানিলি তাৰ বাবে তোক মা-দেউতাই কেতিয়াও ক্ষমা নকৰে। মইও ৰোহিতদাক ভাল পাইছিলোঁ। কিন্তু তেওঁ তহঁতৰ বন্ধুত্বৰ বাবে এই ভালপোৱা প্ৰত্যাখান কৰিছিল। আৰু তই.....' সোণালীৰ চকুত চকুপানী বিৰিঙিল।

অমলৰ মাক-দেউতাকেও প্ৰতাৰক পুত্ৰৰ মুখ নাচাওঁ বুলি দুয়োকে গুচি যাবলৈ আদেশ দিলে। অমল আৰু মালতী ওলাই আহিল এক অনিশ্চিত ভৱিষ্যত বুকুত বান্ধি......। ◆

*'প্ৰতিভা বিকশিত আৰু বিস্তাৰিত হ'বৰ বাবে কিছুমান বিশেষ উপাদানৰ প্ৰয়োজন হয়। জন্মগত প্ৰতিভা কোনে ক'ত লাভ কৰে ক'ব নোৱাৰি। কিন্তু সেই প্ৰতিভাৰ তীক্ষ্ণতা আৰু গভীৰতা বৃদ্ধি বাবে ৰ'দ আৰু বতাহৰ দৰে কিছুমান বাহিৰা কাৰকৰো প্ৰয়োজন হয়। প্ৰথমেই আহে পৰিৱেশৰ কথা। পৰিৱেশে প্ৰতিভা বিকশাবও পাৰে, বিনষ্ট কৰিবও পাৰে।'*

*—ড° কৰবী ডেকা হাজৰিকা*



Scanned with CamScanner

# অনুভৱ তোমাৰ বাবে

ৰাতুল কলিতা
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ



'ৰিতু তই আজি কলেজলৈ নগ'লে নহয় নে?'

মাকৰ প্ৰশ্নত ৰিতুৱে সুধিলে— 'কিয় মা?'

'কিয় মানে? তই কলেজৰ পোছাক পিন্ধি থকাৰ বাবে সুধিছো !'

'নহয় ও মা, বজাৰলৈ মিঠাই আনিবলৈ যাওঁতে এবাৰ কলেজত সোমাই যাম। সেই কাৰণে পিন্ধিলোঁ।'

ৰিতুই দাপোণত নিজৰ মুখখন চাই ল'লে। আজি বহুত দিনৰ মূৰত মেঘালী বাইদেউ কলেজলৈ আহিব। যোৱা এমাহ ধৰি তেখেত অসুস্থ আছিল বাবেই ছুটীত আছিল। কালি ৰিতুই ফোন কৰোঁতে গম পালে তেখেত আজি কলেজলৈ আহিব। ৰিতুৰ মনটো আনন্দত উঠলি উঠিল। মিচ কৰি আছে মেঘালী বাইদেউক, বাইদেউৰ ক্লাছবোৰক। মেঘালী বাইদেউক এবাৰ লগ কৰি যাবলৈয়েই সি কলেজৰ পোচাকযোৰ পিন্ধি লৈছে।

এটা সময়ত ৰিতু কলেজ পালেহি। বকুলজোপাৰ তলত সি অলপ জিৰালে। এই বকুলজোপাৰ তলতেই ৰিতুই প্ৰথম লগ পাইছিল তাৰ অতিকৈ প্ৰিয় মেঘালী বাইদেউক। ৰিক্সাৰ পৰা নামি বেগাই আহি আছিল মেঘালী দত্ত। মুখত এটা মিঠা হাঁহি। এখন নিৰহংকাৰী মুখত শিশুৰ দৰে সহজ-সৰল এটি মন। প্ৰথম দেখিয়ে কিবা এটা ভাল লাগি যোৱা, সেই ভাল লগাটোৰ নাম কি ৰিতুই নাজানে। মাথোঁ বৈ থাকে বুকুৰ মাজত। এই ভাল লগাটো হৃদয়ত কুৰুকি কুৰুকি গভীৰৰ পৰা গভীৰলৈ সোমাই গ'ল যেতিয়া তেখেতৰ ক্লাছবোৰ কৰিবলৈ ল'লে। মেঘালী বাইদেউৰ ক্লাছ ৰিতুই হায়াৰ ছেকেণ্ডাৰী প্ৰথম বৰ্ষৰ পৰাই পাইছে। সি এদিনো তেখেতৰ ক্লাছ ক্ষতি কৰা নাই। কেতিয়াবা তেখেতৰ ক্লাছ নহ'লে ৰিতুৰ বুকুত এক শূন্যতাই বিৰাজ কৰে। তাৰ এনে লাগে— আজি কলেজলৈ নহা হ'লেই ভাল আছিল। এনেদৰে সি হায়াৰ ছেকেণ্ডাৰী ফাইনেল পৰীক্ষা পাছ কৰি মেঘালী বাইদেউৰ বিষয়টোতে মেজৰ ললে। সঁচা কথা ক'বলৈ গ'লে ৰিতুই কেৱল মেঘালী বাইদেউক বেছি ওচৰৰ পৰা পোৱাৰ আশাত সেই বিষয়টোত মেজৰ ললে।



Scanned with CamScanner

ৰিতুই হাতৰ ঘড়ীটোলৈ চালে। এটা নিৰ্দিষ্ট সময়ত বাইদেউ সদায় আহে কলেজলৈ। ৰিতুই জানে সময়টো। বাইদেউ অহাৰ আধাঘণ্টামান আগতে সি বৈ আছিল বকুলৰ তলত। তাৰ বাইদেৱেকৰ আজি বিয়াৰ তাৰিখ ঠিক কৰিব। সি মিঠাই নিবলৈ আহি কলেজৰ বকুলৰ তলত বৈ আছে। তাক দেখি একে ক্লাছৰে পিংকী, ৰবযা আৰু মৃদুলাই হাঁহি হাঁহি আহি তাৰ কাষ পালে।

'এই ৰিতু, ইয়াত কি কৰি আছনো? তইতো আজি কলেজলৈ অহাৰ কথা নাছিল ! আজি বাইদেৱেৰাৰ বিয়াৰ তাৰিখ নল'ব জানো?'— পিংকীয়ে ক'লে !

ৰিতুই পিংকীৰ চকুলৈ চাই হাঁহি মাৰি ক'লে— 'বন্ধু এজন লগ কৰিব আহিছো অ'।'

পিংকীৰ ভাল লাগে ৰিতুৰ বন্ধুত্ব। ৰিতুৱেও জানে সকলোবোৰ বন্ধু-বান্ধবীতকৈ পিংকীয়ে ৰিতুৰ সংগ বেছি ভাল পায়। তথাপিও সি তাৰ হৃদয়ত আন ছোৱালীক স্থান দিব পৰা নাই। তাৰ কোমল হৃদয়খনত দুগৰাকী নাৰীৰ প্ৰভাৱ অসীম। এগৰাকী তাৰ মাক আৰু আনগৰাকী মেঘালী বাইদেৱেক। পিংকীহঁতৰ লগত কথা পাতি থাকোঁতে ৰিতুৰ চকুত পৰিল মেঘালী বাইদেউ আহি আছে 'বাইক'ত। ৰিতুৰ বুকুখন দুৰু-দুৰুকৈ কঁপি উঠিল। বহুত দিনৰ মূৰত বাইদেউক দেখি তাৰ মনটো ভালৰ লগতে বেয়াও লাগিল। কাৰণ বাইদেউৰ হাঁহিভৰা মুখখন কিছু পৰিমাণে ম্লান পৰি গৈছে, বাইদেউ ক্ষীণাইছেও আৰু কিছু গহীন লাগিছে বাইদেউক। ৰিতুৱে বাইদেউক জানে, বুজি পায়। এবুকু নিৰাশাত আশা বিচাৰি বাইদেৱে কৰি থকা সংগ্ৰাম সি গভীৰভাৱে উপলব্ধি কৰে। সি জানে বাইদেউৰ জীৱনটো সুখৰ সেন্দুৰীয়া আলি নহয়। অথচ বুকুৰ ভিতৰত বিষাদবোৰ ঢাকি ৰাখি হাঁহিৰে সুন্দৰভাৱে জীৱন-যাপন কৰি আছে।

সি মেঘালী বাইদেউলৈ চাই ৰ'ল......।

ৰবযাই ক'লে— 'এই মৃদুলা, সেয়া বাইদেউ আহিছে। আমাৰ ক্লাছটো ল'ব।'

ৰিতুৰ বুকুখন চিৰিংকৈ গ'ল। সি ভাবিলে ক্লাছটো কৰোৱেই নেকি ! তাৰ মাকলৈ মনত পৰিল— মাৰ চাগে' খং উঠিছে মোলৈ।

মেঘালী বাইদেউৰ বাইক বৈ গ'ল বকুল তলত। ৰিতুৱে এবাৰ বাইদেউলৈ চাই বাইক চলোৱা ল'ৰাজনলৈ চালে। ৰিতুৰ কিয় জানো ঈৰ্ষা হ'ল ল'ৰাজনলৈ। তাৰো মন যায় বাইদেউক বাইকত উঠাই ক্লাছলৈ অনা-নিয়া কৰিবলৈ।

বাইদেৱে বাইকৰ পৰা নামিয়েই ৰিতুলৈ চাই হাঁহি মাৰি সুধিলে— 'তোমালোক ভালে আছানে? ক্লাছবোৰ হৈ আছে নে নাই?'

ৰিতুৰ মুখৰ পৰা এটাও শব্দ নোলাল। মাথোঁ সি চাই ৰ'ল......। এনেতে তাৰ মোবাইল ফোনৰ ৰিংট'ন বাজি উঠিল। মাকৰ ফোনটো সি ৰিচিভ্ কৰি ক'লে— '১৫ মিনিটৰ ভিতৰত গৈ আছোঁ।'

সি মেঘালী বাইদেউক দেখি ঠিৰাং কৰিলে ক্লাছ সি কৰিবই। লগৰ বন্ধু এজনৰ দ্বাৰা ঘৰত মিঠাইখিনি দিয়াৰ ব্যৱস্থা কৰি ৰিতু ক্লাছলৈ গ'ল।

মেঘালী দত্তই সিদিনা ক্লাছ নকৰিলে। ৰিতুক মাতি ক'লে— 'তুমি মোক ঘৰত থৈ আহিব পাৰিবানে?'

ৰিতুই নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰিলে। সি সঁচাই শুনিছেনে বাইদেউৰ কথাষাৰ নে ভ্ৰমৰ পৰাই সৃষ্টি হ'ল........। নাই, বাইদেউ তাৰ নিজৰ কাষতে থিয় হৈ আছে উত্তৰৰ অপেক্ষাত।

'হ'ব বাইদেউ, আপুনি ওলাই আহক' বুলি ৰিতুই একেজাপে তাৰ বাইকৰ ওচৰ পালেগৈ।

ৰিতুৰ বাইকৰ পিচত তাৰ অতিকৈ প্ৰিয় মেঘালী বাইদেউ— সি গৈ থাকিল বাইদেউক লৈ। তাৰ মোবাইলত ৰিংট'ন বাজি উঠিল— অনুৰাগ তোমাৰ বাবে, অনুভৱ তোমাৰ বাবে........। ৰিতুৰ মাকৰ ফোন। ◆

*'অসমৰ যি কৃষ্টি-সংস্কৃতি আছে তাক সংৰক্ষিত কৰিব লাগিব, যি নতুন আহিছে তাকে অসমীয়া ঠাঁচত ভালকৈ সজাই পৰাই গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়াৰ কৃষ্টি, সংস্কৃতি আৰু সভ্যতাই পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচিব।'*

*—বিষ্ণুপ্ৰসাদ ৰাভা*



Scanned with CamScanner

# ঘাত-প্ৰতিঘাত

**ধনঞ্জয় বৰ্মন**
**স্নাতক প্ৰথম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ**

ভৰ বাৰিষাৰ দিন। পূবালি বতাহ বলিছে। বতাহৰ ছেৱে ছেৱে পালতৰা নাওবোৰ লানি পাতি গৈছে। আকাশ মেঘেৰে ঢকা। কেইবাদিনো ধৰি সূৰ্যদেৱে চকু মেলা নাই। যোৱা চাৰি-পাঁচ দিন ধৰি ধাৰাসাৰ বৰষুণ পৰি আছে। বৰষুণৰ ফলত বাৰিষাৰ পানী ওফন্দি উঠি গাঁৱৰ পকী ৰাস্তাৰ ওপৰেৰে বাগৰি গৈছে। পকী ৰাস্তাৰ দাঁতিতে এটা ধুনীয়া পকী ঘৰ। বানপানীৰ ঢৌৱে ঘৰৰ বেৰবোৰ কোবাইছে। চোতালতো চপ্‌চপীয়া পানী। ঘৰখনৰ চোতালত দুই-এজন মানুহৰ সমাগম দেখা গৈছে আৰু ঘৰৰ ভিতৰৰ পৰা ওলাই আহিছে এক কৰুণ যন্ত্ৰণাসূচক শব্দ। শব্দটো এগৰাকী তিৰোতাৰ। অসহ্য গাৰ পোৰণিয়ে তহঁৰ জীৱনৰ লগত খেলা কৰিছে। দেহৰ ছট্‌ফটনি দিনে দিনে বাঢ়িবলৈহে ধৰিছে। গাঁৱৰ মানুহবোৰ ঘৰখনলৈ অহা-যোৱা কৰিছে কিন্তু কোনেও তাত বেছি সময় থাকিবলৈ পৰা নাই। কাৰণ তিৰোতাজনী দেখিবলৈ দিনে দিনে ভয়ংকৰ হৈ পৰিছিল। সকলো সময়তে ঘৰখনত এক কান্দোনৰ ৰোল শুনা গৈছিল।

মানুহজনীৰ নাম জয়ন্তী। গুৱাহাটী চহৰৰ ছোৱালী তাই। তাই ধনী মানুহৰ ছোৱালী আছিল। বাস্তৱ জীৱনত কোনো অভাৱ-অনাটনে তাইক স্পৰ্শ কৰিব পৰা নাছিল। চহৰৰ ছোৱালী গাঁৱৰ বোৱাৰী হৈ তাই সাংসাৰিক জীৱন আৰম্ভ কৰিছিল। সৰু কালত সুখত লালিতা-পালিতা জয়ন্তীৰ উপযুক্ত বয়সত উপযুক্ত পুৰুষৰ লগত বিবাহ হয়। জয়ন্তী এই ঘৰখনত সুখেৰে বাস কৰিছিল যদিও তেওঁলোক মানসিকভাৱে সুখী হোৱা নাছিল। কাৰণ বিয়াৰ পাছত বহুদিন তেওঁলোকৰ কোনো সন্তান-সন্ততি হোৱা নাছিল। কিন্তু ঈশ্বৰৰ কৃপাত এইবাৰ জয়ন্তী সন্তান-সম্ভৱা হ'ল।

প্ৰসৱৰ সময়ত জয়ন্তীক গাঁৱৰ চিকিৎসালয়লৈ লৈ যোৱা হ'ল। জয়ন্তীৰ গুৰুতৰ অৱস্থা দেখি ডাক্তৰে তাইক গুৱাহাটীৰ মেডিকেলত লৈ যাব ক'লে। লগে লগে জয়ন্তীৰ গিৰিয়েক দেৱজ্যোতিয়ে গুৱাহাটীলৈ যোৱাৰ বাবে গাড়ীৰ ব্যৱস্থা কৰিলে। কিন্তু কিমান সৌভাগ্য— গাড়ী আহি পোৱাৰ আগতেই জয়ন্তীৰ প্ৰসৱ হ'ল। ল'ৰা সন্তান জন্ম হৈছে। সকলোৰে মুখত আনন্দৰ ৰেঙনি। পিছদিনাখন খবৰ পাই জয়ন্তীৰ মাক-দেউতাকহঁত আহি নাতিয়েকক চাবলৈ। জয়ন্তীক আলপৈচানে ধৰিবলৈ দেৱজ্যোতিৰ ভতিজী এজনী আছিল। সেয়ে জয়ন্তীৰ মাক দেউতাকহঁতে বেছিদিন থকাৰ কথা অনুভৱ নকৰিলে।

সাতদিন মান পিচত জয়ন্তীৰ মাক-দেউতাকহঁত ঘৰলৈ যাবলৈ ওলাল। যোৱাৰ আগতে জয়ন্তীক দেউতাকে কৈছিল— 'আই, তই ভালদৰে থাকিবি। নাতিটোৰ যতন লবি। নাতি ডাঙৰ হ'লে আমাৰ ঘৰলৈ যাবি।' প্ৰায় দুবছৰমান হ'ল জয়ন্তী বাপেকৰ ঘৰলৈ যাব পৰা নাই। সেয়ে দেউতাকৰ কথা শুনি জয়ন্তীৰ মনত এটা আবেগৰ কম্পন অনুভৱ হ'ল। দুটোপাল অশ্ৰু তাইৰ দুগালেদি বাগৰি পৰিল। আঁচলেৰে জয়ন্তীয়ে চকুপানী মচি মাক-দেউতাকক সেৱা কৰিলে। পবিত্ৰ মনেৰে জয়ন্তীয়ে দেউতাকহঁতক বিদায় দিলে। বিদায় মুহূৰ্তত দেউতাকে জয়ন্তীক আকৌ কৈছিল— 'আই, অহা দুৰ্গা পূজাত ককায়েৰ তোক নিবলৈ আহিব তই তাৰ লগতে যাবি।' ককায়েকে নিবলৈ অহাৰ কথা শুনি জয়ন্তীয়ে বৰ আনন্দ অনুভৱ কৰিলে। জয়ন্তীৰ গিৰিয়েক দেৱজ্যোতিয়েও শহুৰ-শাহুৱেকক সেৱা কৰি গাড়ীত উঠাই

দিবলৈ গ'ল।

মাক-দেউতাকহঁত যোৱাৰ প্ৰায় এঘণ্টা মান পাছত জয়ন্তীয়ে গা ধুবলৈ গ'ল। গা ধুই উঠি জয়ন্তীয়ে জুইত ভিজা কাপোৰ এখন সেকিবলৈ লওঁতেই হঠাতে তাই পিন্ধি থকা চিন্থেটিক শাৰীখনত জুই লাগিল। নিমিষতে জুই চাৰিওফালে বিয়পি পৰিল। দেৱজ্যোতিৰ ভতিজীয়ে চেঁচু ফালি চিঞৰাৰ পাছতহে গাঁওবাসী আহি জুই নুমালে। কিন্তু কি হ'ব জয়ন্তীৰ সেই সুশ্ৰী চেহেৰা আৰু নাই। জয়ন্তীৰ উজ্জ্বল টলমলীয়া মুখমণ্ডলৰ বাহিৰে শৰীৰৰ বেছি অংশই পুৰি গৈছিল। জয়ন্তীক এক ভয়ংকৰ পিশাচৰ দৰে দেখা গৈছিল।

শহৰেকেহঁতক গাড়ীত উঠাই দি দেৱজ্যোতি ওচৰৰ বজাৰ এখনলৈ গৈছিল। তৎক্ষণাত গাঁৱৰ এজন মানুহে দেৱজ্যোতিক জয়ন্তীৰ ঘটনাৰ খবৰ দিলেগৈ। দেৱজ্যোতি বিজুলী বেগেৰে ঘৰমুৱা হ'ল। জয়ন্তীৰ সেই ভয়ংকৰ জুয়ে পোৰা দেহটো দেখি দেৱজ্যোতিয়ে হতাশ হৈ চকুলোৰে বাট নেদেখা হ'ল। বিধিৰ কি বিড়ম্বনা ! দেৱজ্যোতিৰ একমাত্ৰ জীৱনসঙ্গী মৰমৰ পত্নী, মৰমৰ সন্তান আৰু আনন্দময় জীৱনলৈ বিষাদৰ কলীয়া ডাৱৰ নামিলে।

জয়ন্তীক তৎক্ষণাত গাঁৱৰ চিকিৎসালয়লৈ লৈ যোৱা হ'ল। বানপানীৰ অসুবিধাৰ কাৰণে জয়ন্তীক দূৰৈৰ ভাল চিকিৎসালয়লৈ লৈ যাব পৰা নগ'ল। যি কি নহওক গাঁৱৰ চিকিৎসালয়তে জয়ন্তীৰ প্ৰয়োজনীয় সকলো চিকিৎসা কৰা হ'ল। কিন্তু ভাল ফল নিদিলে। গাৰ জলনি-পোৰণি দিনে দিনে বাঢ়িবলৈহে ধৰিলে। সেয়ে জয়ন্তীৰ দেউতাকে এজন ভাল কবিৰাজ লৈ আহিল। কবিৰাজজনেও বহুতো চিকিৎসা কৰিলে। কিন্তু ফল নিদিলে। দিনে দিনে দেহৰ সিৰা-উপসিৰাবোৰ সংকুচিত হৈ পৰিছে। খোৱা-বোৱাও বন্ধ হৈ গৈছে। এদিন দোক-মোকালিতে সংসাৰৰ মায়াৰ জালৰ পৰা মুক্ত হৈ সেই কণমানি শিশুটিক স্বামীৰ হাতত গতাই দি জয়ন্তীয়ে চিৰদিনৰ বাবে বিদায় মাগিলে।

মৃত্যুৰ আগমুহূৰ্তত জয়ন্তীয়ে দেৱজ্যোতিক কৈছিল— 'মাইনাটোক চাবা। তাক কেতিয়াও মাতৃৰ অভাৱ অনুভৱ কৰিব নিদিবা।' তেতিয়া দেৱজ্যোতিয়ে কৈছিল — 'কিয়? তুমি !' তেতিয়া জয়ন্তীৰ মুখৰ পৰা শুনা গৈছিল— 'মই আৰু ......।' কথাষাৰ কৈয়ে জয়ন্তীয়ে চকু মুদিলে। সেই সময়ত দেৱজ্যোতিয়ে কান্দি কান্দি পাগলৰ দৰে হৈ পৰিছিল। দেৱজ্যোতিৰ জীৱনসঙ্গী গুচি গ'ল, স্মৃতি হিচাপে ৰৈ গ'ল মাথোঁ সেই কণমানি শিশুটি।

প্ৰিয়তমা পত্নী জয়ন্তীৰ মৃতদেহ চিতাৰ ওপৰত তুলি দিয়াৰ পৰাই দেৱজ্যোতিৰ মন বিষাদেৰে আবৃত হৈ পৰিল। বিষন্ন মনেৰে নিঃসংগ জীৱন বুকুত বান্ধি লৈ দিন নিয়াব ধৰিলে। কেইদিনমান পিছত জয়ন্তীৰ মৃত্যু উপলক্ষে কৰা শ্ৰাদ্ধবিধি আদি কৰি সকলো কাম শেষ হ'ল। দেৱজ্যোতি এতিয়া অকলশৰীয়া। এই সকলোবোৰ ভাগ্যৰ লিখন বুলি ভাবি দেৱজ্যোতিয়ে এইবাৰ শিশুটিক লালন-পালনৰ কথা চিন্তা কৰিলে।

দেৱজ্যোতিয়ে ল'ৰাটিৰ নাম ৰাখিছিল জয়দেৱ। কিয়নো গৰ্ভৱতী অৱস্থাত জয়ন্তীয়ে দেৱজ্যোতিক কৈছিল— 'আমাৰ যদি ল'ৰা সন্তান হয় তাৰ নাম ৰাখিব জয়দেৱ।' (কাৰণ জয়ন্তীৰ 'জয়', দেৱজ্যোতি 'দেৱ' 'জয়দেৱ') ১৫ দিনীয়া শিশু জয়দেৱক মাকে এৰি থৈ যোৱাৰ পিছত আত্মীয়-স্বজনে কিছুদিন লালন-পালন কৰিলে। কিন্তু এতিয়া তেওঁলোকৰ বিতৃষ্ণা উপজিছে। সেয়ে আত্মীয়-স্বজনে দেৱজ্যোতিক দ্বিতীয় বিবাহ কৰিবলৈ অনুৰোধ কৰিলে। কিন্তু দেৱজ্যোতিৰ এইটো কল্পনাৰ বাহিৰত আছিল। সেয়ে দ্বিতীয় বিবাহ কৰিবলৈ মত নিদিলে। কিন্তু দেৱজ্যোতিয়ে দেখিলে দিনে দিনে আত্মীয়-স্বজনেও শিশুটিক লালন-পালনৰ প্ৰতি পিঠি দিছে।

উপায় নাপাই অৱশেষত দেৱজ্যোতিয়ে দ্বিতীয় বিবাহ কৰালে। শিশুটিক মাহীমাকৰ হাতত তুলি দিবলৈ দেৱজ্যোতিৰ অকণো ইচ্ছা নাছিল। কিন্তু কোনো উপায় নাছিল। প্ৰথম অৱস্থাত মাহীমাকে শিশুটিক খুব মৰম কৰিছিল। কিন্তু কেইমাহমান যোৱাৰ পিছত শিশুটিৰ প্ৰতি তাইৰ ঈৰ্ষাৰ ভাৱ জন্মিল। শিশুটিক কোনো যত্ন নোলোৱা হ'ল। উপযুক্ত যত্নৰ অভাৱত এটা সময়ত শিশুটি ৰুগীয়া হৈ পৰিল। পেটৰ কামীহাড়বোৰ ওলাই পৰিল, চকুকেইটাও সোমাই গ'ল, হাত-ভৰিবোৰ নিশকতীয়া হৈ পৰিল।

এনেতে এদিন হঠাৎ শিশুটিৰ জ্বৰ হ'ল। এই জ্বৰে তীব্ৰ ৰূপ ধাৰণ কৰিলে। ডাক্তৰে অশেষ চেষ্টা কৰিলে কিন্তু শিশু জয়দেৱক বচাব নোৱাৰিলে। 'হায় দেৱজ্যোতি ! তোমাৰ জীৱনৰ দ্বিতীয় বস্তু তোমাৰ একমাত্ৰ ল'ৰা জয়দেৱ, সিও তোমাৰ ভাগ্যত নাই।'

পুত্ৰ আৰু পত্নীৰ অকাল বিয়োগত দেৱজ্যোতিৰ জীৱন বিষাদেৰে ভৰি পৰিল। সংসাৰৰ প্ৰতি ঘৃণা উপজিল। মনৰ দুখত সংসাৰ ত্যাগ কৰি বাটে-ঘাটে অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে। কেতিয়াবা মদৰ বটল হাতত লৈ বাটে-ঘাটে পৰি থকাও বহুতে দেখিবলৈ ধৰিলে। ◆



Scanned with CamScanner

# অনুশাসন

মূল ঃ তামিল
গল্পকাৰ ঃ টি, এম্ আব্দুল কাদেৰ



*অসমীয়া ৰূপান্তৰ ঃ*
**নগেন্দ্ৰ নাৰায়ণ দেৱান**
**সহযোগী অধ্যাপক, অসমীয়া বিভাগ**

**স**ন্ধিয়া মছজিদৰ পৰা ভাহি অহা শব্দত ভয় খাই মিনাৰৰ গাঁতত বাহ সাজি থকা এজাক পাৰ চৰাই হঠাতে উৰিবলৈ আৰম্ভ কৰিলে। মোৱাজ্জিনৰ সেই ৰাজকীয় সুৰৰ লগতে প্ৰতিধ্বনিত হ'বলৈ ধৰিলে— 'আল্লাহ আকবৰ, আল্লাহ আকবৰ !' বহুতৰেই কাণত পৰিল সেই উদাত্ত সুৰ। ৰহিমেও শুনিবলৈ পালে। সি অলপ আগতে এইখিনি আহি পাইছে। মুখভৰ্তি ক'লা দাড়ি, মূৰত আউলি-বাউলি কেঁকোৰা চুলি, হাতত লাঠি, কান্ধত ভিক্ষাৰ জোলোঙা। তাৰ জীৱনত কি এনে ঘটিছে যে সংসাৰ ত্যাগ কৰি এই বয়সত ফকিৰ হৈ সি আজি পৃথিৱীৰ বাটে বাটে মুছাফিৰ। নামাজৰ সুৰ শুনি তাক এনেকৈ কিলিত হোৱা দেখা গৈছে কিয় ? এইখন কি তাৰ নিজৰ চহৰ নহয়, য'ৰ পৰা প্ৰায় দহ বছৰ আগতে উদ্‌ভ্ৰান্ত মনেৰে, দুৰ্বিষহ যন্ত্ৰণা বুকুত লৈ— সকলোৰে অলক্ষিতে সি আঁতৰি গৈছিল। এইখন কি সেই ঠাই নহয়, য'ত সি জন্মগ্ৰহণ কৰিছে, য'ত মাক-দেউতাকৰ মৰম-আদৰত লালিত-পালিত হৈছে, য'ত বিয়া-বাৰু কৰাই সি সুখী জীৱন যাপন কৰিছে? এইখনেই সেই ঠাই য'ৰ পৰা উধাও হৈ যোৱাৰ আগমুহূৰ্তত উশাহ লৈছে আৰু এতিয়া প্ৰায় দহ বছৰৰ পিছত ঠিক সেই ঠাইলৈ সি আকৌ উভতি আহিছে। যদিও জাৰ-জহ, আনন্দ-বেদনা আদি

ভোক-পিয়াহ সকলো এতিয়া তাৰ ওচৰত তুচ্ছ; তথাপিও এই কঠোৰ তপস্বীৰ হৃদয়ৰ নিভৃততম বাসনাই তাক আকৌ ওভোতাই আনিছে এই ঠাইলৈ।

অন্যসকলৰ দৰে নামাজৰ কাৰণে সি মছজিদলৈ যোৱা নাই, চহৰৰ বাহিৰত এডাল গছৰ তলত পৱিত্ৰ মনেৰে নামাজ পঢ়িছে। তাৰ পিছত সেই গছৰ তলত এটা মাটিৰ টিপত হেলান দি চকু মুদি ৰাতিৰ আগমনলৈ অপেক্ষা কৰিছে। চকু মুদাৰ লগে লগে তাৰ অজ্ঞাতেই মনটোৱে ঢাপলি মেলিছে সেই পথসমূহলৈ য'ত দহ বছৰ আগতে সি ঘূৰি ফুৰিছিল।

ৰহিমহঁত বৰ ধনী নহ'লেও একেবাৰে দুখীয়াও নহয়। স্বচ্ছল সুখী জীৱন যাপন কৰিব পৰাকৈ প্ৰয়োজনীয় ধন-সম্পদৰ উপাৰ্জন তাৰ আছিল। মাক-দেউতাকৰ একমাত্ৰ প্ৰিয় সন্তান তেতিয়া ৰূপবান এটি তৰুণত পৰিণত হৈছে। ব্যৱসায়ত নিজকে নিয়োজিত কৰি যথেষ্ট ধন উপাৰ্জন কৰিছে। এনে অৱস্থাত মাক-দেউতাকে ল'ৰাৰ লগত মিলা এজনী বিয়া কৰাই দি জীৱনত প্ৰতিষ্ঠিত হোৱা চাবলৈ ইচ্ছা কৰিব— সেয়াই স্বাভাৱিক। কিন্তু বিচৰা আৰু পচন্দৰ পাত্ৰী পোৱা ভিন্ন কথা। দেউতাকে বিচাৰে কোনো ধনী মানুহৰ কন্যাক নিৰ্বাচন কৰিবলৈ; মাকে বিচাৰে অতি ধুনীয়া ছোৱালী। মাক-দেউতাকৰ টনা-আঁজোৰাত পাত্ৰী নিৰ্বাচন কৰোঁতেই দুটি বছৰ পাৰ হৈ গ'ল।

তাৰ পিছত অৱশ্যে বিবাহিত জীৱনত প্ৰৱেশ কৰিবলৈ ৰহিমক বেছি সময় লগা নাই। সৰ্বসন্মতিক্ৰমে সুলাইকাই আছিল তেওঁলোকৰ পচন্দৰ পাত্ৰী। তৰুণ দম্পতিও বৰ সুন্দৰকৈ মিলিছিল, কিয়নো উভয়েই আছিল পৰস্পৰৰ পচন্দৰ ঠিক অনুৰূপ!

তেওঁলোকৰ এই মৰ্ত্যৰ জীৱন তেতিয়া নিঃসন্দেহে স্বৰ্গৰ নন্দন কাননত পৰিণত হৈ উঠিছিল। তথাপিও তৰুণ দম্পতিৰ সেই সুখী জীৱনে ৰহিমৰ মাক-দেউতাকক বিশেষ আনন্দ দিব পৰা নাছিল। বিয়াৰ পিছত দিন, মাহ, বছৰবোৰ বৰ দ্ৰুতগতিৰে পাৰ হৈ গৈছিল কিন্তু তেওঁলোকে তেতিয়ালৈকে সন্তানৰ মুখ দেখা নাই। এই এটি মাত্ৰ কামনাই ৰহিমৰ মাক-দেউতাকক একেবাৰে অস্থিৰ কৰি তুলিছিল। অথচ ই এনেকুৱা সামগ্ৰী, যাক টকাৰ বিনিময়ত কিনিব পৰা নাযায়; কেৱল আল্লাৰ অপাৰ মেহেৰবাণীতেই সেয়া সম্ভৱ। অসীম ধৈৰ্যেৰে অপেক্ষা কৰিও তেওঁলোকৰ সেই বাসনা এনেকুৱা হতাশাত পৰিণত হ'ল যে সমস্ত বন্ধন তেওঁলোকে তুচ্ছ আৰু কৃত্ৰিম বুলি ভাবিবলৈ ল'লে।

দুৰ্ভাগ্যবশতঃ কিছুদিনৰ ভিতৰতেই এজন এজনকৈ দুয়োজনেই অসম্পূৰ্ণ বাসনা লৈয়েই এই পৃথিৱীৰ পৰা বিদায় ল'লে। বিদায়ৰ আগমুহূৰ্তত দেউতাকে সেহাই সেহাই মাত্ৰ ক'লে— "বাচা ৰহিম! মই জানিছোঁ এয়াই মোৰ শেষ কাল। ইমানদিনে সুখেৰেই জীৱন কটালোঁ; মাত্ৰ এটাই দুখ— হায়, নাতিৰ মুখ চাই যোৱাৰ সৌভাগ্য মোৰ নহ'ল। নিজ হাতে নাতিক আদৰ কৰিব নোৱাৰিলোঁ। মই জানো মৰাৰ পিছতো এই অপূৰ্ণ বাসনাই মনক সম্পূৰ্ণৰূপে ঘেৰি ৰাখিব। যেতিয়ালৈ তোমাৰ পুত্ৰ সন্তান জন্ম হোৱা নাই আৰু সি নিজ হাতে মৃত ককাকৰ সুখ-শান্তিৰ কাৰণে মম জ্বলোৱা নাই, তেতিয়ালৈকে কবৰত থাকিও মোৰ আত্মাই একোতেই শান্তি নাপাব।"

স্বাভাৱিকভাৱেই এই শব্দবিলাকে ৰহিমৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে আৰু দিনে ৰাতি সি গভীৰ উৎকণ্ঠাৰে কটাবলৈ ধৰিলে। এসময়ৰ অতি আদৰৰ সুলাইকাৰ প্ৰতি ৰহিমৰ মনোভাব ক্ৰমশঃ একধৰণৰ ঘৃণা আৰু শত্ৰুতাত পৰিণত হ'ল। কাৰণে অকাৰণে তাৰ আচৰণত অৱহেলা আৰু উপেক্ষাৰ চিন স্পষ্ট হৈ উঠিবলৈ ধৰিলে। এই সকলো সুপ্ত অনুভূতি সৰু-সুৰা কাজিয়া, অহেতুক খং আৰু তীক্ষ্ণ কটূক্তিৰ মাজেৰেই এনে ধৰণে প্ৰকাশ পাবলৈ ধৰিলে যে তেওঁলোকৰ একালৰ সুখী জীৱন ক্ৰমশঃ সীমাহীন তিক্ততাৰে ভৰি পৰিল।

ৰহিমৰ জীৱনৰ এই পৰিবৰ্তন এতিয়া একেবাৰে স্পষ্ট। সুলাইকাৰ লগত পৰাপক্ষত সি কথা নকয়। তেওঁৰ সঙ্গ সন্তৰ্পণে এৰাই চলিবলৈ চেষ্টা কৰে।

সুলাইকাৰ সকলো বিভ্ৰান্তিকৰ আৰু ৰহস্যময় বুলি ভাব হয়। সাংঘাতিক কিবা এটা ঘটাৰ আশংকাত মন সন্ত্ৰস্ত হৈ উঠে। তেওঁৰ ইচ্ছা হয় এই নিষ্ঠুৰ অস্বাভাৱিকতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব। কিন্তু এনে অদ্ভুত পৰিস্থিতিত মনে মনে সকলো সহ্য কৰাৰ বাহিৰে তেওঁৰ অন্য কোনো উপায় নাছিল।

ইতিমধ্যে দ্বিতীয় বিবাহৰ কাৰণে ৰহিমে মন স্থিৰ কৰিছিল। পত্নীৰ পৰা কোনো বাধা নোপোৱাত নতুন পাত্ৰীও নিৰ্বাচন কৰিছিল। তেওঁলোকৰ ওচৰ-চুবুৰীয়া পিচাইৰ সুলক্ষণা কন্যা হাতিজা। দুখীয়া যদিও ছোৱালীজনী অতি ৰূপহী। কঠোৰ পৰিশ্ৰম কৰে কাৰণে স্বাস্থ্য সুগঠিত, নিটোল।

দুয়োপক্ষৰ মাজত মত বিনিময়েই নহয়, বিয়াৰ দিন পৰ্যন্ত খটাং হৈছিল। এই খবৰ সুলাইকাৰ কাৰণে অতি মৰ্মান্তিক। ধৈৰ্যৰ সকলো বান্ধ চিঙি তেওঁৰ অন্তৰ একেবাৰে বিদ্ৰোহী হৈ উঠিল। মনে মনে স্থিৰ কৰিলে সতিনী হিচাপে কাকো ঘৰত প্ৰৱেশ কৰিবলৈ নিদিয়ে। যদিও আইনত প্ৰয়োজনবোধে দুই বা ততোধিক বিয়াৰ অনুমতি দিয়া হৈছে, কিন্তু ভৰণ-পোষণৰ কাৰণে প্ৰয়োজনীয় স্বাচ্ছন্দ্য আৰু সামৰ্থ থাকে। ৰহিমৰ অৱশ্যে সেয়া



Scanned with CamScanner

যথেষ্ট পৰিমাণেই আছিল।

তথাপিও এই বিদ্ৰোহী মনোভাৱৰ কাৰণে সুলাইকাকো দোষ দিয়া নাযায়। কেৱল মনেৰে ভবাই নহয়; এদিন তেওঁ স্বামীৰ মুখামুখি থিয় হ'ল আৰু তেওঁক পোনপটীয়া উত্তৰ দিবলৈ বাধ্য কৰিলে। নিয়মানুযায়ী ৰাতিৰ গাখীৰখিনি নাখাই ৰহিমে নিজে যেতিয়া বাৰান্দাত বিচনা পাৰিবলৈ যাব খুজিলে দুৱাৰমুখতে ৰখালে।

—"ৰ'বা, মোৰ কেইটামান কথা আছে। আজিকালি তুমি মোৰ পৰা কিয় আঁতৰি ফুৰা?"

— "তাৰমানে ! তুমি কি মোৰ সৈতে ঠাট্টা কৰিছা?"

—"নাই, ঠাট্টা কৰা নাই। তুমি দ্বিতীয় পত্নী আনিবা কিয়?"

— "কিয় আনিম সেয়াতো তুমি ভালদৰেই জানা !"

— "নাই, মই নাজানোঁ ! মই নাজানোঁ তুমি কিয় নিষ্ঠুৰৰ দৰে আচৰণ কৰিছা ! মই এনে কি অন্যায় কৰিছোঁ যে তুমি মোক এনেদৰে শাস্তি দিছা?"

— "তোমাৰ মাজত নাৰীত্ব বোলা কিবা থাকিলে তুমি নিজেই বুজিব পাৰিবা।"

এইদৰে কৈয়েই ৰহিমে ঘৰৰ পৰা ওলাই গ'ল। অপমান আৰু দুঃসহ যন্ত্ৰণাত সুলাইকাই হুক হুককৈ কান্দি দিলে আৰু ক'লে— "আজি তুমি মোক ইমান ডাঙৰ কথা ক'ব পাৰিলা ! আন কোনোবাই ক'লে মই একো নাভাবিলোহেঁতেন। কিন্তু যাক জীৱনৰ পৰাখিনি সকলো উজাৰি দিছোঁ, যাক মই উপাস্যজনৰ দৰেই মানি আহিছোঁ আজি সেইজনেই কয় মোৰ মাজত নাৰীত্ব বুলি একো নাই ! ঠিক আছে— মোৰ সমস্ত ভালপোৱাৰ নামত, সৰ্বশক্তিমান আল্লাৰ নামত তোমাক জনাই থওঁ — মই জীয়াই থকালৈকে তোমাক আন কাকো বিয়া কৰাবলৈ নিদিওঁ।"

সিদিনা বহু ৰাতিলৈকে ৰান্ধনীঘৰৰ পৰা ভাহি আহিল সুলাইকাৰ ফোঁপনি আৰু দীৰ্ঘ নিশ্বাসৰ শব্দ। যথাৰীতি সূৰ্য উদয়ৰ আগতে মছজিদৰ পৰা ভাহি আহিল আজানৰ সুৰ। শেষ ৰাতি সুলাইকাই য'ত শুইছিল— সেই ৰান্ধনীঘৰৰ পৰা ওলাই আহোঁতে কবৰৰ পৰা কোনোবা অশৰীৰী প্ৰেতাত্মা ওলাই অহা যেন লাগিছিল। ৰহিমক তেওঁ দেখা নাপালে ! বিশেষ মনোযোগ দিব নোৱাৰিলেও ঘৰৰ দৈনন্দিন কাম-কাজ কৰি গ'ল।

সিদিনা ৰহিম ঘূৰি নাহিল; আনকি পিছদিনাও। সুলাইকা বৰ উদ্বিগ্ন হৈ উঠিল— ক'লৈ যাব পাৰে? অদ্ভুত অদ্ভুত আশংকাত বুকুৰ ভিতৰখন কঁপি উঠিবলৈ ধৰিলে। সকলো সময়তে চকুলো ওলাবলৈ ধৰিলে। তৃতীয়দিনা ৰাতিপুৱা প্ৰায়



দহৰজাত এজাক ছোৱালী হৈ চৈ কৰি তেওঁলোকৰ ঘৰত প্ৰবে[illegible] কৰিলে। দেখি সুলাইকা বৰ অবাক হ'ল। কিন্তু কাৰোবাক কি[illegible] সোধাৰ আগতেই তেওঁৰ মাকে বুকুত ভুকুৱাই ভুকুৱাই চিএ[illegible] চিএৰি কান্দি দৌৰি আহিল — "হায়, হায়, এয়া মোৰ কি[illegible] সৰ্বনাশ হ'ল ঐ ! শেষত তোৰ কপালত এয়াহে লিখা আছি[illegible] নে সুলাইকা ! গোটেই জীৱন তোক অতি আদৰ-যত্নেৰে মানু[illegible] কৰিছোঁ— চকুৰ মণিৰ দৰে তোক আলফুলকৈ ৰাখিছোঁ— আ[illegible] আজি তোৰেই এই দশা ! তোৰ জীৱনটো ইমান সোনকালে[illegible] এইদৰে হঠাতে শেষ হৈ যাব বুলি সপোনতো ভবা নাছিলোঁ।"

সুলাইকাই এইবোৰ একোৱে বুজিব পৰা নাই। বৃদ্ধা মাক[illegible] ডিঙিত দুহাতেৰে সাবটি ধৰি সুধিলে— "কিয়, তেওঁৰ কি হৈছে[illegible] কি ঘটনা? মনে মনে আছা কিয়? কোৱা?" এজনী কম বয়সীয়া মহিলাই একাষৰীয়াকৈ মাতি নি সৰু মাতেৰে ক'লে— "তেওঁ[illegible] তোক তালাক দিছেও সুলাইকা। তই কিয় তেওঁৰ দ্বিতীয় বিয়া[illegible] কথাত এনেকুৱা জেদাজেদি কৰিবলৈ গ'লি? এতিয়া তেওঁ তোক[illegible]

জীৱনটোকেই একেবাৰে বৰবাদ কৰি দিলে !"

"তালাক ! তেওঁ মোক তালাক দিছে?"— ইয়াৰ বেছি তেওঁ এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে। সুলাইকাৰ ভাব হ'ল পৃথিৱীখন যেন টুকুৰা-টুকুৰ হৈ ভাঙি পৰিছে চকুৰ সন্মুখত; লোপ পাইছে সমস্ত চেতনা শক্তি! ঘৰখনত মানুহৰ ভিৰ হৈছে আৰু করুণ বিলাপেৰে ভৰি পৰিছে।

ইমানদিনে যিখন ঘৰত সুলাইকা আছিল সৰ্বময়ী গৰাকী এতিয়া সেই ঘৰখনকে এৰি যোৱাৰ সময় হ'ল। যিহেতু এয়া আইনৰ নিৰ্দেশ তেওঁ তাক মানিবই লাগিব। তেওঁক নিবলৈ বুলি দিয়া গৰু গাড়ী অনা হৈছে। গাড়ীৰ ভিতৰৰ পৰা ঘৰৰ ফালে চালে, এদিন যিখন ঘৰ আছিল তেওঁৰ নন্দন-কানন। অবৰ্ণনীয় বেদনা আৰু অন্তৰ্দাহত সৰ্বাঙ্গ জ্বলি গৈছে। আনকি গোহালিৰ গাইজনীও স্নেহময়ী গৰাকীৰ বিদায় বেদনাত যেন মৰ্মাহত হৈ পৰিছে। অৱশেষত বিক্ত, অসহায় সুলাইকাক লৈ গাড়ীখন লাহে লাহে এটা সময়ত বাটৰ কেঁকুৰিত অদৃশ্য হৈ পৰিল।

ইফালে দ্বিতীয়বাৰ বিয়া কৰাই ৰহিমে নতুন কইনা হাতিজাক ঘৰলৈ লৈ আহিল। মৰম-ভালপোৱাৰে পৃথিৱীখনকে স্বৰ্গ কৰি তুলিলে। অতি সুখেৰে দুয়ো হাতত ধৰাধৰি কৰি জীৱনৰ নতুন পথেৰে আগবাঢ়ি গ'ল। অৱশ্যে সুলাইকাৰ ভাবনাই মাজে সময়ে ৰহিমৰ মনক বিব্ৰত কৰি তুলিছে যদিও সেই অলস বিলাসিতাক তেনেকৈ প্ৰশ্ৰয় দিয়া নাই, কিয়নো তেওঁ তেতিয়া তৰুণী ৰূপহী হাতিজাৰ সৈতে স্বৰ্গীয় সুখত একেবাৰে আপ্লুত।

যদিও দেউতাকৰ ঘৰত সুলাইকাৰ কাৰণে মৰম-চেনেহ, অৰ্থ-সম্পদ আনকি জাক-জমকতাৰো কোনো অভাৱ নাছিল, তথাপি নিজকে স্বামী পৰিত্যক্তা এটি ভগ্ন জীৱনৰ প্ৰতীক বুলি ভাব হৈছিল। ভাব হৈছিল তেওঁ আৰু কোনোদিনে তেওঁৰ সমবয়সীয়া অন্য নাৰীৰ মাজত শিৰ উচ্চ কৰি আগবাঢ়ি যাব নোৱাৰিব। বিনা দোষত নিয়তিয়ে তেওঁক এই ঘৰত বন্দী হৈ থকাৰ শাস্তি দিছে। কেৱল বৃদ্ধ মাক-দেউতাকেই নহয়, তেওঁ নিজেই নিজৰ কাৰণে এটা বোজা। যেতিয়া অকলে থাকে এই বেদনাদায়ক ভাবনাবোৰে চকু সজল কৰি তোলে।

কিছুদিন আগতে ৰহিমে যি কৰিছিল, তেনে এটা পৰিস্থিতিত এজন মানুহে তাৰ বাহিৰে আৰু কিয়েইবা কৰিব পাৰে? কিন্তু সপোনতো ভাবিব পৰা নাছিল, তাৰ ভাগ্যতো তেনে ঘটিব পাৰে? তাৰ তৰুণী ৰূপহী হাতিজাৰ লগত চৰম বিচ্ছেদৰ বাবে সি একেবাৰে প্ৰস্তুত নাছিল। কিন্তু বিনামেঘে বজ্ৰপাতৰ দৰেই দ্বিতীয়বাৰৰ কাৰণে পাৰিবাৰিক জীৱন একেবাৰে ছিন্ন-ভিন্ন হৈ গ'ল। ৰহিমক এটি পুত্ৰ সন্তান উপহাৰ দি হাতিজা চিৰদিনৰ কাৰণে আঁতৰি গ'ল।

— "হায়, যি সন্তান লাভৰ কাৰণে মই মোৰ সমস্ত চেতনাক শ্বাসৰুদ্ধ কৰিছো; নিজৰ বিবাহিতা স্ত্ৰীৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছোঁ; আজি সেই সন্তান লাভৰ পিছতো মই পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব ! কিন্তু ল'ৰাৰ মাক যিয়ে বুকুৰ গাখীৰ খুৱালেহেঁতেন, এতিয়া তেওঁ এটি মৰাশ'! কোনে তাৰ যত্ন ল'ব, কোনে লালন-পালন কৰিব? পৰিত্যক্ত নিঃসঙ্গ জীৱন যাপনৰ কাৰণে এই পৃথিৱীত মই অকলে বাচি থাকিলোঁ। আহ, মোৰ এই সীমাহীন দুখ-বেদনাৰ ভাগ ল'বলৈ কোনো নাই। সকলো দিশ কেৱল গাঢ় অন্ধকাৰেৰে পূৰ্ণ।" কণমাণি শিশুটিক বুকুৰ মাজত আঁকোৱালি লৈ অসহায় ৰহিমে উন্মাদৰ দৰে নিজকে নিজে ক'বলৈ ধৰিলে।

সুলাইকাৰ ধনী পিতৃ, যাৰ গৰ্ব আৰু অহমিকাৰ একেবাৰে মৰ্মস্থলত আঘাত লাগিছিল, তেওঁ চুপচাপ বহি থকা নাছিল। এজন অৱস্থাপন্ন আৰু দেখনিয়াৰ ডেকাৰ লগত তেওঁৰ মৰমৰ জীয়াৰী সুলাইকাৰ নিকাহৰ সকলো ব্যৱস্থা কৰিছিল। সমস্ত পৰিকল্পনা তেওঁ ইমান সংগোপনে কৰিছিল যে জীয়েকে এই সম্পৰ্কে একোৱে জনা নাছিল। নিকাহৰ মাত্ৰ কেইদিনমান আগতে সুলাইকাই কথাটো অনুমান কৰিব পাৰিছিল। মাকৰ ওচৰত অশেষ কাকুতি-মিনতি, কন্দা-কটা কৰি অনুৰোধ জনাইছিল দেউতাক যেন এই পৰিকল্পনাৰ পৰা বিৰত থাকে। কিন্তু বহু চেষ্টাৰ পিছতো দেউতাক পৰ্বতৰ দৰে অচল অটল হৈ আছিল।

ডেকাজনৰ বয়স চল্লিশ। সুগঠিত আৰু কৰ্তৃত্বসুলভ চেহেৰা। চাৰিতলীয়া অট্টালিকাৰ গৰাকী, কেবা লাখ টকাৰ সম্পত্তি। সামাজিক ক্ষেত্ৰত তেওঁৰ যথেষ্ট সুনাম আছে। এনেহেন ডেকাৰ লগত বিয়াত বহিবলৈ ছোৱালীয়ে আগ্ৰহ কৰাটোৱেই স্বাভাৱিক। কিন্তু সুলাইকাই এই প্ৰস্তাৱত কোনো মতেই সন্মতি দিব পৰা নাই। "মোক প্ৰত্যাখ্যান কৰিলেও, তেৱেঁই মোৰ বাবে আটাইতকৈ কোমল হৃদয়ৰ শ্ৰেষ্ঠ পুৰুষ, সততাৰ পৰম আদৰ্শ। তেন্তে মই আকৌ কিয় বিয়া হ'বলৈ যাম?" — সকলোকে তেওঁ বুজাবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ কথা কোনেও নুশুনিলে।

ৰহিমে সোনকালেই খবৰটো পালে। যি মূৰ্তিক আদৰ্শ হিচাপে এদিন মনৰ সংগোপনে আৱৰি ৰাখিছিল, এতিয়া সেই মূৰ্তিটো ভাঙি টুকুৰাটুকুৰ হৈ যাব বুলি জানি তেওঁৰ মন বিষণ্ণতাৰে ভৰি পৰিল। লগতে ভীষণ ক্ৰোধ আৰু হতাশাই তাক একেবাৰে ক্ষিপ্ত কৰি তুলিলে। — "নহয়, নহয় ! সুলাইকা মোৰ ! মাথোঁ



Scanned with CamScanner

মোৰ ! তেওঁ অন্য কাৰোবাৰ লগত বিয়াত বহিব ? সঁচাই ? নাই নাই, অসম্ভৱ ! এয়া হ'ব নোৱাৰে, হোৱা একেবাৰেই উচিত নহয় !" মানসিক এই বিক্ষুব্ধতাৰ মাজতো হঠাৎ এটা সম্ভাৱনাৰ কথা মনলৈ অহাত অবাক হৈ গ'ল। যি সমস্যাই তেওঁক আটাইতকৈ বেছি ক্ষত-বিক্ষত কৰিছিল, তাৰ যে সহজ সমাধান সম্ভৱ— ভাবোঁতেই তেওঁৰ সৰ্বশৰীৰ ৰোমাঞ্চিত হৈ উঠিল। এখন্তেক সময়ো নষ্ট নকৰি প্ৰাথমিক পদক্ষেপ হিচাপে তেওঁ প্ৰথমে উলেমাৰ ঘৰলৈ গ'ল। উলেমা ধৰ্মীয় গুৰু, কোৰান সম্পৰ্কিত আইনৰ সৰ্বময় কৰ্তা।

সম্মানোচিত কুৰ্ণিশ জনাই ৰহিমে নিজৰ পৰিচয় দিলে। তেওঁৰ সৰ্বাঙ্গত এবাৰ চকু ফুৰাই উলেমাই প্ৰশ্ন কৰিলে,

— "কি লাগে?"

— "যোৱা বছৰ ৰমজানৰ সময়ত মই মোৰ স্ত্ৰী সুলাইকাক তালাক দিছিলোঁ।"

ইমান খৰকৈ আৰু পোনপটীয়া ভাষাত ৰহিমে কথাখিনি ক'লে যেন তেওঁৰ অলপো বিলম্ব সহ্য নহয়।

— "তাৰ পিছত মই দ্বিতীয়বাৰ হাতিজাক বিয়া কৰাওঁ, কিন্তু এটি কণমানি শিশু এৰি তেওঁ মৃত্যুবৰণ কৰে। এতিয়া এই শিশুটিৰ কাৰণে এজনী মাকৰ প্ৰয়োজন। আপুনি মাথোঁ অনুগ্ৰহ কৰি কওক মই সুলাইকাক আকৌ বিয়া কৰাব পাৰোনে?"

— "কেতিয়াও নোৱাৰা।" উলেমাই মৃদু হাঁহি মাৰিলে আৰু ক'লে— "ছোৱালীবিলাক বজাৰৰ পণ্য নহয় যে যেতিয়া মন যায় তুমি বিয়া কৰাবা আৰু যেতিয়া মন যায় তালাক দিবা। সুলাইকাক তালাক দিয়াৰ আগতে তুমি এবাৰ ভাবি চোৱা উচিত আছিল। বহু পলম হৈ গ'ল। এতিয়া আৰু সেয়া সম্ভৱ নহয়।"

মনৰ মাজত গঢ়ি তোলা প্ৰাসাদ আৰু এবাৰ ভাঙি চুৰমাৰ হৈ গ'ল, কোনোমতে বিষন্নতা আঁতৰাই তেওঁ সুধিছে— "কোনো উপায়েৰে তেওঁক আৰু ঘূৰাই পোৱা সম্ভৱ নহয়?" — "নহয় ! অৱশ্যে তুমি ইচ্ছা কৰিলে আন কাৰোবাক নিশ্চয় বিয়া কৰাব পাৰা।"

— নহয়, নহয় ! সুলাইকাৰ বাহিৰে মই আন কাকো বিয়া কৰোৱাৰ কথা ভাবিব নোৱাৰোঁ।"

তেওঁৰ সেই কৰুণ আকুতিয়ে সম্ভৱতঃ উলেমাৰ হৃদয় স্পৰ্শ কৰিছিল। সেয়ে তেওঁৰ পিঠিত হাত থৈ কোমল মাতেৰে ক'লে,

— "একেবাৰে হতাশ নহ'বা। এটা সমাধান আছে। অন্য কাৰোবাৰ স্ত্ৰী হোৱাৰ পিছত তেওঁ যদি তালাক দিয়ে তেতিয়া তুমি তেওঁক আকৌ বিয়া কৰাব পাৰিবা। ইয়াত আইনৰ কোনো বাধা নাই।"

আইনৰ এই অনুশাসনে আঘাত কৰি কৰি ৰহিমক প্ৰায় ৰক্তাক্ত কৰি তুলিলে, জীৱনটো যেন তেওঁৰ কাৰণে দুৰ্বিসহ হ'ল।

বিৰাট জাক-জমক আৰু আড়ম্বৰেৰে পতা সুলাইকাৰ দ্বিতীয় বিবাহে ৰহিমৰ বিষন্নতাক আৰু গাঢ় কৰি তুলিছিল। আনহাতে সুলাইকা স্থিৰ হৈ আছিল। এই ক্ষেত্ৰত তেওঁ মাথোঁ নিষ্প্ৰাণ পুতলাৰ দৰে নিতান্ত লৌকিকতাখিনি পালন কৰি গৈছিল। দ্বিতীয় স্বামীৰ প্ৰতি তেওঁৰ ভালপোৱা বা বিতৃষ্ণা একোৱে নাছিল।

ইব্ৰাহিম শ্বাহ সম্পূৰ্ণ নিৰ্লিপ্ত আৰু উদাৰচেতীয়া প্ৰকৃতৰ মানুহ। প্ৰেম-ভালপোৱা নাইবা পাৰিবাৰিক কথাতকৈ নিজৰ ব্যৱসায়ৰ উন্নতিৰ প্ৰতি তেওঁৰ নজৰ আছিল বেছি। পত্নীৰ কোনো কথাতেই তেওঁ মূৰ নঘমাইছিল। নহ'লে কি ৰহিমৰ দ্বিতীয় পক্ষৰ ল'ৰা গফুৰৰ তেওঁলোকৰ ঘৰলৈ অহা-যোৱা কৰা আৰু সুলাইকাই তাক গভীৰ মমতাৰে মৰম কৰাটো সম্ভৱ হ'লহেঁতেন? এয়া লক্ষ্য কৰিও ইব্ৰাহিমে নেদেখাৰ দৰে আছিল। ইমান উদাৰ মানুহ আজিকালি সঁচাই দুৰ্লভ।

গফুৰৰ বয়স তেতিয়া পাঁচ বছৰ। সি যে ৰহিমৰ ল'ৰা সেয়া সুলাইকাই প্ৰথম দেখাতেই অনুমান কৰিব পাৰিছিল। দেখাত, শাৰীৰিক গঠনত আৰু খোজ-কাটিলত সি হুবহু দ্বিতীয় ৰহিম। স্কুললৈ অহা-যোৱা কৰোঁতে সুলাইকাই প্ৰতিদিনে তাক দেখিছিল আৰু নিজ সন্তানৰ দৰে তাক বুকুৰ মাজত সুমুৱাই লৈ মৰম কৰাৰ তীব্ৰ বাসনা অনুভৱ কৰিছিল। পিছলৈ সুলাইকাই প্ৰতিদিনে তাৰ কাৰণে অপেক্ষা কৰিছিল, তাক লগ পালে বৰ মৰম-আদৰ কৰিছিল। প্ৰতিদানত গফুৰৰ মুখৰ আম্মা শব্দই গোটেই অন্তৰ সুৰৰ ঝঙ্কাৰেৰে ভৰাই তুলিছিল। তেওঁ যে সন্তানহীনা সেইকথা সম্পূৰ্ণৰূপে পাহৰাই দিছিল।

সুলাইকা আৰু গফুৰৰ কথা জানি ৰহিম বৰ আনন্দিত হ'ল। তেওঁৰ ভাব হ'ল সকলোবোৰ যেন তেওঁ ভবামতেই ঘটিব ধৰিছে। তাৰ এই মতিচ্ছন্নতাই তাক আৰু অলপ দুঃসাহসী কৰি তুলিলে। সুলাইকা তাৰ তালাকপ্ৰাপ্তা স্ত্ৰী হ'লেও আইনমতে তেওঁ এতিয়া আনৰ বিবাহিতা স্ত্ৰী। সম্পূৰ্ণ নীতি গৰহিতভাৱে তেওঁক আকৌ বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে। সৌভাগ্যবশতঃ নিজে কথাৰ যোৱাৰ দৰে মূৰ্খামি কৰা নাই। গফুৰৰ মুখেৰেই সেই কথা কোৱা হৈছিল। কণমানিটোৰ মুখত সেই কথা শুনি সুলাইকাই প্ৰথমে হাঁহি দিছিল আৰু পিছত চকুলো টুকিছিল। গফুৰৰ মুখেৰেই সুলাইকাই ৰহিমক জনাইছিল— "এতিয়া আৰু বিচ্ছেদৰ দুখ মোৰ নাই। মাথোঁ কৰ্তব্যখিনি কৰি যোৱাৰ কাৰণেই জীয়াই আছোঁ। তোমাক সুখী কৰিব নোৱাৰাৰ বাবে সঁচাই দুঃখিত।"

কিন্তু ইয়াৰ দ্বাৰা সাংঘাতিক ক্ষতি হ'ল গফুৰৰ। ক্ৰোধ প্ৰকাশৰ পন্থা হিচাপে ৰহিমে তেতিয়াৰ পৰাই তাক সুলাইকাৰ ওচৰলৈ যোৱাটো বন্ধ কৰি দিয়ে। আব্বাৰ কঠোৰ নিৰ্দেশ পালন কৰাৰ বাহিৰে সৰু ল'ৰাটোৰ অন্য কোনো উপায় নাছিল। বেচেৰী সুলাইকাই বা কি কৰিব? তেওঁতো জুইৰ চাৰিওফালে উৰি থকা এটি পতঙ্গ। আবেগ বিহ্বল অন্তৰৰ পৰা ওলাল মাথোঁ দীৰ্ঘশ্বাস। তেওঁ ভালদৰেই বুজি পালে এয়া সকলো তেওঁৰ নিয়ন্ত্ৰণৰ বাহিৰত। এতিয়া মনে মনে সহ্য কৰাৰ বাহিৰে কোনো উপায় নাই।

আল্লা তালাহে অৱশ্যে এই দুৰ্বিষহ অৱস্থা বৰ দীঘলীয়া কৰিব খোজা নাই। কিছুদিনৰ পিছতেই গফুৰ সাংঘাতিক ধৰণে অসুস্থ হৈ পৰিল। তীব্ৰ-কঁপে উঠা জ্বৰৰ কাৰণে "আম্মা, আম্মা" বুলি চিঞৰি উঠি প্ৰায়েই জ্ঞান হেৰুৱাবলৈ ধৰিলে। মৰ্মন্তুদ সেই দৃশ্য! সেই করুণ বিলাপে ৰহিমৰ হৃদয়ত হাতুৰিৰ দৰে নিৰ্মম আঘাত কৰিছিল। সুলাইকাই গোপনে টোকা চকুপানী আৰু ৰহিমৰ কাতৰ আবেদনতো কোনো ফল নহ'ল। হাকিমৰ ঘৰত উবুৰি খাই পৰিও শিশু গফুৰক ৰক্ষা কৰিব নোৱাৰিলে; মৃত্যুৰ শীতল হাতে তাক চিৰদিনৰ বাবে কাঢ়ি লৈ গ'ল। গফুৰবিহীন পৃথিৱীখন ৰহিমৰ কাৰণে গাঢ় অন্ধকাৰ আৰু বিষাদেৰে ভৰি পৰিল। তীব্ৰ অনুশোচনাত, সীমাহীন বেদনাত ৰহিমৰ বুকুৰ ভিতৰখন ছিন্ন-ভিন্ন হৈ গ'ল। জুইৰ প্ৰচণ্ড উত্তাপে যেন সৰ্বশৰীৰ পুৰিবলৈ ধৰিলে। অৱশেষত সি স্থিৰ কৰিলে, চল্লিশ দিন পিছত মৃতকৰ শান্তিৰ কাৰণে অনুষ্ঠানখিনি হৈ গ'লেই বহু দূৰলৈ, অজান কোনো দেশলৈ গুচি যাব।

চল্লিশ দিনৰ ৰাতি ৰহিম কবৰখানালৈ বুলি ৰাওনা হ'ল। তাৰ চকুৰ পানী শুকাই গৈছে। সম্ভৱতঃ অলপো অৱশিষ্ট নাই নতুবা দুখ-কষ্টই শেষ সীমাত উপনীত হৈছে। ফুলৰ এটি তোৰা লৈ নিঃশব্দে আগুৱাই গ'ল। চাৰিওফালে অন্ধকাৰ। কবৰখানাত উপস্থিত হৈ গফুৰৰ কবৰটো ক'তো দেখা নাপালে। কি কাণ্ড! কবৰটো ক'ত? কবৰ ৰক্ষক আগবাঢ়ি আহি দেখুৱাই দিলে। ৰহিম বিস্ময়ত হতবাক হৈ গ'ল। স্তৰে স্তৰে সজাই ৰখা সতেজ ফুলেৰে সৰু কবৰটো একেবাৰে ঢাক খাই গৈছে। চন্দন আৰু ধূপৰ সুগন্ধই বায়ু সুৰভিত কৰিছে।

—"এয়া কি? মোৰ আগতে কোনে আহি কবৰটো ইমান সুন্দৰকৈ সজাইছে?"

তাৰ সেই বিস্ময় উক্তিৰ উত্তৰত কবৰ ৰক্ষকে ক'লে— "জনাব, এই চহৰৰ আটাইতকৈ ধনী ইব্ৰাহিম শ্বাহৰ বিবি সুলাইকাই। এই অলপ আগতে সকলোখিনি আচাৰ-অনুষ্ঠান সামৰি তেওঁ গৈছে।"

